# সূত্রধাৰ

১৬-৩১ মে', ১৯৯২ ◻ সাত টকা



## অসমত ইলেকট্ৰনিক উদ্যোগৰ সম্ভাবনা

## শীতল যুদ্ধৰ অন্তত দক্ষিণ এচিয়াৰ নিৰাপত্তা

## প্ৰদূষণৰ ৰাজনৈতিক আৰু অৰ্থনৈতিক তাৎপৰ্য্য

বিষয়-সূচী

# সূত্রধাৰ


চতুৰ্থ বছৰ, নৱম সংখ্যা
১৬-৩১ মে', ১৯৯২
VoL. IV No.9
16–31 May, 1992



প্ৰচ্ছদ নিবন্ধ

### অসমৰ পটভূমিত ইলেকট্ৰনিক উদ্যোগ ঃ আশা আৰু আশঙ্কা ◻ ৬

কুৰি শতিকাৰ শেষভাগত পশ্চিমীয়া দেশ আৰু লগতে পূব এচিয়াৰ দেশসমূহত মানুহৰ সঙ্গী হৈছে এক বিশেষ ৰূপৰ যন্ত্ৰ। ইলেকট্ৰনিক যন্ত্ৰ। অসমতো ১৯৮৪ চনত 'অসম ইলেকট্ৰনিক উন্নয়ন নিগম' প্ৰতিষ্ঠা হৈছে। অসমৰ পটভূমিত ইলেকট্ৰনিক উদ্যোগৰ আশা আৰু আশঙ্কাৰ বিষয়ে সবিশেষ আগবঢ়াইছে ড° অমৰজ্যোতি চৌধুৰীয়ে তেখেতৰ প্ৰচ্ছদ নিবন্ধত

লগতে

'অসম ইলেকট্ৰনিকচ্ উন্নয়ন নিগম' তথা আমট্ৰন'ৰ পৰিচালন সঞ্চালক ড° দেৱদাস কাকতিৰ সৈতে এক সাক্ষাৎকাৰ আগবঢ়াইছে দেবব্ৰত বৰগোহাঞিয়ে

বিশেষ নিবন্ধ

### প্ৰদূষণ ঃ অৰ্থনৈতিক আৰু ৰাজনৈতিক তাৎপৰ্য ◻ ১৫

বিশ্ব পৰিমণ্ডলৰ দূষিত পৰিবেশে পৃথিৱীৰ সকলো চিন্তাশীল ব্যক্তিকে চিন্তিত কৰিছে। নিতে নব আৱিষ্কাৰেৰে বিংশ শতাব্দীক চমক লগোৱা বিজ্ঞানীসকলৰ সমুখত পৰিবেশ প্ৰদূষণ নিয়ন্ত্ৰণেই আজি আটাইতকৈ ডাঙৰ প্ৰত্যাহ্বান। প্ৰদূষণৰ অৰ্থনৈতিক আৰু ৰাজনৈতিক তাৎপৰ্য ব্যাখ্যা কৰিছে গীতিমল্লিকা শইকীয়াই তেখেতৰ বিশেষ নিবন্ধত

ধাৰাবাহিক উপন্যাস/১

কালচক্ৰ ঃ সন্ধিক্ষণ ◻ ডাঃ আনন্দেশ্বৰ বৰঠাকুৰ ◻ ৪৬

স্মৃতিচাৰণ

লগপোৱা কেইজনমান নেতাৰ ব্যক্তিত্বৰ পৰিচয় ◻ গোলাপ বৰবৰা ◻ ৩৩

প্ৰবন্ধ

ব্যক্তিৰ মনৰ স্বাধীনতা, মাৰ্ক্সবাদ আৰু লৰেন্স ◻ কুমুদ বৰুৱা ◻ ৩৫

গ্ৰন্থজগত

কবিতাত প্ৰতিবাদী কণ্ঠস্বৰ ◻ নলিনীধৰ ভট্টাচাৰ্য ◻ ৫২

জনজাতি

অসমৰ ভূমিহীন জনজাতীয় কৃষিশ্ৰমিকৰ সমস্যা ◻ ড° যতীন মিপুন ◻ ৪৪

যুৱমানস

এটি নিশাৰ কাহিনী ◻ নিতালী বৰগোহাঞি ◻ ৪১

বিচিত্ৰা

হস্তৰেখাৰ সপক্ষে ◻ ডাঃ মৃদুল গীগে ◻ ৫৫

ভ্ৰমণ

ঢকুৱাখনা ঃ প্ৰসংগ 'নবীন'ৰ ৬ষ্ঠ বাৰ্ষিক অধিবে ◻ পুতলী কায়স্থ ◻ ৫৭

বিশেষ নিবন্ধ

মানৱ সভ্যতা আৰু সংস্কৃতি অতীত, বৰ্তমান আৰু ভৱিষ্যৎ ◻ ড° পবিত্ৰ কুমাৰ শৰ্মা ◻ ১৯

মতামত

অসমৰ কয়লা উদ্যোগৰ ভিতৰ-চ'ৰা ◻ যোগানন্দ গীগে ◻ ৫৯

বিশেষ নিবন্ধ

প্ৰযুক্তিবিদ্যা আৰু কৰ্মসংস্কৃতি ◻ নলীন বৰঠাকুৰ ◻ ২১

বিশ্ব-পৰিক্ৰমা

শীতল যুদ্ধৰ অন্তত দক্ষিণ এচিয়াৰ নিৰাপত্তা ◻ আবু নাছাৰ চাঈদ আহমদ ◻ ২৪

নেপথ্য-দৰ্শন

'আহোম হওক! আহোম!!' ◻ ছদ্মবেশী ◻ ৩০

চিঠি ৪
সম্পাদকীয় ৫
চিনেমা ৬০
এক পৃষ্ঠা ৬২


বেটুপাতত ব্যৱহৃত ফটো ◻ আমট্ৰনৰ সৌজন্য


সম্পাদক (অবৈতনিক)
হোমেন বৰগোহাঞি
সম্পাদনা সহকাৰী
মালবিকা পাঠক
কলা নিৰ্দেশক
চম্পক বৰবৰা
কাৰ্যাধ্যক্ষ
অনিল কুমাৰ গগৈ
অংগসজ্জা
মোহন নাথ

পূৰবী প্ৰকাশন প্ৰাইভেট লিমিটেডৰ হৈ অনিল কুমাৰ গগৈৰ দ্বাৰা ইষ্টাৰ্ণ প্ৰেছ এন্ড পাব্লিকেশ্যনচ প্ৰাঃ লিঃ-ত মুদ্ৰিত আৰু মনজেৰা হাউচ, মতিলাল নেহৰু ৰোড, পানবজাৰ, গুৱাহাটী - ১-ৰ পৰা প্ৰকাশিত ◻ ফোন ২৪৮৫৪, ২৭৮২৩, ৩৩৬১৮

**Calcutta:-**
Mr. Gautam Sengupta.
7/1C Lindsay Street. (1st Floor)
Calcutta-700087
Ph. 241221, 248571

**Delhi:-**
Mr. Ranaji Sen.
B-51, Soami Nagar.
New Delhi-110017
Ph. 642, 8608

## "প্ৰতিবাদী টোকাৰ ওপৰত প্ৰতিবাদী টোকা"

যোৱা ১৬-৩১ মাৰ্চৰ সূত্ৰধাৰত ড° প্ৰফুল্ল মহন্তৰ 'স্বাধীন অসমৰ দাবীৰ প্ৰসংগত নয়া গণতান্ত্ৰিক বিপ্লৱৰ প্ৰশ্নটো' শিতানৰ প্ৰবন্ধটি পঢ়ি হেমেন দাসে" যি প্ৰতিবাদী টোকা লিখিলে তাৰ প্ৰতিক্ৰিয়া প্ৰকাশ নকৰি নোৱাৰিলো। ড° মহন্তই ১-১৫ ফেব্ৰুৱাৰীৰ সূত্ৰধাৰত কৈছে "ভাৰতীয় বৃহৎ বুৰ্জোৱাই জাতীয় বুৰ্জোৱাৰ সহযোগত ক্ষমতা দখল কৰিলেও সাম্ৰাজ্যবাদৰ নিয়ন্ত্ৰণ অব্যাহত আছে।" কিন্তু দাসে ইয়াক সম্পূৰ্ণ ভুল ব্যাখ্যা বুলি অভিহিত কৰিছে। তাক আমি সহজতে মানি লব নোৱাৰিম। বাহুল্যকৈ ব্যাখ্যা কৰাৰ ধৃষ্টতা যদিও আমাৰ নাই তথাপিতো সেই ব্যাখ্যাক আমি সমৰ্থন জনাবলৈ বাধ্য। যিহেতু ভাৰত এখন অৰ্দ্ধ-উপনিবেশিক, প্ৰাক-পুঁজিবাদী দেশ, তাৰ বিশ্লেষণে সেই কথাষাৰৰ সত্যাসত্যতা প্ৰমাণ কৰে। তেখেতে কিছু ক্ষেত্ৰত ভাৰতবৰ্ষই সাম্ৰাজ্যবাদৰ লগত আপোচ কৰাটো সঁচা বুলি কৈ সাম্ৰাজ্যবাদ বিৰোধী ছোভিয়েত ৰাচিয়াৰ (বৰ্তমানৰ নহয়) লগত ভাৰতে কৰা মৈত্ৰী চুক্তিৰ কথা দোহাৰিছে। সেয়া আছিল স্বাধীনতাৰ প্ৰাক মুহূৰ্তৰ চুক্তি। দাস দেৱৰ বক্তব্যত বৰ্তমানক গুৰুত্ব নিদিয়াৰ দৰে লাগিছে। স্বাধীনতাৰ পিছত ১৯৬৮ চনত ছোভিয়েত ৰাচিয়াৰ চেকোশ্লো ভাকিয়া দখল আৰু আক্ৰমণে সামাজিক সাম্ৰাজ্যবাদ বুলি কবলৈ বাধ্য নকৰিলেনে? ছোভিয়েত ৰাচিয়াত এচাম ৰাষ্ট্ৰীয় পুঁজিপতিয়ে ক্ষমতা দখল কৰি থকাৰ প্ৰত্যক্ষ প্ৰমাণ এয়া ছোভিয়েত তথাকথিত সমাজবাদৰ অভ্যুত্থানে নিদিলেনে? ছোভিয়েত ৰাচিয়াৰ সমাজতান্ত্ৰিক আন্দোলনৰ ওভতনিক সমাজবাদী (?) সকলৰ পৰিণত মতাদৰ্শ আৰু ৰাজনৈতিক বিচ্যুতি বুলি কোৱাৰ অৱকাশ নিশ্চয় আছে। ভাৰতৰ স্বাধীনতাৰ সময়ত সমাজবাদী শিবিৰ শক্তিশালী কৰা চীনৰ কিছুমান্ ফেচিষ্ট চৰিত্ৰ আছে, ইয়াক কোনেও নুই কৰিব নোৱাৰে। চীন সমাজতন্ত্ৰৰ ক্ষমতাও এচাম একচেটিয়া পুঁজিপতিৰ হাতত বুলি কবলৈ এই কাৰণেই বাধ্য যে লি পেঙ আদিৰ দৰে নেতৃত্বই তিয়েন আনমেন স্কোৱাৰত হাজাৰ হাজাৰ জনতাক হত্যা কৰিছিল। ই অত্যন্ত বৰ্বৰ আছিল। ই বিপ্লৱী তত্ত্বৰ বাবে অতি ঘৃণনীয় প্ৰকাশ। সেয়েহে চীনৰ ওপৰতো আমাৰ সন্দেহ হয় যে তাতো ৰাষ্ট্ৰীয় পুঁজিপতিসকলে নিজৰ স্থিতি ঘোষণা নকৰেতো!

উল্লেখযোগ্য যে, (হেমেন দাসৰ মতামত কি নাজানো) কিছুমান সংকীৰ্ণ অভিজ্ঞতাবাদী আৰু ভদ্ৰ-মাৰ্ক্সবাদীয়ে শাসকশ্ৰেণীৰ পদলেহী হৈ চলিত শতাব্দীৰ প্ৰথমাৰ্দ্ধত ভাৰতীয় বৃহৎ পুঁজিপতিসকলৰ বৃটিছ বিৰোধী ভূমিকাৰ কথা কৈ খুব ৰং পায়। কিন্তু তেওঁলোক এইক্ষেত্ৰত অৱগত নহয় যে, সেই দালাল মতাৱলম্বীসকলৰ বিৰোধী ভূমিকা কেৱল বৃটিছ সাম্ৰাজ্যবাদৰ বিৰুদ্ধে নে সমগ্ৰ সাম্ৰাজ্যবাদী ব্যৱস্থাটোৰ বিৰুদ্ধে। সিহঁতৰ শ্ৰেণী চৰিত্ৰ কি? গতিকে "সেইসকল"ৰ এই বক্তব্য যে অৰ্থশূন্যতাৰ পৰিচায়ক, ই ধ্ৰুৱপ। ১৯৬৯ চনৰ কংগ্ৰেছ বিভাজনৰ পিছত ৰুচপন্থী আৰু মাৰ্কিন পন্থীসকলৰ মাজত দ্বন্দ্ব নাইবা প্ৰতিদ্বন্দ্বিতাৰ সৃষ্টি হৈছিল, বিশ্ব সমাজবাদী আৰু সাম্ৰাজ্যবাদী সকলৰ প্ৰতিদ্বন্দ্বিতাৰ দৰেই। অৱশ্যে ৰুচপন্থীসকল জয়ী হ'ব পাৰে।

সাম্প্ৰতিকৰ ভাৰতবৰ্ষক আমি এখন প্ৰাক পুঁজিবাদী, আধা-উপনিবেশিক আধা-সামন্ততান্ত্ৰিক ৰাষ্ট্ৰ বুলিয়েই কম। আমাৰ ধাৰণা মতে, পৰিবৰ্তনৰ যুগত শক্তিসমূহৰ পৰিবৰ্তন হোৱাটোও স্বাভাৱিক। ভাৰতৰ স্বাধীনতাৰ আগৰ অৱস্থা আৰু পিছৰ অৱস্থাৰ কাৰ কি ভূমিকা তাকো চোৱা উচিত। ফেচিষ্ট মনোভাবাপন্ন সেই সামাজিক সাম্ৰাজ্যবাদৰ চুক্তিত ভোল যাবলৈ এতিয়া আমাৰ মানসিকতা নাই। হেমেন দাসদেৱে, বিশ্ববেঙ্কৰ ঋণ আৰু সাম্ৰাজ্যবাদৰ প্ৰতিনিধি ড° মনমোহন সিং দেৱৰ কথা আলোচনা কৰিব নেকি? যদি তৎসত্বেও তেখেতে ভাৰতবৰ্ষক স্বাধীন ৰাষ্ট্ৰ বুলি ক'ব পাৰে তেন্তে আমি আলোচনাত ভাগ লম। "কিছুক্ষেত্ৰত সাম্ৰাজ্যবাদৰ লগত আপোচ" কথাষাৰ "আত্মৰক্ষামূলক বক্তব্য" যেনহে লাগে। কিছুক্ষেত্ৰত সাম্ৰাজ্যবাদ কিন্তু সকলো ক্ষেত্ৰত নহব পাৰে, সেয়া জানো "হস্তক্ষেপ" নহয়। ড° মহন্তই "ৰাষ্ট্ৰৰ ধৰ্মই হৈছে শোষিত শ্ৰেণীক দমন কৰাটো" বুলি কোৱা বক্তব্যটিত কেইখনমান সমাজবাদী ৰাষ্ট্ৰৰ উদাহৰণ দি বক্তব্যটিৰ অন্তঃসাৰশূন্যতাৰ প্ৰমাণ কৰিছো বুলি দাসদেৱে ভাবিছে। কিন্তু সেয়া নহয়। ড° মহন্তই ভাৰতক "বুৰ্জোৱা চৰকাৰৰ ৰাষ্ট্ৰ বুলি কৈ শোষণৰ উদাহৰণ দিছে। আমি ভাবো "ৰাষ্ট্ৰ" শব্দটি সংকীৰ্ণ অৰ্থত ব্যৱহাৰ হোৱা নাই। ৰাষ্ট্ৰ নামৰ সকলো ব্যৱস্থাৰ প্ৰতি সদা-সচেতন থাকিবলৈ তেখেতৰ বক্তব্যই বুজায় আৰু সকলো ৰাষ্ট্ৰ ব্যৱস্থাৰে দোদুল্যমানতা থাকে, তাৰ প্ৰমাণ সৰ্বহাৰাৰ সমাজবাদী ৰাষ্ট্ৰইও দি যায়।

ড° প্ৰফুল্ল মহন্তৰ সুৰত সুৰ মিলাই আমিও সাম্ৰাজ্যবাদ, সামন্তবাদ আৰু বৃহৎ পুঁজিপতি, এই তিনিটা দৈত্যক "ৰাষ্ট্ৰযন্ত্ৰ" আখ্যা দিব বিচাৰো। আমাৰ দৃষ্টিভঙ্গী, মাৰ্ক্স-লেনিনেও আইন-আদালত, পুলিচ মিলিটেৰি আৰু আমোলা আদিক কিবা শক্তিৰ অন্তৰ্ভূক্ত কৰিছিল। গতিকে এই বৃহৎ শক্তি তিনিটাক "ৰাষ্ট্ৰযন্ত্ৰ" বুলি কওঁতে বহল অৰ্থত ব্যৱহৃত হৈছে বুলি ভাবো আৰু ৰাষ্ট্ৰক্ষমতাৰ বিষয়টোও ইয়াত অন্তৰ্ভুক্ত হৈছে। হেমেন দাসৰ প্ৰতিবাদৰ ওপৰত প্ৰতিবাদ দি আমি এই যুক্তি দৰ্শাব বিচাৰো।

আগতেই ভাৰতবৰ্ষ যে এখন অৰ্দ্ধ উপনিবেশিক দেশ তাক দোহৰা হৈছে। গতিকে আমি ভাবো ভাৰতত চীনৰ মাও-জে-দঙৰ নয়া গণতান্ত্ৰিক বিপ্লৱৰ কৰ্মসূচী প্ৰয়োগ হ'ব। তাৰ বাবে মাৰ্ক্সবাদক সদ্ব্যৱহাৰ কৰিব লাগিব। মাৰ্ক্সবাদে সদায় সৰ্বহাৰা শ্ৰেণীৰ সংগ্ৰামৰ জয়-পৰাজয়ৰ শিক্ষাবোৰ আত্মস্থ কৰিয়েই বিকশিত হৈ থাকিব। ড° মহন্তই নয়া গণতান্ত্ৰিক বিপ্লৱৰ যি শত্ৰু আৰু মিত্ৰৰ কথা কৈছে তাৰ বিস্তৃত আলোচনাৰ প্ৰয়োজনীয়তা আছে।

আঠজন ছাত্ৰ
"ডিমৌ মহাবিদ্যালয়"
শিৱসাগৰ


### ৰাজনৈতিক প্ৰতিবেদক

পষেকীয়া আলোচনী সূত্ৰধাৰৰ কাৰণে এজন অভিজ্ঞ ৰাজনৈতিক প্ৰতিবেদক লাগে। ২৫–৪০ বছৰ বয়সৰ ইচ্ছুক প্ৰাৰ্থীয়ে তলৰ ঠিকনাত আবেদন কৰিব পাৰে। আবেদন গ্ৰহণ কৰাৰ শেষ তাৰিখ ২৫ মে'। প্ৰাৰ্থীসকলৰ মৌখিক আৰু লিখিত পৰীক্ষা লোৱা হ'ব। যোগ্যতা আৰু অভিজ্ঞতাৰ ভিত্তিত দৰ্মহা নিৰূপণ কৰা হ'ব।

*কাৰ্যাধ্যক্ষ*
পূৰবী পাব্লিছাৰ্ছ প্ৰাইভেট লিমিটেড
মনজেৰা হাউছ
এম এল নেহৰু ৰোড
পানবজাৰ, গুৱাহাটী – ৭৮১ ০০১






# তদন্ত লাগে

যোৱা প্ৰায় এবছৰ ধৰি অসমৰ বিভিন্ন বাতৰি কাকতত আৰু বিশেষকৈ 'সূত্ৰধাৰ'ত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষৰ বিৰুদ্ধে গুৰুতৰ দুৰ্নীতি আৰু অনিয়মৰ অভিযোগ উত্থাপিত হৈছে। অভিযোগবোৰৰ উত্তৰত বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষই যিবোৰ ব্যাখ্যা বা স্পষ্টীকৰণ দাঙি ধৰিছে সেইবোৰে অভিযোগবোৰ খণ্ডন কৰা দূৰৰ কথা, বৰং তেওঁলোকক বেছিকৈহে সন্দেহৰ পাত্ৰ কৰি তুলিছে। একোখন বিশ্ববিদ্যালয় হ'ল এটা জাতি তথা একোখন সমাজৰ সৰ্বোচ্চ আশা-আকাংক্ষাৰ প্ৰতীক। সেই সৰ্বোচ্চ আশা-আকাংক্ষাবোৰ হ'ল জ্ঞানৰ সাধনা, সত্যৰ সন্ধান, মহৎ আদৰ্শবাদ। কিন্তু বৰ্তমান ভাৰতবৰ্ষত বেছিভাগ বিশ্ববিদ্যালয়েই মানুহৰ মহত্তম আদৰ্শৰ প্ৰতীকত পৰিণত হোৱাৰ পৰিবৰ্তে লোভ, মিথ্যাচাৰ আৰু দুৰ্নীতি আদি নীচতম প্ৰবৃত্তিবোৰৰ লীলা-ভূমিতহে পৰিণত হোৱা দেখা গৈছে। তাৰ বহুতোবোৰ কাৰণৰ ভিতৰত এটা প্ৰধান কাৰণ হ'ল সংকীৰ্ণ ৰাজনৈতিক বিবেচনাত অযোগ্য লোকৰ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য হিচাপে নিযুক্তি। আমেৰিকাৰ চিকাগো বিশ্ববিদ্যালয়ৰ এজন চিৰ-স্মৰণীয় প্ৰেছিডেন্ট ৰবাৰ্ট হাছিনছে কৈছিল যে এখন বিশ্ববিদ্যালয়ে মহত্ব অৰ্জন কৰিবলৈ হলে হয় বিশ্ববিদ্যালয়খনৰ প্ৰেছিডেন্টজন এজন মহৎ ব্যক্তি হ'ব লাগিব, নহলেবা বিশ্ববিদ্যালয়খনৰ থাকিব লাগিব এটা অসাধাৰণ প্ৰতিভাশালী ফুটবল টীম। ৰবাৰ্ট হাছিনছৰ এই কথা কিমান সত্য সেই কথা উপলব্ধি কৰিবলৈ হলে ভাৰতৰ বিশ্ববিদ্যালয়বোৰৰ গৌৰৱময় যুগকেইটাৰ কথা মনত পেলালেই হ'ব। চাৰ আশুতোষ মুখাৰ্জীৰ নেতৃত্বত কলিকতা বিশ্ববিদ্যালয়ে, ডঃ ৰাধাকৃষ্ণৰ নেতৃত্বত কাশী হিন্দু বিশ্ববিদ্যালয়ে, চাৰ ৰামস্বামী মুদালিয়াৰৰ নেতৃত্বত মাদ্ৰাছ বিশ্ববিদ্যালয়ে আৰু ডঃ ব্ৰজেন্দ্ৰনাথ শীলৰ নেতৃত্বত মহীশূৰ বিশ্ববিদ্যালয়ে আধুনিক ভাৰতৰ জ্ঞানৰ সাধনাক কিমান উচ্চস্তৰলৈ উন্নীত কৰিছিল সেই কথা উচ্চ শিক্ষাৰ বিষয়ে সামান্য খবৰ ৰখা মানুহ মাত্ৰেই জানে। অৱশ্যে এটা কথা ঠিক যে তেওঁলোকৰ নিচিনা অসাধাৰণ ব্যক্তিত্ব-সম্পন্ন মানুহে বছৰে বছৰে জন্ম গ্ৰহণ নকৰে। কিন্তু সেই বুলি এই কথাও কেতিয়াও বিশ্বাস কৰিব নোৱাৰি যে ভাৰতৰ নিচিনা এখন বিশাল দেশে এশ বা ডেৰশখন বিশ্ববিদ্যালয় চলাব পৰা নিম্নতম অৰ্হতা-সম্পন্ন মানুহো সৃষ্টি কৰিব পৰা নাই। যোগ্য মানুহ নিশ্চয় আছে। কিন্তু চৰকাৰৰ দায়িত্বত থকা স্বাৰ্থান্ধ আৰু অদূৰদৰ্শী ৰাজনৈতিক নেতাসকলে বিশ্ববিদ্যালয় চলাবলৈ যোগ্য মানুহ কেতিয়াও নিবিচাৰে; তেওঁলোকে বিচাৰে এনেকুৱা বহুতীয়া মনোবৃত্তিৰ মানুহ – যি মানুহে বিশ্ববিদ্যালয় চলোৱাৰ ক্ষমতা পাই সেই ক্ষমতা ব্যৱহাৰ কৰে কেৱল নিজৰ আৰু মন্ত্ৰী-বিষয়াৰ স্বাৰ্থ পূৰণৰ কাৰণে। সেয়ে নহলেনো আমি আজি এনেকুৱা অভিযোগো শুনিব লগা হয়নে যে নিজৰ আবেদন-পত্ৰখনৰ তিনিটা মাত্ৰ বাক্যকো শুদ্ধ ইংৰাজীত লিখিব নোৱৰা শিক্ষকক অনেক কুট-কৌশল কৰি একোটা বিভাগৰ মুৰব্বী অধ্যাপকৰ পদত নিয়োগ কৰা হৈছে, বা শ্ৰেণীত এদিনো উপস্থিত নথকাকৈয়ো কোনোবাই এম ফিল ডিগ্ৰী পাইছে, বা প্ৰবেশিকা পৰীক্ষাত কাণে কাণ মাৰি তৃতীয় বিভাগত পাছ কৰি অহা ছাত্ৰ নেতাক নিজৰ স্বাৰ্থসিদ্ধিৰ উদ্দেশ্যে ব্যৱহাৰ কৰিবলৈ শতকৰা সত্তৰ নম্বৰ দি প্ৰথম শ্ৰেণীৰ এম এ ডিগ্ৰী ঘোচ দিয়া হৈছে? এখন বিশ্ববিদ্যালয়ৰ বিৰুদ্ধে ইয়াতকৈ বেছি অপমানজনক অভিযোগ আন কিবা হ'ব পাৰেনে?

যেতিয়া কোনো এখন বিশ্ববিদ্যালয়ৰ বিৰুদ্ধে এনে ধৰণৰ অভিযোগ উত্থাপিত হয় তেতিয়া বিশ্ববিদ্যালয়খনৰ কৰ্তৃপক্ষই নিজৰ সন্মান ৰক্ষাৰ কাৰণে নিজেই তদন্তৰ দাবী কৰা উচিত। আমি আশা কৰিছিলো যে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষই ঠিক তাকেই কৰিব। কিন্তু তেওঁলোকে সেইটো নকৰিলে। আনহাতে এবছৰ ধৰি ইমানবোৰ অভিযোগ প্ৰকাশ পোৱাৰ পিছতো ৰাজ্য চৰকাৰেও অতি ৰহস্যজনক নীৰৱতা অৱলম্বন কৰি আছে। ইয়াৰ দ্বাৰা ৰাজ্যখনৰ উচ্চ শিক্ষাৰ ভৱিষ্যত তথা ছাত্ৰ-ছাত্ৰীৰ স্বাৰ্থৰ প্ৰতি ৰাজ্য চৰকাৰৰ চৰম উদাসীনতাহে প্ৰমাণিত হৈছে। দোষীক শাস্তি দিবৰ কাৰণে নহলেও ডিব্ৰুগড় বিশ্ববিদ্যালয়ত ভৱিষ্যতে যাতে এনেবোৰ ভুলৰ পুনৰাবৃত্তি নহয় সেই উদ্দেশ্যেই ৰাজ্য চৰকাৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ বিৰুদ্ধে উত্থাপিত অভিযোগবোৰৰ বিষয়ে তদন্তৰ নিৰ্দেশ দিয়াটো উচিত বুলি আমি ভাবো।

আৰু কেইমাহমানৰ পিছতে ডিব্ৰুগড় বিশ্ববিদ্যালয়ত এজন নতুন উপাচাৰ্য নিয়োগ কৰিব লাগিব। নতুন উপাচাৰ্য বাছনি কৰোতে চৰকাৰে যদি দূৰদৃষ্টি আৰু সুবিবেচনাৰ পৰিচয় নিদিয়ে তেন্তে ডিব্ৰুগড় বিশ্ববিদ্যালয়ক ধ্বংসৰ গৰাহৰ পৰা ৰক্ষা কৰাটো অসম্ভৱ হৈ পৰিব। মেকলে'ৰ এটি বিখ্যাত উক্তিৰ সামান্য সলনি কৰি ক'ব পাৰি যে A great university and a petty mind go ill together। নতুন উপাচাৰ্য বাছনি কৰোতে চৰকাৰে যেন এই কথাটো মনত ৰাখে।

# অসমৰ পটভূমিত ইলেক্ট্ৰনিক উদ্যোগ ঃ আশা আৰু আশংকা

ড° অমৰজ্যোতি চৌধুৰী

সাধুকথাৰ ঠাঁচতেই আৰম্ভ কৰিছো। এসময়ত এই পৃথিৱীৰ মানুহৰ এক একান্ত সঙ্গী আছিল। সেয়া হ'ল প্ৰকৃতি। সময় বাগৰিল। সেই কথাও আৰু সঁচা হৈ নাথাকিল। ক্ৰমে ক্ৰমে মানুহৰ একান্ত সঙ্গী হ'লহি যন্ত্ৰ। আজি কুৰি শতিকাৰ শেষভাগত পশ্চিমীয়া দেশ আৰু লগতে পূব এচিয়াৰ দেশসমূহত মানুহৰ সঙ্গী হৈছেহি এক বিশেষ ৰূপৰ যন্ত্ৰ। ইলেক্ট্ৰনিক যন্ত্ৰ। সেই সান্নিধ্যৰেই বিয়পি পৰিছে ইলেক্ট্ৰনিক উদ্যোগৰ সাম্ৰাজ্য। কম বেছি পৰিমাণে পৃথিৱীৰ বিভিন্ন প্ৰান্তত সেই ঔদ্যোগিক সাম্ৰাজ্যৰে ছাঁ, নৈ আৰু সময়ৰ দৰেই কাৰো বাবে বাট নাচায় সেই ইলেক্ট্ৰনিক সাম্ৰাজ্যই। এই উদ্যোগৰ দেশী বা আঞ্চলিক উৎপাদন নাথাকিলে সৰু বৰ ৱিদেশী সামগ্ৰীৰেই ক্ৰমে উপচি পৰে বজাৰ। সেইবাবেই কোনো বিশেষ ইলেক্ট্ৰনিক সামগ্ৰীৰ উৎপাদন আচলতে প্ৰয়োজনীয় হয় নে নহয় সেয়া বাছ-বিচাৰ কৰিবলৈও যেন সময় নাই। মুঠতে সেই সাম্ৰাজ্য বাঢ়িবই। সেয়ে সেই সাম্ৰাজ্যৰে কিছু ধন নিজ দেশ বা ৰাজ্যতে ধৰি ৰাখিবলৈ চলিছে মৰো-জীওঁ-সো-আধি প্ৰতিযোগিতা। এই পটভূমিত অসমত ইলেক্ট্ৰনিক উদ্যোগৰ সম্ভাৱনা আছে নে নাই সেয়া আৰু মূল প্ৰশ্ন হৈ থকা নাই। সম্ভাৱনা অৱশ্যেই আছে। কিন্তু ভাৰতৰ অন্যান্য ৰাজ্যৰ দৰে অসমতো থকা সেই ঔদ্যোগিক সম্ভাৱনাৰ সহায়ত অসমে নিজা অৰ্থনীতি টনকিয়াল কৰাৰ প্ৰতি অৰিহণা আগবঢ়াব পাৰে নে নোৱাৰে সেইটোহে মূল প্ৰশ্ন।

জাপান বা যুক্তৰাষ্ট্ৰৰ দৰে সফল ঔদ্যোগিক দেশত নিজাৱৰীয়াকৈ ইলেক্ট্ৰনিকচ্ উদ্যোগ কিদৰে ঠন ধৰি উঠিছে তাক দোহাৰিবৰ নিশ্চয় প্ৰয়োজন নাই। তেনে দেশৰতো কথাই নাই – আমাৰ দেশৰে ইলেক্ট্ৰনিকচ্ উদ্যোগৰ



ইলেক্ট্ৰনিক সামগ্ৰী ব্যৱহাৰেৰে বিদেশৰ এটি অত্যাধুনিক জীৱন



চিংগাপুৰৰ এটি টেলি-সংযোগ কক্ষ

প্ৰসাৰলৈ চকু দিলেই এটা কথা স্পষ্ট হৈ পৰে। সেয়া হৈছে ইলেক্ট্ৰনিকচ্ উদ্যোগৰ বৃদ্ধিৰ হাৰ ষষ্ঠ পৰিকল্পনাৰ শতকৰা ২৫ ভাগৰ পৰা সপ্তম পৰিকল্পনাত শতকৰা ৩৫ ভাগলৈকে বাঢ়িছে। অষ্টম পৰিকল্পনাত ইলেক্ট্ৰনিক ঔদ্যোগিক উৎপাদন ১৯৮৯-৯০ৰ ৯২১০ কোটি টকাৰ পৰা ১৯৯৪-৯৫ চনত ত্ৰিশ হেজাৰ কোটি টকালৈ বাঢ়িব বুলি ঠাৱৰ কৰা হৈছে। ১৯৯৪-৯৫ চনত ৰপ্তানিৰ মূল্যই প্ৰায় ৬৩০০ কোটি টকাৰ সীমা চুবগৈ বুলি অনুমান কৰা হৈছে। এনেদৰে বাঢ়ি যোৱা ইলেক্ট্ৰনিক উদ্যোগৰ জৰিয়তে অসমেও নিজৰ অৰ্থনৈতিক বুনিয়াদ যথাসম্ভৱ সবল কৰি তোলাৰ প্ৰয়াস কৰাটো নিশ্চয় বাঞ্ছনীয়। তদুপৰি ক্ৰমে ক্ৰমে অতি সাধাৰণ যন্ত্ৰতো ইলেক্ট্ৰনিক বৰ্ত্তনীয়ে দিয়া সুবিধা অন্তৰ্ভূক্ত কৰা হৈছে। অতি সাধাৰণ স্তৰৰ এনেবোৰ যন্ত্ৰৰ বজাৰখনৰ চাবিকাঠি ৰাজ্যখনৰ নিজৰ হাততে নাৰাখিলে ৰাজ্যখনৰ পৰা যে ক্ৰমান্বয়ে বেছি হাৰত ধন ওলাই গৈ থাকিব সেয়া ধ্ৰুৱ। সেয়ে অতি নিম্নস্তৰৰ ইলেক্ট্ৰনিক যন্ত্ৰপাতি আৰু আহিলাৰ উৎপাদনৰ পৰা আৰম্ভ কৰি ইলেক্ট্ৰনিক উদ্যোগৰ বুনিয়াদ যথাসম্ভৱ গঢ়ি তোলাটো ৰাজ্যখনৰ স্বাৰ্থৰ পৰাই নিশ্চয় আদৰণীয়।

অৱশ্যে ভাৰতৰ উদ্যোগ প্ৰধান ৰাজ্যৰ সৈতে ৰিজনিত অসম যে উদ্যোগৰ ক্ষেত্ৰত বহু পিছ পৰি আছে সেয়া ততালিকে জলজল পটপট হৈ পৰে। উদ্যোগৰ ক্ষেত্ৰত এই দুৰ্বলতাকে এক শক্তিশালী ভেটিলৈ ৰূপান্তৰিত কৰাৰ সময় আৰু সুযোগ কিন্তু এতিয়াও উকলি যোৱা নাই। বিশেষকৈ সঘনে সলনি হৈ থকা ৰূপৰ ইলেক্ট্ৰনিকচ্ৰ নিচিনা উদ্যোগে এতিয়াও সফল উদ্যোগৰ ভেটি গঢ়াৰ ক্ষেত্ৰত সুযোগৰ যোগান ধৰি আছে। বিশেষকৈ লঘু উদ্যোগৰ সংস্কৃতি অসমৰ মানুহৰ মাজত থকাৰ পটভূমিত ইলেক্ট্ৰনিকচ্ৰ লঘু উদ্যোগেও অসমত থিতাপি লোৱাৰ সম্ভাৱনাও নিশ্চয় নুই কৰিব নোৱাৰি। তদুপৰি ভাৰতৰ উদ্যোগ প্ৰধান নগৰ সমূহৰ ঠাইৰ জোৰা মাৰিবলৈ লাহে লাহে নতুন ঠাইলৈও বিয়পি পৰিছে। ভাৰতৰ ঔদ্যোগিক মানচিত্ৰখনলৈ চকুদিলেই এই কথা পৰিষ্কাৰকৈ দেখা যায়। সেই একে যুক্তিৰেই দহৰ পৰা কুৰি বছৰৰ সময়সীমাত অসমলৈও ঠাই বিচাৰি বিভিন্ন উদ্যোগ অহাৰো সম্ভাৱনা আছে। অৱশ্যে ভাৰতৰ উদ্যোগ প্ৰধান অঞ্চলৰ সকলো উদ্যোগৰে বুৰঞ্জী যে বৰ আশাপ্ৰদ নহয় সেয়া দেখ দেখ কথা। তাৰ কেতবোৰে পৰিবেশ ঘূণীয়া কৰাটোও আজি লুকঢাক হৈ থকা নাই। সেয়ে তেতিয়ালৈ ইলেক্ট্ৰনিকচ্ৰ দৰে পৰিবেশ ঘূণীয়া নকৰা উদ্যোগকহে অসমৰ মাটিত থিতাপি লবলৈ দিয়াৰ দীঘলীয়া সময়ৰ পৰিকল্পনা কৰিব পাৰি।

কিন্তু অসমৰ ব্যক্তিগত খণ্ডত উদ্যোগী যুৱক বা যুৱকৰ দলে কেনেধৰণৰ সামগ্ৰী নিৰ্মাণত ভাগ ল'ব পাৰে ? এই উদ্যোগৰ চাহিদা সঘনে সলনি হৈ থাকে বুলি আগতেই উল্লেখ কৰি অহা হৈছে। তথাপি কিছুদিনলৈ চাহিদাৰ সম্ভাৱনা থকা সামগ্ৰী অলপ সাৱধান হলেই নিশ্চয় বাছি উলিয়াব পাৰি। ৰাষ্ট্ৰীয় ইলেক্ট্ৰনিক উদ্যোগৰ বাজেটৰ এক বুজন অংশ ইলেক্ট্ৰনিক উপাংশৰ প্ৰস্তুতিৰ বাবেই আচুতীয়াকৈ থোৱা হৈছে। ইয়াৰে কেতবোৰৰ প্ৰস্তুতিৰ বাবে অৱশ্যে অতি আধুনিক আৰু খৰচী যন্ত্ৰপাতিৰ প্ৰয়োজন হয়। আৰম্ভণিতেই তেনেবোৰলৈ হাত মেলাটো হয়তো উচিত নহ'ব। কিন্তু প্ৰস্তুতি প্ৰণালীত বেছি জটিলতা নথকা অথচ চাহিদা থকা প্ৰছেচদ এলুমিনিয়ম ফইল, কপাৰ ফইল বা এলুমিনিয়াম ইলেক্ট্ৰলাইটিক কেপাচিটৰ আদিৰ নিৰ্মাণত নিশ্চয় হাত দিব পাৰে। সেইদৰে বিভিন্ন প্ৰস্তুত অংশ জোৰা লগাই বিভিন্ন

**কম্পিউটাৰ**

১৯০৭ খৃষ্টাব্দত হেনৰি আদামছে লিখিছিল যে আধুনিক জগতত ইতিহাসৰ চালিকাশক্তি হিচাপে ভাৰ্জিন মেৰীৰ ঠাই লৈছে ডাইনামোৱে। কিন্তু তেওঁ যদি আজি জীয়াই থাকিলহেঁতেন তেন্তে ডাইনামোতকৈ কম্পিউটাৰেহে তেওঁক বেছি বিস্ময়াভিভূত কৰিলেহেঁতেন। কম্পিউটাৰে মানুহক প্ৰশ্ন কৰিবলৈ শিকায়, প্ৰশ্নৰ উত্তৰবোৰো বিচাৰি উলিয়ায়, জ্ঞান পূঞ্জীভূত কৰে আৰু গ্ৰহ-নক্ষত্ৰক নহলেও অন্ততঃ পৰ্বতবোৰক স্থানচ্যুত কৰিবলৈ কৌশল উদ্ভাৱন কৰে।

*হেনৰি গ্ৰুনৱাল্ড্*

আমোদ-প্ৰমোদৰ আৰু শিক্ষামূলক ইলেক্ট্ৰনিক সামগ্ৰী প্ৰস্তুত কৰাৰ আঁচনিও নিশ্চয় ল'ব পাৰে। সংযোগ, যন্ত্ৰীকৰণ আৰু কম্পিউটাৰৰ ব্যাপক ক্ষেত্ৰতো ইলেক্ট্ৰনিক আহিলা-পাতিৰ নিৰ্মাণ অথবা চফট্‌ৱেৰৰ বিস্তীৰ্ণ ক্ষেত্ৰ আগত পৰি আছে। অৱশ্যে বেছি ধন বিনিয়োগৰ প্ৰয়োজন থকা এনেবোৰ ক্ষেত্ৰত উপযুক্ত কাৰিকৰী জ্ঞান আহৰণ আৰু বজাৰৰ নিৰীক্ষণেৰে অতি সাৱধানতাৰেহে আগবঢ়া উচিত হ'ব। অসম চৰকাৰে অসম ইলেক্ট্ৰনিক উদ্যোগৰ প্ৰসাৰৰ বাবে গঢ়ি দিয়া অসম ইলেক্ট্ৰনিক বিকাশ নিগমে ইতিমধ্যেই টিভি, কেলকুলেটৰ, ভল্টেজ ষ্টেবিলাইজাৰ আৰু বিভিন্ন সংযোগ আহিলা আদিৰ নিৰ্মাণেৰে ইলেক্ট্ৰনিক উদ্যোগৰ পৰম্পৰা এটা গঢ়ি তুলিবলৈ যত্ন কৰিছে। কম্পিউটাৰ চফট্‌ৱেৰ আৰু চাহ উদ্যোগত ইলেক্ট্ৰনিক আহিলা প্ৰস্তুতিৰ গৱেষণাতো হাত দিছে। দুই এক স্থানীয় ঔদ্যোগিক প্ৰতিষ্ঠানেও ইলেক্ট্ৰনিকচ্ আহিলা প্ৰস্তুত কৰিবলৈ আগবাঢ়ি আহিছে। তথাপিও যে ইলেক্ট্ৰনিকচ উদ্যোগ অসমত এতিয়াও সম্ভাৱনা অনুযায়ী আগবাঢ়িব পৰা নাই সেয়া সঁচা কথা।

দৰাচলতে ইলেক্ট্ৰনিকচ উদ্যোগে অসমত গা কৰি উঠাৰ বাটত বিভিন্ন অসুবিধাও আছে। ইলেক্ট্ৰনিক উদ্যোগৰ সামগ্ৰীৰ ভিতৰৰ গাঁথনি আৰু ৰেহৰূপৰ সঘনে সলনি হৈ থাকে। সেয়ে উচিত সময়ত উচিত আৰ্হিত ইলেক্ট্ৰনিক সামগ্ৰী লৈ বজাৰত উপস্থিত হোৱাৰ সামৰ্থ্যও ইলেক্ট্ৰনিকচ উদ্যোগীৰ থাকিব লাগিব। এই ক্ষেত্ৰত বিশেষকৈ প্ৰয়োজন হয় অনিশ্চয়তাৰ মাজতে ঢৌতে খৰ মৰাৰ দূৰদৰ্শিতা আৰু সামৰ্থ্য। অসমৰ উদ্যোগত কিন্তু এনেকুৱা সংস্কৃতিৰ দৃষ্টান্ত বিৰল। অতি সংৰক্ষণশীল আৰু নিশ্চিত লাভৰ সম্ভাৱনা থকা উদ্যোগত ধন খটুৱাৰ পৰম্পৰা এটাহে এতিয়াও অসমত চলি আছে। সেয়ে ইলেক্ট্ৰনিক উদ্যোগত সফলতা লাভ কৰিবলৈ হলে এই সাংস্কৃতিক অন্তৰায়ো অতিক্ৰম কৰাৰ প্ৰয়োজন হ'ব। ইলেক্ট্ৰনিক উদ্যোগৰ কাৰিকৰী জ্ঞান আহৰণ আৰু তাৰ ব্যৱসায়িক প্ৰয়োগৰ সহজ সম্পৰ্ক হবলৈও এতিয়াও বহুত বাকী।

অথচ দ্বিতীয় মহাসমৰত প্ৰায়



*বিদেশী এটি কমপিউটাৰাইজ মটৰ গাড়ী নিৰ্মাণ কাৰখানা*

ধ্বংসপ্ৰাপ্ত জাপান বৰ্তমান এই ইলেক্টনিক উদ্যোগৰ অন্যতম নেতৃস্থানীয় দেশলৈ ৰূপান্তৰিত হোৱাৰ দৃষ্টান্ত আমাৰ চকুৰ আগতে আছে। দক্ষিণ কোৰিয়া আৰু টাইৱানৰ নিচিনা দেশেও ইলেক্ট্ৰনিক উদ্যোগেৰে নিজৰ অৰ্থনীতিৰ চালে চকুৱোৱা পৰিবৰ্তন আনিছে। এনেবোৰ দেশত এই ঔদ্যোগিক সফলতাৰ অন্যতম প্ৰধান কাৰণ হ'ল দূৰদৰ্শী চৰকাৰী নীতি আৰু সহায়। এই কেউখন দেশতেই চৰকাৰে এই উদ্যোগৰ বিকাশত আৰু বিশেষকৈ উপযুক্ত ব্যৱসায়িক পৰিবেশ গঢ়ি তোলাত সহায় আগবঢ়াইছে। কেৱল সেয়ে নহয় – তথাকথিত বিজ্ঞান উদ্যান আৰু ইলেক্ট্ৰনিকচৰ গৱেষণা প্ৰতিষ্ঠানৰ স্থাপনৰ লগতে তেনেধৰণৰ শিক্ষাপ্ৰাপ্ত লোক গঢ়ি তোলাত নিজাববীয়া কৰ্তব্য সুচাৰুৰূপে পালন কৰিছে। লগতে ব্যক্তিগত খণ্ডৰ উদ্যোগক গৱেষণা প্ৰতিষ্ঠানৰ সহায়ত প্ৰয়োজনীয় কাৰিকৰী জ্ঞানৰ যোগান ধৰি ঔদ্যোগিক উন্নয়নত সহায় কৰিছে। উদ্যোগে গঢ় লৈ উঠাৰ বাবেও আৰ্থিকভাবে সৌহাৰ্দ্যমূলক পৰিবেশ সৃষ্টি কৰিছে। ব্যক্তিগত খণ্ডৰ উদ্যোগী গোট আৰু প্ৰতিষ্ঠানসমূহেও উপযুক্ত সঁহাৰি জনাই দেশৰ ইলেক্ট্ৰনিক উদ্যোগ শক্তিশালী কৰি তুলিছে। ভাৰতৰ কেইবাখনো ৰাজ্যই দূৰদৰ্শী চৰকাৰী হস্তক্ষেপেৰে এনে উদ্যোগৰ জখলা বগাবলৈও সুযোগ পাইছে।

অসমতো চৰকাৰে ইলেক্ট্ৰনিক উদ্যোগৰ বিকাশৰ বাবে এক নিগম গঢ়ি তোলাৰ কথা ইতিমধ্যেই উল্লেখ কৰা হৈছে। বৰ্তমানে এই উদ্যোগৰ প্ৰতি একনিষ্ঠভাবে দায়বদ্ধ এগৰাকী পৰিচালন-সঞ্চালকৰ নেতৃত্বত নিগমত মুষ্ঠিমেয় সংখ্যাৰ হলেও কাৰিকৰী লোকৰ দল গঠিত হৈছে। বিভিন্ন ইলেক্ট্ৰনিক সামগ্ৰী নিৰ্মাণত এক দৃষ্টান্ত স্থাপনৰ বাবেই ব্যৱসায়িক উৎপাদনত নামি সীমিত সফলতাও লাভ কৰিছে। সেই দৰে গৱেষণাৰ পৰিবেশ এটা সৃষ্টিৰো প্ৰয়াস লৈছে। নতুন উদ্যোগীক ইলেক্ট্ৰনিকচৰ প্ৰতি আকৰ্ষিত কৰি উদ্যোগ স্থাপনত দিহা-পৰামৰ্শ দিবলৈ বিশেষ গোট এটাও সৃষ্টি হৈছে। ইয়াৰ ফলত দুই এক উদ্যোগীয়ে ইলেক্টনিকচ্ উদ্যোগত হাতো দিছে। অৱশ্যে সফল ইলেক্ট্ৰনিক উদ্যোগৰ ভেটি গঢ়িবলৈ এতিয়াও যে বহুদূৰ বাট অতিক্ৰম কৰিবলৈ বাকী আছে সেয়াও ঠিক। ইলেক্ট্ৰনিকচৰ দৰে সঘনে সলনি হৈ থকা উদ্যোগৰ প্ৰতি আৰু উল্লেখযোগ্য অৰিহণা যোগাবলৈ হলে দ্ৰুত সিদ্ধান্ত গ্ৰহণৰ প্ৰয়োজনত এনে নিগমৰ অন্তৰ্গাঁথনি আৰু গতিশীল কৰাৰ প্ৰয়োজন আছে। সঞ্চালন পৰিষদতো বিজ্ঞানী, প্ৰযুক্তিবিদ আৰু আধুনিক ব্যৱস্থাপনাৰ ধাৰণাৰ সৈতে পৰিচিত লোকৰ প্ৰতিনিধিত্ব বেছি কৰাৰ পক্ষে নিশ্চয় সবল যুক্তি আছে। আৰ্থিক সীমাবদ্ধতায়ো হয়তো একো একো প্ৰয়াস বেছি গভীৰতৰ হোৱাৰ বাটতো হেঙাৰ দিছে। কিন্তু এই কথা অৱশ্যে ঠিক যে অসমত ইলেক্ট্ৰনিক উদ্যোগ সঁচা অৰ্থত গঢ়ি তুলিবলৈ হ'লে তাৰ বাবে এক নিগমেই কেতিয়াও পৰ্যাপ্ত হ'ব নোৱাৰে। এনে নিগমে এই ক্ষেত্ৰৰ উদ্যোগীসকলক বহল ছত্ৰছায়া দিব পাৰে। উৎপাদনৰ ক্ষেত্ৰত কাৰিকৰী নিৰ্দেশনাৰ যোগান ধৰিব পাৰে। বিনিয়োগ কৰিবলগীয়া পুঁজি আহৰণৰ ক্ষেত্ৰতো দিহা পৰামৰ্শ দিব পাৰে। কিন্তু ইলেক্ট্ৰনিক উদ্যোগৰ সফল প্ৰসাৰৰ বাবে আচলতে আগবাঢ়ি আহিব লাগিব ৰাজ্যখনৰ উদ্যোগীসকল। অসংৰক্ষণশীল উদ্যোগত ঢৌতে খৰ মাৰি নিজে টনকিয়াল হোৱাৰ সাংস্কৃতিক পৰম্পৰাত অসম বৰ চহকী নহয় – সেয়া সঁচা কথা। তথাপি এনে সংস্কৃতিয়ে থিতাপি ললেহে অসমত প্ৰকৃতাৰ্থত ইলেক্ট্ৰনিক উদ্যোগ সফল হোৱাৰ সম্ভাৱনা আছে। দৰাচলতে বৃহৎ আকাৰৰ নিগমৰ অন্তৰ্গাঁথনিৰ সৈতে সফল ইলেক্ট্ৰনিকচ উদ্যোগে ৰজিতা খোৱাৰ উদাহৰণ বৰ বেছি নহয়। এনে উদ্যোগৰ বাবে কম সংখ্যক কৰ্মীৰ ব্যৱসায়িক গোটসমূহহে বেছি উপযোগী বুলি প্ৰমাণিত হৈছে। যুক্তৰাষ্ট্ৰত ব্যক্তিগত কম্পিউটাৰৰ বিকাশৰ বুৰঞ্জীলৈ উভতি চালেই তাৰ উদাহৰণ পাব পাৰি। IBMৰ দৰে প্ৰতিষ্ঠানে এনে ব্যক্তিগত কম্পিউটাৰ প্ৰৱৰ্তনৰ গুণাগঁথা কৰি থাকোতেই সৰু সৰু ব্যৱসায়িক গোটসমূহেহে এনে ব্যক্তিগত কম্পিউটাৰ বজাৰলৈ উলিয়াই দিয়াৰ দ্ৰুত সিদ্ধান্ত ল'ব পাৰিলে। সৰু সৰু ব্যৱসায়িক গোটে ইলেক্ট্ৰনিক উদ্যোগ স্থাপনৰ বাবে আগবাঢ়ি আহিলেহে ইলেক্ট্ৰনিক উদ্যোগৰ সংস্কৃতিয়ে প্ৰকৃত অৰ্থত অসমৰ মাটিত পুলিপোখা মেলিব।

নিম্নস্তৰৰ ইলেক্ট্ৰনিক যন্ত্ৰপাতিৰ পৰা উধাই যদি তুলনামূলকভাবে জটিল ইলেক্ট্ৰনিক আহিলা-পাতি বা যন্ত্ৰ প্ৰস্তুত কৰাৰ পৰিকল্পনা কৰা যায় তেতিয়াহলে কৃতকাৰ্যতাৰ বাবে বিশেষ প্ৰয়োজন হ'ব উপযুক্ত বিজ্ঞানী, অভিযন্তা আৰু গৱেষকৰ দল। যুক্তৰাষ্ট্ৰৰ বিখ্যাত চিলিকন উপত্যকাৰ সফলতাৰ আঁৰত আছে ষ্টেনফৰ্ডৰ নিচিনা বিশ্ববিদ্যালয়ৰ সান্নিধ্য। তাৰে যে কেৱল প্ৰয়োজনীয় কৰ্মীৰহে যোগান হৈছে এনে নহয় – অৰ্দ্ধপৰিবাহীৰ ব্যৱহাৰৰ পৰা আৰম্ভ কৰি নতুন নতুন প্ৰযুক্তিৰ ধাৰণাৰে উদ্যোগক আৰু শক্তিশালী কৰিছে।

অসমৰ ইঞ্জিনিয়াৰিং কলেজত ইলেক্ট্ৰনিকচৰ পাঠ্যক্ৰমৰ সূচনা হৈছে যদিও বিশ্ববিদ্যালয় দুখনেও এই দিশত উপযুক্ত পাঠ্যক্ৰম আৰু গৱেষণাৰে উদ্যোগ আৰু শিক্ষানুষ্ঠানৰ মাজৰ সম্পৰ্ক আৰু দৃঢ় কৰি তুলিব পাৰে। প্ৰস্তাবিত আই আই টি আৰু কেন্দ্ৰীয় বিশ্ববিদ্যালয়েও ইলেক্ট্ৰনিকচৰ পাঠ্যক্ৰম গৱেষণা আৰু কাৰিকৰী জ্ঞানৰ বিনিময়েৰে এই উদ্যোগৰ ভেটিও আৰু সুদৃঢ় কৰি তুলিব পাৰে। ঠায়ে ঠায়ে দেশে-বিদেশে একেই উদ্দেশ্যেৰে আনুষ্ঠানিক শিক্ষানুষ্ঠানৰ উপৰিও আন কেতবোৰ পৰীক্ষাও কৰা হৈছে। এনে কেতবোৰ সফল পৰীক্ষাত এদল বিজ্ঞানী, অভিযন্তা আৰু কাৰিকৰী দক্ষতাৰ লোকক একেটা অনুষ্ঠানৰ ছত্ৰছায়াত একগোট কৰি প্ৰযুক্তিবিদ্যাৰ অত্যাধুনিক বিষয়ত গৱেষণাৰ দায়িত্ব অৰ্পিত কৰা হৈছে। চৰকাৰী-বেচৰকাৰী সাহায্যৰে পৰিপুষ্ট এনেবোৰ প্ৰতিষ্ঠানেও যোগাইছে নতুন নতুন ধাৰণা। তাৰেই ভেটিত গঢ় লৈছে ইলেক্ট্ৰনিকচৰ নতুন নতুন দিশ। সম্পূৰ্ণ নতুন নহলেও গ্ৰাহকৰ মন আকৰ্ষণ কৰিব পৰাকৈ সজা ইলেক্ট্ৰনিক যন্ত্ৰপাতিৰ আঁৰতো যে গৱেষণাৰ প্ৰয়োজন দক্ষিণ কোৰিয়া আদি দেশেই তাৰ দৃষ্টান্ত দেখুৱাই থৈ গৈছে। কোনো কোনো ঠাইত ইলেক্ট্ৰনিকচ উদ্যোগৰ বিভিন্ন সা-সুবিধা থকা বিজ্ঞান উদ্যানৰ জুমুৰি গঢ়ি তুলিও সম্ভাব্য উদ্যোগীক আকৰ্ষণ কৰা হৈছে। জাপানৰ চুকুবাৰ দৰে বিজ্ঞান নগৰে এনে অনুকৰণীয় নিদৰ্শনকে দাঙি ধৰিছে। অসমতো ছয়গাওঁৰ কাষত অসম ইলেক্ট্ৰনিক বিকাশ নিগমে এনে ইলেক্ট্ৰনিক উদ্যানৰ পৰিকল্পনা কৰিছে।



*ভাৰতৰ এটা ইলেক্ট্ৰনিক কাৰখানা*

অসমত ইলেক্ট্ৰনিক উদ্যোগৰ পৰিপূৰ্ণ বিকাশৰ বাবে সকলো সা-সুবিধা এতিয়াও নাই সঁচা। কিন্তু থকা সুবিধা সমূহৰো যে সম্পূৰ্ণ ব্যৱহাৰ হৈছে সেয়াও কিন্তু ক'ব নোৱাৰি। সেয়ে এচাম যুৱকক এনে উদ্যোগৰ প্ৰতি আকৰ্ষিত কৰাৰ গুৰু দায়িত্ব পালন কৰিবলৈ আৰু উদ্যমেৰে আগবাঢ়ি আহক সংশ্লিষ্ট অনুষ্ঠান, প্ৰতিষ্ঠানসমূহ। সেইবোৰ সা-সুবিধাৰেই সম্পূৰ্ণ সুযোগ লৈ অন্তত ঃ সৰু আৰু মজলীয়া আকাৰৰ ইলেক্ট্ৰনিক উদ্যোগ স্থাপনৰ দায়িত্ব লওকহি এতিয়াৰ শিক্ষিত পুৰুষে। ইতিমধ্যে প্ৰস্তাবিত ইলেক্ট্ৰনিক উদ্যানৰ নিচিনা পৰিকল্পনাও বাস্তৱত ৰূপায়িত হওক। আৰম্ভ হওক আৰু উদ্যোগমুখী ইলেক্ট্ৰনিকচৰ পাঠ্যক্ৰম আৰু গৱেষণা। ইলেক্ট্ৰনিক বিপ্লৱে অনা সম্ভাৱনাৰ আধাৰত অসমৰ অৰ্থনীতিলৈ উল্লেখযোগ্য বৰঙণি আগবঢ়াবৰ বাবে সময় আৰু সুযোগ অন্যথা উকলি যাবৰ হ'ল। সূ

# অসমত ইলেক্ট্ৰনিক উদ্যোগৰ সম্ভাৱনা

সাক্ষাৎগ্ৰহণ ঃ দেৱব্ৰত বৰগোহাঞি

ভাৰতবৰ্ষৰ সৰহভাগ ৰাজ্যতে আজি ইলেক্ট্ৰনিক উদ্যোগে তীব্ৰ গতিত প্ৰসাৰ লাভ কৰিছে। মহাৰাষ্ট্ৰ, কৰ্ণাটক, কেৰেলা আদি ৰাজ্যত আজিৰপৰা কেইবাদশকৰো আগতে এই উদ্যোগে জন্ম লাভ কৰিছিল। ১৯৫০ চনৰ পৰাই কলিকতাৰ নিচিনা ঠাইত এই উদ্যোগৰ ওপৰত এটি জাগৰণ গঢ়ি উঠিছিল। Institute of Radiophysic And Electronic নামৰ অনুষ্ঠানটিৰ সেই সময়তে জন্ম হৈছিল। ১৯৭০ দশকত Electronics Commission গঠিত হোৱাৰ পিছত কাশ্মীৰ, কেৰেলা আৰু অসমৰ নিচিনা ঠাইত এই ইলেক্ট্ৰনিক উদ্যোগ বৃহৎ ভূমিকা ল'ব পৰিব বুলি আশা কৰা হৈছিল। সুখৰ বিষয় এয়ে যে এই তিনিখন ৰাজ্যৰ ভিতৰত কেৰেলাই এসময়ত ইলেক্ট্ৰনিক উদ্যোগত ভাৰতবৰ্ষৰ অন্য ৰাজ্যৰ তুলনাত বহুত দূৰ আগুৱাই গ'ল। এই কৃতিত্বৰ বাবে কেৰলাৰ ৰাজ্যিক চৰকাৰখন ধন্যবাদৰ পাত্ৰ।

অসমত প্ৰথম ইলেক্ট্ৰনিক শিক্ষাৰ পাঠ্যক্ৰম আৰম্ভ হয় আশীৰ দশকৰ মাজ ভাগৰ পৰাহে। পঞ্চাশৰ দশকত ভাৰতত জন্ম লাভ কৰা এই উদ্যোগৰ ব্যাপক প্ৰয়োগ ৭০ৰ দশকৰ পৰাহে আৰম্ভ হয়। এইখিনিতে এটা প্ৰশ্ন উত্থাপন হ'ব পাৰে।

–"কেন্দ্ৰই অসমক শোষণ কৰি থকাৰ বাবেহে আমি অৰ্থাৎ অসমবাসীয়ে ইলেক্ট্ৰনিক উদ্যোগত পিছ পৰি আছো নেকি ?" এই কথাষাৰ সত্য একেবাৰে নহয়। ইয়াৰ বাবে অসমৰ বিগত ৰাজ্যিক চৰকাৰবোৰৰ লগতে আমাৰো বহুত ভুল আছে। অসমত ইলেক্ট্ৰনিক উদ্যোগৰ প্ৰসাৰৰ বাবে স্বাধীনতাৰ পঞ্চল্লিশ বছৰৰ পিছতো এক জনমত গঢ়ি নুঠাতো আচৰিত কথা নহয়নে ! অসমৰ বিগত দিনৰ ইতিহাস মাথো আন্দোলনৰে ভৰা। ইমানবোৰ আন্দোলনৰ ভিতৰত আমি যদি এবাৰো ইলেক্ট্ৰনিক উদ্যোগৰ প্ৰসাৰৰ বাবে আন্দোলন কৰিলোহেঁতেন তেন্তে আজিৰ অসমৰ ছবিখনেই সলনি হৈ গ'লহেঁতেন। উদাহৰণ এটাৰে চাওঁ আহক। ধৰক এটা তেল শোধনাগাৰৰ বাবে আমাক প্ৰয়োজন হ'ব প্ৰায় ২,০০০ কোটি টকা। এই বিপুল পৰিমাণৰ ধন খৰচ কৰাৰ পিছত শোধনাগাৰটোৱে মাত্ৰ দুহাজাৰমান যুৱক-যুৱতীকহে কৰ্মসংস্থান দিব পাৰিব। আনহাতে ইয়াৰ যদি ২০ ভাগৰ এভাগ ধন ইলেক্ট্ৰনিক উদ্যোগৰ ক্ষেত্ৰত ব্যৱহাৰ কৰিব পৰা হ'লহেঁতেন তেন্তে প্ৰায় ৪,০০০ গৰাকী যুৱক-যুৱতীক প্ৰত্যক্ষ ভাবে কৰ্মসংস্থান দিব পৰা গ'লহেঁতেন। ইয়াৰ উদাহৰণ স্বৰূপে আঙুলিয়াব পাৰি "অসম ইলেক্ট্ৰনিকচ্ উন্নয়ন নিগম"টোলৈ। আগতেই উল্লেখ কৰি অহা হৈছে যে অসমত ইয়াৰ প্ৰসাৰ হোৱা মাত্ৰ কেইবছৰমানহে হৈছে।

১৯৮৪ চনত অসম চৰকাৰৰ প্ৰচেষ্টাত পোন প্ৰথমবাৰৰ বাবে এই উদ্যোগে অসমত ঠন ধৰি উঠে। তেতিয়াৰ মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াৰ যত্নতে "অসম ইলেক্ট্ৰনিকচ্ উন্নয়ন নিগমে" জন্ম লাভ কৰে। এটা উদ্যোগ আৰু এটা টেকন'লজী হিচাপে ইলেক্ট্ৰনিকচ্‌ৰ কিছুমান স্বকীয় বৈশিষ্ট্য আছে যাৰ ফলত ই অসমৰ নিচিনা দূৰবৰ্তী আৰু পিছপৰি থকা ৰাজ্যসমূহত সামাজিক আৰু অৰ্থনৈতিক পৰিবৰ্তনৰ এক শক্তিশালী যন্ত্ৰ হিচাপে কাম কৰিব পাৰে। আমাৰ দেশত ইলেক্ট্ৰনিকচ্‌ৰ উৎপাদন ১৯৮৪-৮৫ চনত ২০০০ কোটি টকাৰ পৰা ১৯৮৯-৯০ চনত ১০,০০০ কোটি টকা মূল্যৰ হয়গৈ। অষ্টম পৰিকল্পনাৰ শেষত উৎপাদনৰ মূল্য ৩০,০০০ কোটি টকাৰো অধিক হোৱাৰ সম্ভাৱনা আছে। দেশত ইলেক্ট্ৰনিকচ্ উদ্যোগৰ এনেকুৱা চকুত লগা বিকাশ হোৱাৰ সময়ত উত্তৰ-পূৰ্বাঞ্চলৰ উৎপাদন এতিয়াও তাৰ তুলনাত অত্যন্ত কম হৈ থকাৰ ফলত এটা অসামঞ্জস্যকৰ অৱস্থাৰ সৃষ্টি হোৱা দেখা গৈছে। এই বৈষম্য যিমান সোনকালে পৰা যায় দূৰ কৰা প্ৰয়োজন। ইয়াৰ বাবে লাগে চৰকাৰৰ বলিষ্ঠ পদক্ষেপ। এইক্ষেত্ৰত অসমৰ ৰাইজৰো বহুত কৰিব লগা আছে।

অসমত ইলেক্ট্ৰনিক উদ্যোগৰ সম্ভাৱনা সম্পৰ্কে কিছু কথা জানিবলৈ 'অসম ইলেক্ট্ৰনিকচ্ উন্নয়ন নিগম' তথা 'আমট্ৰন'ৰ পৰিচালন সঞ্চালক ডঃ দেৱদাস কাকতিক অলপতে আমাৰ 'সূত্ৰধাৰ'ৰ ফালৰ পৰা লগ ধৰা হৈছিল। তেখেতৰ লগত অসমৰ ইলেক্ট্ৰনিক উদ্যোগৰ বিষয়ে বহুতো কথা অন্তৰঙ্গভাৱে পতা হৈছিল। বহুতো প্ৰশ্নও কৰা হৈছিল। বহু অভিজ্ঞতাৰে পুষ্ট ডঃ কাকতিয়ে যথেষ্ট আন্তৰিকতাৰে প্ৰশ্নবোৰৰ উত্তৰ দি গৈছিল। বৰ্তমান অসমৰ পৰিস্থিতিৰ বাবে বাহিৰৰ উদ্যোগপতিয়ে অসমত এনেধৰণৰ উদ্যোগ স্থাপন কৰাৰ পৰা বিৰত আছে বুলি কথা প্ৰসঙ্গত তেখেতে আমাক কৈছিল। যাৰ বাবে অসমৰ কেঁচুৱা হৈ থকা এই ইলেক্ট্ৰনিক উদ্যোগটোৱে যথেষ্ট অসুবিধাৰ সমুখীন হ'ব লগা হৈছে।

---

**সূত্ৰধাৰ ঃ** অসমত ইলেক্ট্ৰনিক উদ্যোগে অন্য ৰাজ্য, যেনে মহাৰাষ্ট্ৰ, কৰ্ণাটক, হাৰিয়ানা, দিল্লী আদিৰ দৰে প্ৰসাৰ লাভ কৰিব পৰা নাই। ইয়াৰ মূলতে আপুনি কি বুলি ভাবে ?

**ডঃ কাকতি ঃ** অৱশ্যে এইটো সত্য। অসম ইলেক্ট্ৰনিক উদ্যোগত হাৰিয়ানা, মহাৰাষ্ট্ৰ, কৰ্ণাটক আদিতকৈ এতিয়াও পিছ পৰি আছে। মহাৰাষ্ট্ৰ আৰু কৰ্ণাটকত আজিৰ পৰা কেইবা দশকৰো আগতে এই উদ্যোগৰ সূচনা হৈছিল। ১৯৫০ৰ দশকতে কলিকতাত Institute of Radiophysic & Electronics নামৰ বৃহৎ অনুষ্ঠান এটিৰ জন্ম হৈছিল। এই অনুষ্ঠানটোৰ দ্বাৰা সেই ৰাজ্যৰ জনসাধাৰণক ইলেক্ট্ৰনিক উদ্যোগৰ বাবে শিক্ষিত আৰু উপযুক্ত কৰি তুলিবলৈ সক্ষম হৈছিল। ফলত এই ইলেক্ট্ৰনিকচ্ উদ্যোগৰ বাবে অতি প্ৰয়োজনীয় মানৱ সম্পদ (Man Power)ৰ বিকাশ দ্ৰুত গতিত বাঢ়ি গৈছিল। তাৰ বিপৰীতে অসমত ১৯৮৪-৮৫ চনৰ পৰাহে ইলেক্ট্ৰনিক শিক্ষাৰ পাঠ্যক্ৰম আৰম্ভ হয়। উৰাজাহাজেৰে কলিকতাৰ পৰা অসম পাবলৈ সময় লাগে ৪৫ মিনিট। কিন্তু ইলেক্ট্ৰনিক উদ্যোগ বা শিক্ষাৰ প্ৰসাৰ ঘটিবলৈ (কলিকতাৰ পৰা অসমলৈ) সময় লাগিছিল সম্পূৰ্ণ তিনিটা দশক। যিকোনো উন্নয়নৰ ঢৌ অসম আহি পাবলৈ বহু সময় লাগিছিল। সমূহীয়া ভাবে আমাৰ সমাজ এখন এনেদৰে Information Barrierৰ আঁৰত ৰৈ গৈছিল।

পলমকৈ ইলেক্ট্ৰনিক উদ্যোগৰ প্ৰসাৰ কিয় ঘটিছিল তাৰ কাৰণ বিচাৰিবলৈ গ'লে বহুতো পোৱা যাব। আচলতে এনেধৰণৰ উদ্যোগৰ প্ৰসাৰৰ বাবে চৰকাৰৰ লগতে জনসাধাৰণো বাৰুকৈয়ে সচেতন হোৱা প্ৰয়োজন। আমাৰ অসমত ১৯৮৪ চনত ৰাজ্যিক চৰকাৰখনৰ কাৰ্যকালতে "অসম ইলেক্ট্ৰনিকচ্ উন্নয়ন নিগম" (Assam Electronics Development Corporation Limited) তথা আমট্ৰন প্ৰতিষ্ঠা হৈছিল। সেই সময়ৰ চৰকাৰখনৰ বলিষ্ঠ পদক্ষেপৰ বাবেই অসমত পোন প্ৰথমবাৰৰ কাৰণে ইলেক্ট্ৰনিক উদ্যোগৰ জয়যাত্ৰা আৰম্ভ হৈছিল।

সূত্ৰধাৰ ঃ অসমত ইলেক্ট্ৰনিক উদ্যোগ ব্যাপকভাৱে গঢ়ি উঠাৰ আশা আছেনে ? ইয়াৰ বাবে উপযুক্ত পৰিবেশ অসমত দেখা পোৱা গৈছে নেকি ?

ডঃ কাকতি ঃ নিশ্চয় আছে। এই উদ্যোগ স্থাপনৰ বাবে অসমত সকলো পৰিবেশেই আছে। মাত্ৰ অসমৰ ৰাইজে ঐকান্তিকতাৰে কাম কৰাৰ ওপৰতে সকলোবোৰ সুফল নিৰ্ভৰ কৰিছে। উত্তৰ পূৰ্বাঞ্চলৰ যিকোনো এখন ৰাজ্যতে অনায়াসে এনেধৰণৰ উদ্যোগ স্থাপন কৰিব পাৰি। শিল্প উদ্যোগৰ উন্নয়নৰ কাৰণে সদায়েই এটা শান্তি আৰু স্থিৰতাৰ পৰিবেশৰ প্ৰয়োজন। অসমৰ পৰিস্থিতিৰ বাবে বাহিৰৰ উদ্যোগপতিসকলে এনেধৰণৰ উদ্যোগ স্থাপন কৰিবলৈ আগবাঢ়ি আহিও থমকি ৰ'ব লগা হৈছে। মই ভাবো ইয়াৰ ফলত অসমৰ জনসাধাৰণে এটা ডাঙৰ সুবিধাৰ পৰা বঞ্চিত হৈছে। আপোনালোকে শুনিলে ভাল পাব যে অলপ দিনৰ ভিতৰতে অসম চৰকাৰে অষ্ট্ৰেলিয়া চৰকাৰৰ লগত এখন চুক্তি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। এই চুক্তিখন ঠিকমতে ৰূপায়িত হলে অসমে ইলেক্ট্ৰনিক উদ্যোগৰ ক্ষেত্ৰত অন্য এক নতুন পদক্ষেপ আগবঢ়াব পাৰিব।



*ডঃ দেৱদাস কাকতি*

এনেধৰণৰ উদ্যোগ প্ৰতিষ্ঠাৰ বাবে আন এটা প্ৰধান সমস্যা আছে। সেয়া হ'ল বিত্তীয় সমস্যা। চৰকাৰে টেলিকম সম্বন্ধীয় এটা ডাঙৰ প্ৰজেক্ট হাতত লবলৈ যো-জা কৰিছে। চৰকাৰৰ পৰা এইক্ষেত্ৰত প্ৰয়োজনীয় সঁহাৰিও পোৱা গৈছে।

> শিল্প উদ্যোগৰ উন্নয়নৰ কাৰণে সদায়েই এটা শান্তি আৰু স্থিৰতাৰ পৰিবেশ প্ৰয়োজন। অসমৰ পৰিস্থিতিৰ বাবে বাহিৰৰ উদ্যোগপতিসকলে এনেধৰণৰ উদ্যোগ স্থাপন কৰিবলৈ আগবাঢ়ি আহিও থমকি ৰ'ব লগা হৈছে।

**সূত্ৰধাৰ ঃ** অসমৰ এনে কিছুমান গজলীয়া আৰু বৃহৎ উদ্যোগ আছে যিবোৰত এতিয়াও উপযুক্ত ভাবে ইলেক্ট্ৰনিক পদ্ধতি ব্যৱহাৰ কৰিব পৰা হোৱা নাই। এই বিষয়ে আপোনালোকে কিবা চিন্তা-চৰ্চা কৰিছে নেকি ?

ডঃ কাকতি ঃ অসমৰ দুটা ডাঙৰ উদ্যোগ হ'ল চাহ শিল্প আৰু পেট্ৰলিয়াম শিল্প। এই দুয়োটা ক্ষেত্ৰতে ইলেক্ট্ৰনিকচ্‌ৰ বহল প্ৰয়োগৰ সম্ভাৱনা আছে। চাহ শিল্পৰ ক্ষেত্ৰত প্ৰয়োগ কৰিবৰ বাবে আমাৰ অভিযন্তাসকলে গৱেষণা কৰি কম্পিউটাৰ সংযোজিত কিছুমান নিয়ন্ত্ৰণকাৰী যন্ত্ৰপাতি নিৰ্মাণ কৰি উলিয়াইছে। ইতিমধ্যে চাহ-বাগানৰ ফেক্টৰীত এইবোৰ যন্ত্ৰপাতি পৰীক্ষামূলকভাৱে ব্যৱহাৰ কৰি সফলো হৈছে। তাৰ উপৰি তেলৰ পাইপ লাইনৰ বাবে সৰ্বাধুনিক Telemetering System স্থাপন কৰা কাৰ্যতো আমি জৰিত হবলৈ প্ৰয়াস কৰিছো। এই গুৰুত্বপূৰ্ণ পৰীক্ষাটোত কৃতকাৰ্য হ'ব পাৰিলে আমাৰ অভিযন্তাসকলে বহুতো শেহতীয়া কলা-কৌশলপূৰ্ণ কামত পূৰ্ণোদ্যমে লাগি পৰিব।

সন্দেহ নাই যে এই আধুনিক যন্ত্ৰপাতিবোৰে অসমৰ বৃহৎ উদ্যোগবোৰলৈ এক যোগাত্মক বৰঙণি আগবঢ়াবলৈ সক্ষম হ'ব।

**সূত্ৰধাৰ ঃ** অসমৰ নিবনুৱা সমস্যা সমাধানৰ ক্ষেত্ৰত ইলেক্ট্ৰনিক উদ্যোগে কেনেদৰে ভূমিকা ল'ব পাৰে, তাৰ বিষয়ে অলপ বহলাই ক'ব নেকি ?

ডঃ কাকতি ঃ নিবনুৱা সমস্যাৰ সমাধান অকল ইলেক্ট্ৰনিক উদ্যোগৰ দ্বাৰা সম্ভৱ নহয়। কিন্তু এইটো ঠিক যে ইয়াৰ পৰা অতি ক্ষিপ্ৰভাৱে কিছুমান কৰ্ম সংস্থান উলিয়াব পৰা যায়। অসমত এইধৰণৰ উদ্যোগ স্থাপনৰ বাবে বহল প্ৰচেষ্টা হাতত ললে অসমৰ নিবনুৱা সমস্যা সমাধানৰ ক্ষেত্ৰত ইলেক্ট্ৰনিক উদ্যোগে বিশেষ বৰঙণি যোগাব পাৰিব।

সমগ্ৰ দেশৰ ইলেক্ট্ৰনিকচ্ উদ্যোগৰ হিচাপ এটা ললে দেখা যায় যে গড়ে ডেৰ বা দুই লাখ টকা বিনিয়োগ কৰিলে এটা কৰ্মসংস্থানৰ সৃষ্টি হয়। অন্যান্য উদ্যোগত (যেনে – লৌহ শিল্পত) প্ৰতিটো কৰ্ম সংস্থাপনৰ বাবে বিনিয়োগ কৰা ধনৰ পৰিমাণ হয়তো তাতকৈ

কেইবাগুণো বেছি । উদাহৰণ স্বৰূপে ক'ব পাৰি যে অষ্টম পৰিকল্পনাত ইলেক্ট্ৰনিকচ্ উদ্যোগৰ বাবে যদি অসমত ১০০ কোটি টকাৰ বিনিয়োগ কৰা হয় তেন্তে তাৰ দ্বাৰা প্ৰায় পাঁচ হাজাৰ মানুহক কৰ্ম সংস্থাপন দিব পৰা হ'ব । ইলেক্ট্ৰনিক উদ্যোগৰ ক্ষেত্ৰত আমি এতিয়ালৈকে মাত্ৰ পাঁচ কোটি টকাহে বিনিয়োগ কৰিছো ।

বৰ্তমানৰ অসম চৰকাৰে এই উদ্যোগৰ ওপৰত যথেষ্ট "গুৰুত্ব প্ৰদান কৰিছে । আমি আশা ৰাখিছো অষ্টম পৰিকল্পনাৰ শেষলৈ আমি এই উদ্যোগৰ ক্ষেত্ৰত বহুদূৰ আগুৱাই যাব পাৰিম ।

**সূত্ৰধাৰঃ** অসম চৰকাৰৰ এজন উচ্চপদস্থ বিষয়া হিচাপে আপুনি "অসম ইলেক্ট্ৰনিকচ্ উন্নয়ন নিগম"ৰ সতে বহুদিনৰ পৰা জৰিত হৈ আছে । আমি গম পোৱা মতে আপোনাৰ যত্নতে এই নিগমটোৱে বহুদূৰ আগুৱাই আহিলে । আপুনি ভবা ধৰণে এই নিগমটোৱে উন্নতি কৰিব পাৰিছেনে ? আপোনাৰ নিজস্ব ধ্যান-ধাৰণাৰ পৰা আমাক কিছুমান পৰামৰ্শ দিব নেকি যিবোৰে অসমৰ উন্নতিত পৰোক্ষভাবে হলেও অৰিহণা যোগাব পাৰে !

**ডঃ কাকতিঃ** (হাঁহি মাৰি) আপুনি মোক মিছাতে ওপৰলৈ তুলি দিছে । "অসম ইলেক্ট্ৰনিকচ্ উন্নয়ন নিগমৰ" সাফল্যত মোতকৈ আমাৰ নিগমৰ সমূহ কৰ্মকৰ্তা সকলৰে বেছি অৰিহণা আছে । মই মাত্ৰ চৰকাৰী বিষয়া হিচাপে মোৰ দায়িত্ব পালন কৰিছো ।

অসমত ইলেক্ট্ৰনিক উদ্যোগৰ কেনেদৰে প্ৰসাৰ ঘটাব পাৰি তাৰ ওপৰত মোৰ নিজস্ব ধ্যান-ধাৰণানো কি থাকিব পাৰে ? আপুনি সুধিছে যেতিয়া অলপ ক'বতো লাগিবই । নে কি কয় ?

আচলতে ১৯৮০ৰ দশকত আমাৰ দেশত ইলেক্ট্ৰনিকচ্ এটা গুৰুত্বপূৰ্ণ জাতীয় প্ৰয়াস বা প্ৰযত্ন হিচাপে প্ৰকাশ পায় । অহা দশকবোৰত ইলেক্ট্ৰনিকচ্-এ আৰু অধিকতৰ প্ৰাধান্য লাভ কৰিব । এটা উদ্যোগ আৰু এটা technology হিচাপে ইলেক্ট্ৰনিকচ্ৰ কিছুমান স্বকীয় বৈশিষ্ট্য আছে যাৰ ফলত ই অসমৰ নিচিনা দূৰবৰ্তী আৰু পিছপৰি থকা ৰাজ্য সমূহত সামাজিক আৰু অৰ্থনৈতিক পৰিবৰ্তনৰ এক শক্তিশালী যন্ত্ৰ হিচাপে কাম কৰিব পাৰে । মহাৰাষ্ট্ৰ, হাৰিয়ানা বা কৰ্ণাটকৰ নিচিনা ৰাজ্য সমূহত যি ধৰণৰ শিল্প-উদ্যোগৰ সংস্কৃতি বা বাতাবৰণ গঢ়ি উঠিছিল, অসমত সেইটো নাছিল । সেই কাৰণে সেইবোৰ ঠাইত যি ক্ষিপ্ৰ গতিত ঔদ্যোগিক উন্নয়ন (Enterpreneurial Development) হ'ব পাৰিছিল, সেইটো অসমৰ ক্ষেত্ৰত প্ৰথম অৱস্থাত পৰিলক্ষিত হোৱা নাছিল । তেনেবোৰ আগবঢ়া ৰাজ্যত যি ধৰণৰ মডেল বা নিদৰ্শন চলে, সেই মডেল অসমৰ ক্ষেত্ৰত প্ৰযোজ্য নহ'ব পাৰে । আমাৰ অঞ্চলৰ সকলো কামতে, সকলো সমস্যা সমাধানতে সাধাৰণতঃ নতুন চিন্তাধাৰা বা সংকল্পনাৰ ভিত্তিত ৰচিত মডেল বা কৰ্ম-পথৰ প্ৰয়োজন ।

অষ্টম পৰিকল্পনাত ইলেকট্ৰনিকচ উদ্যোগৰ বাবে যদি অসমত এশ কোটি টকাৰ বিনিয়োগ কৰা হয় তেন্তে তাৰ দ্বাৰা প্ৰায় পাঁচ হাজাৰ মানুহক কৰ্ম সংস্থাপন দিব পৰা যাব । ইলেকট্ৰনিক উদ্যোগৰ ক্ষেত্ৰত আমি এতিয়ালৈকে মাত্ৰ পাঁচ কোটি টকাহে বিনিয়োগ কৰিছো ।

এনেকুৱা যিকোনো মডেলতে মাতৃ-উদ্যোগৰ ভূমিকা বিশেষ গুৰুত্বপূৰ্ণ । চমুকৈ কবলৈ গ'লে অষ্টম পৰিকল্পনাৰ কালছোৱাত আমি অনুসৰণ কৰা মডেল সুকীয়া হোৱা উচিত । মই ভাবো নৱম পৰিকল্পনাৰ পৰা অসমৰ অৱস্থা অন্যান্য আগবঢ়া ৰাজ্য সমূহৰ নিচিনা হ'বগৈ ।

ইলেক্ট্ৰনিকচ্ৰ ক্ষেত্ৰত পৰিবৰ্তন আৰু নতুন নতুন বিকাশ খুব ক্ষিপ্ৰ গতিত হৈ আছে । ইলেক্ট্ৰনিক উন্নয়নৰ বাবে গঠন কৰি দিয়া অনুষ্ঠানবোৰত সেই কাৰণে কিছুমান আভ্যন্তৰীণ গঠন-ব্যৱস্থা থকা উচিত, যাতে সেই অনুষ্ঠানটোৱে আন্তৰ্জাতিক ক্ষেত্ৰত আৰু আমাৰ দেশতো ক্ৰমাগতভাবে ওলাই থকা নতুন সুবিধাবোৰ গ্ৰহণ কৰিব পাৰে আৰু সময়োচিতভাবে প্ৰকল্প হাতত ল'ব পাৰে । তেতিয়াহে ক্ৰমবৰ্ধমান বিকাশৰ পথ সোনকালে সুচল হয় । আমাৰ দেশত বৰ্তমান যিবোৰ সুবিধা আৰু বিকাশ মুকলি হৈছে, সেইবোৰ গ্ৰহণ কৰি আমাৰ ৰাজ্যখন যাতে ভৱিষ্যতৰ বিকাশৰ ক্ষেত্ৰত অন্যান্য ৰাজ্যৰ সমপৰ্যায়লৈ আহিব পাৰে । ইয়াৰ বাবে আমাক এটা খুব শক্তিশালী ভিত্তিৰ প্ৰয়োজন । যি ভিত্তি ৰাইজৰ সহায়-সহযোগৰ অবিহনে গঢ় লৈ উঠা অসম্ভৱ ।

এই সন্দৰ্ভত মই এসময়ৰ কেৰলা ৰাজ্যত ইলেক্ট্ৰনিক উদ্যোগ গঢ়ি তোলাত নেতৃত্ব দিয়া আৰু পিছলৈ ভাৰত চৰকাৰৰ ইলেক্ট্ৰনিকচ্ বিভাগৰ মুৰব্বী (Secretary) হোৱা শ্ৰী কে পি পি নামিবিয়াৰৰ লগত বহুতো আলোচনা কৰিছিলো । সেই প্ৰচেষ্টাৰ ফলতে গুৱাহাটীত ভাৰত চৰকাৰৰ এটা Electronics And Development Centre প্ৰতিষ্ঠিত হয় ।

ইলেক্ট্ৰনিকচ্ এটা পৰম্পৰাগত বা পৰম্পৰা মানি চলা উদ্যোগ নহয় । বৰং কব পাৰি যে ইলেক্ট্ৰনিকচ্-এ সকলো দিশতে নতুন নতুন পৰম্পৰা সৃষ্টি কৰি আহিছে । অন্যান্য উদ্যোগসমূহৰ তুলনাত ইলেক্ট্ৰনিক উদ্যোগ খুব বেছি গভীৰভাবে বিজ্ঞানভিত্তিক । সেই কাৰণে এই ক্ষেত্ৰত Technology আৰু Technical ব্যক্তিসকলৰ উপযুক্ত সঞ্চালনৰ গুৰুত্ব খুব বেছি । সুখৰ বিষয় অসমত এনে এটা পৰিবেশ তীব্ৰ গতিত গঢ় লৈ উঠিছে যিয়ে নেকি আহি থকা দিনবোৰত ইলেক্ট্ৰনিকচ্ উদ্যোগত এক যোগাত্মক প্ৰভাৱ পেলাবলৈ সক্ষম হ'ব ।

ইলেক্ট্ৰনিক উদ্যোগৰ প্ৰসাৰৰ বাবে আপোনালোকৰ সংবাদ মাধ্যমে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব পাৰে । এইক্ষেত্ৰত জনসাধাৰণক সচেতন কৰি তুলিব পৰা ক্ষমতা মাত্ৰ আপোনালোকৰহে । আমি সেয়েহে সদায় আপোনালোকৰ সহায় সহযোগ আশা কৰো । 'সূত্ৰধাৰে' বা অন্য কাকত আলোচনীয়ে যদি ধাৰাবাহিকভাবে ইলেক্ট্ৰনিক উদ্যোগৰ ওপৰত প্ৰবন্ধ-পাতি প্ৰকাশ কৰি থাকে তেন্তে ইয়াৰ ওপৰত নিশ্চয় এটি জাগৰণ গঢ়ি উঠিব । 'সূত্ৰধাৰ'লৈ শেষত মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো । ■







# উত্তৰ-পূব উন্নয়ন আৰু উত্তৰ-পূৰ্বাঞ্চলৰ পৰিষদ

হিতেন মহন্ত

বিগত মাৰ্চ মাহত গুৱাহাটীত উত্তৰ-পূব পৰিষদৰ বৈঠক অনুষ্ঠিত হৈছিল । এই বৈঠকৰ মূল উদ্দেশ্য আছিল ১৯৯২-৯৩ চনৰ বাবে পৰিষদৰ বাৰ্ষিক পৰিকল্পনাৰ ধন আৱন্টন কৰা । বৈঠকত ১৯৯২-৯৩ চনৰ বাবে পৰিকল্পনা আয়োগে উত্তৰ-পূব পৰিষদক ২৩২ কোটি টকা অনুমোদন দিয়ে ।

পৰিকল্পনা আয়োগে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ বিকাশৰ বাবে ধন অনুমোদন দিয়াৰ সময়ত বৈঠকত উপস্থিত থকা সাতখন ৰাজ্যৰ মুখ্যমন্ত্ৰী বা প্ৰতিনিধি কেইজনে আপত্তি দৰ্শাইছিল । আৱন্টিত ধনৰ পৰিমাণ কম হোৱাটোৱেই তেওঁলোকৰ আপত্তিৰ মূল কাৰণ আছিল । পৰিকল্পনা আয়োগে প্ৰথম অৱস্থাত উত্তৰ-পূব পৰিষদক ২০০ কোটি টকা আৱন্টন দিবলৈ বিচাৰিছিল । কিন্তু আৱন্টিত ধনৰ পৰিমাণ কম হোৱা বুলি বৈঠকত উপস্থিত থকা উত্তৰ-পূৰ্বাঞ্চলৰ সাতখন ৰাজ্যৰ মুখ্যমন্ত্ৰী আৰু প্ৰতিনিধি কেইজনে আপত্তি দৰ্শোৱাত আৱন্টিত ধনৰ পৰিমাণ ২৩২ কোটি টকালৈ বৃদ্ধি কৰা হয় । প্ৰতিনিধি কেইজনে অসন্তোষ প্ৰকাশ কৰাৰ বাবেই ৩২ কোটি টকা বৃদ্ধি কৰা হয় । তথাপিও প্ৰতিনিধি কেইজনে সেই টকা যথেষ্ট নহয় বুলি মত প্ৰকাশ কৰে । প্ৰতিনিধি কেইজনৰ আপত্তি বা অভিযোগ অতি ন্যায় সঙ্গত আছিল । কাৰণ পৰিকল্পনা আয়োগে ১৯৯২-৯৩ চনৰ বাবে আৱন্টন কৰা ২০০ বা ২৩২ কোটি টকা উত্তৰ-পূৰ্বাঞ্চলৰ বিকাশৰ বাবেই মুঠেই যথেষ্ট নহয় । পিছত এই আপত্তিৰ যুক্তিযুক্ততা প্ৰমাণিতও হয় । কিয়নো ১৯৯২-৯৩ চনত উত্তৰ-পূব পৰিষদে উত্তৰ-পূৰ্বাঞ্চলত নতুন উন্নয়ন প্ৰকল্পৰ আঁচনি লোৱা নাই বা ল'ব পৰা নাই । উত্তৰ-পূব পৰিষদে উক্ত আৱন্টিত ধন পূৰ্বৰ প্ৰকল্পসমূহ সম্পূৰ্ণ কৰাৰ বাবেই খৰচ কৰিব ।

উত্তৰ-পূব পৰিষদে ইতিমধ্যে প্ৰচাৰ কৰিছে উত্তৰ-পূৰ্বাঞ্চলৰ উন্নয়নৰ বাবে বিভিন্ন হ্ৰস্বম্যাদী আৰু দীৰ্ঘম্যাদী বিস্তৃত আঁচনি লৈছে । কিন্তু ১৯৯২-৯৩ চনৰ বাবে আৱন্টিত ধনৰ ৮৫ কোটি টকা শক্তি বা বিদ্যুৎ খণ্ড আৰু ১২০ কোটি টকা যোগাযোগ বা পথ উন্নয়নৰ কামত খৰচ কৰা হ'ব । অৰ্থাৎ আৱন্টিত ধনৰ শতকৰা ৮৫ ভাগ ধন শক্তি আৰু যোগাযোগ খণ্ডত খৰচ কৰা হ'ব । বাকী থকা মাত্ৰ ২৭ কোটি টকাৰে অৰ্থাৎ শতকৰা ১৫ ভাগ ধনেৰে কৃষি, উদ্যোগ আদি খণ্ডৰ উন্নয়ন সাধন সম্ভৱ হ'বনে ? এই প্ৰশ্নৰ উত্তৰ কিন্তু উত্তৰ-পূব পৰিষদৰ হাতত নাই ।

উত্তৰ-পূৰ্বাঞ্চলৰ অনগ্ৰসৰতাৰ প্ৰতি লক্ষ্য ৰাখিয়েই ১৯৭১ চনত সংসদত গৃহীত এখন আইনৰ অধীনত উত্তৰ-পূব পৰিষদ গঠন কৰা হৈছিল আৰু ১৯৭২ চনৰ পৰা পৰিষদে কাম আৰম্ভ কৰে । উল্লেখযোগ্য যে ভাৰতবৰ্ষত কেৱল উত্তৰ পূৰ্বাঞ্চলৰ সাতখন ৰাজ্যৰ বাবেই এনে এটা পৰিষদ গঠন কৰা হয় । দেশৰ অন্যান্য অঞ্চলৰ তুলনাত উত্তৰ-পূৰ্বাঞ্চল যে অৰ্থনৈতিকভাবে অনগ্ৰসৰ উত্তৰ-পূব পৰিষদৰ জন্মই সেই কথা প্ৰমাণ কৰে । সংসদত গৃহীত আইন অনুসৰি আৰম্ভণিতে উত্তৰ-পূব পৰিষদক এটা উপদেষ্টা কমিটী হিচাপেহে গঠন কৰা হৈছিল । এই কমিটীয়ে উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্য কেইখনৰ উমৈহতীয়া স্বাৰ্থ নিহিত হৈ থকা বিষয়বোৰ আলোচনা কৰি অৰ্থনৈতিক আৰু সামাজিক উন্নয়ন, আন্তঃৰাজ্য পৰিবহণ আৰু যোগাযোগ, বিদ্যুৎ আৰু বান নিয়ন্ত্ৰণ প্ৰকল্পৰ বাবে অনুমোদন জনাব । আঞ্চলিক পৰিকল্পনা কমিটী হিচাপেও পৰিষদে কাম কৰিব বুলি দায়িত্ব নিৰ্দ্ধাৰণ কৰা হৈছিল । তাৰ উপৰি প্ৰকল্পবোৰ ৰূপায়ণৰ বাবে ৰাজ্য কেইখনৰ মাজত সমন্বয়ৰক্ষী কমিটী হিচাপেও কাম কৰিব বুলি দায়িত্ব দিয়া হৈছিল । অৱশ্যে পিছলৈ উত্তৰ-পূব পৰিষদক পুঁজি বিনিয়োগ সংগঠন হিচাপে গঢ়ি তোলা হয় । পঞ্চম পৰিকল্পনাৰ অধীনত উত্তৰ-পূব পৰিষদে ৫৪ কোটি টকা বিভিন্ন উন্নয়নমুখী প্ৰকল্পত বিনিয়োগ কৰে । সপ্তম পৰিকল্পনাৰ সময়ছোৱাত পৰিষদে বিনিয়োগ কৰা ধনৰ-পৰিমাণ ৭৮০ কোটি টকালৈ বৃদ্ধি পায় । ১৯৯২ চনৰ ৩১ মাৰ্চলৈকে পৰিষদে উত্তৰ-পূৰ্বাঞ্চলত খৰচ কৰা ধনৰ পৰিমাণ ১৭০০ কোটি টকা । উক্ত ধনৰ শতকৰা ৮৫ ভাগ ধন বিদ্যুৎ আৰু পথ উন্নয়নকে ধৰি যোগাযোগ খণ্ডত খৰচ কৰা হয় ।

অসম, মণিপুৰ, মেঘালয়, নগালেণ্ড, ত্ৰিপুৰা, মিজোৰাম আৰু অৰুণাচল প্ৰদেশ উত্তৰ-পূৰ্বাঞ্চলৰ এই সাতখন অনগ্ৰসৰ ৰাজ্যৰ উন্নয়নৰ বাবে উত্তৰ-পূব পৰিষদে বহুতো উন্নয়ন প্ৰকল্প হাতত লৈছে আৰু কিছুসংখ্যক প্ৰকল্পৰ কাম ইতিমধ্যে সম্পূৰ্ণ হৈছে । ইয়াৰ ভিতৰত উল্লেখযোগ্য হ'ল উত্তৰ-পূব বিদ্যুৎ শক্তি নিগম (নিপকো) অসম-মেঘালয় সীমান্ত অৰ্থাৎ উত্তৰ কাছাৰ জিলাৰ ওমৰাংছোত গঢ়ি তোলা কপিলী হাইড্ৰো ইলেক্ট্ৰিক প্ৰকল্প, কলীয়া ভোমোৰা দলং প্ৰকল্প আদি । অৰুণাচল প্ৰদেশৰ ৰঙানদী বিদ্যুৎ প্ৰকল্পৰ ধন সম্পূৰ্ণৰূপে উত্তৰ-পূব পৰিষদে বিনিয়োগ

কৰিছে। এই ধনৰ পৰিমাণ ৫১৬ কোটি টকা। প্ৰকল্পটো নিৰ্মাণৰ কাম ১৯৯৫ চনৰ মাৰ্চত সম্পূৰ্ণ হ'ব বুলি আশা কৰা হৈছে। নগালেণ্ডৰ দৈয়াং হাইড্ৰো ইলেক্ট্ৰিক প্ৰকল্পৰ বাবেও উত্তৰ-পূব পৰিষদে ধন বিনিয়োগ কৰিছে। এই ধনৰ পৰিমাণ ২৫০ কোটি টকা। ৰঙানদী হাইড্ৰো ইলেক্ট্ৰিক প্ৰকল্পৰ উৎপাদন ক্ষমতা ৪০৫ মেগৱাট আৰু দৈয়াং হাইড্ৰো ইলেক্ট্ৰিক প্ৰকল্পৰ উৎপাদন ক্ষমতা ৭৫ মেগৱাট।


সেইদৰে উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্য কেইখনৰ আন্তঃৰাজ্য কেইবাটাও পথৰ উন্নয়নৰ কামত উত্তৰ-পূব পৰিষদে ধন বিনিয়োগ কৰিছে। ইয়াৰ ভিতৰত অসম আৰু মেঘালয় সীমান্তৰ আগিয়া-মেথিপাৰা-ফুলবাৰী-তুৰা পথ, অসম আৰু অৰুণাচল প্ৰদেশৰ মাৰ্ঘেৰিটা-দেউমালি পথ, বান্দৰ দোৱা-ইটানগৰ পথ নিৰ্মাণ, অসম আৰু নগালেণ্ড সীমান্তৰ গোলাঘাট, মেৰাপানী, ওখা পথ, অসম-নগালেণ্ড সীমান্তৰ সোণাৰী নাম তোলা মনপথ, অসম-নগালেণ্ড সীমান্তৰ আমগুৰি-মোককচাং পথ, অসম আৰু অৰুণাচল প্ৰদেশৰ মাজত ওৰাং-মাজবাট-ৰূপা পথ, মিজোৰাম আৰু ত্ৰিপুৰাৰ মাজত টিল্টথাই-ডামচেৰা-ফুলদাংচি-টুইপুইবাৰী পথ, মিজোৰাম আৰু মণিপুৰৰ মাজত খানজল-চিনজল-থানলান পথ, মিজোৰামৰ নাকন-চামদুৰ পথ, মণিপুৰৰ চানচক-টেট্ৰোপালা পথ, অৰুণাচল প্ৰদেশৰ দিতেদিমে-ৰিগাং কিগিং পথ, চেপা, চাগ্‌লী-ভজালি পথ আৰু অসম আৰু মেঘালয় পাচি গৰমপানী, হাফলং, জাতিঙ্গা-উদৰবান্দ পথ আদি।

উত্তৰ-পূব পৰিষদে হাতত লোৱা উত্তৰ-পূৰ্বাঞ্চলৰ উন্নয়নৰ বাবে এই প্ৰকল্পবোৰ যিদৰে ৰূপায়ণ হ'ব লাগিছিল ঠিক সেইদৰে হোৱা নাই। বিশেষকৈ আন্তঃৰাজ্য সীমা বিবাদৰ বাবেই বহু সময়ত প্ৰকল্পবোৰ ৰূপায়ণত বাধা আহি পৰিছে। উল্লেখযোগ্য যে সীমা বিবাদ নিষ্পত্তিৰ ক্ষেত্ৰত উত্তৰ-পূব পৰিষদৰ কোনো ক্ষমতা নাই। পথ প্ৰকল্প নিৰ্মাণৰ কাম পলম হোৱাৰ সীমা বিবাদেই এটা অন্যতম কাৰণ। সীমা বিবাদ নিষ্পত্তি কৰাৰ ক্ষেত্ৰত উত্তৰ-পূব পৰিষদক কিছু পৰিমাণে ক্ষমতা ন্যস্ত কৰাৰ বাবে চিন্তা-চৰ্চাৰ প্ৰয়োজন হৈছে। সীমা বিবাদৰ সৈতে জৰিত সংশ্লিষ্ট ৰাজ্য কেইখনৰ প্ৰতিনিধি মাতি আলোচনা-বিলোচনাৰ জৰিয়তে এই ক্ষেত্ৰত ব্যৱস্থা লোৱাৰ অধিকাৰ অন্ততঃ প্ৰকল্পৰ কাম সম্পূৰ্ণ কৰাৰ স্বাৰ্থতেই উত্তৰ-পূব পৰিষদৰ ওপৰত ন্যস্ত কৰিব লাগে।

তাৰ উপৰি উত্তৰ-পূব পৰিষদে বিনিয়োগ কৰা ধনৰ বহু সময়ত সদ্ব্যৱহাৰ নোহোৱা বুলিও অভিযোগ আছে। ইয়াৰ মূল কাৰণ হ'ল কিছুদিনৰ আগলৈকে উত্তৰ-পূব পৰিষদৰ হাতত বিনিয়োজিত ধনৰ তদাৰকী ক্ষমতা নাছিল। ফলস্বৰূপে বিনিয়োজিত ধন জধে-মধে খৰচ কৰাৰ সুবিধা আছিল। অলপতে গুৱাহাটীত আয়োজিত সাংবাদিক মেলত উত্তৰ-পূব পৰিষদৰ সভাপতি এল এম মেনেজেও এই কথা স্বীকাৰ কৰে। অৱশ্যে সম্প্ৰতি উত্তৰ-পূব পৰিষদক তদাৰকী ক্ষমতা ন্যস্ত কৰা হৈছে। কিন্তু ক্ষমতা থাকিলেই নহ'ব। ইয়াক কিদৰে কাৰ্যকৰী কৰা হয়, সেইটোৰ ওপৰতেই উন্নয়নমূলক আঁচনিৰ কৃতকাৰ্যতা নিৰ্ভৰ কৰে।

আনহাতে উত্তৰ-পূব পৰিষদে বিশেষভাবে বিদ্যুৎ আৰু যোগাযোগ খণ্ডত ধন বিনিয়োগ কৰিছে। কিন্তু কেৱল বিদ্যুৎ আৰু যোগাযোগ খণ্ডৰ উন্নয়ন সাধন হলেই উত্তৰ-পূৰ্বাঞ্চলৰ আৰ্থ-সামাজিক দিশত ফলদায়ক উন্নয়ন সম্ভৱ নহ'ব। সামগ্ৰিকভাবে উত্তৰ-পূৰ্বাঞ্চলৰ উন্নয়ন সাধিবলৈ হলে কৃষি আৰু ইয়াৰ আনুষঙ্গিক প্ৰকল্পবোৰত পৰ্যাপ্ত পৰিমাণে ধন বিনিয়োগ কৰিব লাগিব। কিন্তু বৰ্তমানলৈকে তেনেই নগণ্য পৰিমাণৰ ধনহে কৃষি আৰু ইয়াৰ আনুষঙ্গিক প্ৰকল্পবোৰত বিনিয়োগ কৰা হৈছে। উল্লেখযোগ্য যে কেৱল পশুধন আমদানিৰ বিনিময়ত বছৰি এহেজাৰ কোটি টকা উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্য কেইখনৰ পৰা বাহিৰৰ ৰাজ্যলৈ যায়। উত্তৰ-পূব পৰিষদে পশুধনৰ প্ৰকল্প বিকাশত গুৰুত্ব আৰোপ কৰিলে উক্ত ধন বাহিৰলৈ যোৱাটো বন্ধ হ'লহেঁতেন আৰু সেই ধন সংশ্লিষ্ট ৰাজ্য কেইখনৰ আৰ্থিক উন্নয়নৰ কামত খৰচ কৰিব পৰা যাব।

আন এটা উল্লেখনীয় বিষয় হ'ল এয়ে যে কেৱল প্ৰকল্প গঢ়ি তুলিলেই উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্য কেইখনৰ জনসাধাৰণ উপকৃত হ'ব বুলি ভাবিলে ভুল হ'ব। প্ৰকল্পবোৰত সংশ্লিষ্ট ৰাজ্য কেইখনৰ থলুৱা লোকক কৰ্মসংস্থাপন দিয়া হৈছে নে নাই সেই দিশটোও লক্ষ্য কৰিব লাগিব। কিয়নো কৰ্ম সংস্থাপনৰ অভাৱেই উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্য কেইখনত বিচ্ছিন্নতাবাদী আন্দোলন, উগ্ৰপন্থী সংগঠনৰ জন্ম হোৱাৰ মূল কাৰণ। উত্তৰ-পূৰ্বাঞ্চলৰ সংশ্লিষ্ট ৰাজ্য কেইখনৰ প্ৰতিনিধি আৰু উত্তৰ-পূব পৰিষদে যুটীয়াভাবে থলুৱা লোকৰ কৰ্ম সংস্থাপনৰ দিশত মনোযোগ দিব লাগে। প্ৰয়োজন হলে ইয়াৰ বাবে সুকীয়া আইন প্ৰণয়ন কৰা উচিত। সূ








# প্ৰদূষণ ঃ অৰ্থনৈতিক আৰু ৰাজনৈতিক তাৎপৰ্য

গীতিমল্লিকা শইকীয়া

আজি মানৱ জাতিৰ সমুখত দেখা দিয়া আটাইতকৈ ভয়ঙ্কৰ বিপদ যুদ্ধ বা নিমিষতে পৃথিৱী ছাৰখাৰ কৰিব পৰা পাৰমাণৱিক বোমা নহয়ঃ দুৰ্ভিক্ষৰ বিভীষিকাৰ পৰাও মানুহ হাত সাৰিবলৈ সক্ষম হৈছে; একে ৰাতিৰ ভিতৰতে গাওঁ একোখনক মৰিশালিত পৰিণত কৰিব পৰা মহামাৰী ব্যাধিকো মানুহে বশীভূত কৰিব পাৰিছে; কিন্তু যি প্ৰকৃতিৰ কোলাতে মানৱ জাতিৰ অঙ্কুৰণ ঘটিছিল, সেই প্ৰকৃতিয়েই আজি এক বিধ্বংসী ৰূপ ধাৰণ কৰিছে। বৰ্তমান প্ৰকৃতিৰ বহু আচৰণ সাধাৰণ মানুহৰ বাবে অস্বাভাৱিক আৰু দুৰ্বোধ্য হৈ পৰিছে। বিশ্ব পৰিমণ্ডলৰ দূষিত পৰিবেশে পৃথিৱীৰ সকলো চিন্তাশীল ব্যক্তিকে চিন্তিত কৰিছে। নিতে নব আৱিষ্কাৰেৰে বিংশ শতাব্দীক চমক লগোৱা বিজ্ঞানীসকলৰ সমুখত পৰিবেশ প্ৰদূষণ নিয়ন্ত্ৰণেই আজি আটাইতকৈ ডাঙৰ প্ৰত্যাহ্বান। কাৰণ ইয়াৰ ওপৰতেই নিৰ্ভৰ কৰিছে মানৱ জাতিৰ আয়ুস।

## ক্ষুব্ধ প্ৰকৃতি

প্ৰকৃতি যে ক্ষুব্ধ সেই কথা বিভিন্ন আচৰণৰ যোগেদি প্ৰকৃতিয়ে আমাক জনাই দিছে। মানুহৰ দেহত প্ৰয়োজনীয় বিভিন্ন উপাদানসমূহৰ নিয়মিত পৰিমাণত কিবা কম-বেছি হলে যিদৰে শৰীৰ আৰু মনত নানা বেমেজালিয়ে দেখা দিয়ে, প্ৰকৃতিৰ শৃঙ্খলাত কিবা হীন-ডেঢ়ি হলেও ইয়াৰ আচৰণ, ধৰণ-কৰণত বেমেজালিয়ে দেখা দিয়া স্বাভাৱিক। প্ৰকৃতিৰ এই বেমেজালিৰ আটাইতকৈ ডাঙৰ বলি হৈছে প্ৰকৃতিৰ ওপৰত অতি নিৰ্ভৰশীল মানৱ জাতি।

শীত, তাপ, বৰষুণ, বানপানী, খৰাংবতৰ, ধুমুহা, বালিৰ ধুমুহা, ধোঁৱাময় কুঁৱলী, তুষাৰপাত, ভূঁইকঁপ ইত্যাদিৰ মাত্ৰাৰ পৰিবৰ্তন ঋতুৰ স্বাভাৱিক ধৰ্ম আৰু গতিৰ পৰিবৰ্তন আদিৰ যোগেদি প্ৰকৃতিত যে উল্লেখযোগ্য আৰু অস্বাভাৱিক পৰিবৰ্তন আহিছে সেই কথা বিশ্বৰ সকলো প্ৰান্ততে কম-বেছি পৰিমাণে পৰিলক্ষিত হৈছে।

এচিয়া ফিচাৰ্চে পৰিবেশন কৰা এই বছৰৰে ফেব্ৰুৱাৰী-মাৰ্চ মাহৰ কেইটামান বাতৰিৰ পৰা পৰিবেশ প্ৰদূষণৰ ফলত ভূ-পৃষ্ঠত যে কি অভূতপূৰ্ব ঘটনাই ঘটি আছে তাক বুজিব পাৰি।

গোটেই জাৰকালিটো জুৰি ইটোৰ পিছত সিটোকৈ হোৱা ধুমুহা বতাহৰ ফলত ভূমধ্যসাগৰীয় অঞ্চলত কেইবাটাও ধ্বংসকাৰী ঘটনা ঘটে। নেৰানেপেৰা বৰষুণৰ পিছত চল্লিছ বছৰৰ মূৰত প্ৰথমবাৰৰ বাবে জৰ্দান নদীত এনে প্ৰলয়ঙ্কৰী বানপানী আহিল যাৰ ফলত জৰ্দান উপত্যকাৰ পঞ্চাছ শতাংশ শস্য নষ্ট হ'ল আৰু ধুমুহা বৰষুণে তাপমাত্ৰা অস্বাভাৱিকভাবে হ্ৰাস কৰিলে।

● উত্তৰ আমেৰিকাৰ ওপৰত অ'জোন স্তৰ হঠাৎ বেছিকৈ পাতল হৈ পৰাত আশঙ্কা কৰাতকৈও প্ৰায় এবছৰৰ আগতেই এই বসন্ততে কানাডাবাসীসকল ক্ষতিকাৰক সূৰ্যৰ অতি বেঙুনীয়া ৰশ্মিৰ দ্বাৰা আক্ৰান্ত হৈছে। নিউজিলেণ্ড আৰু অষ্ট্ৰেলিয়াৰ ৰ'দ আকলুৱা নাগৰিকসকলক ইতিমধ্যেই সকীয়াই দিয়া হৈছে কেইমিনিটতকৈ বেছি সময় ৰ'দ ললে তেওঁলোকৰ ছাল জ্বলা-পোৰা কৰিব।

● World Wild Life Fund for Nature (WWF)ৰ প্ৰতিবেদন মতে উত্তাপ বৃদ্ধিৰ ফলত হাজাৰ হাজাৰ গছ-গছনি আৰু জীৱ-জন্তু ক্ষতিগ্ৰস্ত হ'ব আৰু মাৰ্কিন যুক্তৰাষ্ট্ৰৰ গ্ৰেটবেচিন অঞ্চলত তিনি ডিগ্ৰী উত্তাপ বাঢ়িলেই শতকৰা চল্লিছভাগ স্তন্যপায়ী জন্তুৰ প্ৰজাতি আৰু শতকৰা পঁচিশ ভাগ পখিলা প্ৰজাতি নিঃশেষ হ'ব।

● দক্ষিণ আফ্ৰিকাত এই শতিকাৰে আটাইতকৈ ভয়ানক খৰাং বতৰ হোৱাৰ ফলত জাম্বিয়াৰ ৰাষ্ট্ৰপতিয়ে দেশখনৰ কেইবাটাও অঞ্চল বিপদগ্ৰস্ত অঞ্চল বুলি ঘোষণা কৰিছে।

● কেনিয়াৰ ৰাজধানী নাইৰোবিত খৰাং বতৰৰ ফলত অভূতপূৰ্ব পানীৰ নাটনিয়ে দেখা দিছে। পানী যোগানধাৰী পাঁচখন নদীৰ ভিতৰত তিনিখন একেবাৰে শুকাই গৈছে। মনত পৰা সময়ৰে পৰা এনে খৰাং বতৰ তাত আগেয়ে হোৱা নাছিল বুলি কোৱা হৈছে।

● আনফালে আকৌ শীত ঋতুৰ পঞ্চমটো হাড়কঁপোৱা বৰফৰ ধুমুহাই গ্ৰীচৰ ৰাজধানী এথেন্সক কোঙা কৰি পেলালে। ডাঠ বৰফৰ ঢাকনিৰ তলত এথেন্স সোমাই পৰিল। চিৰিয়া, জৰ্দান, লেবানন আৰু ইজৰাইলতো বৰফৰ ধুমুহাই জীৱন যাত্ৰা অচল কৰি পেলালে। জৰ্দানৰ কোনো কোনো অঞ্চলত বৰফৰ ঢাকনি তিনিমিটাৰ পৰ্যন্ত ডাঠ হৈছিল। ১৯২৭ চনৰ পিছত এনে বৰফৰ ধুমুহা দেশখনত আৰু হোৱা নাছিল।

● একে লেথাৰিৰে পাঁচমাহ ধৰি হোৱা খৰাং বতৰৰ ফলত পানামাত হাজাৰ হাজাৰ গৰু-ম'হৰ মৃত্যু হৈছে। জাম্বিয়াৰ পৰা দক্ষিণ আফ্ৰিকালৈকে সাধাৰণতে সাৰুৱা এই অঞ্চলটোত



OKDISCD

অনাবৃষ্টিৰ ফলত শস্য উৎপাদন একেবাৰে কমি গৈছে।

● পৰিবেশ বিজ্ঞানী ডঃ ভ্লাদিমিৰ টিখে ব্ৰিষ্টলত অনুষ্ঠিত বৃটিছ পৰিবেশ সন্মিলনত কৈছে যে ৰাছিয়াৰ চাৰণ'বিল পাৰমাণৱিক বিস্ফোৰণৰ ছবছৰৰ পিছতো ইয়াৰ অতি দুখলগা পৰিণতিবোৰৰ খবৰ ওলায়েই আছে। তেওঁৰ মতে বিস্ফোৰণটোৰ পিছত সেই অঞ্চলত বহুতো বিকলাঙ্গ জীৱজন্তু জন্ম হৈছে। ছঠেঙীয়া গাহৰি, দুমুখীয়া গৰু-ম'হো তাৰ ভিতৰত আছে।

● ভূমধ্যসাগৰৰ উপকূলত পোৱা শ শ মৃত ডলফিনৰ দেহত উদ্যোগৰ আৱৰ্জনাৰ পৰা ওলোৱা বিষাক্ত পদাৰ্থ অতিমাত্ৰাত পোৱা গৈছে। ডলফিনৰ মৃত্যুৰ অস্বাভাৱিক বৃদ্ধিয়ে বিজ্ঞানীসকলক উদ্বিগ্ন কৰিছে। শ শ ডলফিনৰ মৰাশৰে জাভা উপকূল উপচি পৰিছে। দক্ষিণ ইংলণ্ডত এইবছৰ ডলফিনৰ মৃত্যুৰ সংখ্যা তিনিগুণ বাঢ়িছে। উল্লেখযোগ্য যে ডলফিন যুগ যুগ ধৰি সমুদ্ৰ নাৱিকৰ পৰম বন্ধু ৰূপে স্বীকৃত।

● বায়ুমণ্ডলত অ'জোন গেছৰ পৰিমাণ অতিমাত্ৰা বৃদ্ধি পোৱাৰ ফলত সৃষ্টি হোৱা ... বা ধোঁৱা-ছাই মিশ্ৰিত কুঁৱলীয়ে মেক্সি... নগৰৰ আকাশ ছানি পেলোৱাত নগৰখনৰ স্কুল-কলেজ-উদ্যোগ বন্ধ ৰাখিবলগা হৈছে। গাড়ী-মটৰৰ চলাচলো বন্ধ ৰাখিব লগা হ'ল। ১৯৫২ চনত লণ্ডনত হোৱা এনে ভয়ঙ্কৰ স্মগৰ ফলত চাৰি হেজাৰ লোকৰ প্ৰাণ নাশ হৈছিল।

● চাৰণ'বিল আণৱিক বিস্ফোৰণ ছবছৰৰ পিছত এতিয়াও বিশেষজ্ঞসকলে সেই অঞ্চলত উৎপাদিত ১৩০০ টন মাংসত তেজষ্ক্ৰিয় পদাৰ্থৰ বিহ ধৰা পেলাইছে আৰু খাদ্যৰ বাবে অনুপযোগী বাবে সেইবোৰ ধ্বংস কৰিছে।

এইবোৰ খবৰৰ উপৰিও আৰু বহুত পৰিবৰ্তন ভূপৃষ্ঠৰ পৰিবেশত ঘটি আছে। পৃথিৱীৰ চতুৰ্থ বৃহৎ হ্ৰদ আৰল সাগৰ শতকৰা প্ৰায় চল্লিছভাগ শুকাই গৈছে; আৰু হ্ৰদৰ পানী প্ৰায় ১৩ মিটাৰ তললৈ নামিছে। ২৫,০০০ বৰ্গ কিলোমিটাৰ উপকূলীয় অঞ্চল বৰ্তমান "লুণীয়া মৰুভূমি"ত পৰিণত হৈছে।

বিশ্বৰ উল্লেখযোগ্য স্থাপত্যকীৰ্তি পোলেণ্ডৰ ছয় হেজাৰ ঐতিহাসিক ঘৰ-



বাৰী, স্মৃতিচিহ্ন, গীৰ্জাঘৰ আদি আজি ক্ষত-বিক্ষত হৈছে। কাষৰীয়া অঞ্চলত থকা কয়লাখনি আৰু উদ্যোগসমূহে নিৰ্গত কৰা চালফাৰ-ডাই-অক্সাইডৰ ৰাসায়নিক ক্ৰিয়াৰ ফলত মাৰ্বল আৰু চূণশিলৰ ক্ষয়-সাধন হৈ কোনোবাটো মূৰ্তি শিলাস্তূপত পৰিণত হৈছে বা কোনোবাটোৰ মূৰ খহি পৰিছে। নাইট্ৰোজেন অক্সাইড আৰু জলীয়ভাপৰ লগৈহে চালফাৰ-ডাই-অক্সাইডে আপাৰ চিলেচিয়া নামৰ সেই অঞ্চলত এচিড ৰেইন বা অম্লযুক্ত বৰষুণৰ সৃষ্টি কৰে। এচিড বৰষুণে হেনো সেই অঞ্চলত ৰেল লাইনৰ ক্ষয় সাধন ক্ষিপ্ৰ কৰিছে। ফলত সেই অঞ্চলেদি অহা-যোৱা কৰা ৰেলগাড়ীবোৰে গতিবেগ কমাব লগা হৈছে। বিষাক্ত বায়ুৰ কাৰণে সেই ঔদ্যোগিক অঞ্চলত কৰ্কট আৰু হাওঁফাওঁৰ ৰোগত আক্ৰান্ত ৰোগীৰ সংখ্যা দেশখনৰ আন অঞ্চলতকৈ শতকৰা ত্ৰিশৰ পৰা পঞ্চাছ ভাগ বেছি। মানুহৰ গড় আয়ুসো সেই অঞ্চলত কম হৈ গৈছে।

১৯৭০ৰ দশকৰ প্ৰথমভাগত দক্ষিণ কোৰিয়াৰ গাঁৱৰ ৰাইজে যিমান গছ ৰুইছিল তাতকৈ বেছি গছ কাটিছিল। আনকি সৰা গছ-পাতবোৰো, যিবোৰে মাটি সাৰুৱাহে কৰে, সেইবোৰো নি পুৰিছিল। উদং পাহাৰ বা উদং ওখ মাটিয়ে বৰষুণৰ পানী শোষণ কৰিব নোৱৰা হ'ল। বৰষুণৰ পানীয়ে দ অঞ্চলবোৰ বোকা আৰু বানপানীৰে ভৰাই পেলালে। এটা ধুমুহা বৰষুণৰ পিছতে হান নদী পানীৰে উপচি পৰিল আৰু ফেনে-ফোটোকাৰে বাঢ়ি আহি ৰাজধানী চিউলৰ শ শ মানুহক উটুৱাই লৈ গ'ল, লাখ লাখ মানুহক গৃহহীন কৰিলে। অৱশ্যে প্ৰকৃতিৰ এই তাণ্ডৱলীলা দেখি দক্ষিণ কোৰিয়াবাসীৰ চকু গজিল। আৰু অৰণ্য বৃদ্ধিৰ বাবে দীৰ্ঘ দিনীয়া পৰিকল্পনালৈ সকলো হাতে-কামে লাগি গ'ল। বায়ু-প্ৰদূষণ ৰোধ কৰাৰ উপৰিও অৰণ্যই যে বানপানী আৰু ভূমিস্খলন ৰোধ কৰিব পাৰে সেই কথা কোৰিয়াবাসীয়ে সোনকালেই বুজি পালে। চৰকাৰৰ বীজ, সাৰ আৰু কাৰিকৰী সাহায্যলৈ গাঁৱৰ ৰাইজে ছমাহৰ ভিতৰতে এক নিযুত হেক্টৰ মাটিত গছ ৰোপণ কৰিলে। এতিয়া এই অৰণ্য ভূমিৰ পৰা দক্ষিণ কোৰিয়াৰ গ্ৰাম্য জনসাধাৰণে জুই ধৰিবৰ বাবে খৰিও নিছে, আনফালে প্ৰতিবছৰে এই অৰণ্যৰ ফল-মূল ৰপ্তানি কৰি দেশখনে বুজন পৰিমাণৰ বিদেশী মুদ্ৰাও অৰ্জন কৰিছে। দক্ষিণ কোৰিয়াৰ বতৰ বিশেষজ্ঞ এজনৰ মতে দেশখনত বানপানী আৰু ভূমিস্খলন বহুপৰিমাণে কমিছে।

১৯৮৯ চনত ষ্টকহমত ২৩০ বছৰৰ ভিতৰৰ আটাইতকৈ "গৰম শীতকাল" হ'ল, ফ্ৰান্সত গ্ৰীষ্মতম মে', স্পেইন আৰু ইটালীতো মানুহৰ একেলেথাৰিৰে বহুদিন ধৰি গৰম বতাহৰ অভিজ্ঞতা হ'ল। আমেৰিকাত শতিকাটোৰে আটাইতকৈ ভয়ঙ্কৰ গৰম বতাহ বলৈ ধৰিলে। নাছাৰ (NASA) পৰিবেশ বিজ্ঞানী জেমছ্ হানচেনে তেতিয়াই ঘোষণা কৰিলে গ্ৰীণ হাউছ এফেক্টে আমাৰ জলবায়ু পৰিবৰ্তন কৰিবলৈ ধৰিছে।

অসমৰ তিনিচুকীয়া জিলাত এইবাৰ চ'ত মাহত হোৱা বানপানীয়েও জানো আমাক এক অশুভ সংকেতকে দিয়া নাই?



জ্যোতিষী নহলেও এই কথা ক'ব পাৰি যে এনেধৰণৰ অস্বাভাৱিক ঘটনা বাঢ়িব। অৰ্থনৈতিকভাৱে পিছপৰা দেশসমূহত এনে দুৰ্যোগৰ পৰিণতি আৰু ভয়াবহ হ'ব।

## অৰ্থনৈতিক হেঁচা

বিজ্ঞানীসকলৰ মনত এতিয়া অকণো সন্দেহ নাই যে ভূ-পৃষ্ঠৰ পৰিবেশ দূষিত হোৱাৰ কাৰণেই প্ৰকৃতিৰ শৃঙ্খলাত বিজুতি ঘটিছে। এই কথাও অনায়াসে ক'ব পাৰি যে প্ৰায় সকলো প্ৰদূষণৰে মূল কাৰণ অৰ্থনৈতিক। বিশ্বৰ জনসংখ্যা দ্ৰুত গতিত বৃদ্ধি পাইছে। ই পাঁচ শ কোটি অতিক্ৰম কৰিছে। বৰ্দ্ধিত জনসংখ্যাৰ নানা চাহিদা পূৰাবলৈ প্ৰকৃতিক ব্যৱহাৰ আৰু অপব্যৱহাৰ কৰা হৈছে। বিজ্ঞানে মানুহৰ কল্পনাই ঢুকি পোৱা সকলো চাহিদাকে পূৰাবলৈ অবিৰাম চেষ্টা কৰিছে। মানুহৰ ভোগ প্ৰৱণতাও বাঢ়িছে। মানুহৰ নানা চাহিদা পূৰাবলৈ নানা উদ্যোগ প্ৰতিষ্ঠা হৈছে। প্ৰায় আঢ়ৈশ বছৰৰ আগতে আৰম্ভ হোৱা শিল্প বিপ্লৱৰ পৰাই দ্ৰুত গতিত উদ্যোগ চলিছে, লগে লগে এইবোৰৰ পৰা নিৰ্গত হোৱা নানা বিষাক্ত গেছ আৰু পেলনীয়া পদাৰ্থই বায়ু, মাটি, পানী দূষিত কৰিছে। এটা সমীক্ষা মতে শিল্প বিপ্লৱৰ পিছৰ পৰা বায়ুমণ্ডলত কাৰ্বন-ডাই-অক্সাইডৰ পৰিমাণ শতকৰা পঁচিশ ভাগ বাঢ়িছে; তাৰে শতকৰা এঘাৰভাগ ১৯৫৮ চনৰ পৰাই বৃদ্ধি পাইছে। বিভিন্ন ধৰণৰ যানবাহনৰ সংখ্যা বঢ়াৰ লগে লগে ইন্ধনৰ প্ৰয়োজনো বাঢ়িছে আৰু ক্ষতিকাৰক পদাৰ্থই বায়ুমণ্ডল দূষিত কৰিছে। বৰ্দ্ধিত জনসংখ্যাৰ বাবে খাদ্য সামগ্ৰীৰ উৎপাদন বৃদ্ধিৰ প্ৰয়োজন হৈছে। কৃষি উৎপাদন বঢ়াবলৈ অধিক মাটিৰ প্ৰয়োজন হৈছে, তাৰ বাবে মাটিত বৰ্দ্ধিত হাৰত ৰাসায়নিক সাৰ আৰু কীটনাশক দৰৱ আদি ব্যৱহাৰ কৰা হৈছে। ইয়াৰ অতিৰিক্ত অংশই মাটি, পানী বিষাক্ত কৰিছে।

আহাৰ আৰু পানী নোখোৱাকৈ মানুহ কেইবাদিনো জীয়াই থকা সম্ভৱ। কিন্তু বায়ু সেৱন নকৰাকৈ আধা ঘন্টা জীয়াই থকাও সম্ভৱ নহয়। এজন মানুহক প্ৰতিদিনে প্ৰায় চৈধ্য কিলোগ্ৰাম বায়ুৰ প্ৰয়োজন। সুস্থভাৱে জীয়াই থাকিবলৈ মানুহক বিশুদ্ধ বায়ুৰ প্ৰয়োজন য'ত ইয়াৰ সকলোবোৰ উপাদানৰ অনুপাত সঠিক ভাৱে থাকে। এই অনুপাতৰ হীন-ডেঢ়ি হলে বা তাৰ লগত আন পদাৰ্থ মিহলি হলেই বায়ু দূষিত হয়। বিশ্ব স্বাস্থ্য সংস্থাই (WHO) বায়ু, পানীৰ দূষণৰ সহনসীমাও নিৰ্দ্ধাৰিণ কৰি দিছে। কিন্তু বহুত ক্ষেত্ৰত দেখা যায় বায়ু প্ৰদূষণৰ উৎপত্তিকাৰকবোৰে এই সীমা অতিক্ৰম কৰে। বায়ু প্ৰদূষণৰ শতকৰা ৪২ ভাগ পেট্ৰলজাত ইন্ধনৰ দ্বাৰা চালিত যানবাহনৰ পৰাই হয়। উদ্যোগ সমূহৰ বৰ্জনীয় পদাৰ্থই শতকৰা ১৪ ভাগ বায়ু প্ৰদূষণ কৰে। চিগাৰেটৰ ধোঁৱাৰ পৰাও নানা ধৰণৰ বিষাক্ত পদাৰ্থ বতাহত মিহলি হয়।

বায়ু প্ৰদূষণৰ ফলত চকুৰ জ্বলনি-পোৰণি হয়। যানবাহনৰ পৰা ওলোৱা কাৰ্বন-ডাই-অক্সাইডৰ ফলত মানুহৰ তেজ সঞ্চলনত বেমেজালিয়ে দেখা দিব পাৰে। মানুহৰ শ্বাস-প্ৰশ্বাস যন্ত্ৰ আক্ৰান্ত হ'ব পাৰে।

## গ্ৰীণ হাউছ এফেক্ট

ইয়াৰ উপৰিও বায়ু প্ৰদূষণৰ ফলত



পৃথিৱীৰ বায়ু মণ্ডলত নানান পৰিবৰ্তনে দেখা দিব পাৰে যাক "গ্ৰীণ হাউছ এফেক্ট" বুলি জনা যায়। আমাৰ বায়ুমণ্ডলত নিম্নস্তৰত প্ৰধানকৈ জলীয়বাষ্পৰ উপৰিও কাৰ্বন-ডাই-অক্সাইড, মিথেইন আৰু মানুহৰ দ্বাৰা সৃষ্ট ক্লোৰোফ্লুৰোকাৰ্বন (চি এফ চি) নামৰ কেইটামান গেছ আছে যিবোৰে পৃথিৱীয়ে বিকিৰণ কৰা সূৰ্যৰ তাপ ধৰি ৰাখি পৃথিৱীখনক প্ৰাণী বসবাসৰ উপযোগী কৰি ৰাখিছে। বায়ুত নিৰ্দিষ্ট পৰিমাণত থাকি উল্লিখিত উপাদানকেইটাই গ্ৰীণহাউছ এটাৰ গ্লাছখনৰ দৰে পৃথিৱীখনক এটি পাতল আৱৰণেৰে ঢাকি আছে। এই উপাদানকেইটাৰ পৰিমাণ বৃদ্ধি পালে বায়ুমণ্ডলত অধিক তাপ সংৰক্ষিত হৈ থাকিব আৰু ভূপৃষ্ঠত উত্তাপ বৃদ্ধি পাব। গ্ৰীণহাউছ গেছবোৰ যদি যথেষ্ট পৰিমাণত নাথাকে বা একেবাৰে নাথাকে তেতিয়াও পৃথিৱীখন বৰফৰ স্তূপত পৰিণত হ'ব। কিন্তু ক্ৰমে গ্ৰীণহাউছ গেছ সমূহ ঘনীভূত হোৱা কাৰণে বিজ্ঞানীসকল চিন্তিত হৈ পৰিছে আৰু "গ্লোবেল ৱাৰ্মিং"ৰ আশঙ্কা কৰিছে। ইংলণ্ডৰ ইষ্ট এংলিয়া বিশ্ববিদ্যালয়ৰ গৱেষকসকলৰ মতে অহা শতিকাত গ্ৰীণহাউছ গেছসমূহ আৰু ঘন হ'ব আৰু পৃথিৱীৰ গড় উত্তাপ পাঁচ ডিগ্ৰী চেলচিয়াছ বাঢ়ি যাব।

গ্ৰীণহাউছ গেছসমূহৰ ভিতৰত আটাইতকৈ সৰহ পৰিমাণত থকা গেছ কাৰ্বন-ডাই-অক্সাইড বা এঙ্গাৰ গেছ। জনসংখ্যা বৃদ্ধি, অৰণ্য ধ্বংস, কলকাৰখানা বৃদ্ধি, পেট্ৰোলজাত ইন্ধন চালিত যানবাহন বৃদ্ধি, কয়লা বা তেল দহন বৃদ্ধি আদি মানুহৰ অৰ্থনৈতিক ক্ৰিয়াকাণ্ডৰ পৰোক্ষ পৰিণতি হ'ল বায়ুমণ্ডলত কাৰ্বন-ডাই-অক্সাইডৰ পৰিমাণ বৃদ্ধি।

গ্ৰীণহাউছ গেছসমূহৰ ভিতৰত দ্বিতীয় প্ৰধান গেছ মিথেইন। গেলা-পচা জৈৱ পদাৰ্থৰ পৰা এই গেছ নিৰ্গত হয়।

তৃতীয় প্ৰধান গ্ৰীণহাউছ গেছ ক্লোৰোফ্লুৰোকাৰ্বন (চি এফ চি)ৰ পৰিমাণ মানুহৰ ভোগ প্ৰৱণতা বৃদ্ধিৰ লগে লগে বাঢ়িছে। ৰিফ্ৰিজেৰেটৰ, এয়াৰ কণ্ডিচনাৰ, প্লাষ্টিক ফোম, স্প্ৰে কেন আদিৰ পৰা এই গেছ ওলায়। ইলেক্ট্ৰনিক

ইঞ্জিনিয়াৰিঙৰ বাবে এই গেছৰ প্ৰয়োজন। বায়ুমণ্ডলত এই গেছৰ পৰিমাণ নগণ্য। কিন্তু ইয়াৰ তাপ-শোষণ ক্ষমতা অত্যন্ত বেছি। দেখ দেখকৈ এই গেছ মানুহৰ দ্বাৰা সৃষ্ট।

গ্ৰীণহাউছ এফেক্টৰ ফলস্বৰূপে বায়ুমণ্ডলৰ নিম্নস্তৰত তাপমাত্ৰা বাঢ়িছে। স্বাভাৱিক অৱস্থাত ভূপৃষ্ঠৰ পৰা ক্ৰমে ওপৰলৈ গলে এই স্তৰত তাপমাত্ৰা ক্ৰমান্বয়ে কমি যায়। এই স্তৰতেই মেঘ, বৰষুণ, কুঁৱলী, তুষাৰ সৃষ্টি হয়। বায়ু প্ৰদূষণৰ ফলত এই স্তৰত তাপমাত্ৰা বঢ়াত মেঘ, বৰষুণ, বতাহ, ধুমুহাবো ধৰণ-কৰণত পৰিবৰ্তন হৈছে। গ্ৰীণহাউছ এফেক্ট বেছিকৈ বাঢ়িলে মেৰু অঞ্চলৰ বৰফ গলি আহি সমুদ্ৰৰ জলপৃষ্ঠ ওপৰলৈ উঠিব। সমুদ্ৰৰ উচ্চতা ছয়ফুট বাঢ়িলেই বৃটেন, নেদাৰলেণ্ড, ভেনিচ, বাংলাদেশ, মালদ্বীপপুঞ্জ, নিউঅৰলিন্স আদি দেশবোৰৰ অস্তিত্বও বিপদাপন্ন হ'ব। শীত প্ৰধান অঞ্চলবোৰ নোহোৱা হ'ব আৰু গ্ৰীষ্মপ্ৰধান অঞ্চলবোৰত তাপমাত্ৰা অতিশয় বঢ়াৰ ফলত খৰাং আৰু বানপানী দুয়োটাৰে প্ৰকোপ বাঢ়িব।

## অ'জোন স্তৰ

সমুদ্ৰ পৃষ্ঠৰ পৰা পোন্ধৰৰ পৰা পঁচিশ কিলোমিটাৰৰ ওপৰত থকা অ'জোন স্তৰে মানুহৰ শৰীৰৰ বাবে অত্যন্ত ক্ষতিকাৰক সূৰ্যৰ অতি বেঙুনীয়া ৰশ্মিক পৃথিৱীত পৰাত বাধা দি আহিছে। এই ৰশ্মিয়ে মানুহৰ ছালত কৰ্কট ৰোগ সৃষ্টি কৰিব পাৰে। ইয়াৰ তাপমাত্ৰা বৰ বেছি। বিজ্ঞানীসকলে অ'জোন স্তৰ পাতল হৈছে আৰু কোনো কোনো ঠাইত অ'জোন স্তৰত ফুটা (ozone hole) হৈছে বুলি কৈছে। কলকাৰখানাৰ পৰা ওলোৱা নানা বিষাক্ত পদাৰ্থই অ'জোন স্তৰ ক্ৰমান্বয়ে পাতল কৰিছে। ক্লোৰোফ্লুৰোকাৰ্বন নামৰ পদাৰ্থটোৱে এইক্ষেত্ৰত বিশেষ ভূমিকা লৈছে।

১৯৭০ চনত ইউৰোপত এচিদ বৰষুণ (acid rain) হ'ল। দূষিত বায়ুৰ লগত বৰষুণ মিলি অম্লযুক্ত বৰষুণ বা এচিদ বৰষুণ হয়। এচিদ বৰষুণৰ ফলত অন্যান্য ক্ষতিৰ উপৰিও ইউৰোপৰ পোন্ধৰখন দেশৰ বিশাল অৰণ্য ক্ষতিগ্ৰস্ত হ'ল।

১৯৮৪ চনৰ এটা সমীক্ষা মতে পৃথিৱীৰ প্ৰায় ৪৫০০ নিযুত হেক্টৰ মাটি মৰুভূমিলৈ ৰূপান্তৰিত হবলৈ ধৰিছে। আফ্ৰিকাৰ ২১খন দেশত কেইবাবছৰো ধৰি অনাবৃষ্টি হৈ আছে। পৃথিৱীৰ ৪৭০০ নিযুত হেক্টৰ অৰণ্যভূমি, কিন্তু প্ৰতিবছৰেই ১৫ নিযুত হেক্টৰকৈ কমি আছে। প্ৰতিবছৰে ৫-৭ নিযুত হেক্টৰ মাটি ভূমিস্খলন হৈ নষ্ট হৈছে। অৰণ্যই বায়ুমণ্ডলৰ সমতা ৰক্ষা কৰি আহিছে। কিন্তু জনসংখ্যা বৃদ্ধিৰ ফলত অৰণ্যৰ পৰিমাণ কমি আহিছে।

## এল নিনো

জলবায়ু পৰিবৰ্তনত সমুদ্ৰই এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। বহুতো পৰিবেশ বিজ্ঞানীয়ে আমেৰিকা মহাদেশত নানা সময়ত তাণ্ডৱলীলা দেখুৱাই থকা অস্বাভাৱিক বতৰৰ বাবে এল নিনো (El Nino) নামৰ প্ৰশান্ত মহাসাগৰীয় গৰম বতাহজাককে জগৰীয়া কৰিব খোজে। সৌ সিদিনাও কেলিফৰ্ণিয়াৰ পৰা কেৰেবিয়ানলৈকে এই বতাহৰ ফলত হোৱা অস্বাভাৱিক বতৰে সকলোকে চিন্তিত কৰিছে। কিউবাৰ ৰাজধানী হাভানাত হৈ যোৱা ভয়ানক বানপানীৰ কাৰণো হেনো এল নিনো।

পৃথিৱীৰ জলৰাশিৰ ৯২ শতাংশই সমুদ্ৰ। সমুদ্ৰ দূষিত মানেই আমাৰ ৭০ শতাংশ পৰিবেশ দূষিত। নানা কাৰণত নদীবোৰ দূষিত হৈছে। টেমছ, ৰাইন, শ্বেন, হোৱাংহো, গঙ্গা, যমুনা আদি পৃথিৱীৰ ডাঙৰ চহৰ-নগৰবোৰৰ কাষেদি বৈ যোৱা নদীবোৰ কীটনাশক ঔষধ, উদ্যোগৰ আৱৰ্জনা আদিৰে দূষিত। নদীবোৰে কঢ়িয়াই অনা আৱৰ্জনাই মোহনা অঞ্চল দূষিত কৰিছে। এতিয়া বিজ্ঞানীসকলে আশঙ্কা কৰিছে সমুদ্ৰৰ নিজস্ব দূষণ প্ৰতিৰোধ ক্ষমতা এই বৰ্জনীয় পদাৰ্থই হয়তো অতিক্ৰম কৰিব আৰু তাৰ ক্ষতিকাৰক প্ৰভাৱ সকলোৱে ভোগ কৰিব। বিশেষজ্ঞ সকলৰ মতে ভাৰতৰ সমুদ্ৰ উপকূলতে প্ৰত্যেক বছৰে এক বৃহৎ পৰিমাণৰ ৰাসায়নিক আৰু জৈৱ আৱৰ্জনা পৰিছে। পৃথিৱী ব্যাপি পেট্ৰলজাত সামগ্ৰী বেছিকৈ বহণ কৰিছে সমুদ্ৰই আৰু তাৰ লগতে ইয়াৰ পৰা হ'ব পৰা দূষণো। কেৱলমাত্ৰ আমেৰিকান জাহাজবোৰে মধ্যপ্ৰাচ্যৰ পৰা আমেৰিকালৈ তেল বহণ কৰি নিওঁতে যি বৃহৎ পৰিমাণৰ তেল সমুদ্ৰত পেলাই যায় সেই অশোধিত তেলৰ বিষাক্ত পদাৰ্থই ভাৰতীয় সমুদ্ৰ সম্পদৰ দ্ৰুত ক্ষতি সাধন কৰিছে। কাৰণ পৃথিৱীৰ মুঠ উৎপাদিত তেলৰ ষাঠি শতাংশই ভাৰত মহাসাগৰে বহণ কৰে। সমুদ্ৰত বাস কৰা ১৯,০০০ তকৈও বেছি প্ৰজাতিৰ প্ৰাণী আছে। সমুদ্ৰ প্ৰদূষণৰ ফলত তাৰে বহুতো প্ৰজাতিৰ অস্তিত্বৰ আশংকাই দেখা দিছে। মাছৰ কোষত দূষিত পদাৰ্থ জমা হয় আৰু সেই মাছ খালে মানুহৰ শাৰীৰিক অসুস্থতাই দেখা দিব। যোৱাবছৰৰ উপসাগৰীয় যুদ্ধতে পোন্ধৰ নিযুত টন অশোধিত তেল সমুদ্ৰত পৰিছে আৰু তাৰ ক্ষতিকৰ প্ৰভাৱে সমুদ্ৰ সম্পদ বহুল পৰিমাণে নষ্ট কৰিছে আৰু ইয়াৰ দীৰ্ঘদিনীয়া প্ৰভাৱো বৰ ক্ষতিকাৰক। এচিয়ান মেৰিন কনজাৰ্ভেচন এচোছিয়েচনৰ (AMCA) বিজ্ঞানীসকলে সমুদ্ৰজলৰ দূষণৰ ফলত হ'ব লগা ক্ষয়-ক্ষতিৰ বিষয়ে অনেক বতৰা দিছে। তেওঁলোকৰ মতে অশোধিত তেলত আছে কৰ্কট ৰোগ উৎপত্তিকাৰক বিষাক্ত পদাৰ্থ। প্ৰদূষিত সমুদ্ৰজলে আক্ৰান্ত কৰা মাছ আৰু অন্যান্য সামুদ্ৰিক প্ৰাণীৰ যোগেদি এই ভয়ঙ্কৰ ৰোগৰ উৎপত্তিকাৰক পদাৰ্থ মানুহৰ শৰীৰলৈ প্ৰৱেশ কৰে। ভাৰতৰ জনসংখ্যাৰ শতকৰা পঁচিশ ভাগ উপকূলীয় অঞ্চলত বাস কৰে। ভাৰতে সামুদ্ৰিক মাছ ৰপ্তানি কৰি বছৰি প্ৰায় ৩৫০ কোটি টকাৰ বিদেশী মুদ্ৰা অৰ্জন কৰে। জলপ্ৰদূষণৰ ফলত এই সম্পদ এবছৰৰ ভিতৰতে শতকৰা পঞ্চাশ ভাগ কমাৰ সম্ভাৱনা।

বিজ্ঞানীসকলৰ মতে মানুহৰ ভোগ প্ৰৱণতা যিমানে বাঢ়িছে, সিমানে প্ৰকৃতিৰ পৰা আহৰণযোগ্য সম্পদৰ সঙ্কোচনৰ আশঙ্কাই দেখা দিছে। তেওঁলোকৰ মতে ভূপৃষ্ঠত যিমানবোৰ সম্পদৰ সন্ধান মানুহে পাইছে, সেইবোৰক ক্ৰমাগতভাবে নিঃশেষ কৰি আহিছে আৰু যিখিনি বাকী ৰৈছেগৈ সেইখিনিও পঞ্চাশ বছৰৰ ভিতৰতে শেষ হ'ব।

বৰ্তমান মানৱ জাতিয়ে তেওঁলোকৰ উপৰিপুৰুষলৈ এনেকুৱা দুৰ্যোগময় ভৱিষ্যতকে সৃষ্টি কৰি যাবনে ?

*(আগলৈ)*

*তথ্যসূত্ৰ নিৰ্দেশ অহা সংখ্যাত দিয়া হ'ব।*





# মানৱ সভ্যতা আৰু সংস্কৃতি

## অতীত, বৰ্তমান আৰু ভৱিষ্যত

ড° পবিত্ৰ কুমাৰ শৰ্মা

আদিম মানুহৰ শ্ৰেণী বিভাগ নাছিল। সকলোৱে একে লগে মিলিজুলি বসবাস কৰিছিল। তেওঁলোকৰ সকলো সম্পত্তিয়েই আছিল উমৈহতীয়া। চিকাৰী জীৱনৰ পৰা গোত্ৰভিত্তিক গোষ্ঠীলৈ সমাজ জীৱনত পৰিবৰ্তন হোৱা সময়ছোৱাতে মানুহ শিল্প কলাত নিপুণ হৈছিল। 'হমো ছেপিয়েন্‌ছে' ৩০ হাজাৰ বছৰ আগতেই চাৰিওফালে দেখা দৃশ্যৰাজিৰ গুহাচিত্ৰ আঁকি থৈ গৈছে। ইও আদিম মানুহৰ পৰিবেশ পৰ্যবেক্ষণ ক্ষমতাৰ সাক্ষী। পৰ্যবেক্ষণৰ দ্বাৰা তেওঁলোকে জীৱ-জন্তুৰ আচৰণ আৰু প্ৰাকৃতিক ঘটনাৰাজিৰ বিষয়ে জানিছিল। তথাপি প্ৰকৃতিত ঘটা বহুতো ঘটনাই তেওঁলোকক অসহায় কৰিছিল। বনপানী, ধুমুহা, তুফান, ভুঁইকঁপ, বজ্ৰপাত, আগ্নেয়গিৰিৰ উদ্গিৰণ আদিত তেওঁলোক অতিষ্ঠ হৈছিল। বেমাৰ আজাৰ আৰু দুৰ্ঘটনাই তেওঁলোকক বিমূঢ় কৰিছিল। আদিম মানুহৰ পৰাই দল বান্ধি একেলগে জীৱন-যাপন কৰা গোষ্ঠীবদ্ধ মানুহৰ অভ্যুত্থান হৈছিল। তেওঁলোকেও প্ৰকৃতিৰ বিচিত্ৰ ঘটনা প্ৰবাহক ভয় কৰিছিল। তেওঁলোকে সকলো প্ৰাকৃতিক ঘটনাতে অলৌকিক শক্তিৰ অস্তিত্ব ধৰি লৈছিল। অলৌকিক শক্তিৰ প্ৰতি ভয় থাকিলেও এই শক্তিক কেনেকৈ উপকাৰত লগাব পাৰি সেই ধাৰণাও তেতিয়াই আৰম্ভ হৈছিল। মানুহৰ মৰণো আদিম মানুহৰ কাৰণে ৰহস্যপূৰ্ণ আছিল। মৰা মানুহৰ দেহৰ পৰা আত্মা ওলাই যোৱাৰ বাবেই মানুহ নিশ্চল হৈ পৰে বুলি তেওঁলোকে ভাবিবলৈ ধৰিলে। এনে বিশ্বাসৰ ফলতেই অতি প্ৰাচীন কালৰ পৰাই মৃতকৰ সৎকাৰ কৰা ব্যৱস্থা প্ৰচলিত হ'ল। জীৱ দেহৰ পৰা ওলাই যোৱা আত্মাই জীৱ দেহ বিচাৰি আহিব– এই আশাতেই মৰা মানুহক কবৰ দি কবৰত খোৱা বস্তু থোৱা হৈছিল। ইজিপ্টৰ জীৱদেহ মামীকৰণো মানুহৰ আত্মা থকা বিশ্বাসৰ ফলতে উদ্ভৱ হৈছিল। আত্মাও দুই ধৰণৰ বুলি স্বীকাৰ কৰা হ'ল– সৎ আৰু অসৎ। আত্মাৰ অস্তিত্বই অলৌকিক শক্তিৰ আধাৰত অতিকথাৰ প্ৰচাৰ



অংকন : চম্পক বৰুৱা

কৰিলে। আদিম মানুহৰ জ্ঞানৰ পৰিধি কম হোৱাত বহুতো প্ৰাকৃতিক আৰু সামাজিক ঘটনাক কিংবদন্তী, শ্ৰুতি বা আখ্যানৰ দ্বাৰা বুজোৱা হৈছিল। অতিকথা বা কিংবদন্তীৰ সহায়ত গোষ্ঠী সমাজত প্ৰচলিত আচাৰ-আচৰণ, ৰীতি-নীতি, অনুষ্ঠান আনকি শ্ৰমৰ হাতিয়াৰ অস্ত্ৰ-শস্ত্ৰ সকলো সামৰি অলৌকিক কাহিনীৰ প্ৰচাৰ হ'ল। ইয়াৰ মাজেদিয়েই আদিম সমাজৰ মাজতেই বেজ, ওজা, ডাইনী, ভৱিষ্যৎ বক্তা আদিৰ সৃষ্টি হ'ল। মানুহৰ মাজতেই বিশেষ কিছুমান মানুহ অলৌকিক শক্তিৰ অধিকাৰী হ'ল। তেওঁলোকে ভূত-প্ৰেত, ডাইনী-যখিনী, বিৰা আদিক বশ কৰিব পৰা হ'ল। মানুহৰ অসহায় অৱস্থা, প্ৰকৃতিৰ অজ্ঞাত ৰহস্য আৰু দৈনন্দিন বিপৰ্যয়ৰ সুবিধা লৈ এশ্ৰেণী মানুহে সাধাৰণ মানুহৰ কৰ্মনিয়ন্তা হ'ল।

'আত্মা' আৰু অলৌকিক শক্তিৰ ধাৰণাই লাহে লাহে মানুহৰ মনত ধৰ্মবিশ্বাসৰ গঢ় দিয়ে। মানুহ মৰিলে প্ৰথম অৱস্থাত আদিম মানুহে মৃতকৰ কাষত খোৱা বস্তু থৈ আঁতৰি গৈছিল। পৰি থকা মৃতদেহ পশু-পক্ষীৰ খাদ্য হৈছিল। মৃতদেহ নিৰাপদে ৰাখিবলৈ কবৰ দিয়া প্ৰথা আৰম্ভ হ'ল। লাহে লাহে কিছুমান গোষ্ঠীত মৃতদেহ দাহ কৰা ব্যৱস্থাও প্ৰচলিত হ'ল। মৃতকৰ সৎকাৰৰ সকলো ক্ৰিয়াকাণ্ডই আত্মাৰ অস্তিত্ব আৰু ধৰ্মবিশ্বাসৰ লগত সাঙোৰ খাই পৰিল। ধৰ্মবিশ্বাসৰ লগত জৰিত এই সংস্কৃতিয়েও বেলেগ বেলেগ ৰূপ ল'লে। ধৰ্মবিশ্বাসৰ ভেটি সবল হোৱাত ধৰ্মীয় পুৰোহিত শ্ৰেণীয়ে সামাজিক জীৱনত বিশিষ্ট স্থান অধিকাৰ কৰিলে। ঈশ্বৰ আশ্ৰিত ধৰ্মবিশ্বাসৰ ক্ৰমবিবৰ্তনেই কালত বৌদ্ধ,



OKDISCD

খৃষ্ট, ইছলাম, হিন্দু আদি ধৰ্ম সংস্কৃতিয়ে মানৱ সমাজত খোপনি পুতিলে।

১৮ হাজাৰ বছৰ আগতে তুষাৰ যুগ শেষ হৈছিল। পৃথিৱীৰ উষ্ণতা বাঢ়ি বৰফ গলিবলৈ আৰম্ভ কৰিছিল। বৰফ গলা পৃথিৱীত ডাঙৰ ডাঙৰ গছ-গছনিয়ে পৃথিৱী চাটি ধৰিছিল। জীৱ-জন্তুয়ে পৃথিৱীৰ সলনি হোৱা বাতাবৰণত অনুকূল পৰিবেশ বিচাৰি এঠাইৰ পৰা আন ঠাইলৈ দলে দলে গুচি গৈছিল। পশু চিকাৰী মানুহে প্ৰাণীৰ প্ৰব্ৰজনৰ লগে লগে সিহঁতক অনুসৰণ কৰি পৃথিৱীৰ ভিনভিন ঠাইলৈ আঁতৰি পৰিছিল। মানুহে চিকাৰ কৰা সংগী হিচাপে প্ৰথমতে কুকুৰকে পোহনীয়া কৰি লৈছিল। চিকাৰ সংগ্ৰহ কৰাত কুকুৰে মানুহক সহায় কৰিছিল। চিকাৰ কৰাৰ বিবৰ্তনতে মানুহ পশু পালনত অভ্যস্ত হ'ল। খাদ্য শস্য সংগ্ৰহ কৰাত পশুৰ ব্যৱহাৰ হোৱাৰ আগতেই মানুহে প্ৰস্তৰৰ হাতিয়াৰেৰে মাটি ভাঙি খেতি কৰিছিল। পুৰুষে খাদ্য সংগ্ৰহ কৰিছিল। তিৰোতাই সন্তান লালন পালন আৰু খাদ্য প্ৰস্তুত কৰিছিল। আদিম গোষ্ঠীভুক্ত সমাজৰ এই কৰ্ম বিভাগ এতিয়াও মানৱ সমাজত বৰ্তি আছে। ঘৰত থাকোতেই ঘৰৰ কাষৰ মাটিত গছৰ পৰা সৰা গুটিৰ পৰা পুলি গজা দেখা পাইছিল তিৰোতাই। তেওঁলোকে পিছত এনেকৈ পৰা গুটি মাটিত পুতিবলৈ ল'লে। এনেকৈ গছ গজা দেখি বিভিন্ন গছৰ গুটি আৰু শস্য নিৰ্বাচন কৰি কৃষি জীৱনৰ পাতনি মেলিলে। প্ৰস্তৰৰ হাতিয়াৰেৰে মাটি খান্দি খেতি কৰা শস্য খাবলৈ বনৰীয়া জীৱ-জন্তু আহিল। ফলত প্ৰয়োজন হ'ল শস্য সংৰক্ষণৰ। এনেকৈ শস্য খাবলৈ অহা প্ৰাণীৰ মাজৰ পৰাই বিশেষ কিছুমান জন্তু ঘৰচীয়া কৰা হ'ল। গৰু, ম'হ, মেথোন, ভেৰা, ছাগলী আদি পোহমনা জন্তুক ঘৰত ৰখা হ'ল। মাটি খান্দিবলৈ প্ৰথমতে শিলৰ কোৰ, কুঠাৰ আদি ব্যৱহাৰ কৰা হ'ল। লাহে লাহে শস্য খুন্দা শিলৰ পাত্ৰও তৈয়াৰ কৰা হ'ল। কৃষিকৰ্মত পশুৰ ব্যৱহাৰো মানুহৰ সাংস্কৃতিক জীৱনৰ বিবৰ্তনত ওত-প্ৰোতভাৱে সাঙোৰ খাই আছে। কৃষি ভিত্তিক জীৱন ধাৰাত মানুহৰ কামত সহায় কৰিবলৈ জন্তুৰ ব্যৱহাৰ উল্লেখযোগ্য পদক্ষেপ। কৃষি সংস্কৃতিৰ লগত প্ৰাণীৰ সংযোগে গঢ়ি তুলিলে প্ৰাণীক পূজা কৰা সংস্কৃতি। কৃষি ভিত্তিক জীৱনৰ আধাৰত গঢ় লোৱা অসমীয়া বিহু সংস্কৃতিতো গৰু বিহুয়ে বহাগ বিহুত আগ ঠাই পাইছে। ইয়ো প্ৰাণীক কৃষিৰ অপৰিহাৰ্য আহিলা হিচাপে স্বীকৃতিৰেই ৰূপান্তৰিত সাংস্কৃতিক পৰম্পৰা। কৃষিৰ আহিলা-পাতি তৈয়াৰ কৰাৰ মাজেদিয়েই মানুহ কাৰিকৰ হিচাপে পাৰদৰ্শী হৈ পৰিল। ৭০০০ বছৰ আগতেই এনে পাৰদৰ্শিতাই হস্তশিল্পৰ বিকাশ ঘটালে। শিল বিন্ধা কৰা আৰু ঘহি মাজি মিহি কৰা পটুতাই কাৰু শিল্পতো বিবৰ্তন ঘটালে। জুইত পুৰি মাটিৰ বাচন বৰ্তন তৈয়াৰ কৰি কৃষি জীৱনতে মৃন্ময় শিল্পৰো আৰম্ভ কৰিলে। মাটি আৰু শিল ব্যৱহাৰ কৰি জুহাল কৰা হ'ল।


অংকন: চম্পক বৰবৰা

কৃষি ভিত্তিক জীৱনত পশুপালক জীৱনতকৈ গোষ্ঠীৰ মাজত কাম ভগাই দিয়াৰ প্ৰয়োজন বেছি হৈছিল। ইয়াৰ ফলতে প্ৰতিটো গোষ্ঠীত দল নেতাৰ আৱিৰ্ভাৱ হ'ল। প্ৰতি গোত্ৰতে দলপতিয়ে দলসমূহৰ কাম-কাজ নিয়ন্ত্ৰণ কৰিলে। গোত্ৰবিলাকে একে ঠাইতে বাস কৰা দলবিলাকৰ দলপতিসকলৰ পৰাই জনগোষ্ঠী গঠন হ'ল। গোত্ৰ দলপতিসকলৰ আলোচনা কেন্দ্ৰ হ'ল গোত্ৰ পঞ্চায়ত। পঞ্চায়ত বিলাকে ঘৰত পোহা জন্তুৰ চৰণীয়া পথাৰ, চিকাৰৰ স্থান আৰু খেতিৰ উপযোগী মাটি নিৰ্বাচন কৰি কৃষি ভিত্তিক জীৱন নিয়াৰিকৈ চলাইছিল। বিভিন্ন দল বা ব্যক্তি গোষ্ঠীৰ মাজত হোৱা হাই-কাজিয়াও পঞ্চাযত বিলাকে মীমাংসা কৰিছিল। দলপতিৰ নেতৃত্ব মনা গোষ্ঠীভুক্ত মানুহৰ সামাজিক ৰীতি-নীতি শৃঙ্খলাবদ্ধ হ'লেও জনগোষ্ঠীৰ মাজত খেতিৰ মাটিৰ সীমা বা পশু চৰোৱা পথাৰৰ দখল লৈ যুঁজ-বাগৰ লাগিছিল। এনে যুঁজত নেতৃত্ব দিছিল দলৰ চৰ্দাৰে।

জুইৰ ব্যৱহাৰে মানুহৰ সভ্যতাৰ ধাৰাত দ্ৰুত পৰিবৰ্তন আনিলে। আদিম কৃষি জনগোষ্ঠী বসবাস কৰা কিছুমান ঠাইত মাটিৰ ওপৰ ভাগতে বা অলপ তলতে তামৰ আকৰ পোৱা গৈছিল। জুইত তাম দি তেওঁলোকে দেখিছিল যে তাম গলি বেলেগ আকাৰ লয়। মাটিৰ বাচন বৰ্তন গঢ়া পটু মানুহে এতিয়া তাম গলাই ঠায়ে ঠায়ে তামৰ আচবাব তৈয়াৰ কৰা সংস্কৃতি গঢ়ি তুলিলে। তামৰ সহায়ত কুঠাৰ, বল্লম, কটাৰি আদি তৈয়াৰ কৰা হ'ল। পাছলৈ তামৰ পাত্ৰই ধৰ্ম পূজা অনুষ্ঠানতো আগভাগ পালে। তামৰ ব্যৱহাৰ ছয় হাজাৰ বছৰ আগতেই আৰম্ভ হৈছে। তাম ব্যৱহাৰ কৰা যুগটোক মানৱ ইতিহাসত তাম্ৰযুগ বোলা হৈছে। তাম ব্যৱহাৰ কৰা কালতো কাঠৰ নাঙল আৰু হাড়ৰ কোৰৰ চলতি আছিল। বহুতো কামত তাম ব্যৱহাৰ কৰাত অসুবিধা আছিল। কাৰণ তাম লেহুকা। নাঙলৰ ব্যৱহাৰ কৰি হাল বোৱাত মতা মানুহেই আগভাগ লৈছিল। তিৰোতাই ৰন্ধা-বঢ়া আৰু খেতিৰ আনুষংগিক কাম, খৰি লুৰা, পানী গোটোৱা আৰু সন্তান পালনত ব্যতিব্যস্ত হৈছিল। এনেদৰেই আদিম গোষ্ঠীভুক্ত সমাজতে পুৰুষ আৰু তিৰোতাৰ কৰ্ম বিভাজন হৈছিল। *(আগলৈ)*




বিশেষ নিবন্ধ

# প্ৰযুক্তিবিদ্যা আৰু কৰ্মসংস্কৃতি


নলীন বৰঠাকুৰ

পশ্চিমৰ সৈতে প্ৰতিযোগিতা কৰিব পৰা এছিয়াৰ দেশসমূহ হ'ল জাপান, দক্ষিণ কোৰিয়া আৰু টাইৱান। প্ৰযুক্তিবিদ্যা (technology) বিকাশে এই দেশ কেইখনলৈ কঢ়িয়াই আনিছে অফুৰন্ত সম্পদ আৰু আত্মবল। প্ৰযুক্তিবিদ্যা ব্যৱহাৰৰ চেষ্টা এছিয়াৰ আন বহুতো দেশত কৰা হৈছে, কিন্তু সম্পদ সৃষ্টিৰ ক্ষেত্ৰত এই দেশবোৰ বিশেষ সফল হ'ব পৰা নাই। ভাৰতবৰ্ষৰ ক্ষেত্ৰতো এই সফলতা আশানুৰূপ হোৱা নাই।

প্ৰযুক্তিবিদ্যা ব্যৱহাৰ কৰিবলৈ চেষ্টা কৰোতে দেখা যায় যে দেশখনে ইয়াক গ্ৰহণ নকৰে অথবা পৰিবৰ্তিত ৰূপতহে গ্ৰহণ কৰে। অৰ্থাৎ এখন সমাজে নিজৰ পছন্দ অনুসাৰেহে প্ৰযুক্তিবিদ্যা গ্ৰহণ কৰে। আনহাতে এখন সমাজৰ বৈশিষ্ট্য প্ৰকাশিত হয় ইয়াৰ সংস্কৃতিৰ ভিত্তিতহে। এখন সমাজে নিজৰ বৈশিষ্ট্য সমূহৰ আলমতহে প্ৰযুক্তিবিদ্যা গ্ৰহণ কৰিব পাৰে। উদাহৰণ স্বৰূপে এখন জনজাতি বা কৃষিপ্ৰধান সমাজত অধিক উৎপাদন কৰি বা ব্যৱসায় কৰি ধন ঘটাৰ ইচ্ছা কম, নিজৰ প্ৰয়োজনখিনি পূৰণ হলেই যথেষ্ট বুলি ভাবে। কাম কৰাৰো ধৰাবন্ধা সময় নাই। নিজৰ মাটিত নিজৰ শ্ৰমেৰে উৎপাদন কৰিব পৰা কাৰণে আনৰ অধীনত কাম কৰাৰ ইচ্ছা কম। কিন্তু প্ৰযুক্তিবিদ্যাৰ আধাৰত উৎপাদন কৰিবলৈ হলে – লাভ কৰাৰ ইচ্ছা, নিৰ্দিষ্ট সময়ত উপস্থিত হৈ কামত লগা, ওপৰৱালাৰ নিৰ্দেশত কাম কৰা আদি গুণৰ প্ৰয়োজন। সেইকাৰণে জনজাতি বা কৃষিপ্ৰধান সমাজ এখনত প্ৰযুক্তিবিদ্যাৰ সফল প্ৰয়োগ হোৱা দেখা নাযায়। যদিও প্ৰযুক্তিবিদ্যাৰ প্ৰয়োগ আৰু সংস্কৃতিৰ মাজৰ সম্পৰ্ক অতি সৰলীকৰণ কৰিব নোৱাৰি, এই দুটাৰ মাজৰ সম্পৰ্ক অস্বীকাৰ কৰিব পৰা নাযায়।

প্ৰযুক্তিবিদ্যাৰ ব্যৱহাৰৰ বাবে অতি প্ৰয়োজনীয় সংস্কৃতিটো হ'ল 'কৰ্ম সংস্কৃতি' (work culture)। যদি কোনো ব্যক্তিৰ শাৰীৰিক বা মানসিক শক্তি ব্যক্তিজনৰ আৰু সমাজৰ উপকাৰত অহা কোনো কাৰ্যৰ ৰূপত প্ৰকাশ পায়, সেই কাৰ্যৰ প্ৰচেষ্টাক কৰ্মসংস্কৃতি বুলি ক'ব পৰা হয়। উদাহৰণ স্বৰূপে যেতিয়া এজন ব্যক্তিয়ে কোনো কাৰ্যালয় বা কাৰখানাত কাম কৰে তেওঁ নিজৰ বাবে দৰ্মহা আহৰণ কৰাৰ লগতে সমাজখনৰ বাবেও কিবা এটা উপকাৰত অহা কাম কৰে। কোনো কাম ব্যক্তিজনৰ বাবে লাভজনক হলেও সমাজৰ বাবে ক্ষতিকাৰক হ'ব নালাগিব। উদাহৰণ স্বৰূপে ডকাইতি এজন মানুহৰ জীৱিকা হ'ব পাৰে, কিন্তু ই সমাজৰ শান্তি কাঢ়ি নিয়ে। সেইবাবে ডকাইতি প্ৰয়োজনীয় কৰ্ম হিচাপে স্বীকৃত নহয়।

ব্যক্তি, সমাজ আৰু কামৰ মাজত এক সম্পৰ্ক আছে যাৰ ফলত সমাজ এখন আগুৱাই নিব পৰা যায়। ব্যক্তিৰ কাম প্ৰয়োজনীয় দিশত বোৱাই নিবৰ বাবে ব্যক্তি আৰু সমাজৰ মাজৰ সম্পৰ্ক নিৰ্দ্ধাৰণ কৰিব লগা হয়। আজি অসমীয়া সমাজত দুখ লগা কথা হৈছে যে শিক্ষাৰ প্ৰসাৰ, উন্নত জীৱন-যাপনৰ চৰ্চা হোৱা সত্বেও অসমীয়াসকল ব্যক্তিকেন্দ্ৰিক হৈ পৰিছে। নিজৰ স্বাৰ্থসিদ্ধিৰ বাবেইহে যেন তেওঁলোক জীয়াই আছে। আজি বাবু, বিষয়া, চিকিৎসক, উকিল, অভিযন্তা, ব্যৱসায়ী, নেতা আদি


অংকন: চম্পক বৰবৰা

সকলোৱেই পুৱাৰ পৰা গধূলিলৈ কাম কৰিছে যদিও সেই কাম সমাজৰ উদ্দেশ্যে যেন উৎসৰ্গীত নহয়। ফলত তেওঁলোকৰ কামৰ পৰা সমাজৰ কিমান উপকাৰ হৈছে সেই কথা তেওঁলোকে লক্ষ্য নকৰে। আজি ব্যক্তিগত লোভৰ বাবে সামূহিক স্বাৰ্থ তল পৰিছে। কিন্তু সমাজৰ সামগ্ৰিক উন্নতিৰ প্ৰথম চৰ্ত হ'ল, ব্যক্তিয়ে সমাজৰ সামগ্ৰিক স্বাৰ্থ ক্ষুণ্ণ হোৱা কোনো কাম কৰিব নালাগিব। সমাজবদ্ধ হৈ বাস কৰাৰ (community living) প্ৰথম চৰ্ত হ'ল আনক গ্ৰহণ কৰিবলৈ (to accept others) শিকা। যদি এজন মানুহে সমাজৰ অন্য লোকসকলক গ্ৰহণ কৰে তেনেহলে তেওঁ এনে কাম কৰাৰ পৰা বিৰত থাকে, যাৰ দ্বাৰা তেওঁ গ্ৰহণ কৰা সমাজৰ অন্য লোকসকলৰ ক্ষতি হয়। আজি অসমীয়া সমাজত আনক গ্ৰহণ কৰাৰ বাবে ব্যক্তিৰ যি অনীহা তাৰ বাবে কৰ্মসংস্কৃতিৰ ক্ষতি হৈছে।

সামূহিক স্বাৰ্থৰ বাবে ব্যক্তিগত স্বাৰ্থক উচ্চ আসন নিদিয়াৰ সৈতে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ আজিৰ জগতখনৰ কিবা সম্পৰ্ক আছেনে? আমি জাপানৰ প্ৰযুক্তিবিদ্যাৰ উন্নতিৰ কথা লক্ষ্য কৰিলে দেখিম যে এই মানসিকতা জাপানৰ উন্নতিৰ অন্যতম কাৰণ। সমাজবিজ্ঞানী সকলেও এইদৰে ভাবে। জাপানৰ সামাজিক জীৱনৰ এক প্ৰধান চৰ্ত হৈছে, ব্যক্তিগত স্বাৰ্থতকৈ সামূহিক স্বাৰ্থক অধিক গুৰুত্ব দিয়া। এইটো প্ৰতিফলিত হৈছে জাপানৰ কলকাৰখানাৰ উৎপাদন ব্যৱস্থাত। প্ৰতিজন জাপানী কৰ্মীয়ে কাৰখানা সমূহত সামূহিক স্বাৰ্থৰ প্ৰেৰণাত কাম কৰে। তেওঁলোকক এই প্ৰেৰণা দিয়া হয় যে কাৰখানা বা প্ৰতিষ্ঠানটোৰ যদি উন্নতি হয় তেনেহলে কৰ্মী কলো ব্যক্তিগতভাবে লাভবান হ'ব। অ.নৰ কথা চিন্তা নকৰাকৈ নিজেই সকলো গ্ৰাস কৰাৰ মানসিকতাৰ নীচতা জাপানী সকলৰ বাবে বৰ লাজ লগা কথা। এইবাবে জাপানৰ প্ৰতিষ্ঠান সমূহত সংঘাত বৰ কম আৰু ফলত কৰ্মীসকলৰ শ্ৰম, নিষ্ঠা অথলে নগৈ প্ৰয়োজনীয় সুফল দিয়ে।

জাপানীসকলৰ এই মানসিকতা পৰিয়ালৰ পৰা উদ্ভূত। এটা পৰিয়ালত ব্যক্তিগত স্বাৰ্থক জলাঞ্জলি দি পৰিয়ালৰ সকলোৰে বাবে কাম কৰা হয়। পৰিয়ালৰ উন্নতিৰ সম্পদৰ ভাগ পৰিয়ালৰ সকলো সদস্যই পায়। জাপানীসকলে পৰিয়ালৰ উন্নতিৰ এই ধাৰণাটো বৃহত্তৰ সমাজলৈ সম্প্ৰসাৰিত কৰিব পাৰিলে। আনহাতে অসম তথা ভাৰতবৰ্ষত পৰিয়ালৰ উন্নতিৰ বাবে সকলোৱে কাম কৰে যদিও সামূহিক উন্নতিৰ বাবে এই ধাৰণাটোৰ প্ৰয়োগ নহয়। আমাৰ যৌথ পৰিয়ালসমূহতো বৰ্তমান পৰিয়ালৰ সামূহিক স্বাৰ্থৰ বাবে কাম কৰাৰ প্ৰৱণতা কমি আহিছে। এই প্ৰৱণতা সমাজতো প্ৰতিফলিত হৈছে। ইয়াৰ বহু উল্লেখ সমসাময়িক অসমীয়া সাহিত্যত পোৱা যায়। সমসাময়িক সাহিত্যত সেয়েহে প্ৰতিফলিত হৈছে বদান্যতা, দানশীলতা, সহযোগিতা, সেৱা, ভদ্ৰতা, সন্মান প্ৰদৰ্শন, সহানুভূতি আৰু সততাৰ উৎখাটিত স্থান। কিন্তু জাপানৰ প্ৰযুক্তিবিদ্যাৰ প্ৰয়োগ আৰু সামগ্ৰিক উন্নতিত এই গুণ সমূহ অপৰিহাৰ্য হিচাপে স্বীকৃত। জাপানৰ কাৰখানা আৰু আন প্ৰতিষ্ঠানসমূহৰ পৰিচালনাত কৰ্মীৰ দক্ষতাৰ বাদেও এই গুণসমূহত গুৰুত্ব দিয়া হয়। এই কাৰণে প্ৰতিষ্ঠানসমূহত এক পৰিয়ালৰ আত্মীয়তাৰ সৃষ্টি হয়। নিজৰ প্ৰতিষ্ঠানৰ প্ৰতি জাপানী কৰ্মীৰ আপোনভাব ইমানেই বেছি যে তেওঁলোকে নিজৰ প্ৰতিষ্ঠান এৰি যাব নোখোজে।

মাথো কাম কৰিলেই নহয়, সেই কাম সামূহিক স্বাৰ্থত নিয়োজিত হৈছেনে নাই তাকো লক্ষ্য কৰিব লাগিব। এটা পৰিয়ালৰ উন্নতিৰ বাবে এজন ব্যক্তিয়ে যিদৰে কাম কৰে, সেই কৰ্মপদ্ধতি সমাজৰ কামতো ব্যৱহাৰ কৰিব পৰাতেই ব্যক্তি আৰু সমাজৰ উন্নতিৰ সঁচাৰ-কাঠি। আধুনিক প্ৰযুক্তিবিদ্যাৰ এই যুগত আমাৰ সমাজত যুগৰ বাবে প্ৰয়োজন হোৱা সামূহিক ভাব (community feeling) নাই। ইয়াৰ ফলত যি গুণৰাশিয়ে জাপানী কাৰখানাবোৰৰ পৰিচালনাত অৰিহণা যোগাইছে সেই বদান্যতা, দানশীলতা, সহযোগিতা, সেৱা, ভদ্ৰতা, সহানুভূতি, সততা, নিয়মানুবৰ্তিতা, সময়নিষ্ঠা, জ্যেষ্ঠজনৰ প্ৰতি সন্মান প্ৰদৰ্শন, বাধ্য আচৰণ আদিয়ে অসমীয়া সমাজত দ্ৰুতভাবে স্থান হেৰুৱাইছে। এই গুণসমূহৰ ক্ষয়িষ্ণুতাই দেখুৱাই দিয়ে যে আমাৰ সমাজত ব্যক্তি সামূহিকতাৰ ধাৰণাৰ পৰা আঁতৰি গাইগুটীয়া হৈ পৰিছে। সমাজক আঁকোৱালি ল'বৰ বাবেহে প্ৰয়োজন হয় বদান্যতা, নম্ৰতা, সততা আদি গুণৰ।

বিজ্ঞানৰ (Science) উন্নতি যি সময়ত সমাজৰ এমুঠি উচ্চশিক্ষিত ব্যক্তিৰ মাজত সীমাবদ্ধ, সেইদৰে প্ৰযুক্তিবিদ্যা সীমাবদ্ধ নহয়। প্ৰযুক্তিবিদ্যাৰ প্ৰয়োগে সমাজৰ ওপৰত ব্যাপক প্ৰভাৱ পেলায় আৰু সমাজলৈ সম্পদ আনে। এই সম্পদ সৃষ্টিৰ বাবে প্ৰযুক্তিবিদ্যাৰ প্ৰয়োগত বিভিন্ন কাৰখানাসমূহ স্থাপন কৰা হয় আৰু এইবোৰ চলাবৰ বাবে প্ৰয়োজন হয় এদল কৰ্মসংস্কৃতিবান মানুহৰ। কৰ্মসংস্কৃতিবান লোক নহলে কাৰখানাসমূহ আধুনিক যুগত পৰিচালনা কৰা সম্ভৱ নহয়। অসমত উদ্যোগৰ দ্ৰুত বিকাশ নহলে আমাৰ অৰ্থনৈতিক তথা ৰাজনৈতিক সুস্থিৰতা নহ'ব। সেই কাৰণে প্ৰযুক্তিবিদ্যাৰ সফল প্ৰয়োগ কৰি সম্পদ আহৰণৰ বাবে নিয়মানুবৰ্তিতা, সততা, সময়নিষ্ঠা, জ্যেষ্ঠজনৰ প্ৰতি বাধ্য আচৰণ আৰু সন্মান প্ৰদৰ্শন, কনিষ্ঠজনৰ প্ৰতি স্নেহৰ দৰে কোমল গুণসমূহৰো ব্যৱহাৰ কৰিব লাগিব। জাপানীসকলৰ দৰে সামূহিক স্বাৰ্থক ব্যক্তিস্বাৰ্থৰ ওপৰত স্থান নিদিলে অসমত প্ৰযুক্তিবিদ্যাৰ সফল প্ৰয়োগ সম্ভৱ নহব।

জাপানৰ দৰেই পশ্চিমৰ দেশবোৰত হোৱা সফল প্ৰযুক্তিবিদ্যাৰ প্ৰয়োগৰ মূলতে আছে আনৰ প্ৰতি সেৱাৰ মনোভাবেৰে কাম কৰাৰ প্ৰৱণতা। ভাৰতবৰ্ষ আৰু পশ্চিমৰ ধৰ্মৰ তুলনামূলক অধ্যয়ন কৰি ৰাধাকৃষ্ণনে লক্ষ্য কৰিছে যে, প্ৰাচ্যৰ ধৰ্মই ব্যক্তিক আত্মাৰ মুক্তিৰ বাবে আৰু পাশ্চাত্যৰ ধৰ্মই সামাজিক শৃঙ্খলা ৰক্ষাৰ বাবে সহায় কৰে ["The Eastern religions are directed to the salvation of the individual soul rather than to the maintenance of society. The Western convert religion into a sort of police system for the sake of social order." — S. Radhakrishnan, East and West in Religion, George Allen and Unwin, 1967, p





56] পশ্চিমৰ সামাজিক জীৱনৰ উত্থানৰ সৈতে গ্ৰীক নগৰ ৰাষ্ট্ৰবোৰ জৰিত। এই নগৰ ৰাষ্ট্ৰবোৰে নাগৰিকক শিক্ষা দিছিল যে, নাগৰিকবোধ আৰু ব্যক্তিগত উন্নতিৰ সৈতে সামূহিক উন্নতি হলেহে সমাজ বা ৰাষ্ট্ৰ সুচাৰুৰূপে পৰিচালিত হ'ব পাৰে। নাগৰিকৰ ব্যক্তিত্বৰ বিকাশত মানৱীয় গুণসমূহৰ বিকাশ হ'ব লাগিব। নাগৰিকৰ আদৰ্শ হ'ব লাগিব জাতিটোক দক্ষ কৰি তোলা। তেওঁলোক গাইগুটীয়া হৈ থাকিব নোৱাৰিব। নাগৰিক সকলে ব্যক্তিগত জীৱন আৰু সামূহিক জীৱনৰ মাজত এক সেঁতু ৰচনা কৰিব লাগিব। "The free power of the individual self and the organized will of the corporate community are the greatest upbuilding forces" (Ibid, p 53)। ইয়াতেই নিহিত হৈ আছে ব্যক্তিৰ সমাজৰ প্ৰতি দায়বদ্ধতা। ব্যক্তি আৰু সামূহিক ইচ্ছাৰ (corporate will) মাজত সম্পৰ্ক স্থাপিত হোৱাৰ পৰাই জন্ম হ'ল আনৰ প্ৰতি সেৱাৰ মাজত ব্যক্তিৰ মুক্তিৰ প্ৰচেষ্টা। গ্ৰীক আৰু ৰোমান সভ্যতাই গঢ় দিয়া পশ্চিমৰ অগ্ৰগতিৰ মূল কাৰণ হিচাপে সেয়ে ৰাধাকৃষ্ণনে কৈছে – "The superiority of western religion lies in the fact that the individual seeks his salvation in service to others. It is not enough to retire into solitude to seek closer contact with the divine. Religion is not only life-transcending but also life-transforming." (Ibid, p. 69)।

পশ্চিমৰ পৰা ভাৰতবৰ্ষলৈ সমাজ সেৱাৰ ভাবধাৰা বিবেকানন্দই কঢ়িয়াই আনিছিল। মানৱ সেৱাই ঈশ্বৰ সেৱা এই ভাবধাৰা তেওঁ ভাৰতীয় সংস্কৃতিৰ ভিতৰুৱা কৰি ল'বলৈ চেষ্টা কৰিছিল। এই প্ৰেৰণাতে ৰামকৃষ্ণ মিশ্যনৰ জন্ম হৈছিল আৰু স্কুল, চিকিৎসালয়, লাইব্ৰেৰী, সাহায্য শিবিৰ আদিৰ যোগেৰে ব্যক্তিয়ে সমাজৰ সেৱা কৰি ঈশ্বৰ সেৱা কৰিবলৈ শিক্ষা পাইছিল। তথাপিও এই ভাবধাৰা সমাজৰ আঁহে আঁহে সোমাই পৰা নাই। ইয়াৰ প্ৰধান কাৰণ হ'ল স্বাধীনোত্তৰ ভাৰতত অৰ্থনৈতিক বিকাশ হোৱাৰ লগে লগে সমাজৰ যথোপযুক্ত পৰিবৰ্তন নহ'ল। অৰ্থাৎ পশ্চিমৰ পৰা প্ৰযুক্তিবিদ্যা গ্ৰহণ কৰি সম্পদ সৃষ্টি কৰা হ'ল, কিন্তু পশ্চিমৰ পৰা প্ৰযুক্তিবিদ্যাৰ ব্যৱহাৰৰ বাবে প্ৰয়োজনীয় সামাজিক আৰু সাংস্কৃতিক উপাদান আমি গ্ৰহণ নকৰিলো। প্ৰযুক্তিবিদ্যা আৰু সংস্কৃতিৰ মাজত এক সম্পৰ্ক আছে। সংস্কৃতি এখন চালনিৰ দৰে। সমাজে প্ৰযুক্তিবিদ্যাৰ সৈতে জৰিত সেইবোৰ উপাদান আঁকোৱালি লয়, যিবোৰ সংস্কৃতিৰ চালনিখনৰ মাজেৰে সৰকি আহিব পাৰে। যদি সমাজে প্ৰযুক্তিবিদ্যাৰ সৈতে জৰিত কিছুমান সাংস্কৃতিক উপাদান গ্ৰহণ কৰিব নোৱাৰে তেনেহলে প্ৰযুক্তিবিদ্যাৰ সফল প্ৰয়োগ হ'ব নোৱাৰে। আনহাতে যদি সাংস্কৃতিক চালনিখনৰ ওপৰত জোৰ খটোৱা হয়, তেনেহলে সংস্কৃতিয়েই নষ্ট হৈ যাব। যিহেতু সংস্কৃতি প্ৰাণীদেহৰ দৰে জীৱন্ত সেয়ে ইয়াক প্ৰয়োজন অনুসাৰে পৰিবৰ্তিত কৰিব পৰা যায়। আজি আমাৰ সংস্কৃতিক আধুনিক প্ৰযুক্তিবিদ্যা গ্ৰহণ কৰিব পৰাকৈ সজাবৰ সময় হৈছে। আমাৰ ধৰ্মীয় লক্ষ্য ব্যক্তিৰ আত্মাৰ মুক্তিৰ সৈতে ব্যক্তিৰ সমাজৰ প্ৰতি দায়িত্বৰ কথাও সংযোগ কৰিব লগা হৈছে। অথচ ব্যক্তি আৰু সমাজৰ মাজৰ সম্পৰ্ক সামাজিক দায়বদ্ধতাৰ কথা মাজে মাজে বিদ্যুতৰ দৰে চিক্‌মিকাই উঠে ঋকবেদৰ "যি ধনী ব্যক্তিয়ে আনক প্ৰতি পালন নকৰে, তেওঁক মই ঘৃণা কৰো"ৰ দৰে বাক্যত।

প্ৰযুক্তিবিদ্যাৰ সফল প্ৰয়োগৰ বাবে প্ৰথম চৰ্ত হ'ল ব্যক্তি আৰু সামূহিকতাৰ (community) মাজৰ সুসম্পৰ্ক। ব্যক্তিকেন্দ্ৰিক মনোবৃত্তিৰে কলকাৰখানা চলাব নোৱাৰি। আনহাতে কলকাৰখানা চলাব নোৱাৰিলে সম্পদৰো সৃষ্টি নহয়। আধুনিক প্ৰযুক্তিবিদ্যাৰ সৈতে জৰিত প্ৰতিটো অনুষ্ঠান – কাৰখানা, কাৰ্যালয়, বিক্ৰীকেন্দ্ৰ আদিৰ মাজৰ সম্পৰ্ক ওত-প্ৰোত। অৰ্থাৎ ই এখন ব্যক্তিৰ কাৰ্যক্ষেত্ৰ হৈ নাথাকি, হৈ পৰে এক সামূহিক কাৰ্যক্ষেত্ৰ। কৃষিজীৱী আৰু জনজাতি সমাজৰ সৈতে আধুনিক উৎপাদন ব্যৱস্থাৰ সৈতে জৰিত সমাজ এখনৰ পাৰ্থক্য ইয়াতেই। যি ক্ষেত্ৰত প্ৰথমখন সমাজত ব্যক্তি স্বাধীন হৈ থাকিব পাৰে, পাছৰখনত সেয়া সম্ভৱ নহয়। দ্বিতীয়খন সমাজে যদি সামূহিকভাবে পাৰস্পৰিক সহযোগিতাৰে কাম কৰিব নোৱাৰে তেনেহলে উৎপাদন ব্যৱস্থা অক্ষুণ্ণ ৰাখিব নোৱাৰে। প্ৰযুক্তিবিদ্যাৰ আধাৰত উৎপাদন কৰিবলৈ হলে মাথো মেছিন চলাব জানিলেই নহব, কিছুমান মানৱীয় কোমল গুণৰো প্ৰয়োগ কৰিব লাগিব। এইবোৰৰ ভিতৰত বদান্যতা, দানশীলতা, সহযোগিতা, সেৱা, সহানুভূতি, সততা, জ্যেষ্ঠজনৰ প্ৰতি সন্মান, কনিষ্ঠজনৰ প্ৰতি মৰম আদি প্ৰধান। এই গুণসমূহ ভাৰতীয় সংস্কৃতিৰ অংগ। এইবোৰ কোমল মানৱীয় গুণৰ বাদেও ওপৰৱালাৰ নিৰ্দেশত কাম কৰা, নিৰ্দিষ্ট সময়ত কামত উপস্থিত হোৱা, নিয়মানুবৰ্তিতা আদি সামৰিক গুণ আধুনিক উৎপাদন ব্যৱস্থাৰ বাবে অপৰিহাৰ্য।

আধুনিক জীৱনযাত্ৰাৰ বাবে প্ৰযুক্তিবিদ্যাৰ প্ৰয়োগ অপৰিহাৰ্য। আনহাতে হাজাৰ বছৰৰ উপাদানেৰে সমৃদ্ধ আমাৰ সংস্কৃতি প্ৰযুক্তিবিদ্যা প্ৰয়োগৰ বাবেই ধ্বংস কৰিব নোৱাৰি। সংস্কৃতি প্ৰাণৱন্ত। প্ৰাণপূৰ্ণ বস্তুৰ দৰেই সময়ৰ অগ্ৰগতিৰ লগে লগে ইয়াৰ শ্ৰীবৃদ্ধি হয়, গুণগত পৰিবৰ্তন হয়। কিন্তু ইয়াক কৰিব পাৰে সমাজখনৰ মানুহেহে। যদি প্ৰযুক্তিবিদ্যা প্ৰয়োগৰ ক্ষেত্ৰত সংস্কৃতিয়ে এখন চালনিৰ দৰে কাম কৰে, আমাৰ সাংস্কৃতিক চালনিখনৰ এনে পৰিবৰ্তন আনিব লাগিব, যাৰ দ্বাৰা আমি প্ৰযুক্তিবিদ্যা আৰু আমাৰ জীৱন-যাপনৰ মাজৰ সংঘাত নোহোৱা কৰিব পাৰো। অৱশ্যে সংস্কৃতিয়েও সময়ৰ সোঁতত প্ৰযুক্তিবিদ্যা পৰিবৰ্তিত কৰি অধিক মানৱীয় হ'বলৈ বাধ্য কৰায়। এই সম্পৰ্কীয় চিন্তাৰ মূলতে হ'ল সকলো জীৱ আৰু উদ্ভিদৰ প্ৰতি সমভাব, প্ৰীতি আৰু কৰুণাৰ প্ৰাচ্যৰ ধৰ্মৰ শিক্ষা। কিন্তু আধুনিক আনন্দময়, সম্পদশালী সমাজ এখন সৃষ্টিৰ বাবে যিদৰে আমাৰ সংস্কৃতিৰ প্ৰভাৱ প্ৰযুক্তিবিদ্যাৰ প্ৰয়োগৰ ওপৰত কল্যাণজনক, সেইদৰে আমাৰ সংস্কৃতিত সোমাই পৰিব লাগিব সামূহিক স্বাৰ্থৰ বাবে ব্যক্তি স্বাৰ্থ ক্ষুদ্ৰ কৰি কাম কৰাৰ মানসিকতা।

# শীতল যুদ্ধৰ অন্তত দক্ষিণ এচিয়াৰ নিৰাপত্তা

আবু নাছাৰ চাঈদ আহমদ

১৯৯১ চনটো বিশ্ব ৰাজনীতিত অতি গুৰুত্বপূৰ্ণ বছৰ। বছৰটো আৰম্ভ হ'ল ইতিহাসত অবিস্মৰণীয় আৰু অত্যাধুনিক অস্ত্ৰ ব্যৱহৃত হোৱা এখন অভূতপূৰ্ব যুদ্ধৰে। এই যুদ্ধত এখন অকলশৰীয়া আঁকোৰগোজ দেশৰ বিৰুদ্ধে এক মহাশক্তি প্ৰমুখ্যে বিশ্বৰ আগশাৰীৰ সামৰিক শক্তিৰ অৱশ্যম্ভাৱী জয়লাভ হ'ল; লগতে বিশ্ব ৰাজনীতিত এককেন্দ্ৰিক ধৰণৰ পদ্ধতিৰ সৃষ্টি হ'বলৈ ধৰিলে। এনে এক পৰিস্থিতিত আমেৰিকা যুক্তৰাষ্ট্ৰই বিশ্বৰ অপ্ৰতিদ্বন্দ্বী মহাশক্তি হিচাপে অতি প্ৰভাৱশালী ভূমিকা লবলৈ সুবৰ্ণ সুযোগ পালে। থোৰতে কোৱা ভাল হ'ব যে বিশ্বত হৈ যোৱা প্ৰতিখন মহাসমৰে বিজয়ী মহাশক্তিক যুদ্ধোত্তৰ সময়ত অতি প্ৰভাৱশালী দেশ হিচাপে প্ৰতিষ্ঠিত কৰাৰ দেখাৰ উদাহৰণ আছে। (Terry Boswell আৰু Mike Sweat-ৰ প্ৰবন্ধ "Hegemony, Long Weaves and Major Wars:" শীৰ্ষক প্ৰবন্ধ এটা প্ৰকাশ পাইছে *International Studies Quarterly*, জুন ১৯৯১ চনত; ইয়াৰ উপৰিও এই দিশত আৰু এখন কিতাপ উল্লেখযোগ্য J. S. Levy, *Wars in Modern Great Powers*, Lexington, 1983)। বছৰটো শেষ হয় বিশ্বৰ অন্যতম মহাশক্তি ছোভিয়েত ইউনিয়নৰ পতনৰে। এই পতন অতিকৈ অপ্ৰত্যাশিত আৰু অভূতপূৰ্ব। কাৰণ, বিশ্বৰ আগশাৰীৰ মহাশক্তি এটা হঠাতে তাছ পাতৰ দৰে খহি পৰাৰ দৃষ্টান্ত অতি বিৰল। ছোভিয়েত ইউনিয়ন টুকুৰা-টুকুৰ হোৱাৰ পিছত কেৱলমাত্ৰ আমেৰিকা যুক্তৰাষ্ট্ৰহে মহাশক্তি ৰূপে থাকি গল। এনে ধৰণৰ অন্তঃৰাষ্ট্ৰীয় ৰাজনৈতিক পৰিস্থিতিত দেখা গ'ল যে অতীতৰ বহু ধৰণৰ তত্ত্ব আৰু ধ্যান-ধাৰণা বা পৰম্পৰাৰ যথাৰ্থতা নোহোৱা হৈ পৰিল। নিঃসন্দেহে, ১৯৯০ চনলৈকে বিশ্বৰ আনবোৰ অঞ্চলৰ দৰেই দক্ষিণ এচিয়াত (অৰ্থাৎ বাংলাদেশ, ভূটান, ভাৰত, মালদ্বীপ, নেপাল, পাকিস্তান আৰু শ্ৰীলঙ্কা) শীতল যুদ্ধ আৰু তাৰ প্ৰত্যক্ষ বা পৰোক্ষ প্ৰভাৱ পৰি আহিছিল। অস্ত্ৰ-প্ৰতিযোগিতা, মহাশক্তিৰ পৰা সমৰ্থন লাভৰ প্ৰতিযোগিতা, সংঘাত আৰু সন্দেহৰ নিচিনা শীতল যুদ্ধৰ পৰা উদ্ভৱ হ'ব পৰা ঘটনাবোৰ ঘটি আহিছিল। কিন্তু শীতল যুদ্ধ শেষ হোৱাৰ পিছত আমেৰিকাক কেন্দ্ৰ কৰি এককেন্দ্ৰিক আন্তঃৰাষ্ট্ৰীয় পৰিস্থিতিত দক্ষিণ এচিয়াৰ শান্তি-নিৰাপত্তাৰ সমস্যাবোৰৰ আকৃতি-প্ৰকৃতিৰো সলনি হোৱাৰ সম্ভাৱনাই দেখা দিলে।

শীতল যুদ্ধৰ অৱসানৰ পিছত আশা কৰিব পাৰি যে শান্তিৰ বাতাবৰণ বিশ্বৰ সকলো ঠাইতে সৃষ্টি হ'ব। কেইবাটাও আঞ্চলিক সংঘৰ্ষৰ অন্ত পৰাৰ সম্ভাৱনাই দেখা দিছে। কাম্বোডিয়া, নামিবিয়া, পাৰস্য উপসাগৰত শান্তি প্ৰতিষ্ঠা হৈছে। আফগানিস্তান সমস্যাৰ সমাধানৰ পথত আগবাঢ়িছে। পশ্চিম এচিয়াত শান্তি প্ৰক্ৰিয়া আৰম্ভ হৈছে; যদিও এই প্ৰক্ৰিয়া সহজ নহয় আৰু সুদীৰ্ঘ দিন ধৰি চলিব বুলি অনুমান কৰিব পাৰি। কিন্তু দুৰ্ভাগ্যবশতঃ দক্ষিণ এচিয়াত অব্যাহত হৈ থকা সংঘাত উপশম হোৱাৰ কোনো বিশেষ লক্ষণ পৰিলক্ষিত হোৱা নাই। এই ধৰণৰ পৰিস্থিতিত নানা প্ৰশ্ন, মতামত আৰু তত্ত্ব প্ৰস্তাৱিত হৈছে আৰু বিতৰ্ক চলি আছে।

## দক্ষিণ এচিয়াৰ শান্তি-নিৰাপত্তা আৰু ভাৰত-কেন্দ্ৰিক আৰ্হি

দক্ষিণ এচিয়াৰ ৰাজনীতিত এজন বিখ্যাত পণ্ডিত Hegh Tinker-ৰ প্ৰায়বোৰ লেখাত এটা কথা কৈ আহিছে যে এই অঞ্চলৰ দেশবোৰত দৰাচলতে জাতি গঠনৰ প্ৰক্ৰিয়া এতিয়াও চলি আছে। তেওঁৰ মতে ইউৰোপৰ মানদণ্ডৰ পৰা চালে দক্ষিণ এচিয়াৰ দেশবোৰৰ জাতি গঠনৰ প্ৰক্ৰিয়াটো এতিয়াও পৈণত হৈ উঠা নাই। সেই বাবে ইয়াত প্ৰায়ে সংঘৰ্ষ বা সংঘাত চলি থাকে। এই সংঘাতৰ বীজবোৰ নিঃসন্দেহে ঔপনিবেশবাদে ৰোপণ কৰি থৈ গৈছিল। আভ্যন্তৰীণ আৰু সীমান্তৰ সিপাৰৰ পৰা অহা ভাবুকি আৰু অস্থিৰতাৰ উৎসবোৰ ঔপনিবেশবাদে সৃষ্টি কৰি গৈছিল। তাৰ পিছত শীতল যুদ্ধৰ সময়ছোৱাত ইয়াৰ প্ৰসাৰতা বাঢ়িবলৈ ধৰিলে। পৰিসমাপ্তিৰ কোনো শুভ লক্ষণ বৰ্তমানে দেখা নাই যদিও নিৰাশাবাদী হোৱাৰো কাৰণ নাই।

দক্ষিণ এচিয়াক আন্তঃৰাষ্ট্ৰীয় ৰাজনৈতিক পদ্ধতিত এক 'উপ-পদ্ধতি' বুলি কোৱা হয়। বিভিন্ন জাতি, ধৰ্ম, ৰাজনৈতিক ব্যৱস্থা, বৃহৎ আৰু ক্ষুদ্ৰ শক্তিৰ সংমিশ্ৰণ হোৱাৰ বাবেই এই অঞ্চলটোক 'উপ-পদ্ধতি' বুলি কোৱাৰ স্থল আছে। ইয়াৰ বিশালতা আৰু ভিন্নতাৰ কাৰণেই এই অঞ্চলৰ নিৰাপত্তাৰ জটিলতা সহজে পৰিলক্ষিত হোৱা দেখা যায়।

তাৰ উপৰি অঞ্চলটোৰ এখন দেশৰ নিৰাপত্তাৰ বিষয়ৰ লগত আন এখন দেশৰ নিৰাপত্তাৰ প্ৰশ্নও জৰিত হৈ আছে। গতিকে দক্ষিণ এচিয়াৰ নিৰাপত্তা সদায়ে এক সামূহিক আৰু ব্যাপক দৃষ্টিকোণৰ পৰা নাচালে ভাল দৰে বুজিবলৈ টান হৈ পৰে। এই দিশত কিবা কথা পৰ্যালোচনা কৰিবলৈ ললেই দেখা যাব যে অঞ্চলটোৰ নিৰাপত্তাত এক ভাৰত-কেন্দ্ৰিক আৰ্হি আছে। ভৌগোলিক, আৰ্থ-সামাজিক, আৰু সাংস্কৃতিক দিশৰ পৰা এই অঞ্চলটোত ভাৰত-প্ৰাধান্যতা দেখা যায়। ধৰ্মীয় ক্ষেত্ৰত ভিন্নতা থাকিলেও এই ভূখণ্ডৰ প্ৰায়বোৰ দেশৰ সভ্যতা আৰু সংস্কৃতিৰ যোগসূত্ৰ ভাৰত ভূমিৰ লগত জৰিত। সামৰিক দিশৰ পৰা চালে ভাৰতবৰ্ষ এই অঞ্চলটোৰ মহাশক্তি, কাৰণ ভাৰতৰ সামৰিক শক্তিৰ বিশালতাৰ তুলনাত আন সকলোবোৰ দক্ষিণ এচিয়াৰ দেশৰ সামৰিক সামৰ্থ্য নিচেই নগণ্য। আনকি এই দুৰ্বল দেশবোৰৰ ভিতৰত শক্তিশালী দেশ পাকিস্তানৰ সামৰিক শক্তি ভাৰতৰ অনুপাতত ৩ঃ১ মাথোন। মানৱ-সম্পদ, ঔদ্যোগিক সামৰ্থ্যৰ পৰা চালেও ভাৰত নিঃসন্দেহে এই অঞ্চলটোৰ সবাতকৈ শক্তিশালী দেশ।

এনে এক পৰিস্থিতিত ভাৰত-কেন্দ্ৰিক অৱস্থাক উলাই কৰি এই অঞ্চলটোৰ শান্তি আৰু নিৰাপত্তাৰ কথা চিন্তা কৰিব নোৱাৰি। এই কথাটো ভাৰতে সচেতন ভাবে হৃদয়ঙ্গম কৰাৰ লগতে ভাৰতে এই প্ৰভাৱশালী অৱস্থিতিক সুৰক্ষা দিয়াৰ আৰু তাক অধিক মজবুত কৰাৰ অহৰহ চেষ্টা কৰি আহিছে। স্বাধীনতাৰ পিছৰে পৰা ভাৰতে এই অৱস্থানক কেৱল দক্ষিণ এচিয়াৰ পৰিপ্ৰেক্ষিততেই নহয়, সমগ্ৰ এচিয়াৰ পৰিপ্ৰেক্ষিতত বিশ্বৰ আগত দাঙি ধৰিবলৈ চেষ্টা কৰি আহিছে। এই সম্পৰ্কত জৱাহৰলাল নেহৰুৰ এটা বিশেষ মন্তব্য উল্লেখযোগ্য। তেওঁ কৈছিল ঃ এচিয়াত ভাৰতৰ এক সুকীয়া স্থান আছে। ভৌগোলিক আৰু তেনে ধৰণৰ দিশবোৰে ভাৰতৰ ইতিহাসক বিশালভাবে প্ৰভাৱান্বিত কৰি আহিছে। এচিয়াৰ যিকোনো সমস্যাৰ কথা মনলৈ আহিলেই কিবা ধৰণেৰে ভাৰতৰ কথা মনলৈ আহিবই.......... ভাৰতৰ প্ৰকৃত আৰু সম্ভাব্য সম্পদ আৰু শক্তিৰ কাৰণেই এইখন দেশক উলাই কৰিব নোৱাৰে।" (*Jawaharlal Nehru's Speeches, 1949-53*, প্ৰথম খণ্ড, পৃ ঃ ৩১৬)।

নেহৰুৱে গঢ় দিয়া ভাৰতৰ বৈদেশিক নীতি ইন্দিৰা গান্ধীয়ে আৰু সুদৃঢ়তাৰে নতুন ঠাঁচত ৰূপ দিলে যাতে ভাৰতৰ বিশালতা আৰু সামৰিক শক্তিক দক্ষিণ এচিয়াৰ উপৰিও এচিয়া মহাদেশত স্বীকৃতি দিয়া হয়। ১৯৭০-ৰ দশকটোত এনে ধৰণৰ লক্ষ্য আগত ৰাখি ভাৰতৰ বৈদেশিক নীতি গঢ় দিয়া আৰু কাৰ্যত ইয়াক প্ৰয়োগ কৰা হৈছিল"। ফল স্বৰূপে বিশ্ব ৰাজনীতিত ভাৰতে অতি কম সময়ৰ ভিতৰতে এক সুকীয়া স্থান পাবলৈ সমৰ্থ হৈছিল। আনকি ১৯৭৭ আৰু ১৯৮৯ চনত দিল্লীত ৰাজনৈতিক পৰিবৰ্তনে ভাৰতৰ আগশাৰীৰ অৱস্থানক বিপদগ্ৰস্ত কৰিব পৰা নাছিল। সেইদৰে ১৯৭৯ চনত আফগানিস্তনত হোৱা ৰাজনৈতিক অভ্যুত্থান আৰু পিছত ১৯৮৫ চনৰ পৰা আৰম্ভ হোৱা চীন-ছোভিয়েত ইউনিয়নৰ বুজাপৰা চলাৰ সময়তো ভাৰতৰ অগ্ৰণী ভূমিকাত কোনো প্ৰতিকূল প্ৰভাৱ পেলাব পৰা নাছিল। আৰু এতিয়া শীতল যুদ্ধৰ অৱসান হোৱাৰ পিছতো আৰু ছোভিয়েত ইউনিয়নৰ পতন হোৱাৰ পিছতো দক্ষিণ এচিয়াৰ পটভূমিত ভাৰতৰ স্থানৰ কোনো ক্ষতি হোৱা নাই; বৰং এই. উপ-মহাদেশৰ ৰাজনীতিত ভাৰতৰ অধিক দায়িত্ব আৰু গুৰুত্বপূৰ্ণ ভূমিকাৰ সম্ভাৱনাইহে দেখা দিছে।

দক্ষিণ এচিয়াত ভাৰতৰ বিশিষ্ট ভূমিকাৰ যথাৰ্থ কাৰণ আছে। এক বিশাল আৰু সামৰিকভাবে প্ৰভাৱশালী দেশ হিচাপে ভাৰতে নিজৰ প্ৰভাৱক্ষেত্ৰ বাছি উলিয়াব লাগিব। ভাৰতে পশ্চিম-দক্ষিণৰ পিনে প্ৰভাৱ বিস্তাৰ কৰিব নোৱাৰে; আনকি আফগানিস্তানৰ পিনেও গতি কৰিব নোৱাৰে। এসময়ত ভাৰতে আফগানিস্তানৰ অ-মৌলবাদী চৰকাৰক সমৰ্থন দি থকাৰ সময়তো সেই পিনে বেছি প্ৰভাৱ পেলাব পৰা নাছিল। সেই দৰে দক্ষিণ-পূব এচিয়াতো ভাৰতে বিশেষ প্ৰভাৱ পেলাব নোৱাৰে। গতিকে ইয়াৰ প্ৰভাৱ ক্ষেত্ৰ মূলতে দক্ষিণ এচিয়াতে সীমিত হৈ থকাৰ সম্ভাৱনা। দক্ষিণ এচিয়াৰ দেশবোৰৰ ৰাজনৈতিক অস্থিৰতা বা উত্থান-পতনৰ লগত চেগ বুজি ভাৰতে নিজৰ ভূমিকা লৈ আহিছে। ১৯৮৩ চনত শ্ৰীলঙ্কাত জাতিগত সংঘৰ্ষ ব্যাপকভাবে চলাৰ সময়ত ভাৰতে সেই দেশৰ ৰাজনৈতিক অস্থিৰতাত হস্তক্ষেপ কৰাৰ সম্ভাৱনা দেখি শ্ৰীলঙ্কাৰ চৰকাৰে বিদেশী ৰাষ্ট্ৰ কেইখনমানলৈ গোপনে সাহায্য বিচাৰি বাৰ্তা পঠালে। এই কথা জানিব পাৰি ভাৰতে এক জাননী যোগে ঘোষণা কৰিলে যে দক্ষিণ এচিয়াৰ কোনো দেশেই নিজৰ আভ্যন্তৰীণ সমস্যা সমাধানৰ বাবে তৃতীয় দেশ এখনৰ পৰা সহায় বিচাৰিব নোৱাৰিব। অৰ্থাৎ ভাৰতক উলাই কৰি আনৰ কাষ চাপিব নোৱাৰিব। "ইন্দিৰা দকত্ৰিন" বুলি জনাজাত এই তত্ত্বটো ঘোষণা কৰি ভাৰতে এই অঞ্চলটোত পুলিচী দায়িত্ব গ্ৰহণ কৰি ললে। ১৯৮৭ চনৰ জুলাই মাহত শ্ৰীলঙ্কাৰ সৈতে চুক্তি স্বাক্ষৰ কৰি পিছত শান্তি বাহিনী পঠাই ভাৰতে "ইন্দিৰা দকত্ৰিন" পোন প্ৰথমবাৰৰ বাবে দক্ষিণ এচিয়াত প্ৰয়োগ কৰি দেখুৱালে। শ্ৰীলঙ্কাত তামিল উগ্ৰপন্থীক দমন কৰাৰ নামত এই দৰে শ্ৰীলঙ্কাৰ সাৰ্বভৌমত্বক ক্ষুণ্ণ কৰা হ'ল। (Shelton U Kodikara, "The Continuing Crisis in Sri Lanka: The JVP, The Indian Troops, and Tamil Politics." *Aslan Survey* জুলাই, ১৯৮৯, পৃঃ ৭১৬-৭২৪)। তাৰ পিছত ১৯৮৮ চনত মালদ্বীপত এই দকত্ৰিন প্ৰয়োগ কৰা হ'ল। তাৰ যোগেদি দক্ষিণ এচিয়াত ভাৰতৰ অগ্ৰণী আৰু অতি প্ৰভাৱশালী অৱস্থাৰ কথাকে জোৰদাৰভাবে প্ৰতিপন্ন কৰা হ'ল।

দক্ষিণ এচিয়াত ভাৰতৰ প্ৰভাৱশালী আৰু অগ্ৰণী ভূমিকাৰ প্ৰতি সদায়ে মস্কোৱে সমৰ্থন জনাই আহিছে। কিন্তু শেহতীয়াকৈ আমেৰিকা যুক্তৰাষ্ট্ৰই এই অৱস্থানটোক সমৰ্থন আৰু স্বীকৃতি দিয়াটো অতি তাৎপৰ্যপূৰ্ণ। আন্তঃৰাষ্ট্ৰীয় ৰাজনীতিত ভাৰতবৰ্ষৰ এক স্বকীয় স্থান আছে বুলি আমেৰিকাই গুৰুত্ব সহকাৰে স্বীকাৰ কৰাটো মন কৰিব লগীয়া। কাৰণ আজি কেইবছৰমান আগলৈকে আমেৰিকাই ভাৰতক কোনো গুৰুত্বপূৰ্ণ স্থান দিবলৈ সংকোচ কৰিয়ে আহিছিল। বৰ্তমানে আমেৰিকাই ভাৰতক এই অঞ্চলটোৰ শান্তি আৰু নিৰাপত্তাৰ লাই খুঁটা বুলি গণ্য কৰে। শ্ৰীলঙ্কা আৰু মালদ্বীপত ভাৰতৰ হস্তক্ষেপ আমেৰিকাই সমৰ্থন কৰা কথাটোৱে তাকেই নিৰ্ভুলভাবে প্ৰমাণ কৰিছে।

মাথোন কেইবছৰমানৰ আগলৈকে ভাৰতে সদায়ে সামৰিক সাহায্য বিচাৰি মস্কোৰ ওপৰত নিৰ্ভৰশীল হৈ আছিল। আৰু পাকিস্তান আমেৰিকাৰ ওপৰত নিৰাপত্তা বিষয়ৰ কথাত নিৰ্ভৰশীল আছিল; আৰু আমেৰিকায়ো পাকিস্তানকে এই অঞ্চলটোৰ নিৰাপত্তাৰ ঘাই খুঁটা হিচাপে গণ্য কৰি আহিছিল। কিন্তু আজি কেই বছৰমানৰ পৰা এই পৰিস্থিতিৰ

পৰিবৰ্তন হবলৈ ধৰিলে। ১৯৮৫ চনৰ পিছৰ পৰা আমেৰিকাই ক্ৰমাগতভাবে ভাৰতক গুৰুত্ব দিবলৈ ধৰিলে। পোনতে, আমেৰিকান প্ৰশাসনে ভাৰতক ছোভিয়েত ইউনিয়নৰ ওপৰত কৰি থকা নিৰ্ভৰশীলতাক হ্ৰাস কৰাৰ মনস্থ কৰিছিল। সেই সময়ত এটা ধাৰণা আছিল যে ছোভিয়েত ইউনিয়নে ভাৰতৰ সৈতে যি ধৰণৰ মৈত্ৰী ৰাখি আহিছিল তাৰ পৰিপ্ৰেক্ষিতত ৱাশ্বিংটন মহলে ভাৰতত সামৰিক আৰু বাণিজ্যিক লেনদেনত বিশেষ সুবিধাজনক সম্পৰ্ক স্থাপন কৰাটো সম্ভৱ নহ'ব। কিন্তু শীতল যুদ্ধৰ উত্তেজনা লাহে লাহে উপশম হৈ অহাৰ পিছত আমেৰিকাই ভাৰতত কিছু প্ৰভাৱ পেলাবলৈ সক্ষম হয়। ৰীগেন প্ৰশাসনে অৰতৰ গুৰুত্বপূৰ্ণ ভূমিকাৰ কথা স্বীকাৰ কৰাৰ লগে লগে এই ধৰণৰ পৰিবৰ্তনৰ আৰম্ভণী হয়। তাৰ প্ৰতি সঁহাৰি জনাই নতুন দিল্লীয়ে ভাৰত মহাসাগৰত আমেৰিকাৰ স্বাৰ্থক স্বীকাৰ কৰি লয়। এই প্ৰক্ৰিয়াটো ৰাজীৱ গান্ধী ১৯৮৪ চনৰ অক্টোবৰ মাহত প্ৰধানমন্ত্ৰী হিচাপে শপথ গ্ৰহণ কৰাৰ পিছৰে পৰা আৰম্ভ হয়। (Satish Kumar সম্পাদিত *Year Book on India's Foreign Policy, 1985-86*, ১৯৮৮ পৃঃ ১৬)। স্বাধীনোত্তৰ দিনৰ পৰা আমেৰিকাই ভাৰতক দক্ষিণ এচিয়াৰ প্ৰভাৱশালী দেশ হিচাপে প্ৰত্যক্ষভাবে স্বীকাৰ কৰিবলৈ টান পাই আহিছিল। শেহতীয়াকৈ, ভাৰত যে এই উপমহাদেশৰ একমাত্ৰ মহাশক্তি সেই কথা স্বীকাৰ কৰি লোৱাৰ পিছত অঞ্চলটোৰ ভাৰত-কেন্দ্ৰিক নিৰাপত্তা আৰ্হিটোৰ প্ৰতি নকৈ সমৰ্থন জনোৱা হয়। ইয়াৰ পৰা এটা কথা পৰিষ্কাৰ হয় যে এই অঞ্চলটোৰ শান্তি আৰু নিৰাপত্তাৰ কথাত ভাৰতৰ বিশিষ্ট ভূমিকাৰ বিষয়ে গুৰুত্ব নিদিয়াকৈ কোনো পদক্ষেপ ল'ব নোৱাৰি।

## নিৰাপত্তাৰ প্ৰশ্নসমূহ ঃ

দক্ষিণ এচিয়াৰ শান্তি আৰু নিৰাপত্তাৰ প্ৰশ্নসমূহ আভ্যন্তৰীণ আৰু সীমান্তৰ সিপাৰৰ পৰা উদ্ভৱ হোৱা সমস্যাৰ লগত জৰিত। বিদেশৰ পৰা অহা ভাবুকিতকৈ আভ্যন্তৰীণ উৎসৰ পৰা অহা ভাবুকি অধিক ভয়াবহ আৰু গুৰুতৰ। বাহিৰৰ পৰা কোনো ভয়ানক ভাবুকি যে নাই সেইটো নহয়। কিন্তু বাহিৰৰ পৰা অহা ভাবুকিৰ লগত যেতিয়া আভ্যন্তৰীণ ভাবুকিৰ যোগসূত্ৰ ঘটে তেতিয়া বিপদ আৰু ভয়ানক হয়। (এই সন্দৰ্ভত মহম্মদ আয়ুবৰ "Regional Security and the Third World" শীৰ্ষক প্ৰবন্ধ এটা তেখেতৰ দ্বাৰা সম্পাদিত ১৯৮৪ চনত লণ্ডনৰ পৰা প্ৰকাশিত একে নামৰ গ্ৰন্থ বিশেষকৈ উল্লেখযোগ্য)। দক্ষিণ এচিয়াৰ দেশসমূহত নিৰাপত্তামূলক প্ৰশ্ন বা সমস্যাবোৰক সদায়ে আভ্যন্তৰীণ আৰু বৰ্হি উৎসৰ পৰা অহা উমৈহতীয়া ভাবুকি বুলি গণ্য কৰা হয়।

দক্ষিণ এচিয়াৰ তিনিখন দেশত – ভাৰত, পাকিস্তান আৰু শ্ৰীলঙ্কাত – ওপৰোক্ত ধৰণেৰে নিৰাপত্তাৰ প্ৰশ্নসমূহ অনুধাবন কৰা হয়। আভ্যন্তৰীণ সংঘাতক বিদেশৰ হস্তক্ষেপে ক্ৰমাগতভাবে জটিলতৰ কৰি তুলি সমস্যাবোৰ সমাধানৰ পথ দুৰ্গম কৰি তোলে। কাশ্মীৰ ভাৰতৰ এক আভ্যন্তৰীণ সমস্যা। তাত এচামে বিদ্ৰোহ বা বিচ্ছিন্নতাবাদ চলাই এক ভয়াবহ পৰিস্থিতি সৃষ্টি কৰিছে। এই সমস্যাক যদি দেশৰ সীমাৰ সিপাৰৰ পৰা হস্তক্ষেপৰ দ্বাৰা জটিল কৰি নুতুলিলেহেঁতেন সমস্যাটো নিশ্চয় কেতিয়াবাই সমাধান হৈ গ'লহেঁতেন। কাশ্মীৰকলৈ ভাৰত আৰু পাকিস্তানৰ মাজত তিনিখনকৈ ডাঙৰ যুদ্ধ লাগি গৈছে। ১৯৭২ চনত চিমলা চুক্তি স্বাক্ষৰিত হয় আৰু তাৰ চৰ্ত অনুযায়ী কাশ্মীৰ সমস্যা দুয়োখন দেশৰ মাজত দ্বিপাক্ষিক আলোচনাৰ দ্বাৰা সমাধান কৰাৰ স্থল বিচৰাৰ প্ৰতিশ্ৰুতি লোৱা হৈছিল যদিও সমস্যা আজিও জ্বলন্ত অৱস্থাতে আছে। সমস্যাটো সমাধান কৰাৰ কাৰণে পাকিস্তানে ইতিবাচক ভূমিকা লোৱাৰ সলনি কাশ্মীৰৰ উগ্ৰপন্থী শক্তিবোৰক সামৰিক প্ৰশিক্ষণ আৰু অস্ত্ৰ দি থকাৰ কাৰণে কাশ্মীৰত আজি উত্তপ্ত অৱস্থাৰ সৃষ্টি হৈছে। পাঞ্জাবতো বাহিৰৰ পৰা উগ্ৰপন্থী শক্তিক উদ্‌গনি, প্ৰশিক্ষণ আৰু অস্ত্ৰ-শস্ত্ৰ দিয়াৰ কাৰণে পৰিস্থিতি এতিয়াও অশান্ত আৰু অস্থিৰ হৈ আছে। বাহিৰৰ পৰা এনেদৰে হস্তক্ষেপ নোহোৱা হলে নিশ্চয় এই দুটা সমস্যাৰ সমাধান হ'লহেঁতেন। অসমতো বিচ্ছিন্নতাবাদী আন্দোলন গঢ়ি উঠিছিল। এতিয়াও সমস্যাটোৰ সম্পূৰ্ণৰূপে সমাধান হোৱা নাই; তথাপি শেহতীয়াকৈ বিচ্ছিন্নতাবাদী উগ্ৰপন্থীসকলৰ ওপৰত ৰাজনৈতিক আৰু সামৰিক হেঁচা দিয়াৰ কাৰণে সমস্যাটোক সমাধানৰ পথলৈ নিব পৰা গৈছে। এই ধৰণৰ ৰাজনৈতিক আৰু সামৰিক হেঁচাৰ প্ৰক্ৰিয়াটো অসমৰ মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াই বিচক্ষণ ভাবে কাৰ্যকৰী কৰাৰ প্ৰক্ৰিয়াটোক বিচ্ছিন্নতাবাদী উগ্ৰপন্থী সমস্যা সমাধান কৰাৰ "শইকীয়া মডেল" বুলি ক'ব পৰা যায়। এই মডেলৰ সফলতাই উগ্ৰপন্থীসকলৰ প্ৰস্থানমুখী মনোভাবক সম্ভৱ কৰি তুলিছে। মন কৰিব লগীয়া যে পাঞ্জাবত শান্তিপূৰ্ণভাবে নিৰ্বাচন হৈ গৈছে যদিও ভোটদানৰ অনুপাত যথেষ্ট নহয়। এবাৰ তাত চৰকাৰ প্ৰতিষ্ঠিত হৈ যোৱাৰ পিছত যদি সমস্যা সমাধানৰ ৰাজনৈতিক সমাধানৰ প্ৰক্ৰিয়াটো আৰম্ভ হলে তাতো হয়তো "শইকীয়া মডেল"টো প্ৰযোজ্য হৈ পৰিব পাৰে। অসমৰ দৰে পাঞ্জাব সমস্যাটো সমাধানৰ পথলৈ আহিব বুলি আমাৰ ধাৰণা। কাৰণ এবাৰ জুই লাগিলে তাক কোনোবাই নুমুৱাব লাগিব বা জুই এদিন নিজেই নুমাব। অসম সমস্যাটো সকলোতকৈ আগেয়ে সমাধান হ'ব। তাৰ পিছত নিশ্চয় পাঞ্জাব সমস্যা সমাধান হ'ব। এই দুটা সাফল্যই জম্মু আৰু কাশ্মীৰত শান্তি-নিৰাপত্তা প্ৰতিষ্ঠাৰ প্ৰক্ৰিয়াটো সবল আৰু আশাবাদী কৰি তুলিব। অসম আৰু পাঞ্জাব সমস্যা সমাধান হৈ গলে ভাৰতৰ আচলতে কোনো গম্ভীৰ আভ্যন্তৰীণ সমস্যাই নাথাকিব। আনকি কাশ্মীৰ সমস্যাটোৰ মীমাংসা নোহোৱাকৈ থাকিলেও ভাৰতৰ নিৰাপত্তা অক্ষুন্ন হৈ থাকিব। কাশ্মীৰক কেন্দ্ৰ কৰি ভাৰত-পাকিস্তানৰ আৰু এখন যুদ্ধৰ কোনো সম্ভাৱনা নাই। শেহতীয়াকৈ, আমানুল্লাই ভাৰত সীমান্ত অতিক্ৰম কৰাৰ ভাবুকি দিয়াৰ পিছত সীমান্তত যদিও উত্তেজনা বাঢ়িছিল, কিন্তু যুদ্ধ এখনৰ পৰা আঁতৰি থকা কথাটোৱে ভৱিষ্যতে ভাৰত-পাক যুদ্ধৰ সম্ভাৱনাক নুই কৰাটোকে বুজালে।

সেইদৰে, শ্ৰীলঙ্কাৰ তামিল সমস্যাটো এক আভ্যন্তৰীণ সমস্যা যদিও এই সমস্যাৰ লগত ভাৰত জৰিত হৈ থকাটো স্বাভাৱিক। শ্ৰীলঙ্কাৰ তামিলসকল পূৰ্বতে



ভাৰতীয় হোৱাৰ কাৰণেই এই সমস্যাটোৰ লগত ভাৰত আবেগিকভাবে জৰিত। তামিল উগ্ৰপন্থীসকলৰ বিৰুদ্ধে সামৰিক অভিযান চলোৱাৰ নামত নিৰপৰাধী তামিলৰ ওপৰত শ্ৰীলঙ্কাৰ সেনাই অত্যাচাৰ চলালে স্বাভাৱিকতে ভাৰতৰ চৰকাৰ আৰু বিশেষকৈ ভাৰতীয় তামিলসকল ক্ষুন্ন হৈ পৰে আৰু তাৰ বিৰুদ্ধে প্ৰতিবাদ জনায়। কিন্তু, তামিলনাডুত এল টি টি ই-ৰ প্ৰশিক্ষণ শিবিৰ পাতি তামিল উগ্ৰপন্থীসকলক সামৰিক প্ৰশিক্ষণ দিয়া কাৰ্যটো সমৰ্থনযোগ্য নহয়। ১৯৮৪ চনলৈকে ভাৰত চৰকাৰে এনেবোৰ শিবিৰৰ বিৰুদ্ধে উচিত ব্যৱস্থা নোলোৱাৰ কথাটোৱে চুবুৰীয়া ৰাষ্ট্ৰৰ নিৰাপত্তাৰ প্ৰতি সন্মান নজনোৱাটোকে বুজাইছিল; যদিও ভাৰত চৰকাৰে এনে ধৰণৰ শিবিৰ নথকাৰ কথাটোকে বাৰে বাৰে দাবী কৰি আহিছিল। ৰাজীৱ গান্ধী প্ৰধান মন্ত্ৰী হোৱাৰ পিছত এফালে এল টি টি ই-ৰ ঘাটিৰ ওপৰত প্ৰচণ্ড হেঁচা দিবলৈ ধৰিলে যাতে এনেধৰণৰ পশ্চাদঘাটী কাৰ্য হ্ৰাস পায়; আনহাতে, শ্ৰীলঙ্কাৰ চৰকাৰে তামিল সমস্যাৰ প্ৰতি নৰমমুখী মনোভাব গ্ৰহণ কৰি ইয়াৰ সমাধানৰ পিনে আগবাঢ়ি যাবলৈ কলম্বো চৰকাৰৰ ওপৰতো সমানে হেঁচা দিবলৈ ধৰে। ১৯৮৭ চনত ভাৰতৰ শান্তি বাহিনী শ্ৰীলঙ্কাত পঠোৱাৰ সিদ্ধান্তটো আছিল এইধৰণৰ দ্বৈত কৌশলৰ মূৰ্ত ফলাফল। অৱশ্যে ভাৰতে এই কাৰ্যৰ যোগেদি যি এক ক্ষমতাৰ অভিনৱ প্ৰদৰ্শন দেখুৱালে তাৰ মানৱীয় আৰু বাস্তৱিক পৰিণাম অতি ক্ষতিকৰ আছিল। এইবোৰ কথা ভাবি গুণি অৱশেষত ১৯৮৯ চনত ভি পি সিং চৰকাৰে শ্ৰীলঙ্কাৰ পৰা শান্তি বাহিনী আতঁৰাই আনিলে। যিয়েই নহওক, শ্ৰীলঙ্কাৰ আভ্যন্তৰীণ সমস্যাত ভাৰতৰ ভূমিকাই অঞ্চলটোৰ মহাশক্তি ৰূপে ভাৰতক প্ৰতিপন্ন কৰিলে। অৱশ্যে এই কাৰ্যক ভৱিষ্যতে আৰু ভয়াবহ হস্তক্ষেপৰ আগলিবতৰা বুলি বহুতে সমালোচনাও কৰিছে। (Jagat Mehta, "Forty Years of Foreign Policy", *Seminar*, জুন ১৯৮৯, পৃঃ ১৯-২৪)।

ভাৰতীয় শান্তি বাহিনীৰ প্ৰত্যাবৰ্তনৰ পিছত শ্ৰীলঙ্কাত এতিয়া সেই দেশৰ সেনা আৰু এল টি টি ই-ৰ মাজত তুমুল ৰণ চলি আছে আৰু তামিল উগ্ৰপন্থীসকল ক্ৰমাগতভাবে পিছ হোঁহকিব লগাত পৰিছে। শ্ৰীলঙ্কাৰ বাহিনীৰ সাফল্য আৰু ভাৰতত তামিল উগ্ৰপন্থীসকলৰ শিবিৰ বন্ধ হোৱাৰ পিছত বৰ্তমানে সন্ত্ৰাসবাদৰ দ্বাৰা সমস্যা সমাধানৰ পথ অসম্ভৱ কৰি তুলিছে। ভাৰতে অনাহকতে চুবুৰীয়া দেশৰ সমস্যাত হস্তক্ষেপ কৰাৰ পৰা বিৰত থকাৰ শলাগ ল'ব লগীয়া সিদ্ধান্তই শ্ৰীলঙ্কাৰ এই নিৰাপত্তাৰ সমস্যাটোক সমাধানৰ পথলৈ আনিবলৈ সহায় কৰিছে। ১৯৮৯ চনৰ নৱেম্বৰ মাহত ভাৰতে মালদ্বীপত সামৰিক বাহিনী পঠাই সেই দেশৰ চৰকাৰক এক সম্ভাৱ্য অভ্যুত্থানৰ পৰা ৰক্ষা কৰা কাৰ্যকো ভাৰতৰ মহাশক্তিৰ বিশাল ভূমিকাৰ কথাকে সূচাই দিছে।

## পাকিস্তান-কেন্দ্ৰিক সমস্যা ঃ

ভাৰতৰ চুবুৰীয়া দেশ পাকিস্তানৰ সৈতে যোৱা চাৰিটা দশকত ঐতিহাসিক আৰু ৰাজনৈতিক কাৰণত সদ্‌ভাৱৰ বাতাবৰণ গঢ়ি উঠা নাই আৰু অদূৰ ভৱিষ্যতে তেনে ধৰণৰ বাতাবৰণ সৃষ্টি হোৱাৰ কোনো শুভ লক্ষণ দেখা নাই। দেশ বিভাজনে এৰি থৈ পোৱা বিদ্বেষ আৰু সংঘাতৰ উপৰিও যোৱা তিনিখন পাক-ভাৰত যুদ্ধই সৃষ্টি কৰি যোৱা বিষাক্ত পৰিবেশ শেষ হবলৈ বোধকৰো আৰু বহুত বছৰ লাগিব। পাকিস্তানত সুদীৰ্ঘ দিন ধৰি চলি থকা সামৰিক শাসনক দুয়ো দেশৰ সম্পৰ্ক উন্নত হোৱাত প্ৰধান অন্তৰায় বুলি গণ্য কৰি অহা হৈছিল। এতিয়া সেই দেশত গণতান্ত্ৰিকভাবে নিৰ্বাচিত চৰকাৰ প্ৰতিষ্ঠিত হৈছে যদিও বিদ্বেষ আৰু সংঘাতৰ উপশম হোৱা নাই। বিশেষকৈ পাঞ্জাব আৰু জম্মু-কাশ্মীৰত পাকিস্তানে চলাই অহা হস্তক্ষেপে দুই দেশৰ সম্পৰ্ক উন্নতকৰণত হেঙাৰ সৃষ্টি কৰি আহিছে।

পাকিস্তানে ভাৰতক দক্ষিণ এচিয়াৰ মহাশক্তি হিচাপে মানি লবলৈ সদায়ে দ্বিধাবোধ কৰি আহিছে। সেই কাৰণে সামৰিক দিশত পাকিস্তানে অতি মাত্ৰা ব্যয় কৰি আহিছে। এনে ধৰণৰ ব্যয়ৰ ফলত পাকিস্তানৰ সামৰিক শক্তি নিশ্চয় বৃদ্ধি পাইছে; কিন্তু সেই দেশৰ ঋণৰ বোজা জনসাধাৰণে বহণ কৰিব নোৱৰাকৈ বাঢ়িছে। (এই সম্পৰ্কত *Military Balance* নামৰ লণ্ডনৰ পৰা প্ৰকাশিত সামৰিক বিষয়ৰ গৱেষণা পত্ৰিকাৰ ১৯৮৯-৯০ সংখ্যাৰ ১৭০ পৃষ্ঠাত আৰু পাকিস্তানৰ পৰা প্ৰকাশিত *Dawn* কাকতৰ ১৯৮৮ চনৰ ফেব্ৰুৱাৰীৰ ১৮ আৰু ১৯-ৰ সংখ্যাত জাফৰ চৌধুৰীৰ "National Defence, Strategy and Cost" নামৰ প্ৰবন্ধত যথেষ্ট তথ্য ওলাই গৈছে।) পাকিস্তানৰ ব্যয় বহুল সামৰিক প্ৰস্তুতি ভাৰতৰ কাৰণে সদায়ে নিৰাপত্তাৰ প্ৰশ্ন হৈ থাকে।

ভাৰত আৰু পাকিস্তানৰ সম্পৰ্ক দক্ষিণ এচিয়াৰ নিৰাপত্তাৰ আলোচনাৰ ঘাই বিষয়। কাৰণ, এই সম্পৰ্ক সদায়ে সংঘাতপূৰ্ণ; আৰু সংঘাতৰ অন্যতম প্ৰধান উৎস হৈছে দুয়ো দেশৰ মাজত চলি থকা সামৰিক প্ৰতিযোগিতা। যেতিয়ালৈকে দুয়োখন দেশে পৰস্পৰে পৰস্পৰক নিজৰ নিৰাপত্তাৰ ঘাই ভাবুকি বুলি গণ্য কৰি থাকিব তেতিয়ালৈকে এই ধৰণৰ সামৰিক প্ৰতিযোগিতা চলিয়ে থাকিব। ভাবুকিৰ শেষ পৰিণাম এখন সৰ্বনাশী যুদ্ধ বুলি দুয়োখন দেশেই ভালদৰে জানে। সেই বাবে, দুয়োখন দেশেই নতুন ধৰণৰ সামৰিক অস্ত্ৰ সংগ্ৰহ প্ৰতিযোগিতা চলাই – যাতে সামৰিক অস্ত্ৰই নিৰাপত্তাৰ কবচ দুয়োখন দেশক দিব পাৰে। তথাপি দুয়োখন দেশেই সামৰিক অস্ত্ৰৰ ভাণ্ডাৰ টনকিয়াল কৰাৰ দ্বাৰা নিজৰ নিৰাপত্তা ব্যৱস্থা নিখুঁতভাবে ৰাখিব পাৰিছে বুলি প্ৰবোধ মানিব নোখোজে। শেহতীয়াকৈ পাকিস্তানে এই দিশত অভাবনীয়ভাবে ক্ষতিগ্ৰস্ত হৈছে। ইছলামাবাদ মহলে সদায় আমেৰিকাৰ পৰা সামৰিক অস্ত্ৰ পাই আহিছিল। বিশেষকৈ ১৯৭৯ চনৰ ডিচেম্বৰ মাহত ছোভিয়েত সৈন্য বাহিনী আফগানিস্তান সোমাই অহাৰ পিছত পাকিস্তানে আমেৰিকাৰ পৰা F-16 শ্ৰেণীৰ অত্যাধুনিক বিমানকে ধৰি সামৰিক অস্ত্ৰ ব্যাপক হাৰত পাই আহিছিল। শীতল যুদ্ধৰ অন্তত আৰু পাকিস্তানে পৰমাণু বোমা তৈয়াৰ কৰিবলৈ লোৱাৰ পৰিকল্পনা আৰু অৱশেষত এই দিশত সফলতা অৰ্জন কৰণৰ পৰিপ্ৰেক্ষিতত আমেৰিকাই সেই দেশক সাহায্য বন্ধ কৰি দিয়াৰ পিছত পাকিস্তানে পৰিষ্কাৰকৈ

দেখা পাইছে যে অস্ত্ৰ আহৰণ আৰু অস্ত্ৰ যোগান ধৰা দেশৰ অনিশ্চিত সমৰ্থনৰ দ্বাৰা দেশৰ নিৰাপত্তাক সম্পূৰ্ণৰূপে নিৰ্ভৰশীল হবলৈ দিব নোৱাৰি। তাতোতকৈ মন কৰিব লগীয়া দিশ হ'ল যে আমেৰিকাই ভাৰতৰ পিনে বেছি গুৰুত্বসহকাৰে মনোনিবেশ কৰিবলৈ ধৰিলে। দক্ষিণ এচিয়াৰ মহাশক্তি বুলি ধৰিলৈ আমেৰিকাই ভাৰতক এতিয়া পাকিস্তানতকৈ অধিক গুৰুত্ব দিয়াৰ দুটা বিশেষ কাৰণ আছে। প্ৰথমতে, সামৰিক অস্ত্ৰ বিক্ৰী হোৱাৰ ক্ষেত্ৰত ভাৰতে এখন বিশাল বজাৰ দিব পাৰে আৰু বৰ্তমানে ভাৰতত অৰ্থনৈতিক দিশত উদাৰপন্থা লোৱাৰ পিছত আমেৰিকাৰ উদ্যোগপতিয়ে ভাৰতত বাণিজ্যৰ ক্ষেত্ৰ বৃদ্ধি কৰাৰ সম্ভাৱনা বাঢ়িবলৈ ললে। দ্বিতীয়তে, ভাৰতে পাৰমাণৱিক অস্ত্ৰ তৈয়াৰ কৰিব পৰা সামৰ্থ্য ১৯৭৪ চনতে আহৰণ কৰিলেও বৰ্তমানলৈকে কোনো অস্ত্ৰ তৈয়াৰ কৰাৰ তথ্য নাই। গতিকে পাৰমাণৱিক প্ৰসাৰ বিৰোধী চুক্তিত (NPT) ভাৰতে স্বাক্ষৰ দান নকৰিলেও আমেৰিকাৰ পৰা সামৰিক সাহায্য পোৱাৰ পৰা ভাৰত বঞ্চিত হোৱাৰ কোনো কাৰণ নাই। সেই বাবে ভাৰতলৈ শেহতীয়াকৈ আমেৰিকাই মিগ - ২৯ শ্ৰেণীৰ বিমানৰ সা-সৰঞ্জাম বিক্ৰী কৰাৰ সিদ্ধান্ত লোৱাৰ উপৰিও ভাৰত মহাসাগৰত ভাৰত-আমেৰিকাই যুটীয়াভাবে নৌবাহিনীৰ কচৰৎ কৰাৰ প্ৰস্তাব লৈছে। ইয়াৰ দ্বাৰা দেখা গৈছে যে সামৰিক দিশত আমেৰিকাই ভাৰতক পাকিস্তানতকৈ বেছি গুৰুত্ব দিবলৈ লৈছে। এনে এক পৰিস্থিতিত দক্ষিণ এচিয়াৰ সামৰিক ভাৰসাম্য পাকিস্তান-কেন্দ্ৰিক কথাবোৰে আগৰ দৰে ব্যাপক প্ৰভাৱ পেলাব বুলি ধাৰণা কৰিব নোৱাৰি।

এসময়ত আফগানিস্তানত চলি থকা অশান্তি আৰু অস্থিৰতাক কেন্দ্ৰ কৰি পাকিস্তানে নিজৰ নিৰাপত্তা বিপদাপন্ন বুলি জোৰদাৰ ভাবে প্ৰচাৰ চলাইছিল আৰু আমেৰিকাৰ পৰা ব্যাপক সাহায্য লাভ কৰিছিল। কিন্তু এতিয়া সেই পৰিস্থিতিৰ ওৰ পৰিছে। পাকিস্তানৰ নিজৰ ঘৰুৱা সমস্যা নোহোৱা নহয়। আৰ্থিক বেমেজালি আৰু ৰাজনৈতিক কন্দলৰ উপৰিও পাচটু আৰু বেলুচীসকলে দীৰ্ঘদিন ধৰি বিচ্ছিন্নতাবাদী সংগ্ৰাম চলাই আহিছে। এনে ধৰণৰ বিচ্ছিন্নতাবাদী আন্দোলনত আফগান চৰকাৰে সদায়ে উদ্‌গনি দি আহিছিল। কাবুলত ৰাজনৈতিক পট পৰিবৰ্তন হোৱাৰ পিছত বিশেষকৈ ছোভিয়েত ইউনিয়নৰ বিলুপ্তি সাধনৰ পিছত আফগানিস্তানৰ পৰা পাকিস্তানলৈ ভাবুকি আহিব বুলি ভবাটো কোনো যুক্তি নাই আৰু তেনে ভাবুকি আহিলে তাৰ সমুখীন হবলৈ যথেষ্ট সামৰিক সম্বল পাকিস্তান চৰকাৰৰ আছে। পাকিস্তান দৃষ্টিকোণৰ পৰা চালে দেখা যাব যে ভাৰতৰ সৈতে এখন যুদ্ধৰ সম্ভাৱনা হলে পাৰমাণৱিক হাতিয়াৰৰ দ্বাৰাহে যথাৰ্থ উত্তৰ দিব পৰা অথবা নিৰাপত্তাৰ ব্যৱস্থা কৰাটো বৰ্তমান সময়ৰ সবাতকৈ গুৰুত্বপূৰ্ণ কথা হৈ পৰিছে। আৰু এই পাৰমাণৱিক প্ৰশ্নটোৰ লগতে সমগ্ৰ দক্ষিণ এচিয়াৰ নিৰাপত্তাৰ সমস্যাও জৰিত হৈ আছে।

## পাৰমাণৱিক বিষয়টো ঃ

দক্ষিণ এচিয়াৰ নিৰাপত্তা ক্ষেত্ৰত উত্থাপিত পাৰমাণৱিক বিষয়টোত ভাৰত আৰু পাকিস্তানহে জৰিত হৈ আছে। কাৰণ পাৰমাণৱিক বোমা তৈয়াৰ কৰাৰ সামৰ্থ্য এই দুখন দেশৰহে আছে আৰু এই দিশত এই দুখন দেশেই নিজ নিজ কাৰ্যপন্থা অব্যাহত ৰাখিছে। যদিও দুয়োখন দেশে ইতিমধ্যে পাৰমাণৱিক বোমা তৈয়াৰ কৰা সামৰ্থ্য লাভ কৰিছে তথাপি দুয়োখনেই বোমা এতিয়ালৈকে তৈয়াৰ কৰা নাই। ১৯৭৪ চনত ভাৰতে ৰাজস্থানৰ মৰুভূমিত পাৰমাণৱিক বিস্ফোৰণ ঘটাই প্ৰমাণ কৰিলে যে এইখন দেশে পাৰমাণৱিক বোমা তৈয়াৰ কৰাৰ সামৰ্থ্য আহৰণ কৰিছে। ভাৰতে যদিও সদায়ে পাৰমাণৱিক শক্তিক এক শান্তিপূৰ্ণ কামতেই আৱদ্ধ কৰি ৰখাৰ কথা কৈছে তথাপি এইটো কথাও ধ্ৰুৱপ যে সামৰিক অস্ত্ৰলৈ পাৰমাণৱিক শক্তিক ৰূপান্তৰ কৰাৰ কৌশল আৰু সামৰ্থ্য এইখন দেশে ১৯৭৪ চনতেই আহৰণ কৰিলে। ১৯৭৪ চনৰ পৰাই পাকিস্তানৰ চৰকাৰ আৰু বিজ্ঞানীসকলে সেই দেশৰ পাৰমাণৱিক শক্তি সামৰিক ব্যৱহাৰৰ কাৰণে আহৰণ কৰাৰ একাণপটীয়া প্ৰচেষ্টা আৰম্ভ কৰে। আৰু শেহতীয়াকৈ জানিব পৰা মতে এই দিশত তেওঁলোকে সাফল্য অৰ্জন কৰিছে। ১৯৮৯ চনত ভাৰতে "অগ্নি" নামৰ মধ্যমীয়া ক্ষেপণাস্ত্ৰ তৈয়াৰ কৰি তাক কৃতকাৰ্যতাৰে পৰীক্ষা কৰাটোৱে প্ৰমাণ কৰিলে যে ভাৰতৰ ওপৰত আক্ৰমণ হলে "অগ্নি"ৰ সহায়ত প্ৰতিপক্ষৰ মাজ-মজিয়াত নিৰ্ভুলভাবে পৰমাণু বোমা পেলাব পাৰিব। এই ঘটনাটোৱে পাকিস্তানক নিজৰ কাৰণে পৰমাণু বোমা তৈয়াৰ কৰাৰ পিনে ক্ষিপ্ৰতাৰে আগবঢ়াৰ ইন্ধন যোগালে। কাহুতাত থকা পাকিস্তানৰ পাৰমাণৱিক ৰিয়েক্টৰৰ প্ৰধান কাদিৰখানে "অগ্নি" পৰীক্ষাৰ ঘটনাটোৰ সম্পৰ্কত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কলে যে তেওঁৰ দেশে "প্ৰতিৰক্ষাৰ কাৰণে পৰমাণু বোমা নিক্ষেপ কৰিবলৈ দ্বিধাবোধ নকৰিব।" (*Telegraph*, ডিচেম্বৰ ২, ১৯৮৯)। একে যুক্তি ভাৰতৰ ক্ষেত্ৰতো খাটে। এই ভিত্তিতে দুয়োখন দেশেই NPT চৰ্তবোৰ মানি লবলৈ আগৰে পৰা ইচ্ছুক নহয় (Bhabani Sen Gupta, *Nuclear Weapons? Policy Options for India.* ১৯৮৩) পাৰমাণৱিক বিষয়টো দুয়োখন দেশে এতিয়াও মুকলি কৰি ৰখাৰ প্ৰধান কাৰণটো হ'ল যে পৰমাণু বোমা তৈয়াৰ কৰাৰ সামৰ্থ্য আহৰণ কৰা মানেই যিকোনো সময়তে বোমা তৈয়াৰ কৰিব পৰা কাৰ্যকুশলতা আহৰণ কৰা। আৰু পৰমাণু বোমা হাতত থকা মানে বহিঁ শত্ৰুৱে আক্ৰমণ কৰাৰ সম্ভাৱনা নুই কৰা। কিন্তু এবাৰ বোমা তৈয়াৰ কৰিবলৈ ললে বোমাৰ ভাণ্ডাৰ চহকী কৰাৰ প্ৰতিযোগিতা দুয়ো দেশৰ মাজত আৰম্ভ হ'ব আৰু সেইটোৱেই দুয়ো দেশৰ উন্নয়নকামী কামবোৰত ব্যাপক বিঘিনি ঘটাব।

অলপতে ৱাশ্বিংটন চহৰত পাকিস্তানৰ বৈদেশিক সচিব শ্বাহৰীয়ান খানে তেওঁ দেশৰ পাৰমাণৱিক শক্তিক বোমা তৈয়াৰ কৰিব পৰা অৱস্থালৈ ৰূপান্তৰ কৰাৰ সামৰ্থ্য পোৱা বুলি ঘোষণা কৰা কথাষাৰে নতুন দিল্লীত যথেষ্ট বিতৰ্কৰ সৃষ্টি কৰিছে। ইমান দিনে পাৰমাণৱিক শক্তিক কেৱল শান্তিৰ কামত প্ৰয়োগ কৰাৰ ভাৰতৰ পৰম্পৰাগত নীতিৰ প্ৰতি ডাঙৰ প্ৰত্যাহ্বান আহিছে। দুয়োখন দেশৰ পাৰস্পৰিক অবিশ্বাস আৰু অনাস্থাৰ পৰিপ্ৰেক্ষিতত আৰু এখন যুদ্ধৰ সম্ভাৱনাক পাৰমাণৱিক বিষয়টোৱে নুই কৰাটোৱে অস্ত্ৰ তৈয়াৰ সপক্ষে সবল যুক্তি আগবঢ়ায়। কিন্তু পৰমাণু বোমা তৈয়াৰ কৰাৰ নিচিনা অতি ব্যয় বহুল কাৰ্যপন্থাই যে দুয়োখন দেশৰ অৰ্থনৈতিক দিশক আৰু জুৰুলা কৰিব সেইটোৰ কথাও লগতে ভাবিব লগা হৈছে।

শীতল যুদ্ধ শেষ হ'ল যদিও দক্ষিণ এচিয়াত পাৰমাণৱিক প্ৰতিযোগিতাৰ বিষয়টোৱে আমেৰিকাৰ প্ৰশাসনক চিন্তাত পেলাইছে। এই কথা CIA-ৰ সঞ্চালক ৰবাৰ্ট গেটচ্‌এ আমেৰিকাৰ কংগ্ৰেছ কমিটিৰ আগত ব্যক্ত কৰিছে (*Telegraph*, জানুৱাৰী ২৯, ১৯৯২)। বিশ্বৰ একমাত্ৰ মহাশক্তি আমেৰিকাই পাকিস্তানৰ সিদ্ধান্ত নিয়ন্ত্ৰক আৰু প্ৰণেতাসকলৰ ওপৰত বিস্তৰ প্ৰভাৱ পেলাব পাৰে। কিন্তু এখন ৰাষ্ট্ৰৰ সাৰ্বভৌমত্বৰ প্ৰশ্নৰ লগত জৰিত পাৰমাণৱিক শক্তি প্ৰয়োগৰ দিশত কিমানদূৰ প্ৰভাৱ পেলাব পাৰিব সেয়া কোৱা টান। এনে এটা অস্থিৰ অৱস্থাত কি কৰিলে ভাল হয় ?

## আস্থাৰ সেতু-বন্ধনৰ প্ৰস্তাৱ

সংঘাত আৰু সংঘৰ্ষৰ বাতাবৰণ উপশম কৰাৰ এটা মাথোন উপায় আছে বুলি সাধাৰণতে কোৱা হয় – দুটা বিৰোধী অৱস্থানৰ মাজত আস্থাৰ সেতু নিৰ্মাণ। এনে সেতু নিৰ্মাণৰ প্ৰক্ৰিয়াৰে আচম্বিত আক্ৰমণৰ সম্ভাৱনাক পোনতে নাইকিয়া কৰা হয়; তাৰ পিছত প্ৰতিপক্ষৰ উদ্দেশ্য আৰু লক্ষ্যবিলাকৰ সঠিক অৰ্থনিৰ্ণয় কৰাৰ বিহিত ব্যৱস্থা ল'ব লাগে যাতে অমূলক সন্দেহ আৰু পাৰস্পৰিক ভুল বিচাৰ অথবা ভুল বুজাবুজিৰ পৰা উদ্ভৱ হোৱা যিকোনো বিপদৰ সম্ভাৱনাক সহজে নুই কৰিব পাৰি। এনেবোৰ কথাৰ খৰচি মাৰি বহুতবাৰ ইউৰোপত আলোচনা হৈছিল। এই আলোচনাৰ ঘাই বিষয় আছিল কিদৰে পূব আৰু পশ্চিম ইউৰোপৰ মাজত থকা ৰাজনৈতিক বিভেদৰ উপশম কৰি এই মহাদেশত এক শান্তিৰ বাতাবৰণ সৃষ্টি কৰিব পাৰি। কোৱা বাহুল্য এনেবোৰ ফলপ্ৰসূ আলোচনাই অৱশেষত ইউৰোপত স্থায়ী শান্তি প্ৰতিষ্ঠিত হোৱাটো বৰ্তমানে সম্ভৱ হৈ উঠিল। ১৯৮৬ চনৰ ছেপ্টেম্বৰ মাহত ইউৰোপত নিৰস্ত্ৰীকৰণৰ ওপৰত ষ্টকহ'ম অধিবেশনত আস্থাৰ সেতুবন্ধনৰ ওপৰত ব্যাপক আলোচনা হৈছিল। তাৰ মূল বক্তব্য আছিল যে সন্দেহ আৰু সংঘাতৰ উৎসবোৰ মানৱীয় দৃষ্টিৰে বিবেচনা কৰি মুদা মৰাটো বৰ্তমান সময়ৰ সবাতকৈ প্ৰয়োজনীয় কাম। (এই দিশত ব্যাপক তথ্য আৰু প্ৰস্তাব সন্নিবিষ্ট কৰা "Document of the Stockholm Conference of Confidence and Security Building Measures and Disarmament in Europe" উল্লেখযোগ্য। এই "Document" নবেম্বৰ ১৯৮৬ চনত প্ৰকাশিত *Arms Control Today* -ত প্ৰকাশ পাই গৈছে। একে ধৰণৰ আৰু দক্ষিণ এচিয়াৰ দেশবোৰৰ ক্ষেত্ৰত প্ৰযোজ্য এটা ভাল প্ৰবন্ধ লিখিছে David Dewitt, "Confidence and Security Measures in The Third World: Is there a Role?" *International Journal*, Summer: 1987; পৃঃ ৫০৯-৫৩৩)।

নানা ধৰণৰ জটিল আৰু বহুমুখী সমস্যা আৰু সংঘাতেৰে জৰ্জৰিত দক্ষিণ এচিয়াত শান্তি প্ৰচেষ্টাত আস্থা আৰু বিশ্বাসৰ সেতু-বন্ধনৰ বাবে কোনটো মডেল বা আৰ্হি প্ৰযোজ্য হ'ব কোৱা টান। কিন্তু ইজিপ্ত আৰু ইজৰাইলৰ মাজত শান্তি প্ৰতিষ্ঠাৰ ক্ষেত্ৰত ১৯৭৯ চনত হোৱা কেম্প ডেভিদ ধৰণৰ প্ৰচেষ্টা ভাৰত-পাকিস্তানৰ ক্ষেত্ৰতো চলাই চাব পাৰি। এই ক্ষেত্ৰত কোনোবা অৰ্থাৎ তৃতীয় পক্ষই আগ-ভাগ লবলৈ আগবাঢ়ি আহিব লাগিব। বৰ্তমানৰ আন্তঃৰাষ্ট্ৰীয় পৰিস্থিতি চাই আমেৰিকা যুক্তৰাষ্ট্ৰই এনে দায়িত্ব লবলৈ আগবাঢ়ি অহাৰ সম্ভাৱনা নথকা নহয়। অৱশ্যে তৃতীয় পক্ষই এনে গুৰুত্বপূৰ্ণ ভূমিকা লবলৈ আহোতে নানা ধৰণৰ প্ৰতিবন্ধকতাৰ সমুখীন হোৱাৰ সম্ভাৱনাই বেছি। দক্ষিণ এচিয়াৰ দৰে বহু-মুখী আৰু জটিল সংঘাতেৰে জৰ্জৰিত ঠাইত আমেৰিকাই শান্তি প্ৰতিষ্ঠাৰ প্ৰক্ৰিয়াত আগ-ভাগ লবলৈ অহাৰ আগতে নিজৰ ভূমিকা, এই অঞ্চলৰ প্ৰতি নিজৰ নীতি ভালদৰে ফঁহিয়াই ল'ব লাগিব। তাৰ উপৰি এনে ভূমিকা লোৱাৰ প্ৰস্তাব আগবঢ়োৱাৰ উচিত সময় নিৰ্ণয়, ভূমিকাৰ কাৰ্যকুশলতা, প্ৰণালী, গুণগত মানদণ্ড আদি কথাবোৰ গুৰুত্ব সহকাৰে বিচাৰ কৰি চাব লাগিব আৰু সেইমতে কাম কৰিব লাগিব। সবাতকৈ ডাঙৰ কথা বিবদমান দেশ কেইখনে এনে ভূমিকাৰ প্ৰতি আদৰণি জনাব লাগিব আৰু লগতে সহযোগ কৰিব লাগিব।

দক্ষিণ এচিয়া মাণ্ডলিক সহযোগিতা সংস্থাক (SAARC) আস্থাৰ সেতুবন্ধন কামত নিয়োগ কৰিব পৰা যায় নেকি ? পোনতে এই সংস্থাৰ ভৱিষ্যত সম্বন্ধে নিৰাশাজনক মতামত দিছিল। এতিয়া দেখা গৈছে দ্বিপাক্ষিক সমস্যা বা বিষয় এই সংস্থাই বিবেচনা নকৰিলেও সামূহিক বিষয়বোৰ, বিশেষকৈ সহযোগিতাৰ কথাবোৰ, ভালদৰে আলোচনা কৰাৰ এক মঞ্চ হিচাপে এই সংস্থা গঢ়ি উঠিছে। এই সংস্থাৰ বাৰ্ষিক অধিবেশনৰ সময়ত দ্বিপাক্ষিক বিষয়বোৰ আলোচনা কৰাৰ সুবিধাকণ ৰাষ্ট্ৰনেতা সকলে গ্ৰহণ কৰিব পাৰে। যিহেতু এই সংস্থা এক সামৰিক বা নিৰাপত্তা বা প্ৰতিৰক্ষামূলক সংগঠন নহয়, এই মঞ্চকো আস্থা প্ৰতিষ্ঠা কৰাৰ মঞ্চ হিচাপে নিয়োগ কৰাৰ প্ৰচুৰ সম্ভাৱনা আছে।

শীতল যুদ্ধৰ অৱশেষত দক্ষিণ এচিয়াত বৃহৎ শক্তিৰ প্ৰতিযোগিতাৰ স্থল নোহোৱা হৈ গ'ল। এনে পৰিস্থিতিত আস্থা নিৰ্মাণৰ সম্ভাৱনাও বাঢ়ি গ'ল। এই দিশত কেইটামান সুদৃঢ় পদক্ষেপ লব পৰা যায়। (১) এই অঞ্চলটোৰ শান্তি প্ৰতিষ্ঠাৰ হকে অস্ত্ৰ প্ৰতিযোগিতাৰ মাত্ৰা কমাব লাগিব। অস্ত্ৰক নিৰাপত্তাৰ একমাত্ৰ আহিলা হিচাপে গণ্য কৰাৰ প্ৰৱণতা কমাব লাগিব। তাৰ দ্বাৰা যুদ্ধৰ সম্ভাৱনা কমি আহিব। (২) প্ৰতিখন দেশৰ আভ্যন্তৰীণ সমস্যাত বহিঁ হস্তক্ষেপ সমূলি বাদ দিব লাগিব। (৩) যুদ্ধৰ সম্ভাৱনা থকা সংকটৰ প্ৰাক-সাবধানবাণী দিয়া এক বিশেষ সংস্থা প্ৰতিষ্ঠা কৰিব লাগে যাৰ দ্বাৰা আকস্মিক যুদ্ধ হোৱাৰ নিচিনা সম্ভাৱ্যক সফলতাৰে ৰোধ কৰিব পৰা যায়। এই অঞ্চলত যুদ্ধৰ সম্ভাৱনা কেৱল ভাৰত আৰু পাকিস্তানৰ মাজতহে আছে। তাৰ উৎস নিঃসন্দেহে কাশ্মীৰ হ'ব পাৰে।

কেইটামান পদক্ষেপ ললে নিশ্চয় ভাৰত পাকিস্তানৰ মাজত যুদ্ধৰ সম্ভাৱনা নোহোৱা কৰাৰ উপৰিও দুয়োখন দেশৰ মাজত সম্ভাৱ গঢ়ি উঠাৰ দিশত ইতিবাচক অৰিহণা যোগাব পাৰি।

স্বাধীনতাৰ পিছত চাৰিটা দশক পাৰ হৈ যোৱাৰ পিছত দ্বিখণ্ডিত কাশ্মীৰ সমস্যাকৈলে ভয়াবহ ৰাজনীতি চলিয়ে আছে। যিদৰে ভাৰতৰ পৰা কাশ্মীৰ পাকিস্তানে এখন যুদ্ধৰ দ্বাৰা বা অন্য ধৰণেৰে কাঢ়ি নিয়াটো মাথোন অলীক কল্পনা, সেইদৰে পাকিস্তানে ১৯৪৭ চনত দখল কৰা অধিকৃত কাশ্মীৰ ভাৰতে পাকিস্তানৰ পৰা কাঢ়ি লোৱাটোও অসম্ভৱ। গতিকে বাস্তৱক মানি লৈ বৰ্তমানে মানি চলা প্ৰকৃত নিয়ন্ত্ৰণ ৰেখাকে সঁচাকৈ দুয়োদেশৰ সীমা বুলি মানি ললে আমাৰ বোধেৰে আস্থাৰ স্থল ওলাব। সেইদৰে ভাৰতৰ দুখন ৰাজ্যত চলি থকা সন্ত্ৰাসবাদক পাকিস্তানে উদ্‌গনি আৰু সহায় কৰাৰ পৰা বিৰত থাকিলে এই সমস্যা দুটাৰ সোনকালে সমাধান হ'ব, লগতে দুয়ো দেশৰ সম্ভাৱ বাঢ়িব; তাৰ কাৰণেই প্ৰয়োজন কেম্প ডেভিদ আৰ্হিৰ এক সন্মিলন।

এটা কথা মনত ৰখা ভাল যে দক্ষিণ এচিয়াৰ বহুতো দীঘলীয়া বিবাদক খণ্ডিত কৰি মীমাংসাৰ পথলৈ নিয়াটো সহজসাধ্য নহয়। বিবাদবোৰ দৰাচলতে মীমাংসা সাধ্য হ'ব পাৰে যদিহে বিবাদৰ বিষয়বোৰ পৰিষ্কাৰকৈ চিনাক্ত কৰা, তাৰ পৰিধি আৰু সংজ্ঞা নিৰ্দ্ধাৰণ কৰা থাকে। দুৰ্ভাগ্যবশতঃ এই অঞ্চলটোৰ বিবাদবোৰ ইমান জটিল আৰু তাৰ লগত দেশৰ নিৰাপত্তাৰ প্ৰশ্ন ইমান গভীৰভাৱে জৰিত যে এইবোৰৰ মীমাংসাৰ সূত্ৰ বিচাৰি পোৱাটো সহজ নহয়। শীতল যুদ্ধৰ শেষত সমস্যাবোৰৰ আঞ্চলিক ভিত্তিত মীমাংসা হোৱাৰ সম্ভাৱনাই দেখা দিছে। কেৱল আস্থা, সম্ভাৱ আৰু বিশ্বাসৰ কাৰ্যপন্থা বলিষ্ঠভাৱে লোৱাৰ ওপৰত সকলো নিৰ্ভৰশীল। এই অঞ্চলটোৰ সৰ্ববৃহৎ দেশ ভাৰতবৰ্ষৰ দায়িত্ব এই ক্ষেত্ৰত সবাতকৈ বেছি।*

*(লেখক পৰিচিতি : আবু নাছাৰ চাঈদ আহমদ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞানৰ অধ্যাপক।)*

*এই প্ৰবন্ধটো কাঠমাণ্ডুত যোৱা মাৰ্চ মাহত হৈ যোৱা দক্ষিণ এচিয়াৰ নিৰাপত্তা সম্পৰ্কীয় আন্তঃৰাষ্ট্ৰীয় সন্মিলনত পাঠ কৰা হৈছিল। ফৰ্ড ফাউণ্ডেশ্বনে আয়োজন কৰা এই সন্মিলনত ভাৰতৰ উপৰিও আমেৰিকা, ৰাচিয়া, পাকিস্তান, শ্ৰীলঙ্কা, চীন আৰু শ্ৰীলঙ্কাৰ পণ্ডিতসকলে অংশ গ্ৰহণ কৰিছিল। ■

# 'আহোম হওক ! আহোম !!'

যদি মোক কোনোবাই প্ৰশ্ন কৰে আজি অসমৰ আটাইতকৈ গুৰুত্বপূৰ্ণ সমস্যাটো কি, তেনেহলে মই বিনাদ্বিধাই কম যে আজি অসমৰ আটাইতকৈ গুৰুত্বপূৰ্ণ সমস্যাটো হ'ল সাম্প্ৰদায়িকতাবাদৰ পুনৰউত্থান আৰু অবিশ্বাসৰ সমস্যা। কথাটো হয়তো বহুতেই তেনেই অমূলক, অতিৰঞ্জিত নাইবা উদ্দেশ্যপ্ৰণোদিত বুলি ক'ব পাৰে। কিয়নো অসমত এতিয়ালৈকে কোনো সম্প্ৰদায়গত সংঘৰ্ষ হোৱা নাই নাইবা তেনেধৰণৰ বিদ্বেষেও গা কৰি উঠা নাই। কিন্তু, বিভিন্ন সম্প্ৰদায়ৰ আজি সম্প্ৰদায়গত ইতিহাস আৰু ঐতিহ্য চৰ্চাৰ নামত যি পুনৰউত্থানবাদে গা কৰি উঠিছে, যি নিশ্চয়কৈ আমাৰ বাবে এক শুভ ভৱিষ্যতৰ ইংগিত দাঙি নধৰে। এটা কথা ঠিক যে বিভিন্ন জনগোষ্ঠীৰ মিলন আৰু সংমিশ্ৰণৰ ফলত আজিৰ অসমীয়া জাতিয়ে গঢ় লৈ উঠিছে। কিন্তু এই কথাও বোধহয় সঁচা যে অসমীয়া জাতি গঠনৰ প্ৰক্ৰিয়া এতিয়াও সম্পূৰ্ণ হৈ উঠা নাই। তাৰ প্ৰধান যুক্তি হিচাপে এটা কথাই ক'ব পাৰি যে দুই-এটা সম্প্ৰদায়ক বাদ দিলে, এতিয়াও ভালেমান জনগোষ্ঠীৰে, জাতি গঠনৰ অন্যতম প্ৰধান চৰ্ত ভাষাৰ ক্ষেত্ৰতে এই মিলন সম্পূৰ্ণ হৈ উঠা নাই। অসমীয়া জাতিৰ অন্তৰ্ভুক্ত ভালেমান জনগোষ্ঠীয়ে এতিয়াও নিজৰ মাজত নিজৰ নিজৰ ভাষাকে ব্যৱহাৰ কৰে। (অৱশ্যে আছুতীয়াকৈ নাইবা নগৰ-চহৰত সিঁচৰীত হৈ থকা মানুহখিনিৰ ক্ষেত্ৰত এই কথা হয়তো খুব বেছি প্ৰযোজ্য নহয়।) উদাহৰণ স্বৰূপে এই ক্ষেত্ৰত চাহবনুৱা, কাৰ্বি, মিচিং প্ৰভৃতি জনগোষ্ঠীৰ প্ৰতি আঙুলিয়াব পাৰি। বড়ো সকলৰ বৃহৎ অংশ এটাই আজিকালি অসমীয়া বুলিলে মাটিতে তিনি গোৰ মৰা অৱস্থা এটাৰ সৃষ্টি হৈছে। অথচ, এটা সময়ত বড়োসকলে অসমীয়া ভাষা-কৃষ্টি নিজৰ বুলি বিনাদ্বিধাই গ্ৰহণ কৰিছিল। বড়ো মূলৰ কেইবাজনো কবি-সাহিত্যিকে অসমীয়া সাহিত্য-সংস্কৃতিৰ জৰিয়তে স্বনামধন্য হোৱাটোৱেই এই কথাৰ প্ৰমাণ দাঙি ধৰে। আজি প্ৰায় দুই দশকৰ আগতে বড়ো ভাষাক শিক্ষাৰ অন্যতম মাধ্যম কৰাৰ দাবীত যি আন্দোলনে গা কৰি উঠিছিল, তেতিয়া কোনোবাই কল্পনা কৰিব পাৰিছিলনে যে বড়ো ভাষাৰ আন্দোলনে আজিৰ ৰূপ ধাৰণ কৰিব বুলি? পৃথক বড়ো ৰাজ্যৰ দাবীত গা কৰি উঠা আন্দোলনে আজি দিছপুৰৰ সিংহাসনখন কঁপাই তোলাৰ উপৰিও অসমৰ জাতীয় জীৱনতো প্ৰচণ্ড জোঁকাৰণিৰ সৃষ্টি কৰিছে। বোধহয় প্ৰথমবাৰৰ বাবে পৃথক বড়ো ৰাজ্যৰ দাবীত ১২ জনকৈ বড়ো সদস্য বিধানসভালৈ নিৰ্বাচিত হৈ আহিব পৰা হৈছে। এইবোৰ নিশ্চয় তেনেই উলাই কৰিব পৰা ঘটনা নহয়।

ইমানবোৰ কথাৰ অৱতাৰণা কৰা হ'ল কেৱল আমাৰ আলোচ্য বিষয়টো প্ৰতিবাদ কৰিবলৈকে। যোৱা মাৰ্চ মাহৰ প্ৰথম সপ্তাহত তিনিদিনীয়া কাৰ্যসূচীৰে গোলাঘাট জিলাৰ পুলিবৰত উত্তৰ-পূৰ্বাঞ্চল টাই সাহিত্য-সন্মিলন অনুষ্ঠিত হৈ যায়। এই প্ৰতিবেদকৰো সন্মিলনত উপস্থিত থকাৰ সৌভাগ্য হৈছিল। সন্মিলনত এনে কিছুমান ঘটনা প্ৰত্যক্ষ কৰা হৈছিল, যিবোৰে আমি ওপৰত আলোচনা কৰা ধৰণৰ ঘটনা কিছুমানৰ ইংগিত দিছে নাইবা বীজ কঢ়িয়াই আনিছে বুলি ভবাৰ যথেষ্ট থল আছে। সন্মিলনস্থলীৰ মঞ্চৰ পাছফালে আছিল এখন প্ৰকাণ্ড বেনাৰ। তাত অন্যান্য কথাৰ লগতে ডাঙৰ ডাঙৰ আখৰেৰে লিখা আছিল এই কথাখিনি – "আহোম হওক ! আহোম !!" তদুপৰি সন্মিলনত এনে কিছুমান কৰ্মকাণ্ড লক্ষ্য কৰা গৈছিল, যিয়ে আহোম জাতীয়তাবাদৰ পুনৰউত্থানৰ এক স্পষ্ট ইংগিত দাঙি ধৰিছিল। প্ৰথম কথা হ'ল, টাই সাহিত্য-সংস্কৃতিৰ বিষয়ে চৰ্চা কৰিবৰ বাবে আহুত এখন সন্মিলনত 'আহোম হ'বৰ' বাবে আহ্বান দিয়াৰ কোনো যুক্তি বিচাৰি পোৱা নাযায়। দ্বিতীয়তে, টাই ভাষা-সংস্কৃতি চৰ্চাৰ নামত এচাম কৰ্মকৰ্তাৰ অন্ধ আহোম-প্ৰীতি বাৰুকৈয়ে পৰিলক্ষিত হ'ল। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ এজন অধ্যাপকে এই প্ৰতিবেদকক তেওঁলোকৰ নামৰ আগত 'চাও' শব্দটো ব্যৱহাৰ কৰিবলৈ প্ৰায় আদেশ কৰিলে। তেওঁক যেতিয়া কোৱা হ'ল যে সংবাদপত্ৰ নাইবা সংবাদ মাধ্যমসমূহে কিছুমান নিৰ্দিষ্ট নীতি-নিয়ম নাইবা গৃহীত আচৰণ-বিধি মানি চলিব লাগে আৰু যিহেতু 'চাও' শব্দটো এতিয়াও বহুল অৰ্থত ব্যৱহৃত হোৱা নাই, সেয়ে কৰিব পৰা নহ'ব; তেতিয়া তেওঁ প্ৰায় ক্ৰোধান্বিত হৈ পৰিল। তেওঁ মোক আনকি স্পষ্ট কৰি কৈ দিলে 'চাও' শব্দটো ব্যৱহাৰ কৰিব নোৱাৰিলে, তেওঁলোকৰ সভাপতিৰ নামটোও ব্যৱহাৰ কৰিব নেলাগে। নহলে তেওঁ খং কৰিব। টাই ভাষা-সংস্কৃতি চৰ্চাৰ নামত এনে ধৰণৰ অন্ধ অতীত নাইবা ঐতিহ্য প্ৰীতিয়ে ভৱিষ্যতৰ বৃহত্তৰ অসমীয়া জাতি গঠনত নিশ্চয় সহায় নকৰিব। ইংৰাজীত এষাৰ কথা আছে, 'Chauvinism begets Chauvinism'। উগ্ৰ-জাতীয়তাবাদে উগ্ৰ-জাতীয়তাবাদৰ জন্ম দিয়ে। এই কথাষাৰ একেবাৰে সত্য। তথাকথিত অসমীয়াৰ আধিপত্যবাদৰ প্ৰৱণতাৰ বাবেই, আজি বৃহৎ অসমীয়া জাতি গঠনত সহায় কৰা সৰু সৰু জনগোষ্ঠীসমূহ বিদ্ৰোহত ফাটি পৰিছে। এইটোৱেই আজি অসমৰ বাস্তৱ অৱস্থা।

এতিয়া আহো আহোম হ'বৰ বাবে দিয়া আহ্বান বা শ্ল'গানৰ বিষয়ে। এইটো কাৰো অবিদিত নহয় যে আহোমসকল অসমৰ আদিম বাসিন্দা নহয়। মাত্ৰ তেৰশ শতিকাত অসমলৈ অহা আহোমসকলৰ ভাষা নাইবা ধৰ্ম কোনোটোৱেই আজি তেওঁলোকে গ্ৰহণ কৰাটো নাছিল। কিন্তু অসমৰ বাস্তৱ অৱস্থা এনেকুৱাই আছিল তেওঁলোকৰ নিজৰ স্বাৰ্থতেই (শাসনৰ) আহোমসকলে অসমীয়া ভাষা আৰু হিন্দু ধৰ্ম গ্ৰহণ কৰিবলগা হৈছিল। সেইবোৰ ঘটনা আজি ইতিহাসত পৰিণত হৈছে। টাই ভাষা আজি কাৰো মাতৃভাষা হৈ থকা নাই। কিন্তু সেই অৱস্থা ঘূৰাই অনাৰ বাবে যেন আজি এক প্ৰচেষ্টা চলিছে। অসম চৰকাৰে টাই ভাষাক প্ৰাথমিক পৰ্যায়ত শিক্ষাৰ মাধ্যম হিচাপে প্ৰচলন কৰিবলৈ লোৱা সিদ্ধান্তৰ কথা সেইদিনাই ঘোষণা কৰা হয়।

সন্মিলনৰ মুকলি সভাত মুখ্যমন্ত্ৰী শ্ৰীহিতেশ্বৰ শইকীয়া মুখ্য অতিথি হিচাপে উপস্থিত আছিল। অৱশ্যে সেইদিনা তেখেতৰ ভাষণে বিভিন্ন জনৰ মনত জমা হোৱা বিভিন্ন সংশয় আৰু শংকাক আঁতৰ কৰিছিল। তেখেতে অসমলৈ আহোম সকলৰ আগমন আৰু স্থিতিৰ এক ঐতিহাসিক ব্যাখ্যা দাঙি ধৰাৰ লগতে কেনেকৈ আৰু কিয় আহোম সকলে অসমীয়া ভাষা আৰু হিন্দু ধৰ্ম গ্ৰহণ কৰিছিল তাৰ এক বিজ্ঞানসন্মত ব্যাখ্যা দাঙি ধৰি অসমীয়া জাতি গঠনৰ প্ৰক্ৰিয়া সুদৃঢ় কৰাত সহায় কৰিবলৈ আহোম সকলৰ প্ৰতি আহ্বান জনায়। এটা জাতিৰ অতীত ঐতিহ্য আৰু পৰম্পৰা চৰ্চা কৰাত নাইবা স্মৰণ কৰাত কাৰো আপত্তি থাকিব নোৱাৰে। বৰঞ্চ সি প্ৰয়োজনীয়হে। কিন্তু, সেই ঐতিহ্য চৰ্চা যদি অন্ধ আৰু অবৈজ্ঞানিক তথা অবাস্তৱ হয়, তেনেহলে যি আমাৰ জাতীয় জীৱনত আউল লগাবলৈ বাধ্য। আহোম হবলৈ দিয়া আহ্বান সেই পথেৰেই গতি কৰিছে যেন ধাৰণা হয়। কিয়নো, গোষ্ঠীবাদ বা সম্প্ৰদায়গত পুনৰউত্থানে অসমৰ জাতীয় জীৱন অন্ধকাৰাচ্ছন্ন কৰি তুলিছে। বড়োসকলৰ উপৰিও চুতীয়া, কোঁচ-ৰাজবংশী, মিচিং প্ৰভৃতি জনগোষ্ঠীসমূহে মাজে মাজে পৃথকতাবাদৰ হুমকি দি আছে। বৃহৎ অসমীয়া জাতি গঢ়োতা সকলৰ ভিতৰত আহোম সম্প্ৰদায়েই সৰ্ববৃহৎ আৰু ঐতিহ্যমণ্ডিত। কিন্তু, এই সম্প্ৰদায়ৰ মাজত যদি উগ্ৰ মনোভাৱ নাইবা আধিপত্যবাদৰ প্ৰবৃত্তি বাকীবোৰ সৰু সৰু সম্প্ৰদায়ে লক্ষ্য কৰে, তেনেহলে তেওঁলোক বিতুষ্ট হবলৈ বেছি সময় নেলাগিব। এটা কথা আমি সকলোৱে মনত ৰখা প্ৰয়োজন যে আজি বৃহৎ জাতিসত্তাৰ অহমিকালৈ কোনো বৰ্ত্তি থাকিব নোৱাৰে। তৃতীয় বিশ্ব আৰু উপনিবেশৰ অধীনত থকা সৰু সৰু দেশ আৰু জাতিবোৰৰ ৰক্তক্ষয়ী স্বাধীনতা সংগ্ৰামে এই কথাকেই প্ৰতিপন্ন কৰিছে।

এটা কথা ঠিক যে আমাৰ দেশত সংঘটিত সাম্প্ৰদায়িক নাইবা গোষ্ঠীগত সংঘৰ্ষবোৰৰ মূলতে হ'ল কিছুমান ৰাজনীতিকৰ ঠেক স্বাৰ্থ। মন্ত্ৰী, এম এল এ, হোৱাৰ বাসনাই তেওঁলোকক গোষ্ঠীগত নাইবা সাম্প্ৰদায়িক ৰাজনীতি কৰিবলৈ বাধ্য কৰে। মুখ্যমন্ত্ৰী শ্ৰীহিতেশ্বৰ শইকীয়াই জাতি, ধৰ্মৰ নামত মানুহক ভাগা-ভাগ কৰি নিজৰ উদ্দেশ্য সাধন কৰে বুলি এটা বদনাম আছে। সেয়ে বিগত বছৰবোৰত তেওঁ অসমৰ ৰাইজৰ বিশেষকৈ বুদ্ধিজীৱী মহলৰ সমালোচনাৰ সন্মুখীন হৈ আহিছে। এইবাৰ অৱশ্যে কথাটো সুকীয়া। এইবাৰ তেওঁ অসমৰ প্ৰায় সকলো শ্ৰেণীৰ ৰাইজৰ অকুণ্ঠ সমৰ্থন লাভ কৰিবলৈ সমৰ্থ হৈছে। আল্‌ফাৰ সমস্যাটো ইয়াৰ মূলতে আছে যদিও গণ-পৰিষদ চৰকাৰৰ শাসনকালত ৰাজ্যখনৰ চাৰিওফালে বনজুইৰ দৰে বিয়পি পৰা অন্ধ উগ্ৰ গোষ্ঠীবাদে ৰাইজক অতিষ্ঠ কৰি তুলিছে। সেয়ে সাধাৰণ ৰাইজে ইয়াৰ পৰা পৰিত্ৰাণ বিচাৰিছে। হিতেশ্বৰ শইকীয়াক লগ পোৱা মানুহ মাত্ৰেই স্বীকাৰ কৰিব যে তেওঁ সকলো ধৰণৰ সাম্প্ৰদায়িক চিন্তাৰ উৰ্দ্ধত; নহয়, ঘোৰ বিৰোধী। কিন্তু, কিবা এক বিশেষ কাৰণত তেওঁ এনে শক্তিবোৰক উদ্‌গনি নিদিয়াকৈ নেথাকে। অথচ পাছত সেইবোৰ নিজৰ কু-কৰ্মৰ বিৰুদ্ধে যুঁজি তেওঁ নিজেই হয়তো মহৎ ত্যাগ স্বীকাৰ কৰিব লগা হয়। নতুনকৈ অংকুৰিত হোৱা আহোম পুনৰউত্থানবাদৰ পুলিটোত তেওঁ সাৰ-পানী যোগোৱা যেন অনুমান হয়। অসম তথা অসমীয়াৰ জাতীয় জীৱনক থানবান কৰিব পৰা বিহপুলিবোৰ পুলিতেই নাশ কৰিব পাৰিলেহে আমি প্ৰকৃত দেশপ্ৰেমিকৰ পৰিচয় দিব পাৰিম। অন্যথা, বৃহৎ অসমীয়া জাতিৰ কথাটোও ইতিহাসৰ অংশ হবলৈ বেছি দিন নেলাগিব।

ছদ্মবেশী

আপোনাৰ ঘৰৰ ছালখনত ৰাইনো ব্যৱহাৰ কৰা কিয় উচিত

SELECT/AA/190ASM

* কাৰণ ৰাইনো অধিক মজবুত আৰু টিকেও বহুদিন !

* কাৰণ ৰাইনো মামৰ ৰোধক !


* কাৰণ ৰাইনো জুঁই প্ৰতিৰোধক !

* কাৰণ ৰাইনো যতনমুক্ত !

* কাৰণ ৰাইনো বতৰ সাপেক্ষক !

RHINO

ৰাইনো- ফাইবাৰ চিমেন্ট চীট অভিলেষত অগ্ৰণী



ৰাইনো
ফাইবাৰ চিমেন্ট
কৰ'গেটেড আৰু প্লেইন চীট

অসম এচবেচ্‌টছ্‌ লিমিটেড্‌

পোষ্ট বেগ নং: ১২১ গুৱাহাটী - ৭৮১ ০০১ ফোন: ৪০১৪৪, ৪০১৯৮, কেবল: ASSAMBEST টেলেক্স: ২৩৫-২৩৮৯ ASBT IN
কলিকতা অফিচ্‌: ১৭, গবৰ্নমেন্ট প্লেচ ইষ্ট, কলিকতা ৭০০ ০৬৯, ফোন: ২০ ১২৯৯, ২৮ ০০১৬ (৩ লাইন) টেলেক্স: ২১-২৫০০ AAL IN

ষ্টকিষ্টচ্‌: ৰাধাকৃষ্ণ দীনদয়াল, ফাঁচী বজাৰ, গুৱাহাটী, ফোন: ২৩৫৮৫, ২৫৯৮৫ ● শ্ৰীপ্ৰকাশ ষ্টোৰচ্‌, ফাঁচী বজাৰ, গুৱাহাটী, ফোন: ২৬৭৩৪ ● ষ্টিল (চেলচ্‌) কৰপোৰেচন্‌, আঠগাওঁ, গুৱাহাটী, ফোন: ২৬৯২৩ ● অম্বিকা হাৰ্ডওৱেৰ চেন্টাৰ, মালিগাওঁ, গুৱাহাটী, ফোন: ৮৮৬৬৭ ● নেচনেল ইণ্ডাষ্ট্ৰিজ, জাগী ৰোড, ফোন: ২৩ ● জৈন হাৰ্ডওৱেৰচ্‌, হয়বৰ গাওঁ, নগাওঁ, ফোন: ৩৮১ ● গাবোদিয়া ছাকেড এজেন্সিজ, গোলাঘাট, ফোন: ৪০৭ ● গণেশৰাম শৰ্মা এণ্ড এচোছিয়েটচ্‌, এ, টি, ৰোড, যোৰহাট, ফোন: ৩২০১১৩ ● চৰ্দাৰমল খুমচান্‌, গেটানী ভৱন, আৰ, এম, ৰোড, যোৰহাট, ফোন: ৩২১৪২৪ ● শিৱ হাৰ্ডওৱেৰ ষ্টোৰচ্‌, বি, জি, ৰোড, শিৱসাগৰ, ফোন: ৪৭৩ ● শ্ৰীমহাবীৰ ষ্টোৰচ্‌, চিলা পথাৰ ● বাজ চেনিটেত, মৰানহাট, শিৱসাগৰ, ফোন: ১৮৭, ১৬৫ ● কেজৰীৱাল ষ্টীল কোং, আৰ কে, বৰদলৈ ৰোড, ডিব্ৰুগড়, ফোন: ২০৫৩৫, ২১৪৯৬, ২১৪৯৭ ● মোদী এণ্ড কোং, আৰ, কে বৰদলৈ ৰোড, ডিব্ৰুগড়, ফোন: ২০০১৪ ● জৈন এজেন্সিজ, এইচ, এচ্‌, ৰোড, ডিব্ৰুগড়, ফোন: ২০৯৪৮, ২০৬৭১ ● ধনপাত ৰায় আগৰৱাল এণ্ড কোং, এ, টি, ৰোড, তিনিচুকীয়া, ফোন: ২০৩৩২ ● মোদী এণ্টাৰপ্ৰাইজেচ্‌, এ, টি, ৰোড, তিনিচুকীয়া, ফোন: ২০৩৪৯, ২২৩০৪ ● এচিয়েটিক ট্ৰেডিং কোং, এ.টি. ৰোড, তিনিচুকীয়া, ফোন: ২০০২৯, ২০৭৪১ ● সুন্দৰলাল বিনোদকুমাৰ এণ্ড কোং, গান্ধী পাৰ্ক ৰোড, তিনিচুকীয়া, ফোন: ২০২৭০, ২০৯৬৫ ● এচ কে এণ্টাৰপ্ৰাইজেচ্‌, মিচন ৰোড, মাঘেৰিটা, ফোন: ৩২২ ● মোহনলাল হীৰালাল, উত্তৰ লক্ষীমপুৰ, ফোন: ৩১ ● পাৰীক এণ্টাৰপ্ৰাইজেচ্‌ ৰাঙাপাৰা, ফোন: ৮৭ ● হাৰ্ডওৱেৰ হাউচ্‌, কে, বি, চেন্টাৰ, তেজপুৰ, ফোন: ৩৯৬ ● পাইপচ্‌ এণ্ড হাৰ্ডওৱেৰ ষ্টোৰচ্‌, তেজপুৰ, ফোন: ১২৮ ● ভাটী হাৰ্ডওৱেৰ ষ্টোৰচ্‌, ধেকীয়াজুলী, ফোন: ১২, ৪১ ● জয়াচাওমল চুমেৰমল, খাৰুপেটীয়া ঘাট ● দি এচ্‌ চাপ্লাইৰাৰচ্‌, এল, এন, বি, ৰোড, মঙ্গলদৈ, ফোন: ১৭৬ ● দীপচাণ্ড আগৰৱাল, ওদালগুড়ি, ফোন: ৩৮ ● চম্পা চাহাবু কাঠ ভাণ্ডাৰ, চিপাঝাৰ ● বঙিয়া হাৰ্ডওৱেৰ ষ্টোৰ, বঙিয়া তিনিআলী, ফোন: ২৫৩ ● মতিলাল মোহনলাল জৈন, নলবাৰী, ফোন: ২৩৩ ● ধৰমচাণ্ড নিৰঞ্জন কুমাৰ, পাঠশালা, ফোন: ৫৬ ● হীৰালাল বিশ্বাস এণ্ড চনচ্‌, টিহু, ফোন: ৬৪ ● পি কে চাহা এণ্ড চনচ্‌, বৰপেটা ৰোড, ফোন: ২২১৩ ● টুৱানী ইণ্ডাষ্ট্ৰিয়েল্‌ এণ্টাৰপ্ৰাইজেচ্‌, বঙাইগাওঁ, ফোন: ৬০১ ● চানগু এণ্টাৰপ্ৰাইজেচ্‌, বিজয় নগৰ, ফোন: ৯৪ ● ষ্টীল ট্ৰেডাৰ্চ, নেতাজী সুভাষ এভিনিও, শিলচৰ, ফোন: ২০৭০৮, ২১১৪৭, ২১৮৫৭ ● সুজালা ট্ৰেড চেন্টাৰ, বিশ্বনাথ চৰালি ● গণপতি ট্ৰেডাৰ্চ, বোকাখাত




# লগ পোৱা কেইজনমান নেতাৰ ব্যক্তিত্বৰ পৰিচয়

গোলাপ বৰবৰা

## এছ্‌ এম যোশীৰ কথা

সদাশিৱৰাও মহাদেৱ যোশী মহাৰাষ্ট্ৰত তথা সমগ্ৰ দেশতে এছ এম যোশী হিচাপে জনাজাত আছিল। সহকৰ্মী সকলে সংক্ষেপে 'এছ এম' বুলি মাতিছিল। তেখেত আছিল এজন স্বাধীনতা সংগ্ৰামী। ১৯৩৪ চনত নাছিক জেলত কাৰাৰুদ্ধ হৈ থকাৰ সময়ত যি কেইজন ডেকা কৰ্মীয়ে কংগ্ৰেছ ছ'চিয়েলিষ্ট পাৰ্টি গঠনৰ আঁচনি তৈয়াৰ কৰিছিল তাৰ ভিতৰত তেখেতো আছিল। স্বাধীনতা আন্দোলন চলি থকা কালছোৱাত কংগ্ৰেছৰ ভিতৰতে থাকি সমাজবাদী নীতি আদৰ্শ প্ৰচাৰ কৰাত আৰু কৃষক মজদুৰৰ সংগঠন গঢ়ি তোলাত তেখেতে আগভাগ লৈছিল। নিজে কেইবাখনো শক্তিশালী ট্ৰেড ইউনিয়নৰ বিষয়ববীয়া আছিল।

ছ'চিয়েলিষ্টসকলে ১৯৪৬ চনতে নামৰ আগৰ পৰা কংগ্ৰেছ শব্দটো ত্যাগ কৰিছিল আৰু ১৯৪৮ৰ ডিচেম্বৰ মাহত নাছিকত বহা অধিবেশনত কংগ্ৰেছৰ ব্যক্তিগত সদস্য পদো ত্যাগ কৰি সম্পূৰ্ণ পৃথক দল গঠনৰ সিদ্ধান্ত লৈছিল। নাছিকৰ সেই অধিবেশনত আচাৰ্য নৰেন্দ্ৰ দেৱে সভাপতিত্ব কৰিছিল। মহাৰাষ্ট্ৰ অঞ্চলত এছ এম যোশীৰ জনপ্ৰিয়তা তেতিয়াই দেখিছিলো।

১৯৫৩ চনত কৃষক মজদুৰ প্ৰজা পাৰ্টি আৰু ছ'চিয়েলিষ্ট পাৰ্টি চামিল হৈ প্ৰজা ছ'চিয়েলিষ্ট পাটি গঠন হৈছিল। এই দলটোত অশোক মেহটাকে আদি কৰি এচাম নেতাই কংগ্ৰেছৰ সৈতে আপোচ-পন্থী নীতি গ্ৰহণ কৰাৰ কাৰণে ১৯৫৫ চনত ডাঃ ৰামমনোহৰ লোহিয়াৰ নেতৃত্বত প্ৰজা ছ'চিয়েলিষ্ট পাৰ্টি ত্যাগ কৰি ছ'চিয়েলিষ্ট পাৰ্টি গঠন কৰা হয়। এছ এম যোশী তেতিয়া পি এছ পি দলতে আছিল। তেখেতে এহাতে দলৰ ভিতৰত অশোক মেহটা গোষ্ঠীৰ সুবিধাবাদী নীতিৰ বিৰুদ্ধে যুঁজিবলগীয়া হৈছিল আৰু আনহাতে ছ'চিয়েলিষ্ট দলৰ সৈতে চামিলকৰণৰ চেষ্টা চলাই আছিল। ৬০-ৰ দশকত এবাৰ দুয়োটা দলৰ চামিলকৰণ হ'ল, কিন্তু বাৰানসীৰ সম্মিলনত দলৰ আকৌ বিভাজন হ'ল। ডাঃ লোহিয়াৰ নেতৃত্বত সংযুক্ত ছ'চিয়েলিষ্ট পাৰ্টি গঠন হ'ল। পি এছ পি এটা বেলেগ গোট হিচাপে থাকি গ'ল। এইবাৰ কিন্তু এছ এম যোশী, কৰ্পূৰী ঠাকুৰ, ৰামানন্দ তেৱাৰী আদি নেতাসকলে পি এছ পি এৰি ডাঃ লোহিয়াৰ লগলৈ আহিল। তেখেতসকলৰ লগত আহিল মহাৰাষ্ট্ৰ, বিহাৰ, উত্তৰ প্ৰদেশ আদিৰ আন বহুতো কৰ্মী।

পূৰ্বৰ বম্বে প্ৰেছিডেন্সীৰ পৰা মাৰাঠী ভাষী অঞ্চল সমূহ পৃথক কৰি মহাৰাষ্ট্ৰ ৰাজ্য গঠনৰ কাৰণে এটা ব্যাপক আন্দোলন হৈছিল – সংযুক্ত মহাৰাষ্ট্ৰ সমিতিৰ নেতৃত্বত। যোশী আছিল সেই সমিতিৰ সাধাৰণ সম্পাদক। সেই আন্দোলন চলি থকা অৱস্থাতে '৬২ৰ নিৰ্বাচনত ছ'চিয়েলিষ্ট, কমিউনিষ্ট আৰু পিজান্টছ এণ্ড ৱাৰ্কাৰ্চ পাৰ্টিৰ বিধায়কসকলক লৈ গঠিত শক্তিশালী বিৰোধী দলৰ তেখেত আছিল দলপতি। তাৰ কিছুদিনৰ পিছতে পূৰ্বৰ বম্বে প্ৰেছিডেন্সী ভাঙি মহাৰাষ্ট্ৰ আৰু গুজৰাট দুখন পৃথক ৰাজ্য গঠিত হয়।

১৯৬৭ চনৰ সাধাৰণ নিৰ্বাচনত ডাঃ লোহিয়াৰ নেতৃত্বত কংগ্ৰেছৰ বিৰুদ্ধে সংযুক্ত ছ'চিয়েলিষ্ট পাৰ্টি, দুয়োটা কমিউনিষ্ট পাৰ্টি, জনসংঘ আৰু আন সৰু সুৰা ভালেকেইটা দলৰ মিত্ৰতা হয়। বিভিন্ন ৰাজ্যৰ বিধান সভাত বহু সংখ্যক বিৰোধী সদস্য জয়ী হয়। ৮খন ৰাজ্যত সম্মিলিত বিৰোধী দলৰ চৰকাৰ গঠন হয় আৰু লোকসভাতো বিৰোধী দলৰ সদস্য সংখ্যা যথেষ্ট বৃদ্ধি হৈছিল, কংগ্ৰেছতকৈ মাত্ৰ ৪০ জনহে কম আছিল। যোশী পুনেৰ পৰা বহু সংখ্যক ভোটৰ ব্যৱধানত জয়ী হৈ লোকসভালৈ নিৰ্বাচিত হয়। জৰুৰী অৱস্থাৰ কালছোৱাত তেখেতে দীৰ্ঘদিন আটকবন্দী হৈ কটাব লগীয়া হৈছিল। ১৯৭৭ চনত জনতা পাৰ্টিৰ প্ৰাৰ্থী হিচাপে তেখেত পুনৰ লোকসভালৈ নিৰ্বাচিত হয়। মন্ত্ৰিত্ব বা দলীয় বিষয়বাব আদিৰ কাৰণে তেখেত কেতিয়াও আগ্ৰহী নাছিল।

সাম্প্ৰদায়িকতাৰ বিৰুদ্ধে আৰু হিন্দু-মুছলমানৰ ঐক্য আৰু সম্প্ৰীতিৰ কাৰণে তেখেতে অবিৰত সংগ্ৰাম চলাইছিল। এবাৰ পুনে চহৰত কেনেবাকৈ হিন্দু-মুছলমানৰ সংঘৰ্ষ আৰম্ভ হ'ল। চহৰৰ এঠাইত হাতত নানান অস্ত্ৰ-পাতি লৈ হিন্দু আৰু মুছলমানৰ দুটা দল সংঘৰ্ষৰ কাৰণে উদ্যত হৈছিল। সেই সময়তে পুলিচৰ দল এটাই লাঠি, অশ্ৰু গেছ আদি প্ৰয়োগ কৰিও দল দুটাক আঁতৰাব পৰা নাছিল। হঠাৎ এছ এম যোশী আহি পুলিচৰ বাধাও অগ্ৰাহ্য কৰি দুয়ো দলৰ মাজত থিয় দিলেহি। হাতত তিতা ৰুমাল এখনেৰে চকু মোহাৰি মোহাৰি এবাৰ ইটো দলৰ ওচৰ চাপি আকৌ সিটো দলৰ ওচৰ চাপি সংঘৰ্ষ বন্ধ কৰিবলৈ

অনুৰোধ জনাবলৈ ধৰিলে। সকলোৰে পৰিচিত "যোশীজী" বা "এছ এম"ক সমুখত দেখি যুঁজিবলৈ উদ্যত হৈ থকা দল দুটা লাহে লাহে আঁতৰি গ'ল। সংঘৰ্ষ সম্পূৰ্ণ বন্ধ হ'ল। নিজ আদৰ্শ ৰক্ষাৰ কাৰণে এইদৰে বিপদৰ সমুখীন হ'ব পৰা সাহস কেইজন নেতাৰ আছে ?

এছ এম যোশী অসমলৈ কেইবাবাৰো আহিছিল। বিভিন্ন জিলাত ভ্ৰমণো কৰিছিল। এবাৰ গোলাঘাট চহৰত দৈয়াং বনাঞ্চলত বসবাস কৰি থকা ভূমিহীন কৃষকসকলৰ এটা শোভাযাত্ৰাৰ ওপৰত পুলিচে লাঠি প্ৰয়োগ কৰোতে তেখেত আছিল প্ৰত্যক্ষদৰ্শী। অসমত বিদেশী নাগৰিক বিতাৰণৰ দাবীত ব্যাপক আন্দোলন চলি থকা সময়ত প্ৰথমবাৰ তেখেত আহি গুৱাহাটীত ছাত্ৰ নেতা সকলক আৰু আন্দোলন সমৰ্থনকাৰী বুদ্ধিজীৱীসকলক লগ ধৰি কৈছিল – "Bargain when your bargaining position is strong." সেই কথা শুনি গুৱাহাটী বিশ্ববিদ্যালয়ৰ এজন নেতৃস্থানীয় ব্যক্তিয়ে কৈছিল – "You have come as an agent of Indira Gandhi." সেই ব্যক্তিজনে বোধকৰো নাজানিছিল যোশীৰ জীৱনত ইন্দিৰা গান্ধীৰ স্বৈৰতন্ত্ৰৰ বিৰুদ্ধে সংগ্ৰাম চলোৱাৰ অৱদান কম নহয়। তেনেবোৰ লোকৰ উচটনিতে ছাত্ৰ যুৱক নেতাসকলে আন্দোলন শক্তিশালী হৈ থাকোতেই মীমাংসালৈ নহাৰ কাৰণে পিছত আন্দোলনৰ অতি দুৰ্বল মুহূৰ্তত এখন লজ্জাজনক চুক্তিত চহী কৰিবলগীয়া হ'ল।

তেখেত আকৌ অসমলৈ আহিছিল ১৯৮৩ চনত কেন্দ্ৰীয় চৰকাৰে অসমৰ ওপৰত জোৰকৈ জাপি দিয়া নিৰ্বাচনত বহু সংখ্যক ৰাইজৰ নিৰ্বাচন বৰ্জনৰ মাজেদি এটা চৰকাৰ গঠনৰ পিছত, নিৰ্বাচনৰ আগে পিছে বিভিন্ন জিলাত ঘটি যোৱা হত্যা, অগ্নিসংযোগ আদি বিলাকৰ বাতৰি শুনি। সেই সময়ত তেখেতৰ বয়স প্ৰায় ৭৮ বছৰ। ইতিমধ্যে পত্নী বিয়োগ ঘটি গৈছে। নিজে আছিল শাৰীৰিক ভাবে অসুস্থ। ডাক্তৰী কৰা পুত্ৰই আহিবলৈ মানা কৰা সত্ত্বেও তেখেত অসমলৈ আহিল। আমাক লগত লৈ নগাওঁ, যোৰহাট, গোলাঘাট আদিলৈ গৈছিল– পৰিস্থিতিৰ বুজ লবলৈ। কেইদিনমানৰ আগতে গোলাঘাট জিলাৰ পঞ্চাত ৮জন নিৰ্দোষ কছাৰী মানুহক পুলিচে ঘৰৰ পৰা মাতি আনি চাহবাগান এখনৰ নলাৰ দাঁতিত থিয় কৰাই নিষ্ঠুৰ ভাবে গুলীয়াই মাৰিছিল। ভৰ বাৰিষা কেঁচা ৰাস্তাৰ বোকা গচকি যোশী সেই গাওঁখনলৈ গৈছিল, মৃতক সকলৰ ঘৰে ঘৰে গৈ পৰিয়াল বৰ্গক নিচুকনি দিছিল। ১৯৮৮ চনত এছ এম যোশীৰ মৃত্যু হয়। ১৯৭৪ চনত পুনেত ছ'চিয়েলিষ্ট দলৰ এখন সন্মিলনলৈ যাওঁতে প্ৰতিনিধি শিবিৰৰ পৰা সভাস্থললৈ মই অটোৰিক্সাত অহা-যোৱা কৰিবলগীয়া হৈছিল। এতিয়াও মনত আছে – এদিন আগবেলা তেনেকৈ যাওঁতে অট'চালক জনে শনিবাৰ পেঠ নামৰ ৰাস্তাত দাঁতিৰ ঘৰ এটালৈ দেখুৱাই মোক কৈছিল – "এই ঘৰটোতে আমাৰ মহান নেতা এছ এম যোশী থাকে।" সাধাৰণ মানুহৰ তেখেতৰ প্ৰতি ইমানেই সন্মান আছিল।

## শঙ্কৰ বৰুৱাৰ কথা

অসমত '৪২-ৰ গণবিপ্লৱৰ কথা কবলৈ গলে এফালে যেনেকৈ কুশল কোঁৱৰ, কনকলতা, ভোগেশ্বৰী ফুকননী, মুকুন্দ কাকতি, তিলক ডেকা, মদন ৰাউতা আদি ছহিদ সকলৰ কথা নকলে নহয়, ঠিক তেনেকৈয়ে গণবিপ্লৱৰ আৰম্ভণীৰ পৰা বৃটিছ চৰকাৰৰ পুলিচ চোৰাংচোৱাৰ চকুত ধূলি দি পলাতক হৈ থাকি উজনি অসমত সেই বিপ্লৱৰ গোপন পৰিচালনাৰ কাৰণে গোলাঘাটৰ শঙ্কৰ বৰুৱাৰ কথাও উল্লেখ কৰিবই লাগিব। তেখেতে গোলাঘাট, যোৰহাট, শিৱসাগৰ আৰু ডিব্ৰুগড় জিলাৰ মৰাণ, টিংখং, চাচনী আদিলৈকে গোপনে ভ্ৰমণ কৰি ভাৰত ত্যাগ আন্দোলনৰ বাণী বহণ কৰি ফুৰিছিল আৰু কংগ্ৰেছ কৰ্মী তথা যুৱক সকলক উদ্বুদ্ধ কৰিছিল। সেই অঞ্চলটোত বহু ঠাইতে যোগাযোগ বিচ্ছিন্ন কৰা হৈছিল, সৰু পথাৰত সৈন্যবাহিনী আৰু ৰচদপাতি কঢ়িওৱা এখন ৰেল বাগৰিছিল। বহুতো কংগ্ৰেছ কৰ্মী গ্ৰেপ্তাৰ হৈছিল আৰু বহুতে পলাতক হৈ আন্দোলনৰ কাম চলাই গৈছিল। সেই সময়ত অসমৰ বাহিৰৰ অন্যান্য ৰাজ্যত পলাতক হৈ থকা জয়প্ৰকাশ নাৰায়ণ, ডাঃ ৰামমনোহৰ লোহিয়া, অৰুণা আচফ আলি আদিৰ লগতো শঙ্কৰ বৰুৱাই যোগাযোগ ৰাখিছিল। তাৰ উপৰি নেতাজী সুভাষ চন্দ্ৰ বসুৰ নেতৃত্বত আজাদ হিন্দ ফৌজ দক্ষিণ-পুব এচিয়াৰ পৰা মণিপুৰ, নগাপাহাৰ আদি পাৰ হৈ "দিল্লী চলো" অভিযানৰ কাৰণে অসমৰ ভৈয়াম অঞ্চলত আহি নামিব পাৰিলে স্থানীয় ৰাইজৰ যাতে সহায় সহযোগ পায় তাৰ কাৰণেও বৰুৱাই চেষ্টা চলাইছিল। গোলাঘাটৰ বৰ্তমান নতুন আমোলাপট্টিত আগফালে চোতাল এখনৰ সৈতে তেখেতৰ খেৰী ঘৰটো পুলিচে কেইবাবাৰো লণ্ডভণ্ড কৰিছিল। তেখেতৰ পৰিবাৰ আৰু কণ কণ সন্তান কেইটায়ো বাৰে বাৰে নিৰ্যাতিন ভুগিব লগীয়া হৈছিল। ১৯৪৬ চনৰ প্ৰথম অৱস্থাতহে নগাঁৱত আগষ্ট আন্দোলনৰ আন এজন ভূমিগত নেতা লক্ষ্মী প্ৰসাদ গোস্বামীক লগ ধৰিবলৈ যাওঁতে নুমলিগড়ৰ দলঙৰ ওচৰত তেখেতক গ্ৰেপ্তাৰ কৰে। অৱশ্যে কম সময়ৰ ভিতৰতে সেই সময়ৰ নৱগঠিত গোপীনাথ বৰদলৈৰ চৰকাৰে তেখেতক মুকলি কৰি দিয়ে।

শঙ্কৰ বৰুৱা আছিল সেই সময়লৈকে গোলাঘাট জিলা কংগ্ৰেছৰ এজন বিশিষ্ট নেতা আৰু অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ কাৰ্য নিৰ্বাহিকৰ সদস্য। কংগ্ৰেছতে থাকি যোৱা হলে হয়তো পিছত তেখেত মন্ত্ৰী আদিও হ'ব পাৰিলেহেঁতেন। কিন্তু সেই সকলো মোহ ত্যাগ কৰি জয়প্ৰকাশ, লোহিয়া আদিৰ আহ্বানত তেখেতে ছ'চিয়েলিষ্ট দলত যোগ দিলে। ডেকা কৰ্মী কিছুমানক লগত লৈ সমাজবাদী চিন্তাধাৰাৰে নতুন সংগঠন গঢ়ি তোলাত লাগিল। ঘৰুৱা অৱস্থা তেখেতৰ ভাল নাছিল। তথাপি তেখেতৰ ঘৰখন আছিল অসমৰ বিভিন্ন ঠাইৰ পৰা যোৱা সমাজবাদী কৰ্মী সকলৰ প্ৰেৰণাৰ স্থল। গোলাঘাটত দেৱৰাজ ৰায় কলেজ প্ৰতিষ্ঠাৰ কাৰণে আন কেইবাজনো বিশিষ্ট ব্যক্তিৰ সৈতে লগ লাগি তেখেতে বিশেষ চেষ্টা কৰিছিল। ফৰকাটিং হাইস্কুল প্ৰতিষ্ঠাৰ কাৰণে সেই অঞ্চলৰ কৰ্মী সকলে হাবি কাটি চাফ কৰা চাপৰিটোতে তেখেতৰ প্ৰেৰণাত সমাজবাদী কৃষক সংগঠন "হিন্দ্ কিষাণ পঞ্চায়ত"ৰ ৰাজ্যিক অভিবৰ্তন ডাঃ ৰামমনোহৰ লোহিয়াৰ সভাপতিত্বত সম্পন্ন হয়। গোটেই অসমৰ কেইবাটাও কৃষক প্ৰতিনিধি আৰু গোলাঘাট-যোৰহাটৰ কেইবা হাজাৰো কৃষকে সেই অভিবৰ্তনত যোগ দিয়ে। হিন্দ্ কিষাণ পঞ্চায়তৰ ৰাজ্যিক সমিতি গঠিত হয়।

তেখেতৰ প্ৰেৰণাতে গোলাঘাট জিলাৰ ঘিলাধাৰী চাহ-বাগানৰ ধান খেতিৰ উপযোগী ৫০০০ বিঘাৰ ওপৰ পতিত মাটি ভূমিহীন কৃষকক পট্টন দিবৰ কাৰণে কৃষক সত্যাগ্ৰহ আৰম্ভ হয়। সেই মাটি দখল কৰি বসবাস আৰু খেতি কৰিবলৈ যোৱা বহুতো মুনিহ-তিৰোতাক পুলিচে মাৰপিট কৰে, বাৰে বাৰে ঘৰ ভাঙি দিয়ে, গ্ৰেপ্তাৰ কৰে। তথাপি হতাশ নোহোৱাকৈ কৃষকসকলে সত্যাগ্ৰহ চলাই গ'ল। শেষত চৰকাৰ আৰু বাগানৰ মালিক দুয়ো পক্ষই হাৰ মানিলে। মাটি খেতিয়কৰ হাতত ৰৈ গ'ল। সেই নতুন গাওঁ কেইখনৰ নাম সামূহিক ভাবে আজিও গোলাঘাট বিধান সভা সমষ্টিৰ ভোটাৰ তালিকাত "ঘিলাধাৰী ছ'চিয়েলিষ্ট সত্যাগ্ৰহী পথাৰ" শিতানেৰে ছপা হয়। ঘিলাধাৰী সত্যাগ্ৰহৰ পিছতে হিন্দ্ কিষাণ পঞ্চায়তৰ নেতৃত্বত ডিব্ৰুগড়, যোৰহাট, গোলাঘাট, নগাওঁ, শোণিতপুৰ আদি জিলাত ভূমিহীন কৃষক সকলৰ কেইবাটাও সত্যাগ্ৰহ আন্দোলন চলে– চাহ-বাগানৰ ধান খেতিৰ উপযোগী পতিত মাটি দখল কৰি খেতি কৰিবৰ কাৰণে। এইবিলাক আন্দোলনৰ ফলত তেতিয়াৰ কংগ্ৰেছ চৰকাৰো সজাগ হ'ল। পিছলৈ তেনে কিছুমান মাটি অধিগ্ৰহণ কৰি চৰকাৰে নিজেই বানপানী আৰু ভূমিকম্প বিধ্বস্ত বহুতো খেতিয়কৰ পুনৰ্বাসনৰ ব্যৱস্থা কৰিলে। মূল্যৱান গছ-গছনি নথকা কিছুমান বনাঞ্চলো মুকলি কৰি দিয়া হ'ল। কিন্তু দুখৰ কথা যে তেনেভাবে বসবাস কৰি খেতি কৰি থকা বহুতো খেতিয়ক পৰিয়ালে এতিয়াও চৰকাৰৰ পৰা মাটিৰ পট্টা পোৱা নাই।

শঙ্কৰ বৰুৱাৰ মৃত্যুৰ পিছতো তেখেতৰ সহজ সৰল জীৱন যাপন, সমাজবাদী চিন্তাধাৰা, সকলো সময়তে দেশৰ সাধাৰণ লোকৰ উপকাৰৰ কাৰণে কিবা এটা কৰি যোৱাৰ মনোভাব আদিয়ে অসমৰ বিভিন্ন জিলাত এচাম সমাজবাদী কৰ্মীক অনুপ্ৰাণিত কৰি থৈ গ'ল। এইজন নেতাৰ সৈতে কেইবাবছৰ ধৰি থকা সান্নিধ্যৰ কথা সদায়েই শ্ৰদ্ধাৰে সোঁৱৰো। ■

প্ৰবন্ধ

# ব্যক্তিৰ মনৰ স্বাধীনতা, মাৰ্ক্সবাদ আৰু লৰেন্স

কুমুদ বৰুৱা

*যোৱা সংখ্যাৰ পাছৰ পৰা*

প্ৰসংগক্ৰমে লৰেন্স সম্পৰ্কত মোৰ শেহতীয়া ধাৰণাৰ কিছু স্পষ্টীকৰণ দি লোৱাটো প্ৰয়োজনীয়। মই মানি লওঁ যে লৰেন্সৰ বুৰ্জোৱা মানৱতাবাদ তথা ব্যক্তিৰ অন্তৰ্জগতৰ সমস্যা সমাধানৰ নানান আঁচনি আছিল অবৈজ্ঞানিক যুক্তিৰ ওপৰত প্ৰতিষ্ঠিত আৰু সেইবোৰ আছিল সম্ভাৱনাহীন আত্মপ্ৰত্যয়ৰ দৃষ্টান্ত মাথোন। কিয়নো – 'salvation through the free act of the individual will amid decay and disaster' (**Caudwell**) বাস্তৱত কেতিয়াও সম্ভৱ নহয়। আনহাতে লৰেন্সৰ প্ৰতি মোৰ এক বিশেষ অৰ্থৰ সহানুভূতিয়ে, পুঁজিবাদৰ বিৰুদ্ধে তেওঁৰ ব্যক্তিকেন্দ্ৰিক ক্ষোভ আৰু বিদ্ৰোহ তথা আদিম 'সাম্যবাদী' সমাজৰ প্ৰতি তেওঁৰ বিভ্ৰান্ত আকৰ্ষণ, কেতিয়াও সমৰ্থন কৰিব নোৱাৰে। যিহেতু লৰেন্সে কেতিয়াও বুৰ্জোৱা সামাজিক সম্পৰ্কৰ সীমাবদ্ধতাৰ পৰা বাহিৰলৈ ওলাই আহিবলৈ সচেষ্ট নাছিল; সেয়ে, আন মাৰ্ক্সবাদীৰ দৰে, এই বিষয়ত তেওঁৰ প্ৰতি মোৰো কোনো ধৰণৰ অনুকম্পা নাই। কিন্তু মানৱ জীৱন আৰু সমাজ সম্পৰ্কে অবৈজ্ঞানিক, ভাববাদী দৃষ্টিভংগী গ্ৰহণ কৰাৰ বাবে, তেওঁ এজন ব্যৰ্থ শিল্পী হ'লেও, ব্যক্তিৰ মাজৰ পাৰস্পৰিক সম্পৰ্কৰ সুস্থিৰতাহে যে সৃষ্টিশীল ভাবাদৰ্শৰ পূৰ্ব চৰ্ত আৰু সেই সৃষ্টিশীলতা যে ব্যক্তিৰ মন আৰু শৰীৰৰ নিৰ্ভেজাল সু-সমন্বয়ৰ জৰিয়তেহে সম্ভৱ– এই কথা অভিযাত্ৰী লৰেন্সে গভীৰ আন্তৰিকতাৰে সৈতে উপলব্ধি কৰিব পাৰিছিল। আৰু মোৰ ব্যক্তিগত ধাৰণা যে এই ক্ষেত্ৰত লৰেন্সৰ উপলব্ধি আছিল অদ্বিতীয়। আপাত দৃষ্টিত লৰেন্সৰ এনে ধাৰণা, অকৃত্ৰিম, সহজাত প্ৰবৃত্তিগত সচেতনতাৰ মাজেৰে আৰু 'স্বাধীন' ব্যক্তি মানসৰ ক্ৰিয়াকলাপৰ জৰিয়তেহে সম্ভৱ বুলি ধৰি লোৱা বাবে, – ই এক অবাস্তৱ, অবৈজ্ঞানিক আৰু কেৱল ব্যক্তিকেন্দ্ৰিক সমাধান সূত্ৰ আছিল যদিও, তাৰ পৰিণতি অনিবাৰ্য ব্যৰ্থতাৰ লৰেন্সীয় ব্যা খ্যাও আছিল সমানেই আকৰ্ষণীয়। লৰেন্স প্ৰসংগত মোৰ এটা প্ৰধান বিশ্বাস এই যে সামাজিক সচেতনতাৰ জৰুৰী প্ৰয়োজনতে কোনো ব্যক্তিৰ স্ব-ব্যক্তিসত্তাৰ সচেতনতাৰ পতন (the fall of the individual) অৱশ্যম্ভাৱী হৈ উঠে আৰু সেয়ে বোধহয় বৈজ্ঞানিক ভাবে শুদ্ধ, সক্ৰিয় চেতনাত বস্তুৰ অনিবাৰ্য প্ৰতিফলন প্ৰক্ৰিয়াও, উল্লিখিত নিয়ম আৰু প্ৰয়োজন পূৰণৰ বিশেষ 'অৱস্থা'ৰ (circumstances) ওপৰতহে নিৰ্ভৰশীল। ব্যক্তিৰ সক্ৰিয় চেতনাত ভাবাদৰ্শগত প্ৰতিফলনৰ সুস্থতা অথবা অসুস্থতা প্ৰকৃততে সমাজ আৰু ব্যক্তিৰ মাজৰ 'দ্বন্দ্ব'ৰ 'অৱস্থা'ৰ ওপৰতহে ঘাইকৈ নিৰ্ভৰশীল। সেয়ে লৰেন্সৰ জীৱনৰ সকলো ব্যৰ্থতাৰ ন্যায্যতা কেৱল তেওঁৰ এই বিশেষ অনুভূতিশীলতা আৰু জীৱনধৰ্মী আৱিষ্কাৰেই সাব্যস্ত কৰে। মোৰ আৰু এটা ধাৰণা প্ৰবল যে যিহেতু 'Pure emotion' আৰু সামাজিক ব্যক্তিৰ মাজৰ 'Pure-relationship'ৰ মধুৰ সমন্বয় সাধন বাস্তৱত সম্ভৱ নহয়, সেয়ে আন কতো তেওঁ (আনকি, সম্ভৱতঃ মাৰ্ক্সৰ বৈজ্ঞানিক দৃষ্টিভংগীৰ মাজতো !) তেনে অৱকাশ সৃষ্টি হ'ব বুলি নেভাবিছিল। লৰেন্সৰ ধাৰণা প্ৰবলেই আছিল যে সুস্থ ভাবাদৰ্শগত মানসিক প্ৰতিফলন (Sincere ideological reflection), স্ব-ব্যক্তিসত্তাৰ সুস্থিৰ, অকৃত্ৰিম সচেতনতা আৰু প্ৰয়োজনীয় সামাজিক সচেতনতাৰ মাজত এটা সৌহাৰ্দ্দ্যপূৰ্ণ, আন্তৰিক সম্পৰ্কৰ 'অৱস্থা'ইহে (circumstances) নিৰ্ণয় কৰে। তেওঁ বুজিব পাৰিছিল যে বৈজ্ঞানিক কাৰণতে প্ৰতিফলন প্ৰক্ৰিয়াটো সম্পাদিত হোৱাটো নিশ্চিত। কিন্তু ব্যক্তিৰ চেতনা যিহেতু নিজ্জীৱ প্ৰতিফলক (reflector) নহয়, গতিকে উক্ত অৱস্থা সাপেক্ষে সেই প্ৰতিফলন সুস্থ নহৈ তাৰ বিপৰীতো হ'ব পাৰে। কেৱল 'জড়বাদী' বৈজ্ঞানিক দৃষ্টিকোণ মতেহে এনে ধাৰণা ভুল। কিন্তু বিষয়টো অন্য এক বিশেষ

অৰ্থত, বিজ্ঞানসন্মত কাৰণতেই, মানৱীয় অনুভূতিৰ লগত সম্পৰ্কিত চেতনা আৰু মানৱীয় অভিজ্ঞতাৰ লগতহে ঘাইকৈ জৰিত। মাৰ্ক্সৰ চেতনাৰ সক্ৰিয় চৰিত্ৰৰ দৃষ্টিকোণৰ দৰে, লৰেন্সৰ এই চেতনাতত্ত্বক অন্যান্য ভাববাদী বুদ্ধিজীৱীয়ে absolutise কৰিলেও সেই যুক্তি খণ্ডন কৰাটো কঠিন কাম হ'ব। এই ক্ষেত্ৰত লৰেন্সীয় দৃষ্টিকোণেৰে বিচাৰ কৰিলেও চেতনাৰ অনুভূতিশীল প্ৰতিফলন দুই প্ৰকাৰে হ'ব পাৰে। তাৰে এটা হ'ল, (ক) অকৃত্ৰিম, সহৃদয় প্ৰতিফলন (Vital and sincere reflection) আৰু আনটো হ'ল, (খ) কৃত্ৰিম বা নকল প্ৰতিফলন (counterfeit reflection)। 'জড়বাদী' প্ৰতিফলনৰ বিপৰীতে এনে প্ৰতিফলন হ'ল 'ভাবগত' প্ৰতিফলন (Ideological reflection)। কোনে ক'ব পাৰিব যে লৰেন্সৰ 'অবৈজ্ঞানিক' (?) দৃষ্টিকোণৰ মাজতো 'বস্তুবাদী' (?) দ্বান্দ্বিক দৃষ্টিকোণ নাছিল বুলি ?

মাৰ্ক্সবাদৰ মতেও শ্ৰেণী-সমাজত (class society) বস্তুগত বাস্তৱৰ প্ৰতিফলন দুই প্ৰকাৰে হ'ব পাৰে। এটাই প্ৰতিফলিত কৰে শোষিত শ্ৰেণীৰ ভাবাদৰ্শগত চেতনা আৰু আনটোৱে প্ৰতিফলিত কৰে শোষক-শাসক শ্ৰেণীৰ নিজ শ্ৰেণীস্বাৰ্থৰ অনুকূল ভাবাদৰ্শগত চেতনা। মাৰ্ক্সবাদৰ প্ৰথমবিধ প্ৰতিফলনক সুস্থ বা প্ৰগতিশীল (Progressive) ভাবাদৰ্শ বুলি অভিহিত কৰা হয় আৰু দ্বিতীয়বিধ প্ৰতিফলক অসুস্থ বা প্ৰতিক্ৰিয়াশীল (Reactionary) ভাবাদৰ্শ বুলি অভিহিত কৰা হয়। কিন্তু মাৰ্ক্সবাদ চৰ্চাত কতো উল্লেখ নাই, কি 'অৱস্থা'ই (circumstances) আচলতে পৃথক পৃথক প্ৰতিফলন নিৰ্দ্ধাৰণ কৰিব পাৰে। মাৰ্ক্সবাদৰ মতেও, যিহেতু চেতনা নিৰ্জ্জীৱ প্ৰতিফলক নহয় সেয়ে, ভাবাদৰ্শৰ আপেক্ষিক স্বাধীনতা এটা বিজ্ঞানসন্মত ধাৰণা। সাধাৰণভাবে, বস্তুৰ অধীন চেতনাৰ প্ৰতিফলন যে দুই প্ৰকাৰে হ'ব পাৰে, সেই কথা আমি মাৰ্ক্স আৰু লৰেন্স উভয়ৰে চৰ্চাত লক্ষ্য কৰিব পাৰো। কিন্তু প্ৰতিফলনৰ এই বৈজ্ঞানিক প্ৰক্ৰিয়াটো কি 'অৱস্থা'ৰ ওপৰত নিৰ্ভৰশীল সেই কথা মাৰ্ক্সীয় ঐতিহাসিক বস্তুবাদৰ চৰ্চাত ক'তো, লৰেন্সীয় দৃষ্টিকোণৰ দৰে নিৰ্ভৰযোগ্য ভাবে বিচাৰি পোৱা নেযায়। এক বিশেষ অৰ্থত অৱশ্যে, মাৰ্ক্সীয় দৃষ্টিকোণত পৰিলক্ষিত প্ৰগতিশীল আৰু প্ৰতিক্ৰিয়াশীল প্ৰতিফলন, সমাজৰ শোষক আৰু শোষিতৰ পৰিপন্থী 'শ্ৰেণী-স্বাৰ্থ'ৰ 'সামাজিক অৱস্থা'ৰ ওপৰত ঘাইকৈ নিৰ্ভৰশীল বুলি বিনাদ্বিধাই মানি ল'ব পাৰি। এই যুক্তিয়ে পূৰ্বোক্ত এটা অভিযোগক ভ্ৰান্ত ধাৰণা বুলিও প্ৰমাণিত কৰে। কিন্তু এই যুক্তি কেৱল বিপ্লৱপূৰ্বক শ্ৰেণীসমাজতহে (class-society) প্ৰযোজ্য হয়। তাৰ উৰ্ধ্বত, শ্ৰেণীহীন (classless soceity) সমাজত যেতিয়া শ্ৰেণী-স্বাৰ্থৰ অৱলুপ্তি ঘটিব, তেতিয়া তাত চেতনাৰ প্ৰতিফলন দুই প্ৰকাৰে নহৈ, কেৱল সুস্থ, প্ৰগতিশীল ভাবাদৰ্শৰহে প্ৰতিফলন ঘটিব নেকি ? যদি নঘটে, তেনেহ'লে বিপৰীত ধৰ্মী প্ৰতিফলন কি অৱস্থাৰ ওপৰত নিৰ্ভৰশীল হ'ব ?

দেখা যায় যে এনে যুক্তি তৰ্কত সুস্থ বিতৰ্কৰ অৱকাশ এদিন অন্তৰ্হিত হোৱাৰ সম্ভাৱনাই বেছি। এইটো একেবাৰে সঁচা কথা যে আজি, প্ৰতিক্ৰিয়াশীল ভাবাদৰ্শৰ নৈৰাজ্যৰ ৰাজত্বই আমাৰ বাস্তৱ অভিজ্ঞতা। সমাজত ব্যক্তিৰ মাজৰ সৌহাৰ্দ্দ্যপূৰ্ণ পাৰস্পৰিক সম্পৰ্কৰ সুস্থিৰতা আজি সংকট গ্ৰস্ত। সৃষ্টিশীল ভাবাদৰ্শৰ প্ৰতি আজি কাৰো যেন কোনো শ্ৰদ্ধা নোহোৱাৰ দৰেই হৈছে। এনেবোৰ ঘটনাৰ কাৰণ অনুসন্ধান কৰিলে আমি কেৱল মাৰ্ক্সৰ অন্তৰ্দৃষ্টিয়েই গ্ৰহণ নকৰোঁ, লৰেন্সৰ মানৱীয় বিশেষ কোনো দৃষ্টিকোণো আমাৰ আদৰণীয় হ'ব পাৰে। কিন্তু অন্তিম বিচাৰত, সমাজৰ গতিশীল বিকাশৰ সম্ভাৱনীয়তাৰ স্বাৰ্থত, আমাৰ বিচাৰৰ ভিত্তি আৰু মাপকাঠি হ'ব কি ? লৰেন্স আছিল বুৰ্জ্জোৱা সামাজিক সম্পৰ্কৰ ওপৰৈলে উধাব নোৱৰা স্ব-বিৰোধী অৱস্থানৰ অতীতপ্ৰিয় মানুহ। তেওঁৰ কিছুমান অনুসন্ধান আৰু অন্তৰ্দৃষ্টি অদ্বিতীয় আছিল সঁচা; কিন্তু ব্যক্তিৰ ৰূপান্তৰ সম্ভাৱনা কেনেকৈ সুৰক্ষিত হ'ব সেই সম্পৰ্কত তেওঁৰ দৃষ্টিভংগী আছিল নিতান্তই সীমাবদ্ধ আৰু পূৰ্বতে উল্লেখ কৰি অহাৰ দৰেই, সেইবোৰ আছিল অবৈজ্ঞানিক যুক্তিৰ ওপৰত প্ৰতিষ্ঠিত আৰু সম্ভাৱনাহীন আত্মপ্ৰত্যয়ৰ দৃষ্টান্ত মাথোন। মাৰ্ক্সবাদী সমালোচক ক্ৰিষ্টোফাৰ কডৱে'লে সেয়েহে কৈছিল যে শিল্পী হিচাপে লৰেন্সৰ গুৰুত্ব ইয়াতেই যে বিশুদ্ধ শিল্পীৰ (Pure artist) ধাৰণা বাস্তৱত কেতিয়াও সম্ভৱ নহয় বুলি লৰেন্সে নিজৰ প্ৰতিভা আৰু সাধনাৰ বলত ঠিকেই বুজি পাইছিল। এনে কাৰণতে কুৰি শতিকাৰ ইউৰোপীয় জড়াগ্ৰস্ত বুৰ্জ্জোৱা সভ্যতাক তেওঁ ঘৃণা কৰিছিল আৰু বহুতো বুৰ্জ্জোৱা মোহৰ পৰা নিজকে মুক্ত ৰাখিব পাৰিছিল আৰু তাৰ ঠাইত, 'একে সমাজ ব্যৱস্থাতে', ব্যক্তিৰ মাজত উষ্ণ পাৰস্পৰিক সম্পৰ্কৰ সুসমন্বয়ৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। এইবিলাক আছিল লৰেন্সৰ আশাশুধীয়া মানৱীয় কল্পনা, কিন্তু হ'লেও সেইবোৰ আছিল তাৎপৰ্যহীন। এইবোৰৰ পূৰ্বচৰ্ত হিচাপে, মূল তাৎপৰ্যপূৰ্ণ অমোঘ সত্যটো সম্পৰ্কেই লৰেন্স আছিল অজ্ঞান এন্ধাৰত। লৰেন্সে বুজিব পৰা নাছিল যে, বুৰ্জ্জোৱা, সম্ভাৱনাহীন সামাজিক সম্পৰ্কৰ মাজত তেনে ভ্ৰান্ত বাস্তৱৰ স্বপ্নও কেৱল আত্ম-প্ৰৱঞ্চনা মাথোন। সামাজিক সম্পৰ্কৰ আমূল পৰিবৰ্তন ঘটাই, তাৰ পৰৱৰ্তী সামাজিক স্তৰতহে মানুহৰ মাজত সহজাত, স্বাভাৱিক সম্পৰ্কৰ সম্ভাৱনা উজ্জ্বল হৈ উঠে, সেই কথা লৰেন্সে কেতিয়াও কল্পনাকে কৰিব পৰা নাছিল। লৰেন্সৰ অন্তিম ট্ৰেজেদী এয়ে আছিল যে তেওঁৰ ভাববাদী সমাধান সূত্ৰও অৱশেষত যুক্তিবাদী আৰু ভৱিষ্যতৰ সাম্যবাদী ধাৰণাৰ অনুকূলে নহৈ, কোনো 'ফেচিষ্ট' ধাৰণাৰহে অনুগামী হৈছিলগৈ। এনেবোৰ যুক্তিবাদী কাৰণতে, লৰেন্সৰ প্ৰতিভাৰ স্বীকৃতি আৰু তেওঁৰ প্ৰতিভাৰ প্ৰতি যথাযোগ্য সহানুভূতিৰ ৰূপত, আমি বোধহয় এই কথাহে ক'ব পাৰো যে মানৱ মুক্তিৰ পথত সৃষ্টি হোৱা অন্তৰায়ৰ ব্যাখ্যাতহে লৰেন্স আমাৰ বাবে আদৰণীয় আৰু গ্ৰহণীয় হ'ব পাৰে, তাৰ উৰ্ধ্বত নহয়। তেওঁৰ প্ৰতি সহানুভূতিয়ে জানো বৈজ্ঞানিক যুক্তিবাদ খণ্ডন কৰিব পাৰিব ?

উত্তৰ হ'ব, নোৱাৰে। পুনৰ প্ৰশ্ন তুলিব পৰা যায়, শ্ৰেণীহীন সমাজ ব্যৱস্থাতো, প্ৰতিক্ৰিয়াশীল ভাবাদৰ্শৰ পুনৰুত্থানে মাৰ্ক্সবাদৰ বৈজ্ঞানিক যুক্তিবাদ খণ্ডন কৰিব পাৰিবনে ? সেইটো 'সূৰ্যগ্ৰহণ' নে 'সূৰ্যাস্ত'ৰ আগজাননী ? আচল কথা হ'ল, মাৰ্ক্সবাদৰ মতে, সমাজ বিকাশ প্ৰক্ৰিয়াত তেনে ঘটনা নঘটাটো অস্বাভাৱিক কথা নহয়; ঘটাটোহে স্বাভাৱিক কথা। বৈজ্ঞানিক যুক্তিবাদে নানা তৰহৰ 'সূৰ্যগ্ৰহণ' তথা বিচ্যুতিৰ ঘটনাবোৰক আত্ম-প্ৰৱঞ্চনাৰ দৃষ্টান্ত হিচাপে পৰ্যালোচনা নকৰে। তেনে সম্ভাৱনীয়তাৰ বাবে মাৰ্ক্সবাদেই দায়ীনে ? বৈজ্ঞানিক বস্তুবাদে ঐতিহাসিক সামাজিক বিকাশৰ প্ৰক্ৰিয়াত তেনে ঘটনাক বিকাশৰ দৈন্য তথা এটা অনিবাৰ্য বাস্তৱৰ প্ৰকাশ হিচাপেহে গণ্য কৰে আৰু তাৰ সমাধানৰ বাবে বিজ্ঞানসন্মত দৃষ্টিকোণেৰেই কাৰ্যব্যৱস্থা হাতত লয়। মাৰ্ক্সবাদ এনে এটা মতাদৰ্শ য'ত সকলো ঘটনাকে বস্তুবাদী দ্বান্দ্বিক তথা ঐতিহাসিক দৃষ্টিকোণেৰে বিজ্ঞানসন্মতভাৱে বিচাৰ কৰা হয়। সমাজ বিকাশ প্ৰক্ৰিয়াত আপেক্ষিকভাৱে স্বাধীন, ভাবাদৰ্শৰ ইতিহাসৰ প্ৰতি শ্ৰদ্ধা থকাৰ বাবেই,





মাৰ্ক্সবাদত এই দিশত মানৱীয় দৃষ্টিকোণ আৰোপিত হৈছে। এনেবোৰ মানৱীয় গুণৰ বিকাশত মাৰ্ক্স, এংগেলচ আৰু লেনিনৰ অৱদান আছিল অপৰিসীম। কিন্তু অত্যুৎসাহী ষ্টেলিনৰ জোৰজুলুমবোৰে জানো মাৰ্ক্সবাদৰ বৰ্বৰ দিশবোৰহে উদঙাই দেখুৱায় ? ধাৰণা হয়, ভাবাদৰ্শৰ পৰম্পৰাগত ইতিহাসৰ গুৰুত্ব কাৰ্যকৰী কৰি তোলাৰ দিশতেই, মাৰ্ক্সবাদৰ প্ৰয়োগত য'ত খেলিমেলি। এনেবোৰ অভাৱৰ কাৰণেই, আমাক লৰেন্সৰ বুৰ্জ্জোৱা ভাবাদৰ্শত প্ৰতিভাত অন্তৰ্দৃষ্টিৰ কাষ চপাই আনে নেকি ? নানা তৰহৰ চিন্তাই আমাক জুমুৰি দি ধৰে। মাৰ্ক্সবাদৰ প্ৰয়োগত অনিবাৰ্যভাৱেই এই 'তথাকথিত' 'ব্যক্তি-স্বাধীনতা'ক 'অনুশাসন'ৰ তলতীয়া কৰিবই লাগিব নেকি ? অনেক যুগৰ সঞ্চিত 'স্বাধীন' ভাবাদৰ্শৰ ৰূপান্তৰ সম্ভাৱনা সঁচাই ক্ষীণ নেকি ? আমি জানো যে, বিজ্ঞানসন্মত কাৰণতেই ভাবাদৰ্শৰ দুই ধৰণৰ প্ৰতিক্ৰিয়া বাস্তৱত সম্ভৱ হ'ব পাৰে বুলিয়েই মাৰ্ক্সবাদে মানি লয়। কিন্তু অনিবাৰ্য বৈজ্ঞানিক কাৰণতে ভৱিষ্যত দৃষ্টিৰে, প্ৰগতিশীল শক্তিৰ পক্ষ লৈ মাৰ্ক্সবাদীয়ে বৈপ্লৱিক সংগ্ৰামৰ আদৰ্শ গ্ৰহণ কৰে। বুৰ্জ্জোৱা বুদ্ধিজীৱীয়ে ভাবগত কাৰণত সৃষ্টি হোৱা সমস্যাকো ভাবগত ভাবেই সমাধানৰ কথা কৈ স্থিতাৱস্থাবাদী দৃষ্টিভংগীহে গ্ৰহণ কৰে। কিন্তু মাৰ্ক্সবাদীয়ে সেই ভাবগতবাদী সমাধানৰ ঘোৰ বিৰোধিতা কৰে। কিয়নো তেনে সমাধানৰ সম্ভাৱনা অবাস্তৱেই নহয়, অসুস্থও। প্ৰশ্ন উঠিব, আচলতে সমস্যাবোৰ কিমান 'কাৰ্যক্ষম'ভাবে সমাধান কৰা হৈছে, মাৰ্ক্সবাদীৰ বাবে সেইটো ডাঙৰ কথা নহয় নেকি ? ভাবাদৰ্শৰ সমস্যা সমাধানৰ 'শুদ্ধ পথ'হে মাৰ্ক্সবাদীৰ বাবে ডাঙৰ কথা নেকি ? আমাৰ ধাৰণা যে সকলো সমস্যা সমাধানৰ পথ নিশ্চয়কৈ বৈজ্ঞানিক যুক্তিবাদৰ ওপৰতেই প্ৰতিষ্ঠিত হ'ব লাগিব। তাৰো জানো, সৰ্বজনক সাঙুৰি ল'ব পৰা বিকল্প সঁচাই আছে ? মানৱ মুক্তিৰ বিকাশ প্ৰক্ৰিয়াত অন্তৰায়ৰ ব্যাখ্যা হয়তো সহজ কথা; কিন্তু সেইবোৰ অন্তৰ্হিত কৰাৰ সঠিক পথ কি হ'ব, সেইটো নিৰ্ভৰযোগ্যভাৱে নিশ্চিত কৰিব পৰাটোহে টান কাম। আমাৰ দৃঢ়তৰ ধাৰণা যে তুলনামূলকভাৱে বিচাৰ কৰিলেও ভাবাদৰ্শগত (ideological) মানৱীয় সমস্যা সমাধানৰ বাবেও মাৰ্ক্সবাদৰ কোনো বিকল্প নাই।

তথাপিও মনত সন্দেহ ৰৈ যায়, বঞ্চিত, নিৰ্যাতিত অগণন মুক্তিকামী মানুহৰ অন্তৰতম বিশ্ববীক্ষা (world outlook) মাৰ্ক্সবাদক নিখুঁত ভাবে কাৰ্যকৰী কৰি তোলাৰ দায়িত্বও ভাবাদৰ্শগতভাৱেই সামাজিক ব্যক্তিৰ হাততেই যিহেতু অৰ্পিত হ'ব লাগিব; ব্যক্তিৰ দ্বাৰাই ব্যক্তি-স্বাধীনতাৰ সমস্যাটো 'মানৱীয়' কাৰ্য ব্যৱস্থাৰে সমাধান কৰাটো এদিন সঁচাকৈয়ে সম্ভৱপৰ হৈ উঠিবগৈ নে ? বিশ্বজোৰা সাম্প্ৰতিক পুঁজিবাদী ষড়যন্ত্ৰ তথা অন্যান্য শোষক শ্ৰেণীৰ ভাবাদৰ্শগত কাৰছাজিৰ নৈৰাজ্যৰ মাজত অৱস্থান কৰি, তেনে নানা তৰহৰ সংশয়ৰ মাজত, নতুন ভৱিষ্যতৰ কল্পনা বাস্তৱ যেন লাগিলেও; ব্যক্তিৰ 'অপৰিবৰ্তনীয়' (?) ভাবাদৰ্শৰ স্বাধীনতাক বলপূৰ্বক অনুশাসনৰ তলতীয়া কৰিব লগাৰ অৱশ্যম্ভাৱীতাত, সেয়ে আশাশুধীয়া লৰেন্সৰ বিভ্ৰান্ত, আঁকোৰগোজ মনোভাবো আমাৰ বাবে এতিয়া হৈ পৰিছে এটা বোজা বব নোৱাৰা দুঃস্বপ্নৰ দৰেই। মাৰ্ক্সবাদী স্বাধীনতাৰ (Liberty) বৈজ্ঞানিক ধাৰণাই, প্ৰচলিত তথাকথিত ব্যক্তি স্বাধীনতাৰ ধাৰণাটোৰ মানৱীয় ৰূপান্তৰ ঘটাব নোৱৰালৈকে, মনীষী লৰেন্সৰ মনোভাবে যে আমাক সেই বোজা বব নোৱৰা দুঃস্বপ্নৰ দৰেই নিৰ্যাতিত কৰি ৰাখিব, সি অৱধাৰিত। শেষত মহামতি এংগেলচ্‌ৰ এষাৰ ভাবোদ্দীপক মন্তব্যৰ জৰিয়তেই এই আলোচনাৰ সামৰণি মাৰিব খুজিছো। এংগেলচে কৈছিল – 'Everything which sets men in motion must go through their minds, but what form it will take in the mind will depend very much upon the circumstances' (FREDERICK ENGELS, 'What Is Historical Materialism', Progress Publishers, P.P. 220-21)। ধাৰণা কৰাত আমাৰ অসুবিধা নহয় যে কোনো 'Progressive' অৰ্থ সংগত কৰিবলৈহে এংলেগচে এনেকুৱা মন্তব্য কৰিছিল। কিন্তু আমি আজি সভ্যতাৰ বিকৃত বিকাশলৈ লক্ষ্য ৰাখি প্ৰশ্ন তুলিবলৈ বাধ্য হৈছো যে, এংগেলচ্‌ৰ সেই "Circumstances"ৰ প্ৰকৃত অভিব্যক্তিনো আচলতে কি, যাৰ ওপৰত চেতনাৰ বস্তুগত প্ৰতিফলন সম্পূৰ্ণৰূপে নিৰ্ভৰশীল ? সমাজ বিকাশৰ গতিশীল প্ৰক্ৰিয়াত সেই "Circumstances"ৰ ওপৰত নিৰ্ভৰ কৰিয়েই মানুহৰ 'সচেতন' বা 'অচেতন' কৰ্ম-কাণ্ডৰ দ্বাৰাই বৰ্তমানৰ মানৱ সমাজে বিকাশ লাভ কৰা নাইনে ? সেই বিকাশ প্ৰক্ৰিয়াৰ প্ৰকৃত পৰিচয় আমাৰ বাবে সঁচাই অজ্ঞাত নে ? বৰ্তমানৰ সামাজিক জড়াগ্ৰস্ততাৰ একমাত্ৰ পৰিত্ৰাণৰ উপায় যদি ধৰ্ম নহয়; সি যদি মাৰ্ক্সবাদো নহয়, তেতিয়াহ'লে সেই অনিবাৰ্য "Circumstances"ৰ ওপৰত নিৰ্ভৰ কৰি বিকশিত হোৱা সমাজৰ নানা তৰহৰ ব্যাধিৰ সমালোচনা আৰু নিৰাময়ৰ ভিত্তি কি হ'ব ? লৰেন্সৰ প্ৰাসংগিকতাক মাৰ্ক্সৰ বৈজ্ঞানিক যুক্তিবাদৰ প্ৰভাৱত পৰি, আমি আজি স্বীকৃতি নিদিব পাৰো; কিন্তু বিপৰীতে, তাৰ বিনিময়ত মাৰ্ক্সবাদৰ জৰিয়তে দানৱীয় প্ৰতিক্ৰিয়াশীলতাৰ পৰা জানো আজি আমি হাত সাৰিব পাৰিছো ? আমাৰ বাবে লৰেন্স সঁচাই এটা বোজা বব নোৱৰা দুঃস্বপ্নৰ অভিজ্ঞতা নে ? ইতিহাসবোধৰ সচেতনতাৰ অৰ্থ-বিচাৰ আৰু তাৰ বৈচিত্ৰ্যৰ ব্যৱহাৰ তথা নতুন মূল্যায়ন আমাৰ বাবে কেনেকৈ সম্ভৱ হ'ব ? সেই বিচাৰ অনুসন্ধিৎসু আৰু যুক্তিবাদী পাঠকৰ হাতলৈ থলো।

**পৰিশিষ্ট ঃ**

(১) এই প্ৰবন্ধত কবৰ প্ৰয়াস কৰা হৈছে যে পৰম্পৰাগত ভাবাদৰ্শৰ ইতিহাসৰ গুৰুত্ব কাৰ্যকৰী কৰি তোলাতেই মাৰ্ক্সবাদৰ প্ৰয়োগত যত খেলিমেলি। তেতিয়াহ'লে লৰেন্স আৰু মাৰ্ক্সৰ মতাদৰ্শৰ অমিল ক'ত ? ইয়াৰ এটা সম্ভাৱ্য উত্তৰ হ'ব – সমস্যাটো বুজাত সফল হ'লেও, লৰেন্সে যি বুৰ্জ্জোৱা অৱস্থানৰ (Standpoint) পৰা তাক বুজিবৰ চেষ্টা কৰিছে, তাৰ পৰা প্ৰকৃত সমাধানৰ পথ তেওঁ কেতিয়াও দেখা নেপায়। পাৰ্থক্য সমস্যাটো নিৰসনৰ দৃষ্টিভংগী গ্ৰহণত।

(২) বুৰ্জ্জোৱাৰ চিন্তাৰ দৈন্য অথবা বিচ্যুতি বুজাত মাৰ্ক্সবাদীয়ে লৰেন্সতকৈ মাৰ্ক্সৰ অৱস্থানৰ পৰাই কথাবোৰ বুজি পায়। তেওঁলোকক সেইবোৰৰ জ্ঞানৰ বাবে লৰেন্সৰ প্ৰয়োজন নহয়। তেতিয়াহ'লে লৰেন্সৰ প্ৰয়োজন মোক কিয় হ'ল ? মাৰ্ক্সবাদতেই মই কিয় ক্ষান্ত নেথাকিলো ? ধৰ্মীয় আধ্যাত্মিকতা আৰু মাৰ্ক্সবাদ জানো একেই বস্তু ?

(৩) মাৰ্ক্সীয় দৃষ্টিকোণেৰে বিচাৰ কৰিলে দেখা যাব যে লৰেন্স আছিল যথাৰ্থতে পলায়নবাদী মনোবৃত্তিৰ মানুহ। চেতনাৰ সক্ৰিয় চৰিত্ৰৰ স্বাৰ্থত, তেওঁ মন (Mind) আৰু শৰীৰৰ (Body) সু-সমন্বয়ৰ চিন্তাত ইমানেই বেছি বিভ্ৰান্ত হৈ পৰিছিল যে কোনোদিনেই তেওঁ বুৰ্জ্জোৱা সংস্কৃতি আৰু মনস্তত্ত্ব ব্যাখ্যাৰ ঠেক গণ্ডী পাৰ হৈ উধাব নোৱাৰিলে। এইটো দৰাচলতে তেওঁৰ এটা স্ব-বিৰোধী অৱস্থান। লৰেন্স প্ৰসংগত সেয়ে মাৰ্ক্সবাদী সমালোচক ক্ৰিষ্টোফাৰ কডৱে'লৰ এই মন্তব্য গুৰুত্বপূৰ্ণ ঃ 'But

Lawrence remained to the end a man incapable of that subordination of self to others, of co-operation, of solidarity as a class, which is the characteristic of the proletariat. He remained the individualist, the bourgeois revolutionary angrily working out his own salvation, critical of all, alone in possession of grace. He rid himself of every bourgeois illusion but the important one. He saw finally neither the world nor himself as it really was. He saw the march of events as a bourgeois tragedy, which is true but unimportant. The important thing, which was absolutely close to him, was that it was also a proletariat renaissance' (**Studies In A Dying Culture, P. 46**). এফালে তেওঁ ব্যক্তিৰ একপক্ষীয় স্বাধীন ইচ্ছাশক্তিত (Free will) বিশ্বাস ৰখা নাই; আনফালে, বুৰ্জ্জোৱা অৱস্থানৰ পৰাই এক বিশেষ ব্যক্তিকেন্দ্ৰিক পৰিত্ৰাণৰ (Salvation) জৰিয়তেই সমস্যাৰ সমাধান বিচাৰিছে। তেওঁৰ ব্যৰ্থতাৰ গুৰিকথা তাতেই নিহিত আছে।

(৪) কিন্তু প্ৰশ্ন উঠিব, লৰেন্সৰ পৰিত্ৰাণৰ এই ব্যৰ্থতাই লৰেন্সক সম্পূৰ্ণৰূপে ব্যাখ্যা (explain) কৰে নে ? মাৰ্ক্সবাদী চৰ্চাত অপৰিচিত কিবা গুৰুত্বপূৰ্ণ অন্তৰ্দৃষ্টি তেওঁৰ আছিল নে ? চেতনাৰ প্ৰতিফলনৰ বিজ্ঞানৰ বৈচিত্ৰ্য বুজিও মাৰ্ক্সবাদীয়ে (মাৰ্ক্স নহয়) তাৰ যেন সৰলীকৃত জ্ঞান লৈহে আত্মসন্তুষ্টি লাভ কৰিবলৈ চেষ্টা কৰিছিল, যি ক্ষেত্ৰত লৰেন্সৰ সজীৱ অভিজ্ঞতা আছিল অদ্বিতীয়। কিন্তু লৰেন্সৰ সমাধান সূত্ৰ অবৈজ্ঞানিক আছিল যদিও, এই কথাও সঁচা যে সেইটো আছিল ব্যক্তিৰ এৰাই চলিব নোৱৰা বাস্তৱ সমস্যা।

(৫) পুনৰ প্ৰশ্ন উঠিব, ইতিহাস জনিত কাৰণতে মনোবৃত্তিৰ পৰিবৰ্তনীয়তাৰ বিজ্ঞানসন্মত ধাৰণাই মাৰ্ক্সবাদৰ সৰলীকৃত অথবা বাস্তৱৰ কল্পনাৰ শুদ্ধতা প্ৰমাণ কৰে নেকি ? উত্তৰ হ'ব, কৰে। কিন্তু তাৰো পূৰ্বচৰ্ত হ'ব প্ৰতিফলনৰ বিজ্ঞানৰ বৈচিত্ৰ্যৰ (peculiarities) বিজ্ঞানসন্মত ব্যাখ্যা। তেনেকুৱা মনঃপুত ব্যাখ্যা মাৰ্ক্সবাদত আছে নে ? ঐতিহাসিক বস্তুবাদৰ চৰ্চাত সামাজিক মনস্তত্ত্ব (social psychology) আৰু ব্যক্তিৰ ভাবাদৰ্শৰ (Ideology) সমস্যাবোৰৰ উত্থাপন তথা তাৰ আলোচনা নথকা নহয়। কিন্তু সমস্যাটো সমাধানৰ বাবে সেয়াই যথেষ্ট নে ? প্ৰতিফলনৰ বিজ্ঞানৰ বৈচিত্ৰ্যৰ প্ৰকৃত ব্যাখ্যাৰ পৰিবৰ্তে কমিউনিষ্ট জগতত আমি 'পেৰেস্ত্ৰইকা' আৰু 'গ্লাচনষ্ট'ৰ ব্যাখ্যাহে অভিজ্ঞতা কৰা নাই নে ?

(৬) ঐতিহাসিক বস্তুবাদত যিবোৰ সমস্যাৰ সমাধান কৰ্মক্ষেত্ৰত কৰি যাব লাগিব বুলি উল্লেখ আছে; লৰেন্সৰ ধাৰণা সম্ভৱতঃ দৃঢ়ই আছিল যে এই সমস্যাৰ সমাধানৰ সমস্যাইহে আচলতে চেতনাৰ প্ৰতিফলনৰ বৈচিত্ৰ্যৰ প্ৰকৃত স্বৰূপ ব্যাখ্যা কৰে। মনোবৃত্তিৰ পৰিবৰ্তনীয়তাৰ বৈজ্ঞানিক কাৰণতেই, সম্ভাৱনাপূৰ্ণ সমাজতাত্বিক ঐতিহ্যৰ ভেটিত, শক্তিশালী প্ৰগতিশীল ভাবাদৰ্শৰ সক্ৰিয়তাত, বস্তুৰ উচ্চতম প্ৰকাশ চেতনাই ব্যক্তিৰ মনোজগতক সঠিক পথ দেখুৱাব পাৰিব নে ? কিছুকাল আগলৈকে এনে প্ৰশ্নৰ উত্তৰ আছিল এটা সন্তোষজনক বাস্তৱ অভিজ্ঞতা। সাম্প্ৰতিক বিশ্বৰ ঘটনাৱলীয়ে কিন্তু সেই বাস্তৱৰ স্বপ্নতো চেঁচা পানী ঢালিছে। এতিয়া এটাই শক্তিশালী অভিজ্ঞতা তুংগত উঠিছে – সি হ'ল ব্যক্তিৰ ভাবাদৰ্শগত মনোবৃত্তিৰ অন্যতম অভিব্যক্তি ঃ ব্যক্তি-স্বাধীনতা। কোৱা বাহুল্য হ'ব যে তাৰ অৰ্থও ব্যক্তি বিশেষে পৃথক পৃথক।

(৭) আমি আজি যিমানেই এফালে মাৰ্ক্সবাদ আৰু আনফালে ব্যক্তি-স্বাধীনতাৰ জয়গান নেগাওঁ লাগে, আমি যে আচলতে সভ্যতাৰ এক জটিল সন্ধিক্ষণতহে উপনীত হৈছোহি, তাৰ পৰা উদ্ধাৰৰ পথ কিন্তু এটাই। সি হ'ল মাৰ্ক্সবাদ। সেয়ে সভ্যতান্বেষীৰ আশাবাদৰ স্বাৰ্থত প্ৰায়েই প্ৰত্যয় জন্মে যে সমস্যাটো আচলতে ব্যক্তি-স্বাধীনতাৰো নহয়; উচ্চতম মানৱীয় আদৰ্শৰ বিশ্ববীক্ষাটোৰ ব্যৱহাৰিক কাৰ্যকাৰিতাৰহে সমস্যা। মাৰ্ক্সবাদৰ প্ৰতি যদি মানুহৰ ইমানেই শ্ৰদ্ধা নাই, সেই ত্ৰাণ-সম্ভাৱনাৰ ভিত্তি কি হ'ব ? বিদ্ৰোহ (Rebellion) ? যদি বিদ্ৰোহ, কেনেকুৱা বিদ্ৰোহ ? দষ্টয়েভস্কিৰ নে পেষ্টাৰনেকৰ ? কেম্যুৰ নে ছলঝেনিৎচীনৰ ? নে পুনৰ নিতান্তই মাৰ্ক্সৰ ? মই কাক ভোট দিম ? আপেক্ষিক সত্যক নে অমোঘ সত্যক ?

(৮) মহামতি লেনিনে কৈছিল, 'Without revolutionary theory, there can be no revolutionary movement'। এই উক্তিৰ এটা প্ৰচ্ছন্ন ইংগিত এনেকুৱাও হ'ব নোৱাৰে নে যে, য'ত বৈজ্ঞানিক ভাবাদৰ্শ নাই, তাত প্ৰতিক্ৰিয়াশীল ভাবাদৰ্শৰ অৰাজকতাই (anarchy) সমাজৰ গতি ৰুদ্ধ কৰিব ? অক্টোবৰ বিপ্লৱৰ সফলতাই ৰাছিয়াৰ জনগণ আৰু নেতৃত্বক ইমানেই বেছি উদ্বুদ্ধ কৰি তুলিছিল যে নতুন সমাজ ব্যৱস্থাত, চেতনাৰ সক্ৰিয় চৰিত্ৰৰ অন্যান্য পৰিপন্থী ভাবাদৰ্শগত ৰূপৰ সম্ভাৱনীয়তাকেই হয়তো তেওঁলোকে মানি ল'বলৈ টান পাইছিল। কিন্তু দুৰ্ভাগ্যজনক অপ্ৰিয় সত্যটো এনেকুৱাই যে ভাবাদৰ্শৰ কূটাঘাতমূলক সক্ৰিয় চৰিত্ৰই আজি লেনিনৰ মহান মানৱীয় আদৰ্শৰ প্ৰধান শত্ৰুত পৰিগণিত হৈছে। ভাবাদৰ্শৰ সক্ৰিয় চৰিত্ৰৰ (the active role played by ideas) বৈচিত্ৰ্য আজি ইমানেই সক্ৰিয় বুলি প্ৰমাণিত হৈছে (মহান অক্টোবৰ বিপ্লৱৰ পিছত পুনৰ এবাৰ) যে, সি ছোভিয়েট ৰাছিয়াৰ নিচিনা শক্তিশালী সমাজতান্ত্ৰিক সমাজ-ব্যৱস্থাকো প্ৰত্যাহ্বান জনাইছে আৰু ইতিহাসৰ গতিকেই সলনি কৰি দিয়াৰ উদ্যোগ লৈছে। গৰ্বাচেভৰ "দ্বিতীয় বিপ্লৱে" কালসিদ্ধ, নতুন গণতান্ত্ৰিক আৰু মানৱিক সমাজতন্ত্ৰ যে গঠন কৰিব পাৰিব; মাৰ্ক্সে সপোন দেখা ব্যক্তি-স্বাধীনতা যে সেই সমাজতন্ত্ৰত সুৰক্ষিত হ'ব – সেইবোৰ কথা এতিয়াই জোৰ দি নোকোৱাই ভাল।

(৯) তথাপিতো, ফটা মুখ, নকৈ নোৱাৰো যে ৰাছিয়ান মাৰ্ক্সবাদী সকলৰ অগভীৰ আত্মপ্ৰত্যয়েই আজি বিশ্বৰ দৰবাৰত কাৰ্ল মাৰ্ক্সক হাঁহিয়াতৰ পাত্ৰত পৰিণত কৰা নাইনে ? তেতিয়াহ'লে পলায়নবাদী বুৰ্জ্জোৱা বুলি লৰেন্সক উপলুঙা কৰিবলৈ আমি কোন ? আমি অতীতৰ 'সাম্যবাদী' সমাজলৈ প্ৰত্যাৱৰ্তন কৰিব নোৱাৰো সঁচা; কিন্তু হৃদয়ৰ অন্তৰতম অভিজ্ঞতাৰে উপলব্ধি কৰা ব্যক্তিজীৱনৰ বাস্তৱ সত্যবোৰকো 'প্ৰগতিশীল অত্যুৎসাহৰ' অটল গহ্বৰত কবৰ দিব লাগিব নেকি ? একে অৰ্থতেই হয়তো মাৰ্ক্সবাদী সমালোচক ক্ৰিষ্টোফাৰ কডৱে'লও লৰেন্সৰ অন্তৰ্দৃষ্টি বুজাত বিফল হৈছিল বুলিও ধাৰণা কৰিব পাৰি। মোৰ বিশ্বাস, সমালোচক কডৱেলেও লৰেন্সৰ প্ৰতি তেওঁ প্ৰদৰ্শন কৰা সহানুভূতিৰ উচিত মৰ্যাদা প্ৰদান কৰাত ব্যৰ্থ হৈছে। অৱশ্যে কডৱে'লৰ সময়ত প্ৰগতিশীল ভাবাদৰ্শৰ এটা সন্তোষজনক বাস্তৱতা তথা ত্ৰিশৰ দৰ্শকৰ শেষৰ ফালৰ মাৰ্কিন পুঁজিবাদৰ ঘোৰ অৰ্থনৈতিক সংকটৰ জীয়া অভিজ্ঞতা তেওঁৰ মনত নিশ্চয় সজীৱ আছিল। প্ৰসংগতে কৈ থোৱা ভাল হ'ব যে মোৰ এনেবোৰ ধাৰণাৰ বিৰুদ্ধে সুস্থ বিতৰ্কৰ অৱকাশ মই কেতিয়াও অস্বীকাৰ নকৰো। কেৱল হয়তো ভগৱানৰ যুক্তিহে বিতৰ্কৰ উৰ্দ্ধত অধিষ্ঠিত থাকে। কডৱে'লে কৈছিল – This good, liberty, contains all good. Not only at the simple level of current material wants, but where all men's aspirations bud, freedom is the same goal, pursued in the same way. Science is the means by which man learns what he can do, and therefore it explores the necessity of outer reality. Art is the means by which man learns what he wants to do, and therefore it explores the essence of the human heart. And bourgeoisdom, shutting its eyes to beauty, turning its back on science, only follows its stupidity to the end. It crucifies liberty upon a cror. e of gold and if you ask in whose name it does this, it replies, 'In the name of personal freedom.' কিন্তু সাম্প্ৰতিক কালত আমি কি বাস্তৱ অভিজ্ঞতা কৰিছো ? প্ৰতিক্ৰিয়াশীল সক্ৰিয়তাত ক্ৰমান্বয়ে মূৰ দাঙি উঠা বুৰ্জ্জোৱাৰ দ্বাৰা 'Liberty'ৰ 'Crucification' আমি প্ৰতিৰোধ কৰিব পাৰিছোনে ? সেয়ে মোৰ ধাৰণা হয় যে তীক্ষ্ণ বুদ্ধিৰ মাৰ্ক্সবাদী সমালোচক হ'লেও, কডৱে'লৰ জীৱন্ত অভিজ্ঞতাৰ সীমাবদ্ধতাই, তেওঁক প্ৰতিক্ৰিয়াশীল সক্ৰিয়তাৰ সম্যক জ্ঞান দিয়াত কেৱল ব্যৰ্থতাহে প্ৰদান কৰিছে।



(১০) লৰেন্সৰ অতীতমুখিতাৰ প্ৰসংগত এই কথা ধাৰণা কৰিব পাৰি যে মানুহেই মানুহৰ প্ৰধান শত্ৰু আৰু ভৱিষ্যতে কেতিয়াও এনে মনোবৃত্তিৰ পৰিবৰ্তন আৰু সংশোধন হোৱাৰ সম্ভাৱনা নাই। এইখিনিতে আধুনিক অসমীয়া কবি-সমালোচক শ্ৰীযুত অজিৎ বৰুৱাদেৱৰ এষাৰ তাৎপৰ্যপূৰ্ণ মন্তব্য বিশেষভাবে প্ৰণিধানযোগ্য বুলি বিবেচিত হ'ব ঃ 'The horrifying fact of nature is that senseless killing is a special trait of Homo sapiens— the egotistically named Wise Man. Have you ever heard of a wolf killing another wolf or a lion killing another lion ? That happens only in the rarest of cases and that also often by mistake. Wilful and intra-specific killing is reserved for the ironically named Homo sapiens— the Wise Man ! Animals kill for food or in self-defence. They donot kill for killing's sake. Yet men call some killings of other men bestial or brutal and some of their other killings acts of patriotism. This is Schopenhauerian pessimism. Or may be not so. The irony of it. Or the stupidity of it all— man calling himself the best of all creation' (**An Invitation To Thinking, 'Sentinel'**, 28th May, 1991)। সেয়ে অতীতৰ কোনো সুন্দৰ কাল্পনিক জগততেই সৃষ্টিশীল মানুহে হয়তো কিছু পৰিমাণে হ'লেও সান্ত্বনা লাভ কৰিব পাৰে। কিয়নো 'জ্ঞানী মানুহ'ৰ ভৱিষ্যতত সুন্দৰৰ কল্পনা অনিশ্চিত। লৰেন্স যথাৰ্থতেই প্ৰগতিবাদী নাছিল। কিন্তু আন বহুতো বুদ্ধিমান 'নকল' প্ৰগতিবাদীতকৈ মহান আছিল। সেই বুলিয়ে নতুনৰ সম্ভাৱনা আমি নাকচ কৰিব লাগিব নেকি ?

(১১) এটা কথা আমি সততেই লক্ষ্য কৰিব পাৰো যে ঐতিহাসিক বস্তুবাদৰ মাৰ্ক্সবাদী চৰ্চাত, বিশ্ব কমিউনিষ্ট আন্দোলনৰ কোনো ধৰণৰ প্ৰতিকূল পৰিস্থিতিতেই বোধহয়, ব্যক্তিৰ "সুৰক্ষিত মনস্তত্ত্ব"ৰ পশ্চাৎঘাতী ভূমিকাক যথেষ্ট গুৰুত্ব সহকাৰে কেতিয়াও স্বীকৃতি দিয়া নহ'ল। চলিত শতিকাৰ প্ৰথমৰ ভাগত, বিশেষকৈ মাৰ্কিন পুঁজিবাদৰ সংকট তথা অন্যান্য ভালেমান দেশত জাতীয় মুক্তিৰ উত্থান লক্ষ্য কৰি বিশ্ব কমিউনিষ্ট আন্দোলনে যি ধৰণৰ সৰলীকৃত আত্মসন্তুষ্টি লাভ কৰিছিল বুলি কোৱা হয়, সেই সত্যইও উক্ত অভিযোগৰ যথাৰ্থতা প্ৰমাণ কৰে। ধাৰণা কৰা হৈছে যে বিপ্লৱৰ সাফল্যত উদ্বুদ্ধ ৰাছিয়ান নেতৃত্বই, এই কথা হয়তো সত্যত পৰিণত হ'ব বুলি ভাবিবই পৰা নাছিল যে, এদিন নিজৰ ঘৰতে অথবা বাহিৰৰ পৃথিৱীত প্ৰতিক্ৰিয়াশীল ভাবাদৰ্শই প্ৰগতিশীল ভাবাদৰ্শকো যে শলঠেকত পেলাব পাৰিব। সেয়ে এনে অভিযোগ বিভ্ৰান্ত অভিযোগ নহয় যে প্ৰতিক্ৰিয়াশীল চক্ৰান্তক নিশকটীয়া কৰাৰ কাৰ্যব্যৱস্থা হিচাপে বিশ্ব কমিউনিষ্ট আন্দোলনে বিশেষ একো নকৰিলে বা কৰিব নোৱাৰিলে। আচলতে পুঁজিবাদৰ সংকট মানেই সেই সমাজ ব্যৱস্থাৰ আসন্ন পতন নহয়। গতিকে সংকটকে পতন বুলি পতিয়ন যোৱা আত্মসন্তুষ্টিয়ে ব্যক্তিৰ ভাবাদৰ্শগত দুৰ্বলতাৰ কথাহে ইংগিত নকৰে জানো ? 'সূত্ৰধাৰ'ৰ পাতত (১৬–৩০ ছেপ্টেম্বৰ, ১৯৯১) সম্পাদক শ্ৰীযুত হোমেন বৰগোহাঞিদেৱে এই বুলি লিখিছে ঃ "কিন্তু যিটো কথা এতিয়াই ক'ব পাৰি সেইটো হ'ল এই যে কমিউনিষ্ট ৰাষ্ট্ৰব্যৱস্থাই 'জনগণ' নামৰ এটা বিমূৰ্ত সংজ্ঞাৰ নামত 'ব্যক্তি'ৰ মৰ্যাদাক যিভাবে লাঞ্ছিত আৰু অপমানিত কৰিছিল তাৰ বিৰুদ্ধে তীব্ৰ প্ৰতিক্ৰিয়া স্বৰূপেই আজি আৰম্ভ হৈছে প্ৰচণ্ড কমিউনিষ্ট বিৰোধী অভিযান"। এফালৰ পৰা চাবলৈ গ'লে, এনে ভাবাদৰ্শগত দুৰ্বলতাই ব্যক্তিৰ মানৱীয় মৰ্যাদাৰ প্ৰতি উদাসীন মনোভাব পোষণ কৰাটোকে সূচায়। কিন্তু ইতিহাসে কাৰো বাবেই অপেক্ষা নকৰে। ৰাছিয়াতো পুনৰ এবাৰ সেই কথা প্ৰমাণিত হ'ল। ব্যক্তি-মৰ্যাদাকেই হয়তো সকলো মানুহেই নিজৰ জীৱনতকৈয়ো মূল্যবান বুলি ভাবে, পলমকৈ হ'লেও এই কথা পুনৰ এবাৰ প্ৰমাণিত হৈছে। ইয়াত দোষ প্ৰকৃততে কাৰ, নেতৃত্বৰ নে জনগণৰ ? ইতিহাসে কালৈকো অপেক্ষা নকৰা অথবা কালৰ কুটিল গতি নামৰ 'সনাতন' সত্যৰ প্ৰকৃত অভিব্যক্তি কি ? কি "অৱস্থা"ৰ ওপৰত সেই অভিব্যক্তি নিৰ্ভৰশীল ? সমাজবাদী দেশত সৰলীকৃত আত্মসন্তুষ্টি আৰু সংকটাপন্ন পুঁজিবাদৰ নতুন জীৱন লাভৰ 'ৰহস্য' ক'ত ? বৈজ্ঞানিক ভাবাদৰ্শ আৰু অবৈজ্ঞানিক ভাবাদৰ্শৰ মাজৰ দ্বন্দ্বৰ নিৰসন প্ৰক্ৰিয়াৰ পৰিসমাপ্তি সঁচাই ঘটিল নে ?

(১২) কমিউনিষ্ট আন্দোলনত ব্যক্তিৰ দ্বাৰাই ব্যক্তিৰ নেতৃত্বত ব্যৰ্থতাৰ প্ৰশ্নটোৰো সমকালীন গুৰুত্ব অপৰিসীম। মাৰ্ক্সবাদী দৃষ্টিকোণৰ সচেতনতাই সৰ্বকালতে, ইতিহাসৰ সৰলীকৃত ব্যাখ্যা কৰি, সমাজত গতি নিৰ্ণায়ক ভূমিকা পালন কৰিব পাৰে নে নোৱাৰে, সেই কথা কালান্তৰৰ নানান জীৱন্ত অভিজ্ঞতাই প্ৰমাণ কৰিছে। ইতিহাসৰ গতিৰ বৈচিত্ৰ্যই প্ৰমাণ কৰিছে যে, লৰেন্সৰ অন্তৰ্দৃষ্টিৰ জ্যোতিত প্ৰোজ্জ্বল, ব্যক্তিৰ বৈচিত্ৰ্যপূৰ্ণ ভাবাদৰ্শগত জীৱনৰ গতিশীলতাও অৱধাৰিত। সেয়ে বোধহয়, যিকোনো নতুন অৰ্থনৈতিক স্বচ্ছলতাৰ আগ্ৰাসী প্ৰক্ৰিয়াত, প্ৰগতিশীল সচেতনতাৰ সৰলীকৃত কল্পনাতকৈ তাৰ বৈচিত্ৰ্যৰ বাস্তৱ ৰূপহে মূল কথা। ভাবাদৰ্শৰ এই স্বাধীনতা অপ্ৰতিৰোধ্য নেকি ? ছোভিয়েট ৰাছিয়াত 'ব্যক্তিৰ মানৱীয় মৰ্যাদা'ৰ প্ৰশ্নটো স্থগিত ৰাখি, সেই দেশৰ কালসিদ্ধ বাস্তৱ পৰিস্থিতিৰ ব্যাখ্যাৰ জৰিয়তে, কেৱল দেশপ্ৰেমৰ আদৰ্শেৰে, প্ৰগতিশীল ভাবাদৰ্শৰ প্ৰতি অনিৰ্দ্দিষ্ট কাললৈ আনুগত্য অটুট ৰখাটো সম্ভৱপৰ আছিল নে ? মাৰ্ক্সবাদৰ পশ্চাদপসৰণৰ বাবে যিবোৰ বস্তুনিষ্ঠ বাস্তৱক জগৰীয়া কৰা হয়, সেই বাস্তৱ কিহৰ ওপৰত নিৰ্ভৰশীল ? তাৰ বাবে মাৰ্ক্সৰ বৈজ্ঞানিক যুক্তিবাদেই

জগৰীয়া নে ? যদি নহয়, সেইবোৰ প্ৰয়োগৰ দায়িত্ব লোৱা ব্যক্তিৰ যি দুৰ্বলতাই জনগণক ব্যক্তি-মৰ্যাদাৰে সুৰক্ষাৰ বিষয়েই সন্দিহান কৰি তোলে, তেনে দুৰ্বলতা কি অৱস্থাৰ ওপৰত নিৰ্ভৰশীল ? লৰেন্সৰ জীৱন-জিজ্ঞাসা আৰু সাধনাই এই বিষয়ত আমাক কিবা জ্ঞানৰ যোগান ধৰে নেকি ? মাৰ্ক্সবাদৰ অনুপ্ৰাণিত জ্ঞানৰ জৰিয়তে ৰূঢ় বাস্তৱতাৰ সন্মুখীন নহৈ, ব্যক্তিয়ে নিজৰ চাৰিত্ৰিক দুৰ্বলতাৰ যি প্ৰতিক্ৰিয়া প্ৰকাশ কৰে (যেনে, ছোভিয়েট ৰাছিয়াত), সি কি কথাৰ ওপৰত নিৰ্ভৰশীল ?

(১৩) মাৰ্ক্সবাদৰ বিফলতাৰ যুক্তিতৰ্কত এই যুক্তি দিয়া হয় যে গণতন্ত্ৰৰ ঠাইত যেতিয়া আমোলাতন্ত্ৰই গা কৰি উঠিব (যেনে, ছোভিয়েট ৰাছিয়াত) তাত নতুন সম্ভাৱনা সম্পৰ্কে আশাবাদী জনসাধাৰণ বিক্ষুব্ধ হৈ উঠাটো স্বাভাৱিক কথা। কিন্তু আমাৰ প্ৰশ্ন হ'ল, ছোভিয়েট ৰাছিয়াত পৰিবৰ্তনৰ 'প্ৰকৃত স্বৰূপ' উম্ঘাটনত ৰুছ জনগণ বিফল হ'ল কিয় ? নতুনৰ নামত অথবা ব্যক্তিৰ মৰ্যাদাৰ নামত, মাৰ্ক্স বিৰোধী পৰিবৰ্তনত ৰুছ জনসাধাৰণে অনুমোদন জনাইছে কিয় ? ব্যক্তি স্বাধীনতাৰ প্ৰকৃত স্বৰূপ বুজাত তেওঁলোক এতিয়াও দ্বিধাবিভক্ত নেকি ? তাৰ সদুত্তৰ যথাসময়ত ছোভিয়েট বাসীয়েই দিব লাগিব।

(১৪) গোটেই বিশ্বতে নতুন পৰিবৰ্তনৰ ধুমুহা যিমানেই নুঠক লাগিলে, বৈজ্ঞানিক যুক্তিবাদৰ সত্যত প্ৰতিভাত সমাজ-বিকাশৰ মূল বৈশিষ্ট্য সমূহৰ অৱলুপ্তি নঘটাটো কিন্তু একেবাৰে আচৰিত কথা নহয়। ভুল-শুদ্ধৰ মাজেদিয়েই সমাজ বিকশিত হ'ব — ইয়েই সেই বৈজ্ঞানিক প্ৰক্ৰিয়াৰ বৈচিত্ৰ্য। কিন্তু সমাজ বিকাশত মাৰ্ক্সীয় অথবা লৰেন্সীয় দৃষ্টিকোণৰ প্ৰতীয়মান দ্বন্দ্বক স্বাভাৱিক পৰিণতি বুলি ধৰি ল'লেও, ইতিহাসৰ অগ্ৰগামী গতি ৰুদ্ধ কৰিব পৰা নেযাব।

(১৫) অন্তৰ্জগতৰ প্ৰতিকূলতাই অপ্ৰতিৰোধ্য বাস্তৱ সৃষ্টিশীলতাৰ সক্ৰিয়তাক বাধা দিব পাৰে নে ? তেনে প্ৰতিকূলতাই নতুন সৃষ্টি কৰাটো সম্ভৱ বা বিজ্ঞানসন্মত নহ'ব পাৰে, কিন্তু মানৱ সভ্যতাক নৈৰাজ্য আৰু ধ্বংসৰ গৰাহলৈ ঠেলি দিয়াত অৱশ্যেই ভূমিকা ল'ব পাৰে। এনেকাৰণতেই বোধহয়, লৰেন্সৰ বাবে অন্তৰ্জগতৰ প্ৰতিকূলতাই আছিল মূল সমস্যা। সেই সমস্যা সমাধান কৰাত তেওঁৰ ব্যক্তিকেন্দ্ৰিক প্ৰচেষ্টা ব্যৰ্থ হোৱাত আৰু সেইটো ব্যক্তিৰ ভাবাদৰ্শগত জীৱনৰ ধাৰাবাহিকতা ৰক্ষা কৰা অপৰিবৰ্তনীয় বৈশিষ্ট্য বুলি ধৰি লোৱাৰ বাবেই হয়তো, তেওঁ, বৈজ্ঞানিক যুক্তিবাদৰ পোহৰত, ব্যক্তিৰ মাজৰ সম্পৰ্কৰ নতুন সম্ভাৱনা লক্ষ্য কৰাতো বিফল হ'ল বুলি ক'ব পাৰি। আনকি সম্প্ৰতি মাৰ্ক্সবাদো সেই সমস্যা মোকাবিলা কৰাত ব্যৰ্থ বুলি প্ৰমাণিত হৈছে। এই বাবেই হয়তো লৰেন্সৰ জীৱন-দৰ্শন ঐতিহাসিক বাস্তৱৰ পটভূমিত, এটা এৰাই চলিব নোৱৰা সত্যৰ বাস্তৱ প্ৰকাশ মাথোন। সেই ঐতিহাসিক বাস্তৱৰ সংক্ৰমণৰ পৰা আমি মাৰ্ক্সবাদক ৰক্ষা কৰিব পাৰিলোনে ? নানা মাৰ্ক্সবাদীৰ বাবে লৰেন্স এটা অনাকাংক্ষিত দুঃস্বপ্ন-স্বৰূপ হ'লেও, তেওঁৰ শিল্পী জীৱনৰ গুৰুত্ব আচলতে তাতেই। মাৰ্ক্সবাদী দৃষ্টিকোণেৰে লৰেন্সৰ ব্যৰ্থতা জোখাটো সহজ কাম, কিন্তু তাৰ দ্বাৰা সমস্যাৰ সমাধান সম্ভৱ নহয় কিয় ? তাৰ বাবে আমি 'মাৰ্ক্সবাদী মতান্ধতা'ৰে অনিশ্চিত সময়লৈ অপেক্ষা কৰিব লাগিব নেকি ?

(১৬) মাৰ্ক্সীয় তত্ত্বৰ কালসিদ্ধ বিশ্লেষণ আৰু ৰূপায়ণৰ প্ৰসংগটোও ইয়াত বিচাৰ্য। কোৱা বাহুল্য হ'ব যে কমিউনিজমৰ পিতৃভূমি স্বৰূপ ছোভিয়েট ৰাছিয়াতেই তাৰ সম্ভাৱনাই আটাইতকৈ বেছি উজ্জ্বল আছিল; তাতেই যেতিয়া বিচ্যুতি ঘটিল, আমি এতিয়া কাৰ পৰা সেই আশা কৰো ? বৈজ্ঞানিক সমাজ বিকাশৰ মূল বৈশিষ্ট্যসমূহ অটুট ৰাখি, পশ্চিম ইউৰোপৰ তথাকথিত কালসিদ্ধ মাৰ্ক্সবাদ চৰ্চাই, সকলো ব্যক্তিৰে মানবীয় মৰ্যাদা সুৰক্ষিত কৰিব পৰাকৈ শোষণহীন শ্ৰেণীহীন গণতান্ত্ৰিক সমাজতন্ত্ৰ গঢ়ি তুলিব পৰাৰ ইংগিত বহণ কৰে নে নকৰে, সময়েহে প্ৰমাণ কৰিব পাৰিব।

(১৭) দেখা যায় যে প্ৰকৃত সত্যৰ তাৎপৰ্যতকৈ, ব্যক্তি-মৰ্যাদাৰ প্ৰবল পৰাক্ৰমী মানৱীয় সক্ৰিয়তাৰ প্ৰশ্নই সকলোধৰণৰ সমাজতেই অধিক মূল্যবান বুলি গণ্য হয়। কথাষাৰ ভাবাদৰ্শৰ ইতিহাসৰ পৰম্পৰাৰ ধাৰাবাহিকতায়ো (Tradition) নিৰন্তৰভাবে সমৰ্থন কৰি আহিছে। সকলো নিষ্ঠাবান মাৰ্ক্সবাদীকে এতিয়ালৈ এই স্পৰ্শকাতৰ বিষয়টোৱে এটা কুটিল দুঃস্বপ্নৰ দৰেই হয়তো পিছ ল'বলৈ আৰম্ভ কৰিছে। এই 'চিৰন্তন' দ্বন্দ্বৰ সজীৱ অভিজ্ঞতা আৰু মানৱীয় উপলব্ধি কৰিব পৰাৰ বাবেই লৰেন্স নিজৰ মতত অটল থাকিল নেকি ? অমোঘ সত্যৰ প্ৰতিষ্ঠাৰ দাবীত প্ৰগতিশীল ভাবাদৰ্শৰ মানৱীয় সংগ্ৰামকো, সেই কুটিল দুঃস্বপ্নই হয়তো অনন্তকালেই বিপৰ্যস্ত কৰিবলৈ চেষ্টা কৰিব। কিন্তু সময় বৰ নিষ্ঠুৰ। প্ৰকৃত সত্যৰ অগ্নিপৰীক্ষা তাৰ মাজেদিয়েই চলি থাকিব, সেইটোও অৱধাৰিত। আৰু এদিন নিষ্ঠুৰ সময়েই এই পৰীক্ষাৰ ফলাফল নিৰ্দ্ধাৰণ কৰিব।

(১৮) বিশ্ব সাম্যবাদী আন্দোলনৰ সাম্প্ৰতিক ব্যৰ্থতাৰ নানান আলোচনাত প্ৰত্যক্ষ আৰু বস্তুনিষ্ঠ বাস্তৱ কাৰণসমূহৰ গুৰুত্ব সৰ্বাধিক হ'লেও, প্ৰচ্ছন্ন ৰূপত ক্ৰিয়াশীল, ব্যক্তিৰ সুৰক্ষিত মনস্তত্ত্বৰ কথাটোও যে এৰাই চলা উচিত নহয়, সেই কথাত আমি বোধহয় একেবাৰেই গুৰুত্ব আৰোপ নকৰো। উদাহৰণ স্বৰূপে, ছোভিয়েট ৰাছিয়াৰ সাম্প্ৰতিক পৰিবৰ্তনৰ ঘটনাৱলী বিশ্লেষণ কৰোতে উদ্যোগৰ (Industries) ক্ষেত্ৰত ভোগ্যপণ্যৰ লঘু শিল্পত, ৰাষ্ট্ৰই কিছুমান অন্যান্য জৰুৰী প্ৰয়োজনৰ বাবে বিশেষ জোৰ দিব নোৱৰাটোকো, নিশ্চয় গণ অসন্তুষ্টিৰ এটা প্ৰধান কাৰণ হিচাপে ব্যাখ্যা কৰিব পৰা যাব। কিন্তু প্ৰশ্ন উঠে, যি তত্ত্ব, ভাবাদৰ্শ আৰু আত্মত্যাগৰ বলত সেই দিশত জনগণৰ সকলোৰে বাবে উৎপাদনৰ উপযোগী সমাজ-ব্যৱস্থাৰ উদ্ভৱ হ'ল; সেই তত্ত্বৰ জোৰ, ভাবাদৰ্শৰ প্ৰভাৱ আৰু আত্মত্যাগৰ স্পৃহা পিছলৈ কি কাৰণত টুটি আহিল বা অচল যেন অনুভূত হ'ল ? বৈপ্লৱিক ভাবাদৰ্শেৰে সঞ্জীৱিত কৰ্মোদ্যম ইমানেই ক্ষণস্থায়ী নে ? সমাজতন্ত্ৰৰ সুফলবোৰৰ সুৰক্ষাৰ দায়ত, মহান দেশপ্ৰেম আৰু আত্মত্যাগেৰে উদ্বুদ্ধ হৈ জনগণে কিয় সেই প্ৰত্যাহ্বান ৰূপত থিয় দিয়া অনিবাৰ্য আৰু জৰুৰী পৰিস্থিতি মূৰ পাতি নল'লে ? কোৱা বাহুল্য হ'ব যে এনেকুৱা নানান উদাহৰণে ব্যক্তিৰ ইতিহাসত দণ্ডায়মান এটা বিশেষ বৈশিষ্ট্যৰ সেই অৱহেলিত দিশটোহে প্ৰতিফলিত কৰে, যাৰ সম্পৰ্ক প্ৰত্যক্ষ আৰু বস্তুনিষ্ঠ বাস্তৱ কাৰণসমূহৰ লগত ওতঃ-প্ৰোত। নক'লেও চলিব যে যোৱা ১৯৮৯ চনত সংঘটিত হোৱা চীনৰ ছাত্ৰ-বিক্ষোভৰ **(The Beijing Turmoil)** ক্ষেত্ৰতো এই অৱহেলিত দিশটোৰ ক্ৰিয়া-প্ৰক্ৰিয়া লক্ষ্য কৰিব পাৰি। ইয়াত মন কৰিবলগীয়া কথা এইটোৱেই যে কাৰ্ল মাৰ্ক্সে ভাবাদৰ্শৰ যি সক্ৰিয় চৰিত্ৰৰ প্ৰতি (The active role played by ideas) গুৰুত্ব আৰোপ কৰি গৈছে, তাৰ 'বৈচিত্ৰ্য'ৰ পোহৰত, ব্যৰ্থতাৰ প্ৰত্যক্ষ আৰু বস্তুনিষ্ঠ বাস্তৱ কাৰণসমূহ বিশ্লেষণ কৰিবলৈ সক্ষম হ'লেহে, ভুল সংশোধনৰ লগতে নতুন প্ৰগতিশীল কাৰ্যব্যৱস্থাৰ ন্যায়-বিচাৰ বাস্তৱত সম্ভৱ হ'ব।



# এটা নিশাৰ কাহিনী

নিতালী বৰগোহাঞি



অংকন: চম্পক বৰবৰা

সি নিশা, স্বামীৰ সৈতে দৈহিক মিলনৰ পাছত, মই সেই সপোনটো দেখিছিলো, প্ৰায়ে এই সপোনটো দেখিছিলো মই, সৰুৰে পৰা দেখি আহিছো। কোন এই দেৱদূত, পুৱা সাৰ পাই হয়তো পাহৰি যাওঁ। কিন্তু বিবাহিত জীৱনত, এই সপোনটো সিনিশাহে দেখিছিলো। বহুদিনৰ অন্তত, সেইজন দেৱদূতৰ লগত মোৰ সাক্ষাৎ হৈছিল।...........

এটা আন্ধাৰ, চাৰিওফালে বন্ধ গুহা, অকলশৰীয়াকৈ বন্দিনী মই। ওলাবৰ বাট বিচাৰি হাহাকাৰ কৰি অৱশেষত ভাগৰত বহি পৰিলো। মই কান্দিছো; মোৰ দুচকুৰে অশ্ৰুবন্যা নিগৰিছে। হঠাৎ এক উজ্জ্বল পোহৰে মোৰ চকু চাট মাৰি ধৰিলে। আৱিৰ্ভাৱ হ'ল শুকলা দাড়িৰে, শুধ বগা সাজ পৰিহিত এজন বৃদ্ধৰ, তেওঁৰ দেহৰ পৰা পোহৰ নিগৰিত হৈছে। বহু যেন সকাহ পালো। আকুল ভাবেৰে সুধিলো মই — "কোন তুমি ? মোক ওলাবৰ বাট দেখুৱাবানে ?" স্মিত হাঁহিৰে বৃদ্ধই কলে — "পোহৰৰ সন্ধান কৰা, মোক চিনি পাবৰ চেষ্টা কৰা।" বৃদ্ধ হেৰাই গৈছিল সেই ঘন ক'লা অন্ধকাৰৰ বুকুত। মই চিঞৰিছো — "চান্টাক্লজ ? দেৱদূত ?............. ক'ত তুমি ?"............. বৃদ্ধৰ মাত ৰিণিকি ৰিণিকি শুনিছো। "মোক চিনি পাবৰ চেষ্টা কৰা, পোহৰৰ সন্ধান কৰা।"

আজি পুৱা স্বামীৰ সৈতে গাড়ীৰে ওলাই যাওঁতে, বহুদিনৰ মূৰত মই তাক প্ৰত্যক্ষ কৰিছিলো। এক পলক; মাত্ৰ এটি মুহূৰ্তৰ বাবে আমাৰ দৃষ্টিৰ বিনিময় হৈছিল। মই চাইছিলো তালৈ, সিয়ো চাইছিল। তাৰ পাছত আক্ৰোশৰ বিকট হাঁহি এটা মাৰি, অকলে অকলে ভুন ভুনাই সি গুচি গৈছিল। আমাৰ গাড়ী চলিছিল; মোৰ দুচকুত যে তেতিয়া পানী !...........

সি মানে, মই তাহানিতে সৰুতে দেখা আমাৰ ঘৰৰ কাষৰ, আদহীয়া সেই বলিয়াটোৰ কথা কৈছো। অকলে অকলে কথা পাতে, হাঁহে, কান্দে, চুলি আজোৰে, খকমকাই সাৰ পাই উঠাৰ দৰে সি কিবা অনামী যন্ত্ৰণাত বুকুখন খামুচি ধৰি চটফটাই উঠে। সি হেনো মাজনিশাও ৰাষ্টাত খোজকাঢ়ে, খোজকাঢ়ে সি ধুমুহা বতাহ আৰু বৰষুণতো। খাল-বিল, ঘোলা বোকাতো সি যেন খুপি খুপি কিবা বিচাৰে, তাৰ পাছত হতাশ হৈ সেই আক্ৰোশৰ বিকট হাঁহিটো মাৰে। আমাৰ ঘৰৰ বহাকোঠাৰ খিৰিকিয়েদি মই তাক চাই থাকো। মানুহে কয় সি কবি আছিল, সিহঁতে কয় সি পাগল, মোৰ বয়সৰ সৰু সৰু ল'ৰাবোৰে তাৰ গালৈ শিলগুটি দলিয়ায়। সি তাহাঁতক একো নকৰে। সিহঁতে চিঞৰে — "পাগল, পাগল আহিছে, সি সিহঁতলৈ নিষ্পলক ভাবে চাই ৰয়। আচৰিত, মোৰ দেখোন তাৰ সতে কথা হবৰ মন যায় !..............

আজি ৰাতিপুৱা ১২টা বছৰৰ পাছত মই তাক প্ৰত্যক্ষ কৰিছিলো। মই তাক স্বচক্ষে দেখিছিলো। সেই একেই ফটা সাজ, জপৰা চুলি, বয়সৰ আচোঁৰে তাক বুঢ়া কৰি পেলালে, থৰক-বৰক খোজ তাৰ। সি বাৰু এইখন চহৰত কৰপৰা কেনেকৈ ওলালহি, তাক দেখি অজানিতে মই কান্দিছিলো। মোৰ দুচকুত তেতিয়া যে পানী !.............

মোৰ স্বামী এজন চিকিৎসক, আজৰি সময় তেখেতৰ হাতত একেবাৰে নাই। দিন-ৰাতি ৰোগীক লৈয়ে ব্যস্ত, চাহ-বাগিচাৰ হাস্পাতালখনৰ বাহিৰেও চহৰতো প্ৰাইভেট প্ৰেক্‌টিচ্ কৰে, অজস্ৰ টকা আমাৰ, মই মোৰ স্বামী আৰু আমাৰ মধুমিলনৰ স্বাক্ষৰ কণমাণি লুয়েনাজনী। লুয়েনা; দেউতাকে দিয়া নাম কি ভাবি দিলে নাজানো। মই

ভাবিছিলো, তাইক 'বিপাশা' নাম দিম। নাই মোৰ কোৱাই নহ'ল! বৰ মৰম লগাজনী হৈছে তাই।.............

যান্ত্ৰিক মনটোৰ মাজতো মোৰ স্বামীৰ এক মৰমিয়াল মন আছে। কামনা বাসনা, আৱেগিক অনুভূতিৰে ভৰা এক সাধাৰণ মন। ৰোগীৰ সতে পৰিশ্ৰমৰ অন্তত ভাগৰত ক্লান্ত হৈ, নিশা মানুহজনে মোৰ বুকুৰ মাজত মূৰ গুজি শিশুৰ দৰে কুচি মুচি নিশ্চিন্তমনে প্ৰশান্তিত টোপনি যায়।.........

বিপাশা, অ নহয় লুয়েনা আজিকালি আমাৰ সৈতে নোশোৱে। সিটো কোঠাৰ এখন বিছনাত অকলে শোৱে। অৱশ্যে তলৰ পকাত তাইৰ ওচৰতে আয়াজনী শোৱে। লুয়েনা এতিয়া স্কুললৈ যাব পৰা হ'ল।..........

মোৰ কাষতে মোক সাবটি ধৰি শুই থকা মোৰ স্বামীলৈ চালো। টোপনিত লালকাল। কাষৰ কোঠাত মোৰ কন্যাও হয়তো গভীৰ টোপনিৰ কোলাত। তাই চাগে সপোন দেখিছে; স্কুলৰ টিচাৰে আজি তাইক কি কলে। সমনীয়া – মাৰিয়া, চালমা, জিলমিলহঁতৰ লগত কি খেলিলে। আজি বহু বছৰ মই শুব পৰা নাই। মাজৰাতিও সাৰ পাই যাওঁ, কাষতে মোৰ স্বামী আৰু সিপাৰে লুয়েনাই হয়তো টোপনিত বাগৰ সলায়। শৰীৰত, মনত এক অদ্ভুত কুটকুটনি অনুভৱ কৰো, বুকুখনে হাহাকাৰ কৰি উঠে। বুকু ভাঙি একো ওলাই নাহে যে! স্বামীৰ মূৰটো জোৰকৈ বুকুত সাবটি ধৰো, শুবৰ চেষ্টা কৰো।............ তাক মই সপোনত দেখো, সি মোক উপহাস কৰে। অথচ আজি প্ৰায় ১০-১১ বছৰে মোৰ সচেতন, অৱচেতন আৰু অচেতন মনে তাৰ কথা এবাৰলৈও ভবা নাছিল!.............

কেনে নিশ্চিন্তমনে মোৰ স্বামীয়ে টোপনিয়াইছে। মানুহজনলৈ মোৰ হিংসা লাগি গ'ল। মোৰ জীৱন নিঃসন্দেহে সকলো ফালৰ পৰা পৰিপূৰ্ণ, লোকদৃষ্টিত! স্বামীৰ বুকুভৰা মৰমৰ মাজত মই হেৰাই যোৱাৰ চেষ্টা কৰিছো। মোৰ ফালৰ পৰা কোনো কৃপণালী মই কৰা নাই। যুগ্ম জীৱনত কোনো কালেই আমাৰ মনোমালিন্য হবলৈ মই দিয়া নাই। স্বামীৰ ইচ্ছাৰে, তেওঁৰ সুখত সুখী, দুখত দুখী হৈ মই সংসাৰখন সজাইছো। মোৰ স্বামীয়েও মোক সেয়ে গভীৰ ভাবে ভাল পায়। বিশ্বাস কৰে, মই জানো, মোক কেন্দ্ৰ কৰিয়েই তেওঁৰ জীৱনৰ চকৰি ঘূৰিছে। কিন্তু? কিন্তু, তেৱেঁই মোৰ সকলো নহয়। তেওঁক কেন্দ্ৰ কৰি মই নহয়। তেওঁ এইবোৰ নাজানে, জানিবলৈ মই কাহানিও দিয়া নাই। মোৰ হৃদয়ৰ কোনো এডোখৰ যেন শূন্য, কৰবাত যেন কিবা এটা নাই। আমি ইমান ওচৰত; অথচ ইমান দূৰত! মোৰ বুকুত মূৰ গুজি, মোক সাবটি ধৰি নিশ্চিন্তমনে শুই থকা মোৰ স্বামীয়েও নাজানে।..............

মোৰ কল্পনাৰে, নিজকে স্কুলীয়া জীৱনৰ পৰাই কলেজৰ অধ্যাপিকাৰ ৰূপত সজাইছিলো। এম এ পৰীক্ষাৰ পাছত এওঁৰ সৈতে মোৰ বিয়া হৈ যায়। আমাৰ বিয়াখন, নিজৰ পছন্দ অনুসৰি আমি নিজেই ঠিক কৰি ঘৰত জনাইছিলো। মই, আমি হৈ গৈছিলো। তাৰ পাছত এই আঠ বছৰে মই তেওঁৰ সৈতে আছো। বিবাহিত জীৱনত আমি বহুজনতকৈ বহু সুখী। কাৰোৰে কোনো আক্ষেপ নাই। পৰস্পৰে পৰস্পৰৰ মাজত হেৰাই গৈছিলো। চাহ-বাগিচাৰ প্ৰাকৃতিক শোভাই আমাক উতলা কৰি তুলিছিল। বিয়াৰ এবছৰ কেনেকৈনো গ'ল, মই কবই নোৱাৰিলো।..........

অ' মই ইংৰাজীত ভালকৈয়ে এম এ পাছ কৰিছিলো। বিয়াৰ এবছৰৰ পাছতে মই ওচৰৰ কলেজ এখনতে অধ্যাপিকাৰ চাকৰি পাইছিলো। খুবেই আনন্দ লাগিছিল। সন্ধিয়া উৎসাহেৰে এপইন্টমেন্ট লেটাৰখন তেওঁক দেখুৱাইছিলো। মোক আচৰিত কৰি তেওঁ কৈ উঠিল – "কি? তুমি চাকৰি কৰিবা? এহঃ নালাগেহে! থোৱা, থোৱা, মই মানুহটো থাকোতে তুমি চাকৰি কৰি ঘৰ চলাব নেলাগে, দৰকাৰ নাই, ঘৰতে থাকিবা" তেওঁৰ আশাত চেঁচা পানী ঢলাৰ আৰু ইচ্ছা নহ'ল। নিশ্চুপ হৈ ৰলো। সিনিশা মই কান্দিছিলো, তেতিয়াৰ পৰা সেই বলিয়া কবিটোক সপোনত দেখিবলৈ ললো। সি মোক উপহাস কৰে। ব্যক্তিগতভাবে সম্পৰ্কবিহীন মানুহটোৰ লগত কি যে আধ্যাত্মিক যোগসূত্ৰ! এক ৰক্তিম যন্ত্ৰণা!

পাছৰ বছৰ শীতত আমাৰ মাজলৈ লুয়েনা আহিছিল, ময়ো ব্যস্ত হৈ পৰিলো মোৰ সংসাৰখনক লৈ, লুয়েনাৰ থুনুক-থানাক মাতে আমাৰ ঘৰ মুখৰিত কৰিছিল। আমি দুটাই ক'ত যে কল্পনা কৰিছো লুয়েনাক লৈ, লুয়েনাৰ চাৰিবছৰ বয়সত তাইক চহৰৰ কনভেন্ট স্কুলখনত নাম লগাই দিছিলো। ড্ৰাইভাৰে তাইক অনা-নিয়া কৰে। লুয়েনা ঘৰত নথকা সময়খিনি মোৰ বুকুখন উদঙ হৈ পৰে; হৃদয়ৰ কোনোৱা কোণত যেন অসহ্য বিষ! লুয়েনাৰ এতিয়া ৬ বছৰ হৈছে। স্কুললৈ যোৱাৰ পৰা এই দুবছৰ ঘৰখনত মই অকলশৰীয়া হৈ পৰিছো। ৰাতিও লুয়েনাই আয়াৰ সতে একেটা কোঠাতে শোৱে, দেউতাকে তাইক এটা সুকীয়া কোঠা দি দিছে। ওচৰৰ মানুহবোৰৰ লগতো মোৰ সিমান সংস্পৰ্শ নাই। ডাক্তৰৰ পত্নী মই, এক অদৃশ্য অস্পৃশ্যতাৰ দেৱালে মোক বাধা দি ৰাখিছে, মেনেজাৰৰ মেম পত্নী সকলৰ লগত সান্নিধ্য বঢ়োৱাৰ পক্ষপাতি মই নহয়। আমাৰ জীৱনৰ মাজত সামঞ্জস্য নাই। অসমীয়া মনেৰে গঢ়া ছোৱালী মই। মাজে মাজে সামাজিক অনুষ্ঠানবোৰলৈ স্বামীৰ সৈতে যাওঁতে লগ পাওঁ। সিমানেই। জীৱনে এক বেলেগ ফালে গতি কৰিলে।............

হৃদয়ৰ কুটকুটনিতো আজিকালি মোৰ প্ৰায়ে অনুভূত হয়। আক্ষেপ অৱকাশৰ সুযোগ মোৰ নাই। বুকুফাটি একো ওলাই নাহে নে! কৰ্মব্যস্ত স্বামী মোৰ। বলিয়া কবিটোৰ সপোন দেখা এক নিত্যনৈমিত্তিক ঘটনা হৈ পৰিল। সৰুৰে পৰা দেখি অহা দেৱদূতজনৰ সপোনৰ ঠাই, এই সপোনটোৱে দখল কৰি পেলালে। উপহাস কৰি বলিয়াটোৱে মোক হাঁহে। সদায় কয় – "তোৰ, মোৰ মাজত পাৰ্থক্য কি ছোৱালী? We are in the same boat brother. তোৰ মোৰ অপ্ৰকাশৰ তাড়নাৰ মাজত পাৰ্থক্য কি? হাঃ হা ঃ হা ঃ We are in the same boat brother. হাঃ হাঃ হাঃ .............।" সপোনটো দেখাৰ পাছত সাৰ পাই যাওঁ মই। কবিতাৰ অপ্ৰকাশ, ইচ্ছাৰ অপ্ৰকাশ পাৰ্থক্যবিহীন। স্বামীৰ মূৰটো বুকুত গুজি শুৱৰ চেষ্টা কৰো, টোপনি নাহে। কি যে এক ৰক্তিম যন্ত্ৰণা।............. আজি পুৱা স্বামীৰ লগত গাড়ীৰে যাওঁতে মই তাক প্ৰত্যক্ষ কৰিলো! তাক মই স্বচক্ষে



দেখিলো, সুদীৰ্ঘ বাৰ বছৰ পাছত। তাক দেখি মই কান্দিছিলো! মোৰ দুচকুত তেতিয়া যে পানী!

..............আন্ধাৰলৈ মই ভয় কৰো, সেয়ে প্ৰতিনিশা, মোৰ কোঠাত জ্বলি থাকে এটা ডিমলাইট। অদূৰৰ পৰা বাগানৰ এক বজাৰ সঙ্কেত ভাহিছে। স্বামীৰ মূৰটো বুকুত হেঁচি ধৰিছো। তেওঁ সাৰ পাই উঠিল। মই জানো; এয়া মোৰ চকুলৈ চাই মোৰ স্বামীয়ে মোক মিলনৰ ইংগিত দিছে। স্বামীৰ এই দেহ, এই মনটোক মই সম্পূৰ্ণ নিজৰ ভাবে পাইছো। সেয়ে এই দৃষ্টিৰ অৰ্থ মোৰ চিনাকি। নিশ্চয় এয়া দৈহিক মিলনৰ আহ্বান, তেওঁৰ তপত নিশ্বাসে, উষ্ম চুম্বনে মোৰ ওঁঠ আৰু মুখ স্পৰ্শ কৰিছে। স্বপ্নবিষ্ট ভাবেৰে ময়ো তেওঁক সাবটি ধৰিলো। আমি দুয়ো এক হৈ পৰিলো। অৱশেষত ক্লান্তিয়ে আমাক টোপনিৰ কোলালৈ আহ্বান কৰিলে। কাষৰ কোঠাত লুয়েনাহঁতো হয়তো টোপনিত মগ্ন।..............

আচৰিত, সিনিশা স্বামীৰ সৈতে মিলনৰ পাছতেই মই সেই সপোনটো দেখিছিলো। সৰুৰে পৰা দেখি আহিছো সপোনটো মই। কিন্তু বিবাহিত জীৱনত সেই সপোনটো সিনিশাহে দেখিছিলো।..............

আন্ধাৰ গুহা বন্দিনী মই, জ্যোতিষ্মান, শুকুলাদাড়িৰে শুধ বগা মাজেৰে আবৃত্ত সেই বৃদ্ধ; তেওঁ কৈছিল – "মোক চিনি পাবৰ চেষ্টা কৰা, পোহৰৰ সন্ধান কৰা", বৃদ্ধ হেৰাই গৈছিল সেই আন্ধাৰৰ মাজত। মই এইবাৰ বৃদ্ধক চিনি পালো, মই কান্দিছো, মোৰ দুচকুৰে অশ্ৰুবন্যা নিগৰিছে। মই দৌৰিছো, বৃদ্ধৰ সন্ধানত বহুদিনৰ মূৰত চান্টাক্লজৰ দৰে দেৱদূতজনক মই লগ পাইছো, মই চিঞৰিছো – "দেৱদূত? মোৰ বিবেক মোক আতঁৰি ক'ত আছিলা তুমি, নাযাবা, মোক এৰি নাযাবা। মই আন্ধাৰ গুহা এৰি যাবতো নোৱাৰো। বন্দিনী মই, কিন্তু মোক পোহৰ দিয়া, জ্ঞানৰ পোহৰ দিয়া হে গুৰু মোৰ; মই অজ্ঞান আন্ধাৰ ফালি জ্ঞানৰ পোহৰ বিলাওঁ।"

............."সঁচাই?" দেৱদূতে বিশাল বাহুদ্বয়ৰ মাজত মোক সুমুৱাই ললে! মই সাৰ পালো।..............

মই কান্দিছো, কেৱল কান্দিছো, মোৰ বেদনাৰে চিৰসঙ্গী, মোৰ গাৰুটো চকুৰ পানীৰে ভৰি পৰিছে; মোৰ চকু দুটা ফুলি উঠিছে। কি যে তেজৰঙা যান্ত্ৰণা! বুকুফাটি একোকে ওলাই নাহে যে!

মোৰ স্বামীও সাৰ পাই গ'ল, তেওঁৰ হাতে মোৰ মূৰ স্পৰ্শ কৰিছে, তেওঁ সুধিছে, "কি হ'ল সোণ মোৰ? কি হ'ল তোমাৰ? সপোন দেখিলা নেকি?" মই উচুপিছো, মোৰ মূৰটো স্বামীৰ বুকুত জোৰেৰে সুমুৱাই দিলো। বৰ নিৰাপদ যেন লাগিল। সঙ্কোচ আঁতৰি গ'ল। কুকুৰাৰ ডাক কাণত পৰিল; লুয়েনায়ো সিটো কোঠাত গুণগুণাইছে, হয়তো ৰাতি পুৱাল; এটা নিশাৰ অন্ত পৰিল। চাহৰ টেবুলত বহি আজি মই স্বামীক, মোৰ অন্তৰ্দ্বন্দ্ব জনাম, মই আপেক্ষাৰতা..............., দৃঢ় সঙ্কল্পবদ্ধা!............. ❖

চাব দেই–আপোনাৰ সোনমণিৰ যেন এই মিঠাহাঁহিটো ম্লান হৈ নাযায় যি বহনক্ষমতা এতিয়াই তাইৰ ওপৰত জাপি দিয়া হৈছে।




আপুনি জানেনে তাই এতিয়া সবাতোকৈ বেছি কিহৰ প্ৰয়োজন?



ব্ৰেনোলিয়া

ব্ৰেনোলিয়া কেমিক্যাল ওয়াৰ্কস
কলিকাতা-৩১ দূৰভাষঃ ৪১০০৬৯

# অসমৰ ভূমিহীন জনজাতীয় কৃষি শ্ৰমিকৰ সমস্যা

ড° যতীন মিপুন

কৃষি প্ৰধান দেশ ভাৰতবৰ্ষত ভূমিহীন কৃষি শ্ৰমিকৰ সমস্যা এক সাৰ্বজনীন সমস্যা। যদিও দেশৰ সৰ্বতো প্ৰকাৰৰ উৎপাদনৰ প্ৰায় পঞ্চাশ শতাংশৰো অধিক উৎপাদন কৃষি ক্ষেত্ৰৰ পৰাহে আহে তথাপিও ভাৰতৰ কোটি কোটি কৃষক তথা ভূমিহীন কৃষি শ্ৰমিকে বছৰৰ বহুকেইটা মাহ অৰ্দ্ধহাৰে-অনাহাৰে দিন কটাবলগীয়া হয়। এনে এক দুখ লগা তথা দুৰ্ভাগ্যজনক পটভূমিত অসমৰ ভূমিহীন জনজাতীয় কৃষি শ্ৰমিকৰ সমস্যাৰ ওপৰত চমুকৈ আলোকপাত কৰা হওক।

অসমৰ জনজাতীয় বসতিপূৰ্ণ এলেকা সমূহলৈ লক্ষ্য কৰিলে দেখা যাব যে প্ৰায়বোৰ জনজাতি, যেনে, বড়ো, ৰাভা, মিচিং, দেউৰী, কাৰবি, ডিমাছা আদিয়ে নদীৰ পাৰত, পাহাৰত নতুবা সংৰক্ষিত বনাঞ্চলৰ বেদখল কৰা মাটিত বসবাস কৰি আছে। বেছিভাগ জনজাতীয় লোকৰে নিজস্ব স্থায়ী বন্দৱস্তিৰ মাটিৰ অভাৱ। বিশাল ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে কোকৰাঝাৰ আৰু ধুবুৰী জিলাৰ পৰা ধেমাজি জিলালৈ আৰু দক্ষিণপাৰে গোৱালপাৰা জিলাৰ পৰা তিনিচুকীয়া জিলা পৰ্যন্ত জনজাতি বসতিপূৰ্ণ অঞ্চলবোৰলৈ মন কৰিলেই এই কথা ওলাই পৰে। স্বায়ত্ত শাসিত পাহাৰীয়া জিলা দুখন আৰু বৰাক উপত্যকাৰ জনজাতি সকলৰ ক্ষেত্ৰতো স্থায়ী মাটি বন্দৱস্তিৰ কথাটো তথৈবচ। অৰ্থাৎ কৃষিজীৱী জনজাতি সকলৰ কৃষিৰ উপযোগী মাটিৰ অভাৱেই ভূমিহীন জনজাতীয় কৃষি শ্ৰমিক উদ্ভৱ হোৱাৰ মূল কাৰণ। কেনেবাকৈ যদি অকণমান মাটি-ভেটি আছেও ই এটা পৰিয়াল ভৰণ-পোষণৰ বাবে যথেষ্ট নহয়। তাৰ উপৰি নৈপৰীয়া জনজাতি এলেকাত প্ৰতিবছৰে হোৱা বানপানী আৰু গৰাখহনীয়াই খেতি পথাৰ নষ্ট কৰাত, সংৰক্ষিত বনাঞ্চলৰ দাঁতি কাষৰীয়া জনজাতীয় গাঁৱত বনৰীয়া জীৱ-জন্তুৱে ধান খেতি তথা অন্য শস্যৰ খেতি নষ্ট কৰাত, জনজাতীয় বসতিপূৰ্ণ অঞ্চলত দেশী-বিদেশী প্ৰব্ৰজনকাৰীয়ে মাটি কিনা বা দখল কৰিবলৈ লোৱা কাৰ্যই অসমৰ জনজাতি সকলৰ আৰ্থিক অৱস্থা তেনেই জুৰুলা কৰি পেলাইছে। ফলস্বৰূপে অসমৰ ভূমিহীন জনজাতীয় কৃষি শ্ৰমিকৰ সমস্যাই এক ডাঙৰ সমস্যা হিচাপে দেখা দিব লাগিছে।

সৰ্বভাৰতীয় ভূমিহীন কৃষি শ্ৰমিকৰ যি সমস্যা অসমৰ ভূমিহীন জনজাতীয় কৃষি শ্ৰমিকৰ ক্ষেত্ৰতো প্ৰায় একেবোৰ সমস্যাই বুলিব পাৰি যদিও কিছু ক্ষেত্ৰত অসমৰ ভূমিহীন জনজাতীয় কৃষি শ্ৰমিকৰ সমস্যাৰ নিজস্ব বৈশিষ্ট্য থকা দেখা যায়। সাধাৰণতে দেখা যায় যে ভূমিহীন জনজাতীয় কৃষি শ্ৰমিকে নিজ গাঁও বা অঞ্চলৰ নিজ জনজাতিৰ বিত্তবান পৰিয়াল বা মিতিৰ-কুটুমৰ ঘৰতহে কৃষি শ্ৰমিক হিচাপে কাম কৰাটো বাঞ্ছা কৰে। আনৰ তাত খেতি কৰি দিয়াটো আত্ম সন্মানত আঘাত পোৱা যেন ভাব হয়; উদ্যোগ বা কল-কাৰখানাত শ্ৰমিক হিচাপে কাম কৰিলে যিটো ভাব সাধাৰণতে নাহে।

খেতিৰ বতৰত, খেতি লগোৱা বা চপাবৰ সময়ত একে গাঁৱৰে বা ওচৰ-চুবুৰীয়া একে জনজাতিৰ বিত্তবান পৰিয়ালত কৃষিৰ কামত সহায় কৰিবৰ বাবে ভূমিহীন জনজাতীয় কৃষি শ্ৰমিকে ধান-চাউল নতুবা টকা আগধন হিচাপে লোৱা দেখা যায়। এনে আগধন কোনো বিশেষ হিচাপত লোৱা সাধাৰণতে দেখা নাযায়। বিত্তবান পৰিয়ালে যি ইচ্ছা কৰে বা যি হিচাপত আগধন আদায় দিয়ে তাতেই ভূমিহীন জনজাতীয় কৃষি শ্ৰমিকে সন্তুষ্ট থাকিব লগীয়া হয়। কাৰণ জনজাতীয় অধ্যুষিত অঞ্চল সমূহত খেতিৰ উপযোগী মাটিৰ ইমানেই অভাৱ হ'ব লাগিছে আৰু ভূমিহীন জনজাতীয় কৃষি শ্ৰমিকৰ হাৰ ইমানেই বাঢ়িছে যে কোনো কৃষি শ্ৰমিকে যদি দিন মজুৰি বঢ়াই বা দাবী কৰে তেনে শ্ৰমিকে কাম নাপাই নিবনুৱা হোৱাৰ সম্ভাৱনাই বেছি। কৃষি শ্ৰমিক হিচাপেও নিবনুৱা হ'ব লাগিলে তেনে শ্ৰমিকৰ পৰিয়ালে হাহাকাৰ অৱস্থাত পৰি অনাহাৰে দিন নিয়াব লাগিব। এনে কাৰণতে বিত্তবান পৰিয়ালে শ্ৰমদানৰ নামত যি টকা-পইছা বা ধান-চাউল দিয়ে তাতেই ভূমিহীন জনজাতীয় কৃষি শ্ৰমিকে সন্তুষ্ট থাকিবলগীয়া হয়।

অসমৰ ভূমিহীন জনজাতীয় কৃষি শ্ৰমিকৰ নিৰক্ষৰতা আৰু সৰলতাও তেওঁলোকৰ বাবে ডাঙৰ সমস্যা হৈ দেখা দি আহিছে। নিৰক্ষৰতা আৰু স্বভাৱজাত সৰলতাৰ বাবে গোটেই বছৰ বিত্তবান পৰিয়ালত কৃষি শ্ৰমিক হিচাপে কাম কৰিও হিচাপত কিমাননো টকা পাব লাগে বা কিমান ধান-চাউল পাব লাগে তাৰ হিচাপ নাৰাখে অৱশ্যে বৰকৈ হিচাপ ৰাখিলে, অজস্ৰ শ্ৰমিক থকা বাবে, হিচাপ ৰাখোতাজনৰ নিবনুৱা হোৱাৰ সম্ভাৱনাৰ কথাটো অনবৰত ক্ৰিয়া কৰি থাকে। সেয়ে হিচাপ-পত্ৰত বিশেষ আগ্ৰহ নাথাকে। ইয়াৰ ফলস্বৰূপে অৰ্দ্ধাহাৰে কোনোৰকম দিনবোৰ পাৰ কৰি দিব পাৰিলেই ভূমিহীন জনজাতীয় কৃষি শ্ৰমিকে যথেষ্ট বুলি ধৰি লোৱা দেখা যায়।

নিৰক্ষৰ ভূমিহীন জনজাতীয় পুৰুষ আৰু তিৰোতাই সমভাৱেই কৃষি শ্ৰমিক হিচাপেই কাম কৰা দেখা যায়। কিন্তু মহিলা শ্ৰমিকৰ বেতন বা শ্ৰমিক হিচাপে পাবলগীয়া ধান-চাউলৰ হিচাম পুৰুষৰ তুলনাত সাধাৰণতে কম হোৱা দেখা যায়। তাৰ উপৰি শ্ৰমিক তিৰোতাই শস্য ৰোৱা বা চপোৱাৰ সময়তহে কৃষি শ্ৰমিক হিচাপে কাম কৰিব পাৰে। অন্য সময়ত সাধাৰণতে নিজৰ সন্তানৰ চোৱা-চিতা কৰোঁতেই যায়। ইয়াৰ উপৰিও সন্তান সম্ভৱা হ'লে বা সন্তান প্ৰসৱৰ পিছত কেঁচুৱা ডাঙৰ নোহোৱা পৰ্যন্ত পৰিয়ালে এগৰাকী মহিলা শ্ৰমিকৰ আয়ৰ পৰা বঞ্চিত হয়। নিৰক্ষৰতাৰ বাবে জন্ম নিয়ন্ত্ৰণৰ অভাৱৰ ফলত প্ৰায় প্ৰতিবছৰে সন্তান সম্ভৱা হোৱা তিৰোতাই পৰিয়ালৰ ভৰণ-পোষণত বিশেষ অৰিহণা যোগাব নোৱাৰেই বুলিব পাৰি; তথাপিও কৃষি শ্ৰমিক হিচাপে জনজাতীয় তিৰোতাৰ পৰিয়াল ভৰণ-পোষণত যথেষ্ট অৰিহণা থকা দেখা যায়। আমোদজনক অৰিহণা এটা হ'ল, প্ৰতিবছৰে কেঁচুৱা জন্ম দিয়া মেচিনৰ দৰে সন্তান জন্ম দি থাকোতে সাত নম্বৰ সন্তানটো পৃথিৱীলৈ আহি মুখৰ মাত ফুটা মানে এক নম্বৰ সন্তানে কৈশোৰত ভৰি দি কৃষি শ্ৰমিক হিচাপে কাম কৰি পৰিয়ালৰ ভৰণ-পোষণত সহায় কৰিব পৰা হয়গৈ!


ভূমিহীন কৃষি শ্ৰমিকৰ সংগঠনৰ অভাৱৰ চৰিত্ৰটো হ'ল সৰ্বভাৰতীয়। সংগঠনহীন এই চাৰিত্ৰিক দিশটো অসমৰ ভূমিহীন জনজাতীয় কৃষি শ্ৰমিকৰ মাজত বেছি প্ৰকটভাৱে দেখা পোৱা যায়। কাৰণ সংগঠনৰ বাবে শিক্ষিত জনজাতি ব্যক্তি আৰু জনজাতীয় ৰাজনৈতিক ইচ্ছা-শক্তিৰ অভাৱ। বিত্তবান শিক্ষিত জনজাতি চামে ৰাজনীতি কৰে নিজৰ বাবে। অৰ্থাৎ ভূমিহীন জনজাতীয় শ্ৰমিকে তেনে জনজাতীয় ৰাজনৈতিক নেতাৰ গাঁৱৰ ঘৰত শ্ৰমিক হ'বগৈ লাগে! কেইবা দশক ধৰি অসমত এই প্ৰথাই চলি অহা দেখা গৈছে যদিও জনজাতি সকল প্ৰবলভাৱে আত্মনিয়ন্ত্ৰণৰ দাবী তুলি আহিছে। ফলত সদৌ অসম ভিত্তিত ভূমিহীন জনজাতীয় কৃষি শ্ৰমিকৰ কিবা এটা গোট বা সংস্থা থকাটো প্ৰশ্নই উঠিব নোৱাৰে। আগতেই কৈ আহিছো যে নিজ গাওঁ বা অঞ্চলৰ একে জনজাতিৰ বিত্তবান পৰিয়ালৰ ঘৰতহে সাধাৰণতে ভূমিহীন জনজাতীয় কৃষি শ্ৰমিকে কাম কৰি ভাল পায়। অৰ্থাৎ ভূমিহীন জনজাতীয় কৃষি শ্ৰমিকৰ কাম কৰাৰ সীমা তেওঁলোকৰ বসতিপূৰ্ণ এলেকাতে সীমাৱদ্ধ। তেওঁলোকৰ শ্ৰমৰ হাৰ, তেওঁলোকৰ বাবে একোডৰা মাটি-বাৰীৰ কথা চিন্তা কৰোঁতা কোনো উল্লেখযোগ্য নিঃস্বাৰ্থ সংগঠন আজিলৈকে হোৱা নাই। আজি কেইবা দশকো ধৰি ভাৰতৰ আন জনগোষ্ঠীৰ ভূমিহীন কৃষি শ্ৰমিকৰ দৰেই অসমৰ ভূমিহীন জনজাতীয় কৃষি শ্ৰমিকৰ পানীত হাঁহ নচৰা অৱস্থাৰ দৰে হৈছে।

অসমৰ জনজাতি সকলৰ ৰক্ষণাবেক্ষণৰ বাবে বহু আইন-কানুন যদিও দেখা যায়, বাস্তৱ ক্ষেত্ৰত এই সমূহ আইন-কানুন প্ৰয়োগত কৃতকাৰ্যতা হোৱা কিন্তু দেখা নাযায়। জনজাতীয় এলেকাত বা বেষ্টনিত আইন অনুসৰি অ-জনজাতিয়ে মাটি কিনিব বা স্থায়ীভাৱে মাটি-বাৰী লৈ বসতি কৰিব নোৱাৰে। কিন্তু বাস্তৱ ক্ষেত্ৰত দেখা যায় যে জনজাতিৰ বাবে সংৰক্ষিত এলেকাত দেশী-বিদেশী অ-জনজাতীয় লোকে জনজাতি সকলৰ নিৰক্ষৰতা আৰু সৰলতাৰ সুযোগ লৈ আৰু জনজাতি ৰক্ষণাবেক্ষণৰ আইনৰ অপপ্ৰয়োগৰ সুবিধা লৈ জনজাতিৰ বাবে সংৰক্ষিত এলেকাৰ মাটি কিনি বা দখল কৰি প্ৰায় নিঃশেষ কৰিলে। ফলস্বৰূপে ভূমিহীন জনজাতীয় কৃষি শ্ৰমিকৰ সংখ্যা বাঢ়িল, তেওঁলোকৰ ৰক্ষণা-বেক্ষণৰ বাবে কিন্তু কোনো বাস্তৱধৰ্মী কাৰ্য ব্যৱস্থা লোৱা দেখা নগ'ল। অ-জনজাতিয়ে জনজাতীয় সকলৰ মাটি-বাৰী গো-গ্ৰাসে নিঃশেষ কৰাৰ গুৱাহাটী মহানগৰীয়েই হ'ল এক জ্বলন্ত উদাহৰণ। অসমৰ শিক্ষিত চামৰ আইনৰ অপ-প্ৰয়োগ, চল-চাতুৰি, ব্যাপক দুৰ্নীতি, স্বজন-প্ৰীতি আদিৰ কবলত পৰি ভূমি-পুত্ৰই ভূমি হেৰুৱাই ভূমিহীন শ্ৰমিক হোৱাৰ ফলত সুবিধা পালেই নতুন ঠাইত সংৰক্ষিত বনাঞ্চল ভাঙি খেতিৰ মাটিৰ বাবে বেদখল কৰাত লাগিল। ভূমিহীন হৈ সংৰক্ষিত বনাঞ্চল বেদখল কৰাটো এটা অতি স্বাভাৱিক প্ৰতিক্ৰিয়া, কাৰণ অন্য কৃষিজীৱী জনগোষ্ঠীৰ দৰেই জীয়াই থাকিবলৈ প্ৰয়োজনীয় ন্যূনতম আহাৰ যোগাৰৰ বাবে কৃষিজীৱী ভূমিহীন জনজাতি সকলকো একোডৰা মাটিৰ প্ৰয়োজন। নিৰক্ষৰতা আৰু পেটৰ তাড়ণাই তেওঁলোকক বনাঞ্চলৰ আৱশ্যকতাৰ কথা, প্ৰদূষণৰ কথা নতুৱা বনাঞ্চল অবিহনে এই পৃথিৱী যে এদিন ধ্বংস প্ৰাপ্ত হ'ব এই কথা ভবাৰ অৱকাশ নিদিয়ে। তেওঁলোকৰ দৃষ্টিভঙ্গী জীৱিত কালত পেটত ভাত মুঠি পৰাতেই সীমাৱদ্ধ। সেয়ে বানপানী-গৰাখহনীয়া পীড়িত অসমৰ আন জনজাতি তথা জনগোষ্ঠীৰ দৰেই এই ভূমিহীন জনজাতীয় কৃষি শ্ৰমিকেও অসমৰ হাবি-বননি নষ্ট কৰাত অৰিহণা যোগাইছে। তাৰ বাবে যে তেওঁলোক দোষী নহয় এই কথা ওপৰত উনুকিয়াইছোৱেই, আচল দোষটো হ'ল জনজাতি সকলৰ ৰক্ষণা-বেক্ষণৰ বাবে প্ৰণয়ন কৰা আইন-কানুন সমূহ উপযুক্ত সময়ত উপযুক্ত ঠাইত প্ৰয়োগ নোহোৱাটো।

ভূমিহীন কৃষি শ্ৰমিকৰ সমস্যাটো ভাৰত তথা তৃতীয় বিশ্বৰ সমূহ দেশত দেখা দিয়া এটা প্ৰকট সমস্যা। এই আলোচনাত অসমৰ জনজাতীয় ভূমিহীন কৃষি শ্ৰমিকৰ কথাহে আলোচনা কৰা হ'ল যদিও সামগ্ৰিকভাৱে সমগ্ৰ অসম তথা বৃহত্তৰ অসমীয়া জাতিৰ বিভিন্ন জনগোষ্ঠীৰ ভূমিহীন কৃষি শ্ৰমিকৰ সমস্যাও এনে দৃষ্টিভঙ্গীৰেই আলোকপাত কৰিব পাৰি। অসমৰ চৰ এলেকাৰ সংখ্যালঘু সম্প্ৰদায়ৰ ভূমিহীন কৃষি শ্ৰমিকৰ সমস্যা এই ক্ষেত্ৰত বিশেষভাৱে উল্লেখযোগ্য। ইয়াত শ্ৰম বিভাজন তথা শ্ৰমিকৰ সংজ্ঞাৰ ওপৰত বিস্তৃত বিশ্লেষণ নকৰি, অৰ্থাৎ অন্য ক্ষেত্ৰৰ শ্ৰমিকৰ সমস্যা সংক্ৰান্তীয় আলোচনাৰ পৰা বিৰত থকা হ'ল; যিহেতুকে উদ্যোগ, কল-কাৰখানা আদিত নিয়োজিত শ্ৰমিকৰ সমস্যা কিছু বেলেগ। তেনে শ্ৰমিকৰ সমস্যাৰ বাবে আন এক বিস্তৃত আলোচনাৰ প্ৰায়োজন।

# কালচক্ৰ ঃ সন্ধিক্ষণ

ডাঃ আনন্দেশ্বৰ বৰঠাকুৰ




সেইবোৰ আজিৰ কথা নহয়। ভালেমান দিনৰ আগৰ কথা। তেতিয়াৰ দিনত নেচনেল হাইৱে নাছিল। ট্ৰাঙ্ক ৰোডহে আছিল। কিন্তু ট্ৰাঙ্ক ৰোডত আজিৰ দৰে যান-বাহন নচলিছিল। কেতিয়াবা কদাচিতহে একোখন মটৰগাড়ী বা একোখন মাল কঢ়িওৱা লৰী অহা-যোৱা কৰিছিল। আজিকালি সেই লৰীক ট্ৰাক বুলি কয়। মটৰগাড়ীবোৰৰ ওপৰখন টিৰপালৰ লেখীয়া কাপোৰেৰে ঢকা আছিল। আৰু কেইবছৰমানৰ পিছত দুই-এখন মটৰগাড়ীৰ ওপৰটো টিনপাতৰ হৈছিল। সেইবোৰ "চিডেনবডি" গাড়ীৰ দাম মহঙা আৰু উঠা গৰাকীজনৰ মান ওখ খাপৰ আছিল।

এইবোৰ সৌ তাহানিৰ কথা। চহৰবোৰ গাওঁ যেন আছিল। চহৰৰ একোখন গৃহস্থী সঙ্গতিপন্ন হ'লে দুই-তিনিপুৰা মাটিৰ ওপৰত টিনপাত লগোৱা পকীঘৰ সাজি লৈছিল। সেইবোৰ বাৰীৰ পিছপিনে বুঢ়া ডাঙৰীয়াক কেতিয়াবা দেখা গৈছিল। বুঢ়া ডাঙৰীয়া বুলি ক'লে এক বৃত্তান্তৰ আৰম্ভ হয়। সেইজনা এজন তাহানি কালৰ পৰা শুনি অহা ভূতৰ ৰূপ। তেখেতে সচৰাচৰতে কাৰো বিঘিনি নকৰে। দেখাত অতি শুৱনি পকা থেকেৰা হেন গাল দুখনৰ সৈতে মূৰত বগা মথুৰাৰ পাগ, গাত হালধীয়া এঙা চোলা, থোৰমাৰি পিন্ধা বগা চুৰিয়া আৰু ভৰিত এযোৰ খৰম; এয়ে তেখেতৰ ৰূপ। তেখেতৰ আবাসস্থান বাৰীৰ পিছপিনে থকা পুৰণি আঁহতগছ, জৰীগছ বা বৰগছত আছিল। কেতিয়াবা কিবা সকামত তলৰ মাটিলৈ নামি আহি ইফালে সিফালে যাওঁতে খেনোৱে তেখেতক দেখা পাইছিল। দেখা পোৱাজনে দুইহাত যুৰি কপাল চুই নমস্কাৰ এটা কৰিয়ে বিশ্বাশবদেৰে ঘৰলৈ দৌৰি আহিছিল। তেখেতে এনেয়ে কাৰো কোনো ক্ষয়-ক্ষতি নকৰে। যদি কোনোবাই তেখেতক গালি পাৰে, কটু কথা কয় আৰু তেখেতৰ গাত চিটিকনি পৰাকৈ সৰুপানী চোৱে, তেতিয়াহ'লে আৰু ৰক্ষা নাই। সেইদিনাই সেইজন মানুহৰ ডাঙৰ নৰিয়া আৰম্ভ হয়। মূৰ্ছা গৈ জ্ঞান-ভিত হেৰুৱায়। কদাচিতহে কোনোবা ডাঙৰ বেজ-গিয়ানী আনি ডাঙৰকৈ পূজা-পাতল কৰিলে, তেখেত সন্তুষ্ট হ'লে, আয়ুসত চাউল থাকিলে, ভোগাজনৰ দুৰ্ভোগৰ অন্ত হয়। সম্পূৰ্ণকৈ ভাল পাওঁতে ভালেমান দিন লাগে। বুঢ়া ডাঙৰীয়াৰ লেঠা এনেকুৱাই। আজিকালিৰ ল'ৰা-ছোৱালীয়ে এইবোৰ কথা শুনাই নাই। বুঢ়া ডাঙৰীয়া দেখা মানুহো নোহোৱা হ'ল। ঘটনাবোৰ কিম্বদন্তি হিচাপে কাৰো কাৰো মনৰ দাপোণত যাউতিযুগীয়া হৈ ৰৈ গ'ল। কথাবোৰ সঁচানে মিছা। আজি সেইটো ঠাৱৰ কৰাটো অসম্ভৱ আৰু অনাৱশ্যক। এখন খেতিয়ক সমাজৰ জীৱন ধাৰণৰ মাজত সেইবোৰ বিশ্বাস বা অন্ধবিশ্বাস আছিল। মৰম-চেনেহ, খঙ, হিংসা, কৰ্পটালি, ভাল-বেয়া, সকলো ধৰণৰ আবেগ-অনুভূতিৰে গঢ়া, সেইখন আমাৰ সমাজ আছিল। চহৰ আৰু গাঁৱৰ মাজৰ নঙলাডাল নিচেই চাপৰ আছিল। চহৰৰ সৰহভাগ মানুহ গাঁৱৰ পৰা উঠি অহা। চহৰত আমোলা-মহৰি, চিৰস্তাদাৰ, হাকিম-জজ, দোকানী-মহলদাৰ-ঠিকাদাৰ আদি কামত লিপ্ত হৈ জীৱিকা আহৰণ কৰাৰ প্ৰচেষ্টাত বেলেগ বেলেগ দিশৰ পৰা আহি একোটাহত চুবুৰিত বসবাস কৰিবলৈ লৈছিল।

সেইটোৱেই পুৰণি দিনৰ পটভূমি। অসমৰ মাজেৰে যোৱা ৰেলৰ লাইনটো গুৱাহাটী চহৰৰ বাহিৰে আন কোনো চহৰৰে গা চুই যোৱা নাছিল। সেইবাবে শিৱসাগৰ চহৰৰ পৰা উজনি বা নামনিলৈ যাবৰ কাৰণে শিমলুগুৰি ষ্টেচনত গৰুগাড়ীৰে আহি মানুহে ৰেল ধৰিছিল। তেনেকৈয়ে ডিবুৰুৰ মানুহে তিনচুকীয়াত, যোৰহাটৰ মানুহে মৰিয়নিত, গোলাঘাটৰ মানুহে ফৰকাটিঙত, নগাঁৱৰ মানুহে চাপৰমুখত ৰেলগাড়ী ধৰিছিল। এতিয়াৰ দৰে মানুহবোৰে ইঠাইৰ পৰা সিঠাইলৈ নুঘুৰিছিল কাৰণে সৰ্বসাধাৰণ ৰাইজৰ এনেকুৱা এটা অৱস্থাত কোনো অসুবিধা নহৈছিল। মানুহবোৰ সাধাৰণতে অলপতে সন্তুষ্ট আছিল।

সেইবোৰ দিনৰ কথা। যোৰহাট চহৰৰ মাজ চকবজাৰৰ পৰা কিছু নিলগত মধু শইকীয়াই এখন মনোহাৰী মালৰ দোকান পাতিছিল। শইকীয়াৰ আচল ঘৰ কোনেও নাজানিছিল; তেখেতেও নকৈছিল। চহৰৰ একাষে সৰ্বাইবন্ধাত মাটি এডোখৰ লৈ বেহা-বেপাৰ টনকিয়াল হোৱাৰ লগে লগে তাতে ঘৰ এটা সাজিছিল। কঠোৰ পৰিশ্ৰমী, মিতভাষী আছিল কাৰণে দহজনে তেখেতক বিশ্বাস কৰিছিল আৰু তেখেতৰ দোকানখনৰ দোপতদোপে উন্নতি হৈছিল। তেতিয়াৰ দিনত মানুহৰ ইংৰাজী নামৰ প্ৰতি এটা মোহ আছিল। সেইবাবে মধু শইকীয়াই তেখেতৰ দোকানৰ নাম ৰাখিছিল – "শইকীয়া এণ্ড চানচ্"। সৰ্বসাধাৰণ মানুহে নামটোলৈ বৰকৈ লক্ষ্য কৰা নাছিল। কিন্তু ঘনিষ্ঠভাবে চিনাকি দুই-এজনে শইকীয়াক হেঁচা মাৰি ধৰি সুধিছিল, "হেৰি শইকীয়া, আপুনি ডাং-ডাঙৰলা মানুহ। আপোনাৰ দোকানৰ নাম কেলেই "শইকীয়া এণ্ড চানচ্" দিলে ?"

সেই ঘনিষ্ঠকেইজন হ'ল বৰা, নেওগ আৰু মেধি। শইকীয়াই হিচাপৰ বহীত যোগ-বিয়োগ কৰি আছিল। বহী জপাই মিচিকৈকে হাঁহি মাৰি উত্তৰ দিছিল, "নামনো কি ? এটা দিলো আৰু কিবা ভাবি। কথা আছে বাবেহে দিছো।" এইখিনিকে কৈ মধু শইকীয়াই মধুৰকৈ হাঁহিৰ ৰেখাকেইটা মানেৰে মুখখন উজ্জ্বল কৰি দাঁতকেইটা উলিয়াই নিমাত হৈ বহি থাকিল। চিনাকিকেইজনে পিছত আলচ কৰিলে। ইজনে সিজনক ক'লে, "ঠাৰে-চিয়াঁৰে বুজিবা নে ? আমি অবুজন নহয়, বুজনহে।"

সেই আলোচনাৰ পৰিণতিত আটাইকেইজনৰে চিনাকি পকা-মূৰা এলেকাৰ গন্তীৰ কাকতিৰ দিবলগীয়া লায়েক ছোৱালীজনীৰ ''ৰ হাতত তিনিকুৰি চিকাৰূপ লৈ আটাইকেইজনে মধু শইকীয়াৰ বাবে ছোৱালী খুজিবলৈ ওলাল। মানুহকিজন কাকতিৰ চিনাকি। কথাৰ মূৰকত কাকতিয়ে সুধিলে, "জাত-পাত মিলিব জানো ?" তেওঁলোকে শইকীয়াৰ জাত কি নেজানে যদিও তপৰাই মাত দিলে, "মিলিবতো আকৌ। নহ'লেনো আমি আপোনাৰ ওচৰলৈ আহিমনে ?"

কাকতি সম্পূৰ্ণ সন্তুষ্ট নহ'ল। আকৌ সুধিলে, "গুৰি গছবা কেনেকুৱা ?" কাকতিৰ কথা শুনি আটাইকেইজনে হোহোকৈ হাঁহিলে। ক'লে, "হেৰি কাকতি ? আপুনি কোনোবা সাতাৱন সালতে আছে। গছৰ গুৰি পৰুৱা-পিপৰাইহে খায়। নৰ-মনিচে গুটি খায়। আপোনাৰ গুৰি গছ বিচৰাৰ দৰকাৰটো কি ? গুটি চাওক, গুটি খাওক। তাতেই বুজিব নহয়। সেইবোৰ পুৰণিকলীয়া কথা এৰক।" আটাইকেইজনে ভিতৰৰ পৰা বটা এখন বিচাৰি পঠিয়ালে। তাতে টকা তিনিকুৰি থৈ তেওঁলোকৰ ভিতৰৰে মেধিয়ে তপৰাই মাত দিলে, "এয়া তিনিকুৰি চিকাৰূপ, গা-ধন দিলো। আপুনি ঘৰত সৈমান কৰাওক। পণ্ডিতক সুধি দিন-বাৰ চাওক। ঢোল-ডগৰৰ ব্যৱস্থা কৰক। আমি আহি আপোনাৰ চোতালত কোমল-চাউল-দৈৰ জলপানটো খামহি।"

টকাকিটা দেখি কাকতিৰ লোভ লাগিল। বটাৰ পৰা টকাকেইটা হাঁচতিত বান্ধি তেখেতে মাত দিলে, "কথাৰ আৰম্ভণিহে হ'ল। মই আপোনালোকক সম্পূৰ্ণকৈ 'হাঁ' নকৰো – 'না'ও নকৰো। আগতীয়াকৈ বতৰা দি ল'ৰাক লৈ আপোনালোক আহক আকৌ এদিন। মই আমাৰ মাইকী মানুহক সোধো। বংশৰ ডাঙৰ কেইজনৰ পৰামৰ্শ লওঁ। ল'ৰা চাই আটাইৰে মত লৈ সেইদিনাহে কথা পকাপকি হ'ব।" লস্কৰা, চাহ-পানী, তামোল-চালি খাই আটাইকেইজনে লৰালৰিকৈ বাইচাইকেলত উঠি চহৰমুৱা হ'ল। সাত মাইলৰো ওপৰ বাট যাওঁতে যাওঁতে সন্ধিয়া হ'বগৈ বুলি অনুমান কৰিলে।

গাঁৱৰ ঘন-বসতি এলেকা পাৰ হৈ কেঁচা আলিবাটটোৰে তিনিওজনে মন্থৰ গতিত বাইচাইকেল চলাই আগবাঢ়ি যাবলৈ আৰম্ভ কৰিলে। পথাৰৰ পৰা গৰুৰ গাড়ীত ধানৰ ডাঙৰি আনোতে আনোতে আলিত চকাৰ ডাগ হি দুয়োপিনে দ হৈ মাজটুকুৰা অসমানভাবে :খ হৈ পৰিছিল। অসাৱধানকৈ চাইকেল চলালে বাগৰি পৰাৰ সম্ভাৱনাটো বাঢ়ে। তিনিওজনে ওচৰাওচৰিকৈ চাইকেল চলাই যাব পৰা নাছিল। এজনৰ পিছত সিজনকৈহে গৰুৰ গাড়ীৰ চকাৰ লোহাই কাটি যোৱা বাটটোৰ ওপৰেৰে গৈছিল। কিছুদূৰ আগবাঢ়ি গৈ ধৰণী বৰা চাইকেলৰ পৰা বাগৰিল। তেওঁৰ পিছতে আছিল বাপুকণ নেওগ। নেওগে তৰ্কিবই নোৱাৰিলে। ব্ৰেক মাৰিবলৈ সময় নহ'ল। তেৱোঁ বাগৰিল। বলো মেধি অলপ নিলগত আছিল বাবে সময় থাকোতে চাইকেলৰ পৰা নামি হোহোকৈ হাঁহিবলৈ ধৰিলে। নেওগ আৰু বৰাই দুয়ো হাঁহিলে। পৰোতে বেছি দুখ নাপালে বাবে গোটেই দৃশ্যটো হাস্যকৰ হৈয়ে থাকিল। হাড়-মূৰ ভঙা হ'লে সেইটোৱে এটা কৰুণ দৃশ্য হৈ পৰিলহেঁতেন। গাৰ ধূলি-মাকতিবিলাক জাৰি-জোকাৰি লৈ নেওগে চাইকেলখন থিয় কৰাই সকলোবোৰ ঠিক আছে যেন দেখি মাত দিলে, "বুজিছা মেধি, পৰিলো ভালেই হ'ল; অপায়-বিঘিনি যি আছিল আমাৰ ওপৰেদিয়ে গ'ল। মই কৈছো এই বিয়া হ'বই আৰু সকলো ভাল হ'ব।" বৰাই ইতিমধ্যে ফুটষ্টেপত ভৰি দি চাইকেলখন ঠেলি ঠেলি চেডেলৰ ওপৰত জঁপিয়াই লৈ আগবাঢ়ি যাবলৈ ধৰিলে। ফুটষ্টেপত ভৰি দি চাইকেলখন দৌৰাই লৈ চলোৱাটো তেতিয়াৰ দিনত নিয়ম আছিল। পিছফালে চকাৰ বাওঁপিনে দীঘলকৈ ওলাই থকা লোহাডালত অৰ্থাৎ ফুটষ্টেপত বাওঁ ভৰিটো দি চকাৰ সোঁ ফালৈলে সোঁ ভৰিটো নি হেন্দেলত ধৰি হেচুকি হেচুকি চাইকেলখন আগবঢ়াই লৈ অলপ দোপ ল'লে চলোৱাজনে চেডেলত জাঁপ মাৰি বহে। এই ধৰণেৰে চাইকেল চলোৱা আজিকালি কাকো দেখা নাযায়। সেইবোৰ সেই তাহানিৰে কথা। বাকী কেইজনেও চাইকেলত উঠিবলৈ ল'লে। টিলিঙা বজাই বৰাক সঁহাৰি দিলে তেওঁলোকে পিছে পিছে আহি আছে বুলি। এইবাৰ তিনিও অলপ সাৱধান হ'ল। কিছুদূৰ যোৱাৰ পিছত বৰাই নেওগে কোৱা কথাখিনিৰ আঁত ধৰি ক'লে, "বাপুকণ, তই সৰুৰে পৰা হুজুগত মতা মানুহ। তোৰ কথাত বান্ধ খাই মই আহিলো হয়, পিছে গছত কঠাল ওঁঠত তেল, ৰবিচোন এতিয়া মধু শইকীয়াই বা কি মূৰ্তি ধৰে। টকা তিনিকুৰিও পানীত পেলোৱা হ'ল আৰু মানুহঘৰৰ ওচৰতো নাক কাটিবলৈ লাগিবগৈ এতিয়া।" ধৰণী বৰাৰ কথাত বাপুকণ নেওগে খঙ খালে। "ধৰণী, জ্বলা জুইত পানী ঢলা অভ্যাসটো তোৰ আজিও নগ'ল। তই সদায় বেয়াটোহে ভাব। ভালটো ভাবিবলৈ শিকচোন। তোৰ-মোৰ ঘৰখন পাতোতে কোনেনো আমাক সুধিছিল ? চৰুক সুধি চাউল

বহায় জানো কোনোবাই ? তোৰ মগজত বুধি নাই বুলি হল পণ্ডিতে পাঠশালা স্কুলতে কোৱা নাছিল জানো ? সাত সোতৰং কিমান ক'ব নোৱাৰিলি, লাজ নাপাৱ নে ?" ইতিমধ্যে বাইচাইকেল আহি ঘাই আলি পালেহি। পিছপিনৰ পৰা বলো মেধিয়ে ততাতৈয়াকৈ দুয়োজনৰ মাজত বাইচাইকেলখন সমুৱাই দি আগবাঢ়িবলৈ আৰম্ভ কৰিলে। বিতণ্ডা তাতে ওৰ পেলাবলৈ তেওঁ ক'লে, "তোমালোকে এইখন বন্ধ কৰা, "অসংহতা বিনশ্যন্তি ভাৰশূন্য মুখে যথা।" ভাৰণ্ড পক্ষীৰ দুখন মুখ আছিল, কাজিয়া কৰি ইখন মুখে সিখন মুখৰ খাবলৈ নিদি, নেখাই নেখাই পখী মৰিল। আমিও এটা পখীৰ দৰে আহিছো; মুখ যেনিবা তিনিখন। শইকীয়াক কেনেকৈ বলাব লাগে মই জানিম। আজি ঘৰলৈ বলাছোন –।" কথাই কথাই সংস্কৃতৰ স্তোত্ৰ কোৱাটো মেধিৰ অভ্যাস। দেউতাক সত্ৰৰ গোঁসায়ে পতা মেধি আছিল। গাওঁৰ নামঘৰত আগভাগ লৈ প্ৰসঙ্গ আদি পৰিচালনা কৰিছিল। ঘৰত সদায় কীৰ্তন, নাম-ঘোষা পঢ়িছিল আৰু সংস্কৃতো অলপ অলপ জানিছিল। বুঢ়াই আশা কৰাৰ দৰে ল'ৰাই স্কুলত থাকোতে সংস্কৃত পঢ়িছিল যদিও মেট্ৰিক পৰীক্ষাত তৃতীয় বিভাগত পাছ কৰি কাছাৰীত কেৰাণী কামত সোমাল। সংস্কৃত পঢ়া তাতে ওৰ পৰিল। তাতে বাপুকণ নেওগৰ লগত চিনাকি হৈ বন্ধুত্ব পাতিলে। পানী খোৱা ছুটীৰ সময়ত তিনিও লগ হৈ শৰ্মাৰ দোকানত চাহ-পানী এপিয়লা মুখত ভৰাই আঁহত গছৰ তলত মেধিৰ হাঁচটিৰ পৰা তামোল একোখন মুখত সুমুৱাই জ্বলি থকা নাৰিকলৰ ৰচিডালৰ পৰা চেলেউ এটা জ্বলাই লৈ কথা পাতি সময়কণ পাৰ কৰিছিল। ছুটীৰ শেষত ঘৰমুৱা হোৱাৰ আগতে তিনিও লগ খাইছিল গৈ শইকীয়াৰ দোকানত। তাতে তেওঁলোকে নানা কথা পাতি নিতৌ ছুটীৰ দিনৰ বাহিৰে আড্ডা জমাইছিল। চকবজাৰৰ পৰা ঘৰৰ বাবে মাছ-পুঠিকণ বজাৰ কৰি লৈছিল লগতে।

কাজিয়াখন ভালকৈ হৈ নুঠাৰ বাবে বাপুকণ আৰু ধৰণীৰ মুখ দুখন গোমা হৈ থাকিল। মেধি কামৰ মানুহ। অলপদূৰ আগবাঢ়ি গৈ দুয়োকে গম্ভীৰভাৱে নিৰ্দেশ দিয়াৰ দৰে ক'লে, "বাপুকণ, তুমি কাইলৈ অহাৰ আগতে তোমাৰ ঘৰৰ ওচৰৰ ঘন পণ্ডিতৰ হতুৱাই সময় এটা চোৱাই আহিবা – আমি কাকতিৰ তালৈ অহা দেওবাৰলৈ কেনেকুৱা সময়ত যাত্ৰা কৰিব পাৰিম।"

ধৰণী বৰাৰ ঘৰ ভোগদৈৰ দলঙ পাৰ হৈ বৰিগাঁওৰ পিনে নামি যোৱা বাটৰ কিনাৰত। তেওঁৰ লগত বালিবাটৰ ফজল ড্ৰাইভাৰৰ ভাল চিনাকি। ফজল ড্ৰাইভাৰৰ এখন "টি" মডেলৰ ফোৰ্ড গাড়ী আছে। অলৈ-তলৈ যাবলৈ নিলগৰ বাটৰ বাবে আঢ্যৱন্তসকলে সেইখন গাড়ী ভাৰা কৰি নিছিল। সেই ভাৰাৰ পইচাৰে তেওঁ প্ৰতিপাল কৰিছিল পৰিয়ালটো। এইবাৰ বলো মেধিয়ে ধৰণী বৰাক হুকুম কৰিলে, "কাইলৈ আহোঁতে ফজল ডাইক কৈ আহিবা। বিয়াত দৰা নিবলৈ গাড়ীখন আমাক লাগিব। নিজৰ বুলি ভাবি যাতে ভাৰাটো অলপ বুজি-বাজি ঠিক কৰে।"

লাহে লাহে তিনিওৰে বাইচাইকেল চহৰৰ ওচৰ চাপি আহিল। বাপুকণ নেওগে চ'লাধৰাত নতুনকৈ সজা ঘৰটোলৈ বুলি চাইকেল পোনালে। বলো মেধিৰ ঘৰ তৰাজানৰ ভিতৰফালে। তেওঁ সেইপিনে চাইকেল আগবঢ়ালে। ধৰণী বৰা আগবাঢ়ি গৈ থাকিল – টোকলাইৰ দলঙ, ভোগদৈৰ দলঙ পাৰ হৈ বৰিগাওঁৰ বাটৰ তেওঁৰ ঘৰলৈ। সেইদিনা দেওবাৰ আছিল। আটায়ে ছুটীৰ দিন বুলি দিনটো এনেকৈয়ে কটাব পাৰিলে।

সোমবাৰে শইকীয়াই সময় অনুসৰি দোকান খুলিলে। সোমবাৰে সাধাৰণতে দোকানত বিক্ৰী অলপ বাঢ়ে, দেওবাৰে বন্ধ থাকে বাবে হবলা। পিছে এই দিনটোত ঘটনা আৰু বেলেগ



হ'লগৈ। শইকীয়াই পুৱাৰে পৰা কেচ্ বাকচ খুলি বন্ধ কৰি গ্ৰাহকক বস্তু দি তৰণি নোপোৱা হ'ল। দুপৰীয়া দোকানত কাম কৰা ল'ৰাটোৱে ভদ্ৰ ঘোষৰ ঘৰৰ পৰা টিফিনকেৰিয়াৰত ভাত ভৰাই আনিলেগৈ। ভাত খাওঁতে পিছে শইকীয়াৰ তিনি বাজি গ'ল। মনটো আজি সন্তুষ্টিৰে উপচি পৰিল। মনে মনে পাঙিলে, দোকান এতিয়া বঢ়াব লাগিব। অলপ লিখা-পঢ়া জনা ল'ৰা এটা বস্তু-বাহানি বিক্ৰী কৰাৰ বাবে ল'ব লাগিব। কাগজ, পেন্সিল, লজেন্স, বিস্কুট, হৰলিক্স আদি বাৰেমিহলিৰ দোকান সেইখন। তেনেকুৱা দোকান এখন সেইখিনিত নাছিল বাবে শইকীয়াৰ দোকানৰ সুনাম বাঢ়িছিল। বস্তুৰ দাম উচিত আছিল। সেইদিনা বলো মেধিয়ে অলপ আগতীয়াকৈ ছুটী লৈ শইকীয়াৰ দোকান পালেহি। চাইকেলখন দোকানৰ পিৰালিত আউজাই থৈ দোকানৰ দুৱাৰডলিলৈ আগবাঢ়িল। মুখত এমোকোৰা হাঁহিৰে সৈতে শইকীয়াই সম্বোধন কৰিলে, "মেধি, আজি অকলশৰে দেখোন ? কিবা সকাম আছিল নেকি ?" "সকাম মানে ডাঙৰ সকাম, আপোনাৰ এই চাইনবোৰ্ডখনৰ সকাম।"

"ঔৱা, মোৰ চাইনবোৰ্ডখনে কি জগৰ লগালে ?"

"জগৰ ? ডাঙৰ জগৰ। জগৰ এই "চানচ্"টোৰহে। আহোঁতে যাওঁতে দেখিলেই গাটো পুৰিবলৈ ধৰে। আমাৰ তিনিওটাৰ চকুত টোপনি নাই। কিবা এটা কৰিব নোৱাৰিলে বন্ধু মানুহনো কেলেই লাগে ? কথাটো ঘৰৰ মানুহ কেইজনীয়েও জানে। সিহঁতেও ক'লে, "কিবা এটা কৰক।"

"কথাৰ ভু পাবলৈ আপুনি অলপ ৰ'ব লাগিব। এতিয়া মোক চিকাৰূপ তিনিটা দিয়কচোন।"

মন্ত্ৰমুগ্ধৰ দৰে কেচবাকচ খুলি তিনিটা মহাৰাণী মাৰ্কা টকা মেধিৰ হাতত তুলি দিলে। কেচ্‌বাকচ সেইদিনা পইচাৰে জনজনাই আছিল। মেধিয়ে সুধিলে, "আজি বাকচ গৰম নেকি ?"



"এৰা। আজি কিয় নাজানো আনদিনাতকৈ বিক্ৰীৰ মাত্ৰা ডবল হ'ল। তাকে ভাবি আছিলো। দোকানখন ডাঙৰ কৰিব লাগিব।"

"হ'বতো আকৌ। নহ'ব কিয় ? লখিমীৰ কাম আগবাঢ়িছে যেতিয়া দোকান গৈ ডাঙৰ হৈ চকবজাৰখন পাবগৈ।"

এটা টকা শইকীয়াৰ হাতত দি মেধিয়ে আকৌ ক'লে, "এইটো টকা লেফাফা এটাৰ ভিতৰত ভৰাই থওক। অহা শনিবাৰলৈ আমি তিনিও আপোনাৰ লগত বুঢ়ী গোসানীৰ দেৱালয়ত শৰাই এখনি দিবলৈ যাম।" আৰু এটা টকা জেপৰ পুৰণি লেফাফা এটাৰ ভিতৰত ভৰাই লৈ মেধিয়ে ক'লে, "আপোনালোকক নেলাগে। কোনোবা এটা বন্ধৰ দিনত ময়ে গৈ নেঘেৰিটিঙৰ শিৱদ'লত আপোনাৰ হৈ পূজা এভাগ দিয়ামগৈ। ঘৰলৈকো ভালেমান দিন যোৱা নাই।"

নিৰ্বাক তন্ময়তাৰে শইকীয়াই মেধিৰ পিনলৈ চাই ৰ'ল। ইতিমধ্যে গ্ৰাহক এজনক কিবা এটা বস্তু যোগাৰ দি শইকীয়াই আকৌ বহিলে।

"এইটো টকা ৰুমালখনত বান্ধি লওক। বাপুকণ নেওগৰ লগত দুই-এদিনতে ঘন পণ্ডিতৰ ঘৰলৈ গৈ দিন-বাৰটো চোৱাই আহিব লাগিব। মাঘ বা ফাগুন – এই দুটা মাহৰ ভিতৰতে বিয়াখন হ'ব লাগিব। শুভস্য শীঘ্ৰম্।"

"বিয়া মানে কাৰ বিয়া ?"

"কাৰ বিয়া মানে ? এগোহালি ল'ৰা-ছোৱালীৰ বাপেক হৈ মই কিবা মোৰ বিয়াৰ কথা কৈছোনে ? বিয়া মানে আপোনাৰ বিয়া। এই বিয়াখন হৈ গ'লে আপোনাৰ চাইনবোৰ্ডখনে গা পুৰিবলৈ এৰিব।"

এই কথোপকথন চলি থাকোতেই কোনোবা সময়ত আহি নেওগ আৰু বৰাই শইকীয়াৰ দোকান পালেহি। এমোকোৰা হাঁহিৰে শইকীয়াই ক'লে, "মোকনো ছোৱালী কোনে দিব, আপোনালোকে ক'লেই হ'লনে ?"

মেধি কিন্তু আঁকোৰগোজ হৈ থাকিল। "হেৰি শইকীয়া, সকলো কথা ফুমাৰি উৰাই দিলে নহয়, এইবোৰ প্ৰজাপতিৰ নিৰ্বন্ধ। যাৰ কন্যা তাৰ বিবাহ।"

ইমানপৰে নিতাল মাৰি থকা নেওগে তপৰাই মাত লগালে, "শইকীয়া, আপোনাৰ সমস্যাটো ছোৱালীৰহে ? এনেহেন পাহুৱাল, দেখনিয়াৰ, দুমুঠি আৰ্জি খাব পৰা ল'ৰালৈ ছোৱালী দিয়া বাপেকৰ কি অভাৱ হৈছে ?" কিলাকুটিটোৰে বৰাৰ গাত হেঁচা এটা মাৰি নেওগে বৰালৈ চাই ক'লে, "এই গন্ধমাদন। মুখখন নেমেল কেলেই ? কথাটো গোটেইখিনি ফাদিল কৰি দেচোন।"

নেওগৰ কথাত বৰাই খঙ খাই উঠিল – "মোক তেনেকৈ জোকাই নল'বি। তই মোক গন্ধমাদন বুলিবলৈ কোন অ' ?"

"খঙ নেখাই কৰিম কি ? তই মোক যেতিয়াই তেতিয়াই এনেকৈ অপমান নকৰিবি দেই। তোক মই শেষবাৰলৈ ক'লো। তোৰ ঘৈণীয়েৰ মোৰ গাওঁসম্পৰ্কীয় ভনী নোহোৱা হ'লে তাই কেতিয়াবাই বাঁৰী হ'লহেঁতেন।"

কথাৰ সুৰ কোনোবা পিনলৈ যোৱা দেখি মেধিয়ে মাজত সোমাই খৰিয়ালখন ভাঙিবলৈ ধৰিলে। "তোমালোকে এতিয়াও সৰু ল'ৰা হৈ থাকিবা নেকি ? বুঢ়া হ'লা। দুই-এবছৰ গ'লেই ডাঢ়ি-চুলি পকিবলৈ আৰম্ভ কৰিব। কিনো সৰু সৰু কথাত কাজিয়া কৰাহে।" এইবাৰ বৰাৰ পিঠিত খুন্দিয়াই ক'লে, "গন্ধমাদন কাক বোলে নাজানা নেকি ? গন্ধমাদন পাহাৰত বিশল্যকৰণী বিচাৰি নাপাই হনুমন্তই গোটেই পাহাৰখনকে তুলি লৈ অনা নাছিল জানো, সুষেনৰ হতুৱাই লক্ষ্মণক জীয়াই তুলিবলৈ ? আজি আমাৰো সেই একেই অৱস্থা। তুমি বিশল্যকৰণীৰে আমাক নবচালে আমি নিগমে মৰিলো। শইকীয়াৰ এই অস্ত্ৰপাতৰ পৰা আমাক বিশল্যকৰণীৰেহে বচাব লাগিব।"

মেধিৰ কথাষাৰ শুনি নেওগ আৰু বৰাৰ সম্বিৎ ফিৰিল। তিনিওজনে আপোনভোলা হৈ হাঁহিবলৈ ধৰিলে আৰু শইকীয়াই কথাৰ ভু নাপাই হেবাংটোৰ দৰে বহি থাকিল। নেওগে ক'লে, "ছোৱালী আমি তিনিকুৰি চিকাৰূপ গা-ধন দি কথা-বতৰা পাতি আহিছো। আপুনি আমাক নবধিব। অহা দেওবাৰৰ দিনা ঘন পণ্ডিতে দিন-বাৰ চাই দিছে। আমি চাৰিওজনে শোভাযাত্ৰা কৰি ওলাব লাগিব পকামুৰাৰ পিনৰ কইনাৰ ঘৰলৈ। ছোৱালী চাই দিন-বাৰ খাটাং কৰি আহিমগৈ।"

বৰাৰ কথাকেইষাৰ শেষ নৌ হওঁতেই জেপৰ পৰা সৰু নীলা বাকচ এটা উলিয়াই মেধিয়ে মেজৰ ওপৰত থৈ ক'লে, "এইটো ৰাখক। নাৰায়ণ সোণাৰীৰ তাৰ পৰা আঠঅনা সোণৰ বাখৰ খটোৱা আঙঠি এটা লৈ আহিছো। ছোৱালীক পিন্ধাই থৈ আহিব লাগিব। সোণাৰী বঙালী মানুহ হ'লে কি হ'ব ? তেওঁ সোণাৰী গাওঁৰ যুধিষ্ঠিৰ হাজৰিকাৰ ঘৰত লিকচৌ হিচাপে থাকি অসমীয়া সোণৰ কাম গোটেইবোৰ শিকি আহিছে। চহৰৰ মাজ-মজিয়াত তেওঁৰ দোকানত সেইবাবে গ'লেই হ'ল। আটকধুনীয়া গহনা এপদ বুটলি আনোতে সময় নালাগে।"

অকণমান অৱহেলাক্ৰমে হাতখন আগবঢ়াই সেমেনাসেমেনিকৈ শইকীয়াই বাকচটো খুলি চালে। আঙঠিটো দেখি নেওগ আৰু বৰা আনন্দত উৎফুল্ল হৈ উঠিল। প্ৰশংসাৰ সুৰত নেওগে আপোনমনে ক'লে, "কথাবোৰ যেনেকৈ মিলিছে এই ছোৱালী ছোৱালী নহয় লখিমীহে। এনেহেন ধুনীয়া আঙঠি হাত দিওঁতেই পালে।" মেধিয়ে ক'লে, "সোধাচোন, শইকীয়াৰ আজি দোকানৰ বিক্ৰী কেনে হ'ল – কেচ বাকচ জনজনাই উঠিছে !"

শইকীয়াই তললৈ মূৰ কৰি ক'লে, "আপোনালোকে মোক মৰম কৰে মই জানো।" কথাৰ সুৰত এটা অভিভূত হোৱাৰ ভাব ফুটি উঠিল। "কিন্তু মোক নোসোধাকৈ আপোনালোকে কেনেকৈ আগবাঢ়িল ? মই এতিয়াও প্ৰস্তুত হোৱা নাই।"

প্ৰায় তিনিওজনে একেলগে চিঞৰি উঠিল, "আমি চৰুক সুধি চাউল বহামনে ?"

মেধিয়ে কৈ গ'ল, "বুঢ়ী গোসানীৰ দেৱালয়লৈ শনিবাৰে যাব লাগিব। টকা এটা আগবঢ়াই সুমুৱাই থোৱা হৈছে। মোৰ হাতত এইটো টকা গেলাবিলৰ ঘৰলৈ যাওঁতে নেঘেৰিটিঙৰ দেৱালয়ত বুঢ়া সদাশিৱৰ আগত শুভকাৰ্যৰ বাবে শৰাই এখন আগবঢ়াই দিবলৈ। বিয়াৰ দিন-বাৰ ঠিক কৰিবলৈ ঘন পণ্ডিতক দিবৰ কাৰণে টকা এটাও থোৱা হ'ল। ইয়াৰ পিছত শইকীয়াই পিছ কেনেকৈ হোঁহকিব ? পকামুৰা এলেকাৰ কাকতিৰ চোতালত ভৰি দিলেই গম পাব নহয় আমি কেনেকুৱা ঘৰৰ ছোৱালী বাছি থৈ আহিছো।"

নেওগে বুজনিৰ সুৰত ক'লে, "ঘৰৰ লগত সকলো সম্পৰ্ক ছেদ কৰি অহা বুলি আপুনি আমাক এদিন কৈছিল। আজি যদি বিচাৰে আমাৰ এজনে গৈ তেখেতসকলৰ লগত কথা পাতি আহিবগৈ পাৰে।"

"সাপেখাটি ষ্টেচনৰ পৰা আপোনাৰ গাওঁলৈ কিমান বা দূৰ ? গাঁওৰ নামেই বা কি ? আপুনি হ'লে এইবোৰ একোকে কোৱা নাছিল।"

দুইহাত ওপৰলৈ তুলি শইকীয়াই বাধাৰ সুৰত ক'লে, "নাই নাই। ঘৰৰ লগত মোৰ কোনো সম্পৰ্ক নাই। পলাই আহোঁতে পিতৃপুৰুষে দিয়া নামটো আৰু শইকীয়া উপাধিটো কঢ়িয়াইহে মই পলাই আহিছিলো। আপোনালোকেই মোৰ ঘৰ, পৰিয়াল, ইষ্টকুটুম্ব। আপোনালোকক মই চৌঠেঙীয়াত নেপেলাওঁ। যি কৰিবলৈ কয় তাকে কৰিম।" শেহলৈ শইকীয়াৰ চকু চলচলীয়া হৈ উঠিছিল। বাকী তিনিওজনৰ মুখলৈ এতিয়াহে পানী আহিল।

দোকানৰ লগুৱা ক'লামনক পঠিয়াই অনা ভদ্ৰ ঘোষৰ দোকানৰ চাহ-মিঠাইৰে টেবুল ভৰি গ'ল। ৰগৰ তুলি তুলি চাৰিওজনে খালে। মেধিয়ে তাৰ ভিতৰতে ক'লে, "বিয়াৰ জলপান খাবলৈ আৰম্ভ কৰিলোঁৱেইচোন।"

পকামূৰাৰ পিনৰ পৰা কেছাৰীলৈ অহা-যোৱা কৰা আমোলা এজনৰ মাৰফৎ আগতীয়াকৈ বতৰা পঠিওৱা বাবে কাকতিৰ চোতালত সেইদিনা ভালেকেইজন বয়সীয়া মানুহ বহি আছিল। চাইকেলৰ পৰা নামিয়ে বৰা, নেওগ আৰু মেধিয়ে এমোকোৰাকৈ হাঁহি মুখত লৈ চোতালৰ পিনে আগবাঢ়ি গ'ল। তেওঁলোকৰ পিছে পিছে লাজকুৰীয়া ভাবেৰে শইকীয়াও আগবাঢ়িল। চোতালত পাৰি থোৱা ঢাৰিত চাৰিওজন বহিল। নানা ধৰণৰ কথা-বতৰা আৰম্ভ হ'ল। তামোল-চালি, চাহ-পানী, জলপানো আহিল। কাকতিৰ বৰ ককায়েকে মেধিক ভিতৰলৈ মাতি লৈ গ'ল। ভিতৰত দুয়োৰে মেল বহিল। ককায়েকে সুধিলে, "ল'ৰাৰ ঘৰ ক'ত, গুৰি-গছ একোৱেই নাজানিলো দেখোন। ইয়াৰ ভিতৰতে এদিন মই পাক মাৰি দোকানখনো চাই আহিছিলোঁগৈ। ল'ৰাই একঠা খাব পাৰিব, সেই কথাত সংশয় নাই। কিন্তু গুৰি গছটো আমাক লাগিব নহয়।"

"জাত-পাতৰ অমিল নাই, এই কথা মই ন-দি কৈছো। নহ'লে মোক পাপে চুব। তেওঁৰ ল'ৰালিৰ কাহিনী বৰ মৰ্মন্তুদ।"

অলপ দোপ লৈ মেধিয়ে কবলৈ আৰম্ভ কৰিলে।

"মাহীমাকৰ কথাত ভোল গৈ দেউতাকে অকথ্য অত্যাচাৰ কৰিছিল। সেইবোৰ সহি সেই অনা দেলে বুলি ঘৰ, গাওঁ এৰি এইখিনি পালেহি। কঠোৰ পৰিশ্ৰমেৰে এইখন দোকান কৰিছে। আপুনি দেখিছেই। তামোল-পাণৰ বাহিৰে চেলেউ এটা হোপাও কোনোদিনে দেখা নাই। আমাক তেওঁ নিজৰ কুটুম বুলি লৈছে। সেইহেন ল'ৰা এটা নিজৰকৈ লবলৈ পোৱাটো আপোনাৰ ঘৰৰ ভাগ্য বুলি আমি ধৰিছো। নহলে আমি এনেকৈ আহিম কিয়? এইবোৰ কথা পেৰি নাথাকি কথাটো খাতাং কৰক। ভগবন্ত পুৰুষেহে এওঁক আপোনাৰ চোতাললৈ আনিছে। এদিন বিষ্ণু ৰূপেৰে মূৰত তুলসীৰ মালা লৈ আপোনাৰ ঘৰৰ জীয়ৰীৰ হাড়ডাল শুচি কৰি ভায়েকৰ সংসাৰখনৰ সম্পদ বঢ়াব। আপদ-বিঘিনিৰ কাৰণে আপোনাৰ ভায়েকে এটা বল পাব।" মেধিৰ কথাত এটা ক্ষুণ্ণ হোৱাৰ ভাব ফুটি উঠিল।

কাকতিৰ ককায়েকে প্ৰবোধ দি ক'লে – "তোমালোকে কৈছা যেতিয়া হব। ল'ৰা যে আমাৰ ছোৱালীৰ যোৰৰ হব তাত সন্দেহ নাই।"

ককায়েকে বাহিৰলৈ ওলাই আহি ভায়েকলৈ লক্ষ্য কৰি ক'লে, "আমাৰ কথা-বতৰা হ'ল, নবৌৱেৰক ক মাইকী মানুহবোৰ ওলাই আহক। ছোৱালীও উলিয়াই আনক। দৰাক সেৱা এটা কৰককহি।"

চোতালত বহি থকা আটাইৰে মুখত এটা আনন্দৰ হাঁহি বিৰিঙি উঠিল। এজাক উৰুলি দি ছোৱালীক ধৰি ধৰি মাকে চোতাললৈ উলিয়াই আনিলে। ধুনীয়া দীপলিপ ছোৱালী। বৰা, নেওগ আৰু মেধিয়ে ছোৱালী জাকত জিলিকা বুলি আগতে শুনিছিলে যদিও এতিয়াহে দেখিলে। শইকীয়াৰ ওচৰত আঠু লৈ সেউতীয়ে সেৱা জনালে। শইকীয়াৰ কাণ-মুখ ৰঙা পৰি উঠিল। মেধিয়ে শইকীয়াক সোঁৱৰাই দিলে – "আপুনি দিবলৈ অনাটো দিয়ক।" সম্বিৎ ফিৰাই পাই জেপৰ পৰা আঙঠিৰ বাকচটো উলিয়াই বাখৰ পতোৱা আঙঠিটো ছোৱালীৰ আঙুলিত পিন্ধাই দিলে। লাজ লাজকৈ আঙঠিটোলৈ চাই সেউতীয়ে মিচিকিয়াই হাঁহিলে। কইনাৰ ঘৰৰ আটায়ে আনন্দ পালে। আকৌ এজাক উৰুলিৰ ৰোল উঠিল। ছোৱালী ভিতৰলৈ নিয়াৰ পাছত কাকতিয়ে মেধিহঁতক ক'লে, "আজি হলে সুদাই নিকাই দুপৰীয়াৰ ভাত মুঠি দিহা কৰি থৈছো। আপোনালোকে মুখ-হাত ধোৱক।"

গাঁওৰ বয়সিয়াল যিকেইজন আহিছিল তেওঁলোকে এইবাৰ যাবলৈ উঠিল। তাৰে কোনোবা এজনে হাঁহি ক'লে, "ল'ৰা দেখি আমি ভাল পাইছো। আমাৰ মন খাইছে। এতিয়া বাকীবোৰ কথা ঠিকঠাক কৰক।"

কাকতিয়ে সকলোকে নঙলা মুখলৈ আগবঢ়াই দিলে। উভতি আহি ককায়েকক ক'লে, "ককাই, তই নাযাবিচোন। মই নবৌক কৈ থৈছো। তইঁতে ভাত মুঠি ইয়াতে খাই যাবি।" কাকতিহঁতৰ দুয়ো ভায়েক আঢ্যবন্ত খেতিয়ক। তিনি-চাৰিটাকৈ মেটমৰা ভঁৰাল।

আঘোণৰ চেঁচা বতৰ। চোতালত মিঠা ৰ'দবোৰে এটা আমেজ আনি দিছিল। বৰা, মেধি আৰু নেওগে কইনা ঘৰৰ মানুহবোৰ নিলগ হৈ যোৱাৰ লগে লগে তিনিওজনে ৰগৰ পাতি শইকীয়াক জোকাবলৈ লৈছিল। কিয় নেজানে শইকীয়াই সেইবোৰ মুহূৰ্তত গহীন হৈ পৰিছিল। তেওঁৰ উদাস চকুৰ দৃষ্টি দূৰৰ আকাশখনত নিবদ্ধ হৈছিল। এচমকা শুকুলা ডাৱৰে বেলিৰ পোহৰটো অকণমান ঢাকি ধৰিছিল। এজাক চৰাই উৰি গৈছিল, বোধকৰো কোনোবা দূৰ-দূৰণিলৈ। বছৰৰ সেই সময়খিনিতেই অসংখ্য নানা তৰহৰ চৰাই আহে উত্তৰৰ শীতল দেশৰ পৰা বিষুবৰ ৰ'দৰ পোহৰ বিচাৰি। বিলবোৰত নানা ধৰণৰ পখীয়ে চৰিবলৈ লয়, বিধে বিধে হাঁহ ওলায়। কেতিয়াবা গাঁওৰ চিকাৰীয়ে পুৰণিদিনীয়া খাজা বন্দুকত বাৰুদ ভৰাই চৰাই চিকাৰ কৰেগৈ। চহৰৰ ডাঙৰ বিষয়াসকলে বিলাতী বন্দুক লৈ গাঁওৰ সিপাৰৰ বিলখনৰ পাৰত পুৱতি নিশাৰ পৰা খাপ লৈ চিকাৰ কৰেহি। কেতিয়াবা বিলত পানী খাবলৈ নামবৰ হাবিৰ পৰা শৰ পহুৰ জাকো ওলায়হি, চিকাৰীৰ ফান্দত পৰিবলৈ। তাৰে দুই-এটা পহুৱে দেহা ৰাখি থৈ যায় চিকাৰীৰ গুলিত। কি যেন এটা নৃশংস আনন্দ এইবোৰ মানুহৰ। প্ৰকৃতিৰ অপূৰ্ব সমন্বয় ভঙ্গ কৰি নৃশংস নৰমনিচৰ ধ্বংসলীলা তেতিয়াৰ পৰাই আৰম্ভ হৈছিল। কোনোবা সময়ত নামবৰ হাবিৰ পৰা হাতীৰ জাকো আহে কোমল ঘাঁহৰ সোৱাদ লবলৈ। বিলৰ পানী খাবলৈ আৰু ৰাইজে কষ্ট কৰি কৰা খেতিৰ ধান খাবলৈ। এইবোৰ জাকৰুৱা হাতী চিকাৰীয়ে চিকাৰ নকৰে, কৰিবলৈ গ'লে মৰণ হয়। কাৰণ ইহঁতৰ দলটোক পৰিচালনা কৰা মখনা গুণ্ডা হাতীটো বৰ বুধিয়ক। কোনোবাই চিকাৰ কৰা উমান পালে ৰুদ্ৰমূৰ্তি ধৰি গোটেই জাকটোৱে তাণ্ডৱ লীলা আৰম্ভ কৰে। শইচ নষ্ট কৰে, ওচৰে-পাঁজৰে থকা মানুহৰ ঘৰ-দুৱাৰ মহতিয়াই পেলায়। দুই-এজনৰ প্ৰাণো হানি হয়। পিছে কেতিয়াবা কেতিয়াবা নামবৰ হাবিৰ কিনাৰত চৰকাৰী অনুমোদন লৈ দুই-একে হাতী ধৰে। হাতী ধৰা নিয়ম বেলেগ বেলেগ আৰু সেই সকল হাতী ধৰোতাই হাতীৰ কথা ভালকৈ বুজিছিল। বুজন হাতী কেইটামানৰ পেটত ৰচি বান্ধি ওলমি লৈ ফান্দীয়ে আনবোৰ হাতীয়ে নেদেখাকৈ জাকৰ কোনোবাটো হাতীৰ ঠেঙত ৰচি বান্ধি দুটা শিকনি লোৱা হাতীৰ হতুৱাই আঁতৰাই আনিছিল। সেই হাতীক বশ কৰোতে মাউতৰ ভালেমান দিন লাগিছিল।

ইতিমধ্যে কাকতিয়ে ভিতৰলৈ ৰিং মাৰি ক'লে – "মুখহাত ধুবলৈ পানী-দুনি যতনাই দিবি ঐ"। ককায়েকৰ সৈতে এওঁবিলাকৰ ওচৰত আকৌ বহিলহি। মেধিৰ পিনে পোনাই কাকতিৰ ককায়েকে সুধিলে – "বিয়াৰ দিনবাৰৰ কথা ভাবিছেনে?"

মেধিয়ে ক'লে "এইটো আঘোণ মাহ। মাঘ বা ফাগুনৰ ভিতৰত ফাগুনেই ভাল হ'ব।"

কথা শুনি কাকতিৰ ককায়েকে সেমেনাসেমেনি কৰিলে – "ফাগুনটো বাদ। ইয়াৰ নবৌৱেকে গাত লেঠা লগাই থৈছে। বুঢ়া বয়সত এইবোৰ লাজ লগা কথা হ'ল।" দোষটো যেনিবা ঘৈণীয়েকৰ গাতহে।



নেওগে ক'লে, "মাঘ হ'লে দেখোন আমাৰ হাতত সময় নায়েই। মাহেকৰ ভিতৰত গোটেইবোৰ যোগাৰ কৰিব লাগিব।"

বৰাই ক'লে, "যোগাৰ কৰাৰ চিন্তা তইনো কেলেই কৰিছ। এইবোৰ নিয়ন্তাই কৰাব নহয়। বিয়া পতাৰ যোগাৰ, ঘৰ সজাৰ যোগাৰ কথাতে কয় বোলে কেতিয়াও শেষ নহয়। এতিয়া এদিন এখেতসকলৰ কোনোবা আহক। ঘন পণ্ডিতৰ তাত বহি আমি দিন-বাৰ ঠিক কৰো।"

মেধিয়ে মাত লগালে, "ঘৰৰ জনীয়ে টেকেলি লবলৈ ঠেঙ দাঙিয়েই আছে। শইকীয়াই ভীষ্ম প্ৰতিজ্ঞা কৰিছে। নিজৰ ঘৰৰ কাকো বতৰা নজনাই বুলি। আমাৰ তিনিও ঘৰৰ মূৰৰ ওপৰেদিয়েই সকলো যাব। ঘৰৰ মাইকী মানুহবিলাকৰ অসুবিধাৰ কথাও আছে। সেই কাৰণে দিন-বাৰ এটা নহয়, দুই-তিনিটা চাই লৈহে খাটাং কৰিব লাগিব। এখেত কাকতি-আহক। শইকীয়াৰ ডাং-বৰলা হৈ থকা ঘৰখনো এবাৰ গৰকি যাওক। বৰাই ঘন পণ্ডিতৰ তালৈ গৈ দিহা কৰিব।"

নেওগে হাঁহি ক'লে, "আমাৰজনীয়ে সিদিনা মোৰ হতুৱাই পাটৰ সূতা কিনাই লৈ জোৰোণৰ বাবে বাতি কৰা আৰম্ভ কৰিলে।"

মেধিয়ে ক'লে, "হৰি সোণাৰীক মই কৈ থোৱা আছে। গহনাকেইপদ তাতেই হ'ব। মানুহটো ভাল। পা-পইচা সময় বুজি আমি লাহে লাহে শোধাব পাৰিম।"

নিৰ্বাক নিস্পন্দ হৈ শইকীয়াই সকলো শুনিলে। এটা অভুতপূৰ্ব কৃতজ্ঞতাৰে বন্ধুকেইজনৰ প্ৰতি অন্তৰ উপচি উঠিল। মনে মনে ভাবিলে – এইবোৰৰ প্ৰতিদান কেতিয়াবাকৈ দিব পাৰিব জানো।

কাকতিয়ে ক'লে, "খেতি চপোৱাৰ কাম আৰম্ভ হৈছে। সিফালৰ ভঁৰালত থকা আৰু তেজৰ বছৰতে মৰণা মাৰি চপাই থোৱা ধানখিনি হাটলৈ লৈ গৈ বেচিলেহে ধন গোট খাব। ভগৱন্ত পুৰুষে এনেকৈ মোৰ ছোৱালীজনীৰ যতন ঠিক কৰি থোৱা বুলি মই আগতে উমানকে নাপালো। অহা ঘূৰি সপ্তাহৰ সোম-মঙ্গলবাৰৰ ভিতৰতে কেছাৰীত আপোনালোকক লগ কৰিমগৈ। প্ৰভুৱে জানে, তেঁৱেই যি কৰাই কৰাব।"

কাকতিৰ পিছৰ জনী ছোৱালী সুৰ। এনেয়ে ঘৰত ফৰকছোলা পিন্ধি দৌৰি ফুৰে। মাজে মাজে ঘৰৰ কামত লাচনি-পাচনি কৰে। তাই আজি মুগাৰ ৰিহা-মেখেলা পিন্ধিছিল – মাকৰ বৰ পেৰাৰ পৰা উলিয়াই। কোনোমতে কাপোৰখন সামৰি তাই আহি কাকতিক মাত দিলে, "পিতাই, উঠ। বৌটিয়ে মজিয়াত ভাত দিছে।"

আটাইকেইজনে মুখ-হাত ধুই মজিয়ালৈ আগবাঢ়ি গ'ল – ভাত খাবলৈ। ভাতৰ কাঁহীৰ কিনাৰে কিনাৰে কত ব্যঞ্জন সজাই থোৱা আছিল। মাছেই তিনিবিধমান কৰিছিল। এখন শৰাইত তামোল-পাণ সজাই শৰাইঢকাৰে ঢাকি দৰাঘৰীয়া কেইজনক মান ধৰিছিল।

খাবলৈ পীৰাত বহিয়ে মেধিয়ে মাত লগালে, "ইমান কেইবিধ মাছ দেখোন।"

কাকতিয়ে হাঁহি হাঁহি উত্তৰ দিলে, "আপোনালোকৰ দৰাৰ ভাগ্যৰেখাত বৃহস্পতি বহি আছে যেন পাইছো। আজি পুখুৰীত জাল পেলাওঁতেই প্ৰকাণ্ড ৰৌমাছ এটা পৰিল।"

শইকীয়ালৈ তিনিওজনে চাই ক'লে, "দেখিলেনে? আমাৰ ওপৰত ভৰষা ৰাখিব। পিছে পিছলৈ পাহৰি নেযাব।"

শইকীয়াই তলমূৰকৈ থোকাথুকি মাতেৰে ক'লে, "বান্ধসকল, এই শইকীয়া খাই পাত-ফলা মানুহ নহয়। কোনোবা জনমৰ ভাগ্যৰ ফলত আপোনালোকৰ নিচিনা আপোনজনক পালো।"

কথা শুনি কাকতিৰ ককায়েকে আনন্দ পালে, ভায়েকলৈ চাই ক'লে, "ল'ৰাৰ বুজটো দেখিলিনে তই। তোৰ ছোৱালী সুখী হ'ব।"

কাকতিয়ে মেধিহঁতক উদ্দেশ্য কৰি ক'লে, "আপোনালোকৰ উপকাৰফেৰা মই কেতিয়াও নাপাহৰো।" নেওগে তপৰাই উত্তৰ দিলে, "দাইটি, এই আপোনা-আপুনিটো এৰক। এতিয়াৰ পৰা আমাক ভতিজাহেন গিয়ান কৰিব। বিচাৰিলে তুমি কিয়, তই বুলিও মাতিব পাৰিব। আমাৰ বান্ধ আপোনালোকৰ পো হ'বলৈ ওলাইছে।"

মেধি আৰু বৰাই সঁহাৰি জনালে, "এৰাটো আকৌ তেহে কেতিয়াবাকৈ আমি বিহুৱে-সংক্ৰান্তিয়ে পেট ভৰাই জলপান একোটা খাই যাবহি পাৰিম।"

হাঁহিৰ ৰোল উঠিল আটাইকেউজনৰে মাজত। সুধি সুধি কাকতিয়নীয়ে ভাত-আঞ্জা দিবলৈ ল'লে। ইমান দূৰ বাটকুৰি বাই অহা বাবে পেটৰ কেচু-কুমটিবিলাকেও কলমলাই উঠিছিল। হেঁপাহ পলাই আটাইকেউজনে খালে। শেহত একো বাতিকৈ মেলাহি বাতিত চেকা এঠা দৈ প্ৰত্যেকৰ পাতৰ আগত কইনাই থৈ গ'ল।

এইবাৰহে শইকীয়াই কেৰাহিঁকৈ ছোৱালী চালে। অপৰূপ, দীপলিপ ছোৱালী সেইজনী। পিছে পিছে সুৰো আহিছিল। একো জেবাকৈ গুৰ দি গ'ল দৈৰ বাতিটোত। কাউৰী ক'লা গুৰ। ঘৰৰ কুঁহিয়াৰ পেৰি উলিওৱা। সেই অঞ্চলতে বোলে গুৰ পেৰাৰ বঢ়ৈ হিচাপে কাকতিৰ নাম আছিল। কোনোদিনে গুৰ ধমনা হ'বলৈ নেপায়।

খাই-বৈ ক্ষন্তেক জিৰাই তামোল-চালি মুহুদি কৰি চাৰিওজনে ঘৰমুৱা হ'ল। আঘোণৰ সেমেকা ৰ'দ তেওঁলোকৰ পিঠিত পৰিছিল। পথাৰত দাৱনিয়ে ধান দাইছিল। খেনোৱে কান্ধত বিৰিয়া লৈ ডাঙৰিবোৰ কঢ়িয়াইছিল। খেনোই আকৌ গৰু গাড়ীত মুঠি ধান বান্ধি ঘৰমুৱা হৈছিল। দূৰৰ ডোং এটাৰ পাৰত মাছৰ বাবে চোপ লৈ থকা বগলীকেইটামানে বাইচাইকেলকেইখন ওচৰ পোৱাৰ লগে লগে উচাৎ মাৰি উৰি গ'ল। আকাশত অ'ত ত'ত এচমকাকৈ বগা ডাৱৰ। চেমনীয়া ল'ৰাকেইটামানে পথাৰৰ ধান খাবলৈ যোৱা গৰুৰ পাল খেদি খেদি চৰাবলৈ লৈ গৈছিল। অলপ পিছতে বেলি লহিয়ালে গৰখীয়াই গৰু লৈ ঘৰমুৱা হ'ব লাগিব। আজি কিন্তু চাৰিওজনে সাৱধানে চাইকেল চলাইছে। এবাৰ সাপে খালে লেজুলৈকো ভয়। ক'ৰবাত বাটটো বেয়া যেন দেখিলে চাৰিওজনে চাইকেলৰ পৰা নামিহে আগবাঢ়িছিল। আটাইৰে মনত এটা আপোনভোলা আত্মতৃপ্তি। শইকীয়াক জোকাবলৈ বুলি মাজে মাজে দুই-এটা কথা তিনিওজনে কৈছিল, "বাটটো ভালকৈ চিনি লওক। ইয়াৰ পিছত আমাক নালাগিব নহয়," নেওগে ক'লে।

মেধিয়ে মাত দিলে, "মিষ্টান্নাম্ ইতৰে জনাঃ। সকামত আমি ইতৰজনে মিঠাইহে খাম।"

বৰাই মেধিক জোকাবলৈ বুলি ক'লে, "সংস্কৃতৰ পণ্ডিতে শ্লোকফাকি কেলেই এনেকুৱা বেঁকা অৰ্থলৈ লৈ গ'ল?"

ইমানপৰে শইকীয়াই নিমাতহৈ আগবাঢ়ি গৈ আছিল। আটাইকেউজনৰ ভিতৰত বয়সত মেধিয়েই ডাঙৰ। "আমাৰ মাজত এই আপোনা-আপুনিখন আজিয়েই সামৰিলো। মেধি আজিৰ পৰা ককাই হ'ল আৰু এওঁলোক দুজন মোৰ বান্ধ হৈ থাকিল। বিয়াত বহাৰ আগতে পণ্ডিতক কৈ নোৱাই-ধুৱাই সখি হ'ব লাগিব।"

বৰাই সৈমান হৈ ক'লে, "হয়তো আকৌ। কি আপোনা-আপুনি বান্ধ? তুমি-তামা কৰো।"

আটাইকেউজনৰ মাজত হাঁহিৰ ৰোল উঠিল। চাইকেল চহৰমুৱা হৈ আগবাঢ়ি গৈ থাকিল। লাহে লাহে গাঁৱৰ সেৰেঙা বসতি চেৰাই তেওঁলোকে চহৰৰ মাজ-মজিয়া আহি পালেহি। তাৰ পিছত আটাইকেউজনে ঘৰমুৱা হৈ বাট মেলিলে। *(আগলৈ)*

## গ্ৰন্থজগত

নলিনীধৰ ভট্টাচাৰ্য

# কবিতাত প্ৰতিবাদী কণ্ঠস্বৰ

খবিৰ আহমেদৰ 'যেতিয়ালৈকে জীয়াই থাকে সূৰ্য'ত শুনিছো এটি প্ৰতিবাদী কণ্ঠস্বৰ; এই কণ্ঠস্বৰ কেতিয়াবা আন্তৰিক আৰু কেতিয়াবা আবেগ-চঞ্চল, তথাপি, তেওঁৰ বিভিন্ন অভিজ্ঞতাৰ কাব্যিক স্বাক্ষৰ হিচাপে সংকলনটো নিশ্চয় আদৰণীয়। দেশ আৰু বিশ্বৰ দৈন্য সম্বন্ধে তেওঁ সজাগ; এই সজাগতাই তেওঁৰ কাব্যিক জীৱনৰ ভেটি। তেওঁৰ কবিতা ব্যক্তিগত হৈও নৈৰ্ব্যক্তিক, 'মই' লাহে লাহে য'ত 'আমি' লৈ ৰূপান্তৰিত হৈছে। জীৱন আৰু উজ্জীৱনৰ মন্ত্ৰ জপা এই তৰুণ কবিৰ মানৱ-প্ৰীতি আন্তৰিক; তেওঁ জীৱন-নিষ্ঠ, ভৱিষ্যত মুখী আৰু আশাবাদী। কবিতাই জীৱনৰ পৰিবৰ্তন আনিব পাৰে নে ? ই মানৱ মুক্তিৰ স্বপ্ন পূৰণ কৰে নে ? কবিতাৰ সেই শক্তি আছে বুলি কোৱা টান, কিন্তু ই কাব্য ৰসিকক আনন্দ দিয়াৰ উপৰিও মহৎ উদ্দেশ্যত অনুপ্ৰাণিত কৰিব পাৰে। খবিৰ আহমেদে এই কথা বিশ্বাস কৰে; তেওঁ কৈছে : 'কবিতা শব্দৰ যাদু, কিন্তু এই যাদু কেৱল মুহূৰ্তৰ বাবে মানুহক মোহাবিষ্ট কৰি ৰখাৰ বাবে নিশ্চয় নহয়।' এই প্ৰত্যয় লৈয়ে তেওঁ কবিতা চৰ্চা কৰিছে, সেয়ে বাস্তৱৰ নিৰ্মমতাক তেওঁ আওকাণ কৰিব নোৱাৰে। সেই বুলি তেওঁ কবিতাৰ স্বকীয়তা সম্পৰ্কেও সজাগ; কলাত্মক মহিমা নহ'লে, শব্দক ৰসৰ পৰ্যায়লৈ নিব নোৱাৰিলে, কবিতাই আকৰ্ষণ কৰিব নোৱাৰে।

কবিতা কেতিয়াবা আত্ম-কথাও। 'বিনীত নিবেদন এই যে' নামৰ কবিতাত খবিৰৰ জীৱনৰ কাহিনী আছে। এই কাহিনী কৰুণ; সকলোৰে অৱহেলাৰ পাত্ৰ হৈ জীৱন কটোৱা পমুৱা এজনৰ কৰুণ কাহিনী এই কবিতাৰ বক্তব্য বিষয়; কথা-বস্তু ব্যক্তিগত হ'লেও সি নিৰ্বিশেষ পৰ্যায়লৈ উঠিছে তাৰ প্ৰকাশ-চাতুৰ্যৰ বলত; পমুৱা এজনো অসমীয়া, তেজ আৰু ঘামেৰে তেওঁ অসমৰ মাটি উৰ্বৰ কৰিছে। অথচ, এই অসমতে তেওঁৰ জীৱন ৰক্তাক্ত :

হঠাৎ কাৰোবাৰ কঠিন হাতৰ পৰশত
উচুপি উঠিল
মোৰ তিৰাশীৰ জ্যোৎস্নাপ্লুত ৰাতি
নেলীৰ বিধ্বস্ত বস্তিভিটাত থিয় হৈ
বিনালে মোৰ দেশ
মুকালমুৱাত মেঘাচ্ছন্ন আকাশ আৰু
'ৰূপহী' 'জুৰিয়া'
মিঞাসকলৰ সেই 'ছায়া ঢাকা পাখী
ডাকা' গাওঁবোৰ
শ্মশান হ'ল.......

এই অঘটনবোৰৰ বিৰুদ্ধে কবিৰ ক্ষোভ স্পষ্ট। অমানুষিকতাৰ মাজত তেওঁ উচ্চাৰণ কৰিছে এষাৰ জীৱননিষ্ঠ কথা : 'জীয়াই থকাৰ মন্ত্ৰ, সহযোগিতা।' কিন্তু সেই প্ৰেম-প্ৰীতিৰ সূৰ্য এতিয়াও উদয় হোৱা নাই; এদিন হয়তো উদয় হ'ব যেতিয়া দৰিদ্ৰ, লাঞ্ছিত মানুহৰ মানৱীয় ঐক্য সম্ভৱ হ'ব। এই ঐক্য সম্ভৱ কৰিবৰ বাবে তেওঁৰ পৃথিৱী পৰিক্ৰমা আৰম্ভ হ'ব–

মই ভাৰতৰ মই এচিয়াৰ মই
পৃথিৱীৰ এজন নাগৰিক
মানুহৰ পৃথিৱীত মানুহৰ সতে
মানুহৰ বাবে
মানুহ হৈ মই জীয়াই থাকিম
যেতিয়ালৈকে জীয়াই থাকে সূৰ্য

সূৰ্য ইয়াত আশাৰ প্ৰতীক – যি এজন সেনাপতিৰ দৰে আহি আছে, তেওঁ দেওলগা ঘোঁৰাৰ আৰোহী – উজ্জীৱনৰ বলিষ্ঠ হোতা।

তেওঁৰ কবিতাত এই 'সেনাপতি' গুণ গুণ শব্দ, সেউজীয়া বতাহ কেতিয়াবা পথাৰৰ কৃষক, ৰাজপথৰ সৰ্বহাৰা, কেতিয়াবা আকৌ বিপন্ন স্বদেশৰ বৰেণ্য প্ৰতিভূ হৈ দেখা দিছে। উত্তৰণেই তেওঁৰ লক্ষ্য, এই সূৰ্যদীপ্ত প্ৰতিভাৰ স্বপ্ন কবিৰো আছে, কবিৰো অন্তৰ্লোকিত উত্তৰণৰ গুণগুণনি অহৰহ চলে। তাৰ সমল যোগায় হতভাগিনী দেশ মাতৃয়ে, যি সাৰে থাকি স্পাৰ্টাকাচ, চিচিফাচৰ কাহিনী শুনায়। এই কাহিনী শুনি শুনি কবি হৈ উঠে প্ৰতিবাদী, তেওঁ মলিয়ন নগৰ, পিছপৰা গাৱঁত সিঁচি দিয়ে প্ৰতিবাদৰ বীজ। এখন যুদ্ধভূমিত তেওঁ কেতিয়াবা 'ক্ষমাহীন জহ্লাদ' হৈ পৰিছে – হ'বলৈ বাধ্য হৈছে, কিয়নো সমুখত নৰকৰ দুৰ্গন্ধ, সকলো নক্ষত্ৰ নুমায় শীতৰ কুঁৱলীত। মেজিৰ জুই সৰ্বত্ৰ বিয়পি পৰে, জাৰৰ ৰাতিৰ কোৰাচত মুখৰিত হয় চৌদিশ।

এইদৰে স্বপ্ন দেখিলেও, কবিয়ে বুজে, যি জনতাৰ বাবে তেওঁৰ এই মানস-যাত্ৰা, সেই জনতাৰ প্ৰাণ-স্পন্দন ক'ৰবাত হেৰাই গৈছে; তেওঁবিলাক শোষণ-বঞ্চনাৰ অন্য এটি নাম, অথচ জীৱনৰ ঋতু সলনিৰ মন্ত্ৰ সম্পৰ্কে তেওঁবিলাক অজ্ঞ। তথাপি কবিৰ স্বপ্ন স্থগিত হৈ যোৱা নাই। ঈগলৰ চকুৰে তেওঁ দেখিছে সকলো কফিনত ফুল গজিছে, সিঁচৰতি হৈ থকা হাত আকৌ মুষ্টিবদ্ধ হৈছে। এই সপোনৰ হুলস্থুলীয়া আলিত কবি ৰৈ থাকে সহযাত্ৰীৰ বাবে যি তেওঁৰ বাবে কঢ়িয়াই আনিব 'বসন্তৰ সৌন্দৰ্য, এখন অকপট হৃদয় আৰু সূৰ্যদীপ্ত প্ৰত্যয়ৰ অফুৰন্ত গান।'

এনে প্ৰত্যয়ৰ মাজতো কবি কেতিয়াবা নিৰাশ হয়; প্ৰতিৰোধ কৰোতায়ো পৰাজয় বৰণ কৰে, পৰাজয় আহিবৰ হ'লে সি নিঃশব্দে আহে। তথাপি কবি উজ্জীৱিত হয়, লাঞ্ছনা-বঞ্চনাৰ বিৰুদ্ধে তেওঁৰ মন জাগি উঠে। সময় হ'লেই জীৱনৰ সপক্ষে কবি শপত ল'বৰ বাবে সাজু হয়।

পাহাৰৰ চূড়া চুই পথাৰৰ ফচল চুই
আকৌ এবাৰ প্ৰতিজ্ঞা কৰিছো
সময় হ'লেই......
কাৰণ তেওঁ বিশ্বাস কৰে, সেই মুহূৰ্ত
আহিবই :
সেই মুহূৰ্ত মানুহৰ সুপ্ৰভাত
সেই মুহূৰ্ত মানুহৰ মুক্তি।

মাতৃভূমিৰ মৰমত তেওঁ যেনেকৈ উদ্বেলিত, ঠিক সেইদৰে বিশ্বৰ মানুহৰ বাবেও তেওঁ উদ্‌গ্ৰীৱ। মানৱতাৰ ধ্বংসকাৰী যুদ্ধ তেওঁ নিবিচাৰে। বন্দুকবোৰ যদি বন্ধু হয়, তেওঁ কল্পনা কৰিছে, তেনেহলে আমি সকলোৱেই মানৱতাৰ প্ৰহৰী হ'ব পাৰিম। তেওঁৰ কবিতা সেইবাবে সকলো অমানুষিকতাৰ বিৰুদ্ধে প্ৰবল প্ৰতিবাদী কণ্ঠস্বৰ। কবিৰ এই প্ৰত্যয়ক যি নেওচা দিয়ে, তেওঁ কবিৰ চোকা ব্যঙ্গৰ হাত সাৰিব পৰা নাই। 'শ্ৰীযুত মহাশয় সমীপেষু'ত এই ব্যঙ্গাত্মক সুৰ ধ্বনিত হৈছে।

খবিৰ আহমেদৰ কবিতা আন্তৰিকতা গুণত চহকী। তথাপি এটা কথা ক'ব লাগিব। তেওঁ যি কলাত্মক সৌন্দৰ্যৰ কথা কৈছে, সেই সৌন্দৰ্য সংযম আৰু সংহতিৰ অভাৱত কেতিয়াবা হেৰাই গৈছে। ইয়াৰ কাৰণ, তেওঁ অতিশয় প্ৰগলভ; প্ৰগলভতাই স্থায়ী প্ৰভাৱ বিস্তাৰ কৰিব বুলি আশা কৰিব নোৱাৰি। সংকলনখনৰ চুটি কবিতাবোৰ দীঘল কবিতাবোৰতকৈ অধিক আকৰ্ষণীয় হৈছে। তেওঁ মিতভাষী সংযত হ'ব লাগিব আৰু শব্দক ৰসস্নিগ্ধ কৰাৰ নিপুণতা অৰ্জন কৰিব লাগিব। উপমাৰ ক্ষেত্ৰতো দেখা যায়, তেওঁ সূৰ্যকে ঘাই উপমা হিচাপে ব্যৱহাৰ কৰিছে। এই উপমা বা ৰূপক বহু-ব্যৱহৃত। সেইবাবে নতুন উপমাৰো (তেওঁৰ অভিজ্ঞতাৰ ভিত্তিত) তেওঁ সন্ধান কৰিব লাগিব। এইখিনি কৰিব পাৰিলে তেওঁৰ কবিতাৰ গাঁথনি উজ্জ্বলতৰ হ'ব। আমি আশা কৰিছো, তেওঁৰ এই উত্তৰণ অচিৰেই ঘটিব।

পুথিখনৰ ছপা-বন্ধা ভাল। আগ্ৰহী পাঠকে আদৰ কৰিব বুলি আমাৰ ধাৰণা।

**যেতিয়ালৈকে জীয়াই থাকে সূৰ্য**
খবিৰ আহমেদ
*এল বি এছ পাব্লিকেশ্যন*
*আমবাৰী, গুৱাহাটী*

# কবিতাত আত্মিক জীৱন

বীৰেশ্বৰ বৰুৱাৰ শেহতীয়া ('৮৫-৯০) কাব্য-সংকলন 'অন্য এক জোনাক' তেওঁৰ আত্মিক জীৱনৰ প্ৰতিধ্বনি বুলিব পাৰি। শিথিল গদ্য-ছন্দত লিখা এই কবিতাবোৰ তেওঁৰ জীৱনৰে দাপোণ। অৱশ্যে সি আলোক-চিত্ৰ নহয়, ব্যঞ্জনাময় ভাষাত তেওঁ ক'ব খুজিছে তেওঁৰেই জীৱন-কাহিনী, প্ৰতিকূল সময় আৰু পৰিস্থিতিৰ পটভূমিত তেওঁৰ মনৰ ঋতু কিদৰে সলনি হৈছে; কেনেকৈ আত্ম-বিশ্লেষণৰ জৰিয়তে তেওঁ ক্ৰমাৎ মানৱীয় সাজ পিন্ধিছে, তাৰ ইতিবৃত্ত তেওঁ দাঙি ধৰিছে, ছন্দহীন ছন্দৰ সুষমাৰে। 'সূৰ্যৰ আবেলি' তেওঁৰ জীৱনৰে আবেলি, এতিয়া আৰু কৈশোৰৰ সেই স্বপ্ন নাই; তথাপি, গতি আছে, পৰিবৰ্তন আছে, কবি এতিয়া বেলেগ মানুহ – 'ময়েই কি সেই মই ?' কবি এই প্ৰশ্নত জীৱনৰ আবেলি পৰিবৰ্তনৰ ধাৰাত সলনি হৈ যোৱা কবি স্বৰূপৰ ইঙ্গিত আছে।

এই পৰিবৰ্তন নো কেনে ধৰণৰ ? কবি দৈহিক, মানসিক দুয়োবিধ পৰিবৰ্তন সম্পৰ্কে সজাগ। কবিৰ জীৱনৰ বেলি লহিয়াইছে। চুলি শুভ্ৰ হৈ পৰিছে, বহু সমনীয়া মানুহ এতিয়া মৃত। স্বপ্নময়, কল্পনাময় সেই দিনবোৰ শেষ হৈছে – সমুখত ৰূঢ় বাস্তৱ। বাকী দিনবোৰ সুখে-দুখে তেওঁ পাৰ কৰিব, বিষাদ কৰিবলৈ কি-টো আছে ? মাথো যিসকল কবিৰ হৃদয়-সংলগ্ন বন্ধু ইতিমধ্যে মৃত বা নিৰুদিষ্ট, তেওঁবিলাকৰ অবিহনত অকাল তুষাৰপাত আৰম্ভ হৈছে। পূৰ্বৰ হৃদয়-চৰ্চা আজি যেন শেষ হৈছে। কিন্তু, কবি কেতিয়াও অমানুষিক হ'ব নোৱাৰে। এতিয়া কবিয়ে নিজৰ হৃদয়ক সম্প্ৰসাৰিত কৰিছে বহল বিশ্বলৈ – য'ত যন্ত্ৰণাত কেঁকাই থকা মানুহবোৰৰ মুখ স্পষ্ট হৈছে। হৃদয়ৰ এই পৰিবৰ্তনত কবি আশ্বস্ত :

তোমাৰ সপোনত প্ৰতিবিম্বিত হয়
যন্ত্ৰণাত কেঁকাই উঠা এই মানুহবোৰৰ
মুখ।

ইয়াৰ পিছত কবিয়ে নিজৰ সত্তাক ঐশ্বৰ্য মদলোলুপা স্ত্ৰীৰ লগত তুলনা কৰি প্ৰশ্ন কৰিছে – স্বৰ্ণবেষ্টনীত সোমাই তোমাৰ কি লাভ ? বহিৰ্জগতৰ পৰা বিচ্ছিন্ন হ'বা তুমি, তাতোকৈ, এটা মুক্ত পথৰ কল্পনা কৰা। এয়া হয়তো চৌপাশৰ ব্যৱসায়িক কল্লোলৰ প্ৰতি ক্ৰমাগতভাবে গঢ় লোৱা কবিৰ অনাসক্তিৰ ধ্যান। এনে ধ্যানৰ মাজত কবিয়ে সকলো দ্বিধা-দ্বন্দ্ব পাৰ হৈ ঘোষণা কৰিছে :

মই মানুহৰ কবি।
প্ৰেম-প্ৰীতি সংস্কৃতি আৰু বেদনাত
মোৰ উজ্জ্বল অধিকাৰ
কোনো ভীতি-প্ৰদৰ্শনেই
মোৰ পৰা এই অধিকাৰ কাঢ়ি নিব
নোৱাৰে।

নখান্দাৰ পাৰৰ কবিয়ে এই ঘোষণাৰ পিছত অতীত সম্বন্ধে হুমুনিয়াহ কাঢ়িবলৈ এৰিছে আৰু অন্য এক জোনাকৰ সন্ধানত আগবাঢ়িছে। নখান্দাৰ পাৰৰ জোনাক এতিয়া মৃতদেহৰ প্ৰচ্ছদৰ দৰে ধূসৰ আৰু কৰুণ। এই ধূসৰ দৃশ্যৰ আবৰ্তত কবিৰ অন্তৰ্জগত ক্লান্তিৰে ভৰি পৰিছে। তাৰ পৰা উদ্ধাৰ পাবলৈ কবি অন্য এক জোনাকৰ সন্ধানত ৰত হৈছে। তেওঁৰ বিশ্বাস, ঋতুৰ সলনি হ'বই। 'ঋতু পৰিবৰ্তনত গাভৰু'ৰ নখে মাটি লেখা সৌন্দৰ্যও এদিন মৰহি যাব। প্ৰকৃতি আৰু সময়ৰ এই পৰিবৰ্তনৰ প্ৰবাহ স্বাভাৱিক বুলি কবিয়ে জানে। সেয়ে, তেওঁ এতিয়া অন্য এক জোনাকৰ সন্ধান কৰিছে। এই জোনাক বিচৰাৰ কাৰণ হ'ল, ভিতৰ পচা সমাজত তেওঁ দেখিছে কেউফালে বিশৃংখলা। পৃথিৱী আজি বিলাপচাৰিণী, তেওঁৰ সন্তান উচ্ছৃংখল, আবেগ চঞ্চল সংকীৰ্ণ স্বদেশপ্ৰেমত উদ্বুদ্ধ হৈ প্ৰতিবেশীবোধ হেৰুৱাই জুই দিছে চুবুৰীয়াৰ ঘৰত; অ'ত ত'ত ভ্ৰাতৃঘাতী সপোনৰ আখৰা চলিছে, হিংসা আৰু

তেজেৰে কলুষিত হৈছে চহৰ। এই পৰিবেশতো গজে সেউজী ঘাঁহ। পৃথিৱীৰ বুকুত নিৰ্ভীক প্ৰতিবাদৰ আখৰাও কবিয়ে দেখিছে – ভ্ৰাতৃঘাতীহঁত কিন্তু অন্ধ, সিহঁতে একো নেদেখে।

কবিৰ আত্ম-বিশ্লেষণো নোহোৱা নহয়। তেওঁ বুজিছে, তেওঁ নিজেও বালিত মূৰ গুজি দায়িত্বহীনভাবে কাম কৰিছে। সেয়ে, তেওঁ স্বীকাৰ কৰিছে অকপট ভাবে–

এই ব্যাধিগ্ৰস্ত সমাজখনত
অত্যাচাৰ আৰু অমানৱিকতাৰ
আমি নিজেও অংশীদাৰ।

ইয়াৰ পিছত কবি দেশৰ ভৱিষ্যত সম্বন্ধে সজাগ হৈছে। এমুঠি সোণালী শইচ্ সিঁচিবলৈ কবি উদ্যত হৈছে, কিন্তু তেওঁ এতিয়াও নেজানে সি কিদৰে ৰূপায়িত হ'ব ভৱিষ্যতৰ মানুহৰ কল্পনাত। ভৱিষ্যতৰ শিশুৰ কি জীৱন-দৰ্শন হ'ব তাকো তেওঁ ধৰিব নোৱাৰে। কবিৰ অন্তৰ্জগত এনেবোৰ ভাব-চিন্তাৰে তোলপাৰ, বহিৰ্জগত কিন্তু স্থিৰ হৈ আছে। কাৰণ, মানুহ এতিয়াও পথভ্ৰষ্ট – তাৰ এহাতত ভ্ৰাতৃঘাতী অস্ত্ৰ, আন হাতত দেৱতাৰ নৈবেদ্য। এই বৈপৰীত্যৰ মাজত সমাজ স্থিৰ আৰু স্থানু। এই ঘটনাৰ কাৰণো কবিয়ে উলিয়াব পৰা নাই।

মন্দিৰৰ উপাসনা বা আধ্যাত্মিক জীৱনে ইয়াৰ প্ৰতিকাৰ কৰিব নে? কবিয়ে তাকো আশা কৰা নাই, কিয়নো 'মন্দিৰৰ গাত এতিয়া দীৰ্ঘায়িত ছায়া'। এই ছায়া হয়তো ধৰ্ম-ব্যৱসায়ীৰ। কবিৰ মন সেইবাবে অস্থিৰ – কঃ পন্থা। কবি যেন শিহৰিত, শংকিত, অনাবাদী মাটিৰ দৰে তেওঁৰ জীৱন, তাত নতুন শইচ হ'ব নে? কবি আজি তাৰ বাবেই যেন অপেক্ষা ৰত।

বৰুৱাৰ ভালেমান কবিতাত ব্যৱহাৰ কৰা 'তুমি' শব্দৰ অৰ্থ কি? এই তুমি হয়তো প্ৰেম যি প্ৰেম বিশ্বজনীন, যি প্ৰেমৰ স্পৰ্শত মানুহ নক্ষত্ৰৰ দৰে উজ্জ্বল হয়; তাক পোৱা নেযায় নিৰ্জন কক্ষত, সি উজ্জ্বল হৈ উঠে, যেতিয়া কবি মুখামুখি হয় জনতাৰ, অজস্ৰ মানুহৰ।

ইমান দিন তোমাৰ স্মৃতিৰ জঠৰত
মই আশ্ৰিত আছিলো; নিশ্চিন্ত আৰু শান্ত
আজি হঠাৎ তোমাৰ স্মৃতিয়ে
মুকলি কৰি দিছে মোক
আলিবাটত
জনতাৰ মুখামুখি, হাতত হাত মিলাই
এই বহল পৃথিৱীত।

অনিঃশেষ এই স্মৃতি – কবিৰ মৃত্যুৰ পিছতো জীৱন্ত হৈ ৰ'ব এই প্ৰেম আৰু তাৰ স্মৃতি। এই প্ৰেমৰ আবেগেৰে স্পন্দিত হৈ আছে তেওঁৰ কেইবাটাও কবিতা। তলৰ স্তৱকবোৰে সেই কথাৰ আভাস দিব:

(১) মই এই বুলি আশ্বস্ত হ'ব খোজো
যে স্বৰূপাৰ্থত তোমাৰ মৃত্যু নাই
যে মোৰ মৃত্যুৰ লগতে
তোমাৰ সকলো নিঃশেষ হৈ নেযায়।
(২) মই আকৌ আহিছো। আজিও
এই সাগৰ-তীৰত মই অপেক্ষাৰত
তোমাৰ বাবে।
(৩) যেন তোমাৰ এই পৰিচয়
অন্য এক অদৃশ্য কুঁহিপাত
(৪) অনেক দিন ধৰি মই বিচাৰিছো
তোমাক/তৰাৰ মাজত/ফুলৰ
মাজত/বতাহৰ কঁপনিত/ঘাঁহৰ নিয়ৰত
(৫) মই কৈছিলো: তুমি এজনী
সোণালী কন্যা।
তুমি কৈছিলা: অতি তাকৰ সংখ্যক
লোকেহে
তেনেদৰে ক'ব।

প্ৰেম তেওঁৰ বাবে এজাক কুৰুৱা বতাহ, পৱিত্ৰ, আৰু একক; তেওঁৰ মানস-জীৱন এতিয়া আত্ম-মুখী নহয়। ইতিপূৰ্বে তেওঁ পোহা চৰাইটো উৰি গৈছে। প্ৰেম-দৃষ্টিৰ বিশ্বজনীনতাৰ চিৰ তৰুণ স্পৰ্শত এতিয়া শিলনিৰ ফাঁকেদি নতুন গজালি ওলোৱা তেওঁ দেখিছে। এই পৰিবৰ্তন কবিয়ে এনেকৈ অনুভৱ কৰিছে:

এটা নতুন চৰাই উৰি আহি
আছে/মোৰ পিনলৈকে
যেন মোৰ জীৱনৰ ভগ্নাৱশেষৰ
মাজেদি
মোৰ আৰু এক প্ৰজন্ম।

কবিয়ে এইবাবেই কবিতাৰ সাধনা কৰিছে। তেওঁৰ শব্দবোৰ জীৱন্ত, সবল, 'লোক-ভুলোৱা সাজ' সিহঁতে নিপিন্ধে। সিহঁত অনুভূতিৰ বাহন, প্ৰাণ-চঞ্চল অকপট শিশুৰ দৰে পৱিত্ৰ। এই কবিতাৰ মাজেদিয়ে তেওঁ চিঞৰে; কিন্তু তেওঁৰ চকু থাকে দূৰৰ নক্ষত্ৰৰ উজ্জ্বল পাখিত। এয়ে তেওঁৰ নিৰ্জন সৃষ্টিৰ জগত, য'ত নদী-নাৰী এক হৈ যায়, য'ত প্ৰেম আৰু নক্ষত্ৰ একাকাৰ হয়। সমস্যাৰে কন্টকাকীৰ্ণ নতুন প্ৰজন্মক তেওঁ ছাঁ দিয়ে, যেনেকৈ গছে পুলিক ছাঁ দিয়ে। এই ছাঁও প্ৰেমৰে নামান্তৰ; এই প্ৰেমৰ বলতে গছ পুলি মহীৰুহ হয়, জীৱনেও পুষ্টি লাভ কৰে।

বৰুৱাৰ আত্মিক জীৱন বা মানস-জীৱনৰ ছবিখন এইদৰেই ধৰা পৰিছে তেওঁৰ কবিতাত, জীৱনৰ অসম্পূৰ্ণতাৰ স্মৃতিয়ে কবিক বেদনা দিলেও কবি বিমূঢ় বা বিষণ্ণ হৈ পৰা নাই – জীৱনক সম্পূৰ্ণ কৰিবলৈ তেওঁ অহৰহ অনুসন্ধান কৰিছে অন্য এক পোহৰৰ, জোনাকৰ, যাৰ নাম প্ৰেম। এই সন্ধানো কবিৰ বাবে সহজ হৈ উঠা নাই – প্ৰকৃতি আৰু মানুহৰ সংসৰ্গই অন্ধকাৰৰ মাজতে স্তিমিত হৈ পৰা প্ৰেমৰ প্ৰদীপ জ্বলাই ৰখাৰ বাসনা দৃঢ় কৰি তুলিছে; এই বাবেই কবিয়ে ক'ব পাৰিছে, তেওঁৰ যাত্ৰা হৈছে এন্ধাৰৰ পৰা পোহৰলৈ। তেওঁৰ তেজ, হৃদয় আৰু মনত প্ৰেমৰ অনুপ্ৰৱেশে তেওঁৰ সংবেদনাক ৰসস্নিগ্ধ পৰ্যায়লৈ উন্নীত কৰিছে।

বিশ্বজনীন প্ৰেমেই কবিৰ জীৱন-বেদ। এই প্ৰত্যয়েই মূৰ্ত হৈ উঠিছে তেওঁৰ কবিতাত। কবিতাৰ প্ৰকৰণ গদ্যছন্দ হলেও কবিৰ হৃদয়ানুভূতি গতিশীল হৈছে আৰু এটা ছন্দ-বোধে কাব্যিক সংহতি দান কৰিছে। বীৰেশ্বৰ বৰুৱাৰ আত্মিক জীৱনৰ ছবি হিচাপে পুথিখনৰ মূল্য উপেক্ষণীয় নহয়।

সুন্দৰ বেটুপাতৰ পকা-বন্ধা পুথিখন কাব্যামোদী পাঠকৰ নিশ্চয় আদৰণীয় হ'ব।

**অন্য এক জোনাক**
**বীৰেশ্বৰ বৰুৱা**
*প্ৰকাশক – মনিকুট প্ৰকাশ*
*লেম্বৰোড, গুৱাহাটী-১*







# হস্তৰেখাৰ সপক্ষে

ডাঃ মৃদুল গগৈ

ডাৰউইনৰ ক্ৰমবিকাশ সূত্ৰৰ ব্যাখ্যাৰে বিবৰ্তনৰ জটিল পথেদি এমিবাৰ পৰা মানুহ হৈছিলনে নাইবা পৱিত্ৰ বাইবেলৰ উদ্ধৃতিৰে মানুহ পৃথিৱীলৈ মানুহ হিচাপেই আহিছিল। সেই বস্তুবাদ আৰু ভাৱবাদৰ চিৰন্তন যুদ্ধৰ অধ্যায়ক পিছলৈ ৰাখি পৃথিৱীত মানুহৰ আকৃতি আৰু প্ৰকৃতিৰে আৱিৰ্ভাৱ হোৱা মানৱৰ হাতৰ ফলকত অঙ্কিত আশ্চৰ্যময় ৰেখা সমূহৰ অৰ্থবহুল বৈচিত্ৰ্যৰ বিষয়ে আমি এই অধ্যায়ত আলোচনা কৰিম।

হস্তৰেখাক বিজ্ঞান বুলি অভিহিত কৰা যায় এই কাৰণেই যে ইয়াৰ ওপৰত আহৰণ কৰা জ্ঞান অনুসন্ধিৎসু মানৱ মনৰ শতাব্দীজোৰা বাস্তৱাত্মক বিশ্লেষণ আৰু ৰেখাবিলাকৰ ওপৰত কৰা গভীৰ অধ্যয়নৰ পৰিপক্ক অভিজ্ঞতাৰ ফলশ্ৰুতি। অন্যহাতে ই এক দৰ্শন। তথাকথিত ভুল বৈজ্ঞানিক ব্যাখ্যাৰে বিপদগ্ৰস্ত কৰি তোলা আৰু লগতে কিছুমান ধৰ্মীয় গোড়ামিৰ কবলত পৰি কক-বকাই থকা ই আছিল প্ৰকৃতাৰ্থত জীৱনৰ বহুবোৰ গোপন ৰহস্যৰ সম্ভেদ দিব পৰা এক অমূল্য দৰ্শন। জীৱন আৰম্ভণীৰ দোক-মোকালিতে জীৱনৰ সৈতে গাঁঠি পিন্ধাই দিয়া কোনোবা (!) জীৱন সৃষ্টিকাৰীৰ সম্ভৱ ই আৰু এক অনবদ্য উপহাৰ। জীৱনৰ গতিপথত বহু বছৰৰ আগতেই এই ৰেখাবিলাকে নিৰ্ণয় কৰি দেখুৱাই দিয়ে আমাৰ অনাগত দিনৰ প্ৰাপ্তিৰ উৎসৱ অথবা আশাভঙ্গ বেদনাৰ দুখময় সম্ভাৱনা নাইবা পৰিণতিক।

হস্তৰেখাৰ পৰিপূৰক জ্ঞানৰ অংশীদাৰ হোৱা পৃথিৱীৰ বিশিষ্ট হস্তৰেখাবিদসকলৰ জীৱনজোৰা সাধনাৰ অন্তিম মন্তব্যত ইয়াৰ সত্যতাকেই ঘোষণা কৰা হৈছে। ভৱিষ্যদ্বাণীৰ সংঘটিত চমকেৰে বেনথাম, চেইন্ট জাৰ্মান, গফৰ, নৱেল জেকুইন আদি বিশ্ববিশ্ৰুত হস্তৰেখাবিদে এই দিশত সন্দেহৰ অৱসান ঘটাই যদিও ইয়াক বিজ্ঞান হিচাপে প্ৰতিষ্ঠা কৰি গৈছে তথাপিতো হস্তৰেখাৰ অদ্বিতীয় বিশাৰদ কিৰোয়েহে এই বিদ্যাক এক চিন্তনীয় বিষয়লৈ উন্নীত কৰিছে। হস্তৰেখাৰ ইতিহাসত 'কিৰো'য়েই নেকি একমাত্ৰ চৰিত্ৰ যি তেওঁৰ কিছুমান অমূল্য লেখাত এই বিষয়টোৰ বিশদ বিৱৰণ আগবঢ়াই মানৱ মগজুত যুগান্তকাৰী বিপ্লৱৰ সূচনা কৰি গৈছে। যদিও তেওঁ বিভিন্ন ধৰণৰ দৃষ্টান্ত আগবঢ়াই এক বৈজ্ঞানিক দৃষ্টিকোণৰ পৰা ইয়াক প্ৰতিষ্ঠা কৰিবলৈ প্ৰয়াস কৰিছে তথাপিতো তেওঁৰ লেখাৰ স্তৰে স্তৰে অতি বৈজ্ঞানিক অহমিকা, কেতিয়াবা সহায়হীনতা অথবা এক অদৃশ্য পৰম শক্তিৰ ওচৰত আত্মসমৰ্পণ কৰাৰ প্ৰৱণতাকেই প্ৰকট কৰি তুলিছে। কোনো সুস্থিৰ সিদ্ধান্তত উপনীত হোৱাৰ পৰা তেৱোঁ বিৰত হ'ল।

এটা নৱজাত শিশু যেতিয়া ভূমিষ্ঠ হয় তেতিয়াই সেই শিশুটিৰ হাতৰ তলুৱাত আচৰিত ধৰণে ৰেখাবিলাক অঙ্কিত হোৱা দেখা যায়। তাৰে কিছুমান গৌণ ৰেখাৰ সময় বাঢ়ি যোৱাৰ লগে লগে কিছু সালসলনি হয় যদিও প্ৰধান ৰেখাবিলাক মুখ্যতঃ একেই থাকে বা পৰিবৰ্তন সাধাৰণতে পৰিলক্ষিত নহয়। সেয়েহে এজন সুস্থ জ্ঞান সম্পন্ন হস্তৰেখাবিদে ভালকৈ অধ্যয়ন কৰিলে জন্ম লগ্নতে শিশুটিৰ ভৱিষ্যত গতিপথৰ বহু শতাংশ বিৱৰণ দাঙি ধৰিব পাৰে। এতিয়া প্ৰশ্ন হ'ল কোনে বাৰু অঙ্কিত কৰি পঠিয়ালে নৱজাতকৰ হাতৰ ফলকত ভৱিষ্যত জীৱনৰ সমস্ত ঘটনাৱলী? কিহৰ ভিত্তিত নিৰূপিত হ'ল বা আগতীয়াকৈ জনা গ'ল তেওঁৰ ভৱিষ্যত? এয়া চিন্তাৰ এক মহৎ বিষয়।

প্ৰথম কথা জন্মলগ্নতে যেতিয়া জীৱনৰ ভৱিষ্যত গতিপথৰ সম্পূৰ্ণ নহলেও বহু শতাংশ আভাস হাতত অঙ্কিত হৈ থকা দেখিবলৈ পাওঁ তেতিয়াই আমি চিন্তাৰ তুমুল দ্বন্দ্বত ভুগিবলৈ বাধ্য হওঁ। ভাবিবলৈ বাধ্য হবলগীয়া হওঁ যে হিন্দুধৰ্মৰ উক্তিৰে এই জীৱনৰ প্ৰাপ্তি অপ্ৰাপ্তি সকলোবোৰ পূৰ্বজন্মৰ কৰ্মফলৰ পৰিণতি নেকি! কিন্তু এয়া মানি লব নোৱাৰি। যিহেতু আমি পৃথিৱীত এটা মুক্ত মন (free will) লৈ জীয়াই আছো। সেয়েহে মুক্ত মনৰ ওপৰত পূৰ্বনিৰ্ধাৰিত (Pre destined) কিছুমান বোজা থাকিব নোৱাৰে। এই ধাৰণা প্ৰতিষ্ঠিত হলে জীৱন প্ৰক্ৰিয়া সম্পূৰ্ণ যান্ত্ৰিক বুলিয়েই ধৰিব লাগিব। দ্বিতীয়তে বৈজ্ঞানিকসকলে এই বিষয়ত যুক্তি দাঙি ধৰিছে যে শিশুৰ জন্মৰ আগতে বা জন্মৰ পিছতো হাতৰ মুঠি বন্ধ কৰি ৰখাৰ ফলত ইয়াৰ ভাঁজৰ বাবেই ৰেখাবিলাকৰ সৃষ্টি হৈছে। ই এক সম্পূৰ্ণ অবৈজ্ঞানিক যুক্তি। তেখেতসকলে বুজিবলৈ যত্ন কৰা উচিত যে এই ৰেখাবিলাক সাধাৰণ ভাঁজৰ বাবে সৃষ্টি হোৱা চিহ্ন নহয়। প্ৰায়ে হাতৰ মুঠিৰ ভাঁজৰ বিপৰীতেও এই ৰেখাবিলাকে গতি কৰে আৰু প্ৰতিডাল ৰেখাৰ নিজস্ব পৰিভাষা আছে। আকৌ অন্য এচামে যুক্তি দাঙি ধৰে যে ৰেখাবিলাকৰ যোগসূত্ৰ সম্পূৰ্ণৰূপে মগজুৰ কোষবিলাকৰ লগত নিহিত হৈ আছে। মগজুৰ কোষবিলাকত ধাৰণাৰ উত্তোলন হলে স্নায়ুৰ যোগেদি সঞ্চালিত হৈ ই ৰেখাৰ আকৃতিৰে আমাক অৱগত কৰায়। কিন্তু এয়াও সম্ভৱ ভুল। এটা সাধাৰণ উদাহৰণ দিয়া যাওক। জন্মলগ্নতে এটি শিশুৰ হাতত ভগ্ন মানস ৰেখা চাই বুজা গ'ল যে পঁয়ত্ৰিছ বছৰ বয়সত মূৰত সাংঘাতিক ধৰণে আঘাতপ্ৰাপ্ত হৈ তেওঁ মৃত্যুবৰণ কৰিব। কিন্তু এই পূৰ্ণ সম্ভাব্য মৃত্যুৰ লগত মগজুৰ কোষবিলাকৰ যোগসূত্ৰ কেনেকৈ থাকিব পাৰে!

হস্তৰেখাৰ উৎস সম্পৰ্কীয় বিষয়টোৰ ওপৰত পৰম মতামত ব্যক্ত কৰাটো এতিয়াই সমীচীন নহ'ব। বছৰ বিয়পা অভিজ্ঞতা আৰু দাৰ্শনিক উপলব্ধিৰ গভীৰতাৰে যদিও এই প্ৰবন্ধ পাঠক সমাজৰ চিন্তাৰ আলোক জগতলৈ আগবঢ়াই দিছো তথাপিও এই দিশত অদ্য পৰিমিত আমাৰ দীনতা অনস্বীকাৰ্য।





OKDISCD

কিন্তু এটা কথা পাঠকসকলক ক'ব পাৰো যে যিখিনি ৰেখা অথবা চিহ্নৰ আধাৰত এখন হাতৰ ওপৰত মতামত ব্যক্ত কৰা হয় সেয়া বিজ্ঞান। কোনো হস্তৰেখাবিদৰ ইয়াত চমক সৃষ্টিকাৰী একক আধিপত্য থাকিব নোৱাৰে। যুগ-যুগ ধৰি বিভিন্ন চিন্তাবিদ মনীষীয়ে এই বিষয়টোৰ ওপৰত কৰি অহা সাধনাৰ সংমিশ্ৰিত ফলশ্ৰুতিয়েই হৈছে যি কোনো হস্তৰেখাবিদৰ তথাকথিত জ্ঞানৰ ভাণ্ডাৰ। অৱশ্যে ইয়াত নিজস্ব সংযোজনৰ দিশ এটাও জৰিত হৈ আছে যাক তেওঁ প্ৰত্যক্ষ অভিজ্ঞতাৰ পৰা সংগ্ৰহ কৰে। উচ্চস্তৰৰ কিতাপ পঢ়ি নাইবা নেৰানেপেৰা হাতৰ অধ্যয়নৰ ফলত যি কোনো আগ্ৰহশীল ব্যক্তিয়ে (অৱশ্যে বহল মনোভাবৰ) পাকৈত হস্তৰেখাবিদ হ'ব পাৰে। ই এক সাধাৰণ সত্য; দ্বিতীয়তে ৰেখাবিলাকৰ উৎসৰ কাৰণ যিয়েই নহওক (কাৰণবোৰ পিছলৈ কেতিয়াবা আলোচনা কৰিম) এটা কথা সত্য যে বহু বছৰৰ আগতেই অথবা সময়ে সময়ে প্ৰতিভাত হোৱা এই ৰেখা অথবা চিহ্নবিলাকৰ সঠিক বৰ্ণনা দি যাবলৈ কোনো এক গোপন সৰ্বশক্তিমান শক্তি আছে যি জীৱনক উদাৰচিত্তে সকলোবোৰ অৱগত কৰায়। কিন্তু আমাৰ জীৱন পথত সংঘটিত হোৱা ঘটনাৱলী, সুখ-দুখৰ অনিৰাৰ্য পৰিণতিৰ বাবে আমি নিজেই দায়ী নে? কেৱল এই জীৱনৰ সৎ অথবা অসৎ কৰ্মৰাজিৰ আধাৰতেই নিৰূপিত হয়নে আমাৰ ভাগ্য (!)? জন্মসূত্ৰে লাভ কৰা দোষ-গুণ, পৰিবেশ, জন্মলগ্নত গ্ৰহ-নক্ষত্ৰৰ অৱস্থান (!) ইত্যাদিও এই পৰিণতিৰ বাবে দায়ী নহয়তো?? হস্তৰেখাৰ অধ্যয়নশীল ছাত্ৰ-ছাত্ৰীয়ে এই বিষয়বোৰো গৱেষণা কৰক।

বৰ বিস্ময়কৰ কথা এই যে হস্তৰেখা বিষয়টোৰ ওপৰত যি কোনো ব্যক্তি তিলমানো আগ্ৰহান্বিত নহলেও বা ইয়াক অৱমাননা কৰিলেও কিন্তু ই পৃথিৱীৰ প্ৰতিজন ব্যক্তিৰ হাতৰ ফলকতেই অৰ্থপূৰ্ণ অৱস্থিতিৰ কথা ঘোষণা কৰে আৰু কোনো এক শক্তিৰ পৰিচালনাত (সম্ভৱ যি জীৱনৰ বাবে দায়ী) চিৰন্তন ভাবেই সময় সাপেক্ষ পৰিবৰ্তনৰ ইঙ্গিত দাঙি ধৰে। সেয়েহে অধ্যয়নৰ গভীৰতম বিন্দুত উপনীত নোহোৱাকৈ এই বিষয়টোক ভিত্তিহীন বুলি আখ্যা দিয়াটো সম্পূৰ্ণ শিশুসুলভ। কাৰণ পৃথিৱীত কোনো শক্তিৱান ব্যক্তিয়ে, কোনো বিজ্ঞানেই হাতৰ ফলকত ৰেখা সৃষ্টিৰ প্ৰক্ৰিয়াক বাধা দিব নোৱাৰে।

লক্ষ্ণৌৰ কিং জৰ্জ মেডিকেল কলেজত বহু বছৰৰ আগতে অধ্যয়ন কৰিবলৈ যাওঁতেই তাত বিভিন্ন কিতাপ-পত্ৰৰ সংযোগত আহি এই বিষয়টোৰ প্ৰতি আমি গভীৰভাৱে আকৃষ্ট হৈছিলো। কিন্তু কিয় বুলি কোনোবাই প্ৰশ্ন কৰিলে মই হয়তো উত্তৰ দিব নোৱাৰিম। কিছুমান নিৰ্দিষ্ট বিষয়ৰ প্ৰতি কিছুমানৰ আকৰ্ষণ অথবা দুৰ্বলতা 'কিয়' থাকে বা কিয় জন্ম হয় সেয়া এতিয়াও এক মনোবৈজ্ঞানিক দৰ্শনৰ বিষয়। যি কি নহওক এই বিষয়টোৰ সান্নিধ্যত আহি আৰু শত-সহস্ৰ হাতৰ ফলক অধ্যয়ন কৰি এটা সিদ্ধান্তত উপনীত হৈছিলো যে সম্পূৰ্ণ নহলেও (হয়তো অজ্ঞতা) অন্ততঃ সত্তৰ শতাংশৰ শুদ্ধতা এখন হাতৰ ফলকত আমাৰ সীমিত জ্ঞানেৰে পাব পাৰি। কিন্তু ৰেখাবিলাকৰ ওপৰত নিৰ্ভৰ কৰিয়েই কেৱল যি কোনো মন্তব্য দিয়া সমীচীন নহ'ব। কাৰণ ই সদায় আপেক্ষিক। ৰেখাবিলাকৰ লগতে হাতৰ গঠন কোন শ্ৰেণীত পৰে সেয়াও শুদ্ধ ফলাফলৰ বাবে বিচাৰ্যৰ বিষয়। এইখিনিতে পাঠক সমাজক এটা কথা কৈ থওঁ যে এই বিষয়টোৰ গভীৰতাত ডুব গৈ বিভিন্ন হাতৰ ফলক অধ্যয়নৰ বিস্ময়কৰ উপলব্ধিৰে বহু সময়ত মই অদ্ভুত শিহৰণ অনুভৱ কৰিছিলো। কি আশ্চৰ্য সানি সঁচাই হাতৰ তলুৱাত খোদিত হৈ থাকে ৰেখা আৰু ইয়াৰ শাখা-প্ৰশাখাবোৰ যি সন্ধান দিয়ে পলকতে একোজন ব্যক্তিৰ গোপন ব্যক্তিত্বৰ ৰূপৰেখা। কি বৌদ্ধিক উজ্জ্বলতা সানি, বাক্যালাপত কি ধৰ্মীয় স্বৰ্গীয়তা টানি, ওঁঠত হাঁহিৰ নিজৰা বোৱাই, মুখমণ্ডলত স্বৰ্গীয় নিষ্কলুষতা সজাই পৃথিৱীৰ কিমান মানুহেযে গোপনে বুকুত ঢাকি থয় অসত্য আৰু শিলৰ হৃদয় সেয়া কেৱল এজন হস্তৰেখাবিদতকৈ বোধহয় কোনেও বেছি উপলব্ধি কৰিব নোৱাৰিব। এটা সৰু উদাহৰণ দিয়া যাওক। এবাৰ কিবা এটা ভৱিষ্যত বাণীত সন্তুষ্ট হৈ মই পঢ়া মেডিকেল কলেজৰে এজন 'ৰিডাৰে' ক্লাছ ৰুমতে মোক সকলোৰে আগত বৰকৈ গুণানুকীৰ্তন কৰিলে। যদিও হস্তৰেখাৰ লগত থকা মোৰ সম্পৰ্কৰ কথা বহুতে নাজানিছিল তথাপিতো তেখেতৰ সেই মন্তব্য শুনাৰ পিছত সমস্ত কলেজতে কথাষাৰ বিয়পি গল। ইচ্ছা অনিচ্ছাৰ মাজেদিয়েই বহুতৰে হাত চাবলগীয়া হ'ল। শেহান্তত এগৰাকী ছাত্ৰী আহিল (আমাতকৈ অলপ চিনিয়ৰ) আৰু হাত চাবৰ বাবে অনুৰোধ কৰিলে। মই যথেষ্ট মাদকতা আৰু শিহৰণেৰে উত্তাপিত হলো। কাৰণ সেই ছাত্ৰী গৰাকীক মই কোনোবা শান্তিময়ী দেৱীৰ অবিকল ৰূপ বুলি (যদিও দেৱ-দেৱীক মই বিশ্বাস নকৰো) বহুদিনৰ পৰাই কল্পনা কৰি আহিছিলো। তেওঁৰ মুখ মণ্ডলত যি প্ৰশান্ত উদাৰতা আৰু পৰম শান্তিৰ ছবি বিৰাজ কৰিছিল সেয়া কেতিয়াবা দূৰৰ পৰা দৃষ্টিগোচৰ হোৱাটোও মই একপ্ৰকাৰ সৌভাগ্য বুলিয়েই ধৰি লৈছিলো। কিন্তু ভুল ভাগিবলৈ সৰহ সময় নালাগিল। চেমিনাৰ হলত যেতিয়া মোক বহুৱাই তেওঁ সুকোমল হাত দুখন মেলি দিছিল মুহূৰ্ততে অনুভৱ কৰিছিলো যে মই এক ৰহস্যময়ী নাৰীৰ কাষত বহি আছো যি ফুলৰ পাহিৰে ঢাকি ৰাখিব জানিছে শিলৰ হৃদয়। প্ৰচণ্ড মানসিক সংঘাতত ভুগি বিশেষ বেছি সময় সেই নাৰীৰ ওচৰত নবহি যান্ত্ৰিকভাৱেই কিছুমান কথা কৈ মই তেওঁৰ পৰা বিদায় ললো।

অৱশ্যে স্বাৰ্থপৰতা অথবা হৃদয়ৰ বিশালতা মানুহৰ নিজস্ব গৌৰৱ। কাৰোবাৰ বাবে হিয়াৰ কঠিনতাই হয়তো অনন্য ৰত্নহাৰ হ'ব পাৰে। সেয়েহে এনেকুৱা ধৰণৰ অভিজ্ঞতা অথবা শিলৰ হৃদয়ৰ ধাৰণা মোৰ নিজস্ব জগতখনৰ মাজতেই সীমাবদ্ধ।

বহুবোৰ উৎকণ্ঠা, সন্দেহ ঘনীভূত সত্য, মানৱ চৰিত্ৰৰ বিচিত্ৰতাৰ সীমাহীন প্ৰশ্নৰ উত্তৰ ভৱিষ্যতলৈ ৰাখি আমি এটাই কথা কব খোজো যে হস্তৰেখাৰ সত্যতা সম্পৰ্কে কোনো সন্দিহান নহওক। দৰ্শনৰ আদিপাঠ হিচাপেই ইয়াক বৌদ্ধিক ভাবাপন্ন প্ৰতিজন ব্যক্তিয়েই গ্ৰহণ কৰক। কাৰণ জীৱনৰ সৃষ্টি ৰহস্যৰ গুপ্তবেহুৰ আঁৰ ফালিবলৈ ইয়াতকৈ সহজ মাধ্যম বোধহয় পৃথিৱীত একো পোৱা নাযাব। ইয়াৰ দাৰ্শনিক দিশটো বাদ দি এই বিদ্যাৰ পৰা জ্ঞান আহৰণ কৰি ইয়াক কামত খটোৱাটোও সদ্যহতে আমাৰ বাবে বিশেষ লাভজনক কথা হ'ব।





পৃথিৱীৰ আটাইতকৈ জটিল প্ৰাণী হৈছে মানুহ। দুজন মানুহৰ চেহেৰাৰ যেনেকৈ মিল নাই ঠিক সেইদৰে দুজন মানুহৰ প্ৰকৃতিৰো সবিশেষ সাদৃশ্য কতোৱেই পোৱা নাযায়। ৰেখা সম্পূৰ্ণ একে থাকিলেও প্ৰকৃতিৰ মাজত পৃথক পাৰ্থক্য থাকি যোৱা একো ডাঙৰ কথা হ'ব নোৱাৰে। কাৰণ মানৱ চৰিত্ৰ, তেওঁৰ গতিপথ (অথবা ভাগ্য!) নিৰ্ণয় হওঁতে নিজৰ কৰ্মৰাজিৰ ওপৰিও বহুবোৰ আনুষঙ্গিক উপাদান অহৰহ ক্ৰিয়াৰত অৱস্থাত থাকে যাক অলপ আগতেই উল্লেখ কৰি আহিছো। এই বিষয়ৰ সম্পূৰ্ণ মন্তব্য এতিয়াও আমাৰ পক্ষে সম্ভৱ হৈ উঠা নাই।

দুবছৰমানৰ আগতে আমাৰ "বিদ্যাৰেখা" নামৰ এখন কিতাপ প্ৰকাশ হৈছিল। যদি কোনোবাই সেই কিতাপখন পঢ়িছে তেন্তে তাৰ পাতনিৰ লগত বৰ্তমান লিখা প্ৰবন্ধৰ কিছু পাৰ্থক্য উপলব্ধি কৰিব। ইয়াকেই কয় চাগে জীৱনৰো বৌদ্ধিক ক্ৰমবিকাশ। একেজন লেখকৰ এসময়ৰ সিদ্ধান্ত এটা সময়ত ভুল বুলি প্ৰমাণিত হয়। পাঠক সমাজে কথাটো মনত ৰখাটো ভাল হ'ব।

শেহান্তত এটা কথাই কওঁ যে হস্তৰেখা বিদ্যাৰ জ্ঞান আহৰণৰ যোগেদি সেইবিলাক ব্যক্তিগত জীৱনত খটুৱাই আমি লাভৱান হবলৈ যত্নপৰ হোৱা উচিত। নিজৰ হাত নিজেই চাই আমাৰ চৰিত্ৰৰ অথবা জীৱনৰ নেতিবাচক দিশবোৰ সংযমৰ মাজেদি দূৰ কৰিবলৈ আমি প্ৰত্যেকেই প্ৰণালীবদ্ধ প্ৰচেষ্টা হাতত ললেহে এই বিদ্যা আহৰণ কৰাৰ সাৰ্থকতা হ'ব। দ্বিতীয়তে আমাৰ হাতত দেখা পোৱা ভৱিষ্যতৰ সুন্দৰ সঙ্কেতসমূহৰ বাবে এতিয়াৰ পৰাই অনুপ্ৰাণিত হৈ দুগুণ উৎসাহেৰে কাম কৰিলেহে ই আমাক অধিক আনন্দিত কৰিব। বহু সম্ভাব্য অঘটন আদিৰ কথাও আমি আগতীয়াকৈ জানিব পাৰিলে নিশ্চয় ইয়াৰ পৰা পৰিত্ৰাণ পোৱাৰ পথো প্ৰশস্ত নোহোৱা নহয়। বহু হস্তৰেখাবিদৰ সাৱধান বাণীয়ে বহুতৰে জীৱন ৰক্ষা কৰাৰ উদাহৰণো এই পৃথিৱীতেই বহুত আছে। মুঠৰ ওপৰত মানৱৰ কল্যাণকামী বিদ্যা হিচাপে ইয়াক আহৰণ কৰিলে নিশ্চয় কম-বেছি পৰিমাণে সকলোৱেই ইয়াৰ পৰা উপকৃত হ'ব।

# ঢকুৱাখনা ঃ প্ৰসংগ 'নবীন'ৰ ৬ষ্ঠ বাৰ্ষিক অধিৱেশন

পুতলী কায়স্থ

সাধাৰণতে বুৰঞ্জী প্ৰসিদ্ধ যি কোনো ঠাইৰে কথা জানিবৰ বাবে মানুহৰ মন আগ্ৰহী হয়। অসমত এনে বহুতো ঠাই আছে যিবোৰ ঠাইৰ নামৰ লগত কিবা নহয় কিবা এটা বিষয়ৰ যোগসূত্ৰ আছে, আৰু সিয়েই সময়ত ইতিহাস হৈ পৰিছে। এনেকৈয়ে ইতিহাস প্ৰসিদ্ধ ঠাই ঢকুৱাখনালৈ গৈছিলো 'নবীন'ৰ ৬ষ্ঠ বাৰ্ষিক অধিৱেশন উপলক্ষে।

'নবীন' মানে কোনো ব্যক্তি বা বস্তুৰ নাম নহয়, নবীন হৈছে সদৌ অসম নবীন লেখক-লেখিকা আৰু শিল্পী সমিতি নামৰ এটা সাংস্কৃতিক অনুষ্ঠান। ১৯৮৪ চনত ডিব্ৰুগড় আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ কিছু ছাত্ৰ-ছাত্ৰীৰ যুটীয়া চিন্তাৰ ফলশ্ৰুতিত গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰ জিৰণি কোঠাত তেতিয়াৰ সচিব শ্ৰীযুত শ্ৰদ্ধানন্দ দুৱৰাদেৱৰ সজীৱ উন্মোচিত বক্তৃতাই উৎসাহিত কৰা এখন সভাৰে পাতনি মেলা এটা অনুষ্ঠান। এই অনুষ্ঠানৰ লক্ষ্য উদ্দেশ্য গাঁৱে-ভূঞে সিঁচৰীত হৈ থকা সুপ্ত প্ৰতিভাক জাগ্ৰত কৰি পূৰ্ণ প্ৰকাশ কৰা। উঠি অহা ছাত্ৰ-ছাত্ৰী, কিশোৰ, কিশোৰী অথবা লেখা, ছবি আঁকা, গান গোৱা বা যিকোনো শিল্প কাৰ্যত নতুনকৈ হাত দিয়া সকলকো নবীন হিচাপেই গণ্য কৰি অহা হৈছে। এইখন মঞ্চই সকলো ভাষাকেই শ্ৰদ্ধা কৰে; সকলো ভাষাৰেই পূৰ্ণ প্ৰকাশ বিচাৰে আৰু সকলো ধৰ্মৰ প্ৰতিয়েই আন্তৰিকতা আৰু সন্মান জনায়। লেখক শিল্পী সাহিত্যিক সকলৰ সুদূৰ প্ৰসাৰী নিৰপেক্ষ ভূমিকাৰ প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি সমিতিয়ে দলীয় ৰাজনীতিৰ পৰা সম্পূৰ্ণ মুক্ত হৈ থকাৰ পোষকতা কৰে; আৰু সেই চৰিত্ৰ অক্ষুণ্ণ ৰাখিবলৈ অহোপুৰুষাৰ্থ কৰি আহিছে।

বৰ্তমান সাত বছৰত ভৰি দিয়া সমিতিখনে অসমৰ চুকে কোণে থকা নবীনসকলৰ মাজত পাৰস্পৰিকতা গঢ়ি তুলিবলৈ যথেষ্ট সক্ষম হোৱাৰ পটভূমিতেই ৬ষ্ঠ বাৰ্ষিক অধিৱেশনখনি লক্ষীমপুৰ জিলাৰ ঢকুৱাখনাত অনুষ্ঠিত হয়।

অসমৰ বিভিন্ন কোণৰ নবীনৰ সতীৰ্থসকলৰ বাবে ঢকুৱাখনা নিতান্তই এটা চিনাকি নাম হলেও পদাৰ্পণ হিচাপে অধিক সংখ্যকৰ বাবেই নতুন। মোৰ বাবে ঢকুৱাখনা ঠাইখনৰ নাম নতুন নহয়। সৰুৰে পৰা সাধু কথা শুনা দি ডাঙৰ মানুহৰ মুখত ঢকুৱাখনাৰ নাম শুনি আহিছো। বিশেষকৈ ঢকুৱাখনাৰ মানুহে বস্তাত টকা (আগৰদিনৰ গোটা টকা) ভৰাই ঠেলাৰে নিয়া, ঢকুৱাখনাৰ প্ৰত্যেক ঘৰ মানুহেই ধনী, সকলো ধৰণৰ খাদ্য সামগ্ৰীৰে পূৰ্ণ ঢকুৱাখনা এখন ভোগালী ঠাই; ঢকুৱাখনাৰ জীয়ৰী বোৱাৰী বৃদ্ধা সকলোৱে এড়ি, মুগা, পাট আদিৰ সূতা কাটি নিজে কাপোৰ বৈ পিন্ধা ইত্যাদি ইত্যাদিৰ ওপৰিও ঢকুৱাখনাৰ অধিক সংখ্যক মানুহেই শিক্ষিত, তাৰ সকলো মানুহেই মদ খায় আদি কথাই সৰু কালৰ পৰা মনত বাৰুকৈয়ে সাঁচ বহুৱাইছিল। সেয়ে, সকলো দিশৰ পৰাই সমৃদ্ধ ঢকুৱাখনৰ প্ৰতি বৰ সৰুৰে পৰাই মই আকৰ্ষিত হৈছিলো যদিও তালৈ যোৱাৰ সুযোগ আৰু সুবিধা ব্যক্তিগত ভাবে পোৱা নাছিলো।

ঢকুৱাখনালৈ প্ৰথম যোৱাৰ সৌভাগ্য ঘটিছিল ১৯৮৬ চনত ধেমাজি জিলা সমিতিৰ উদ্যোগত কেন্দ্ৰীয় ভাবে উদ্‌যাপন কৰা বিষ্ণুৰাভা দিৱসত। প্ৰথমবাৰ ঢকুৱাখনাত গৈ উপস্থিত হোৱা সভাখনিত ৰাইজৰ সহযোগিতা দেখি সঁচাই আনন্দিত হৈছিলো। 'নবীন'ৰ প্ৰতিভাৰ প্ৰতি ৰাইজৰ যি সঁহাৰি সেই সঁহাৰিয়ে সমিতিখনক পূৰ্ণাঙ্গ ৰূপ দিয়া কাৰ্যত উৎসাহ যোগাইছিল। বিশেষকৈ সেই ঢকুৱাখনা যাত্ৰাত স্মৰণীয় কথাটো হ'ল – তৰ্জ্জনী আঙুলি. জোঁকাৰি জোঁকাৰি সভা সমিতিত কথা কোৱাৰ বেলিকা গঢ়ি উঠা অভ্যাসটোৰ পৰিসমাপ্তি ঘটা। সভাৰ পৰিসমাপ্তিত নবীনৰ আঞ্চলিক সমিতিৰ সভাপতি শ্ৰীযুক্ত লোহিত চুতীয়াৰ ঘৰলৈ গৈছিলো। লোহিত চুতীয়া নবীনৰ আঞ্চলিক সমিতিৰ সভাপতিৰ ওপৰিও মোৰ কলেজীয়া জীৱনৰ প্ৰিয় বান্ধৱী ৰুণুৰ পতি। সেই সূত্ৰে তেওঁলোকৰ ঘৰলৈ গৈ লোহিত চুতীয়া দেৱৰ দেউতাৰ সৈতে কথা পাতিবলৈ আৰম্ভ কৰি মই সভাত কৈ অহা কথাৰ ভুল ত্ৰুটিৰ বিষয়ে সোধাত তেখেতে বিষয়বস্তু আৰু কথাখিনিৰ প্ৰশংসা কৰি সকলো বয়সৰে মানুহৰ সমাগম হোৱা বক্তৃতাৰ মঞ্চত আঙুলি জোঁকাৰি কথা কব নাপায় বুলি মোলৈ যি পৰামৰ্শ আগবঢ়াইছিল সেই পৰামৰ্শ আন্তৰিক কৃতজ্ঞতাৰে গ্ৰহণ কৰিবলৈ বিবেক বাঁধিত হৈছিল।

বহুদিন বিৰতিৰ পাছত পুনৰ ঢকুৱাখনালৈ যাবলৈ বাধ্য হৈছিলো সদৌ অসম নবীন লেখক-লেখিকা আৰু শিল্পী সমিতিৰ ৬ষ্ঠ বাৰ্ষিক অধিবেশনৰ অভ্যৰ্থনা সমিতি গঠনৰ বাবে ১৯৯১ চনৰ ২২ ডিচেম্বৰ তাৰিখে। বাছৰ পৰা নমাৰ লগে লগে ভাইটি মৃদুল কোঁৱৰে আগবঢ়াই নি তেওঁলোকৰ সৰু পৰিয়ালটোৰ লগত চিনাকি কৰি দি আপ্যায়নৰ ব্যৱস্থা কৰে। ইয়াৰ প্ৰায় লগে লগে মাননীয় শ্ৰীযুক্ত কেশৱ দত্ত আৰু শ্ৰীযুক্ত বিদ্যা দত্তদেৱক ক্ৰমে সভাপতি আৰু সম্পাদক হিচাপে লৈ অভ্যৰ্থনা সমিতিখন গঠন কৰি পোনে পোনে গুৱাহাটীলৈ ৰাওনা হওঁ, গুৱাহাটী বিশ্ববিদ্যালয় গোটৰ শ্ৰীঘন কৃষ্ণ শইকীয়া আৰু সমিতিৰ সভাপতি শ্ৰীযজ্ঞেশ্বৰ কাকতিৰ সৈতে।

যোৱা ৩১-১-৯২ তাৰিখে পুনৰবাৰ ঢকুৱাখনালৈ গৈছিলো ১,২,৩ ফেব্ৰুৱাৰীৰ 'নবীন'ৰ অধিবেশনলৈ বুলি। বিশেষ কাৰণবশত ঃ ভাইটি শৈশৱ কুমাৰ দত্তৰ সৈতে ধেমাজি হৈ ঢকুৱাখনালৈ যাব লগীয়া হৈছিল। ধেমাজিৰ পৰা ১ ফেব্ৰুৱাৰী তাৰিখে দিনৰ ১২ বজাত ঢকুৱাখনা অভিমুখে যোৱা ৰাজ্যিক পৰিবহণ নিগমৰ বাছত উঠিলো। পুৱা ৯/১০ বজাৰ গুৱাহাটীৰ চিটি বাছ আৰু ধেমাজি ঢকুৱাখনাৰ সেই State Transport খনৰ মাজত ভিৰৰ ক্ষেত্ৰত কোনো পাৰ্থক্য বিচাৰি পোৱা নাছিলো; যদিও ভিৰৰ মাজত পোৱা যাত্ৰীসকলৰ মানৱতাবোধৰ ক্ষেত্ৰত আকাশ পাতাল পাৰ্থক্য দেখিছিলো। কাৰণ গুৱাহাটীৰ চিটি বাছত কিছুমান মানুহক কাপোৰ কানি পিন্ধা পশু যেনেই অনুভৱ হয়। কিন্তু উল্লেখিত ঠাইৰ সেই ভৰি থবলৈকো উপায় নোহোৱা ভিৰ বাছখনত প্ৰতিজন মানুহৰ সচেতনতা, পাৰস্পৰিক মানৱতাবোধে আমাক বাৰুকৈয়ে আকৰ্ষিত কৰিছিল। বিশেষকৈ বাছখনত মোৰ সমুখতে তিনিজনীয়া চিটটোত পাঁচগৰাকী প্ৰায় সমবয়সীয়া আদহীয়া আইতা বহিছিল আৰু তেখেতসকলে অচিনাকি দেখি মোক বিশেষভাবে তেওঁলোকৰ মাজতে থিয় হ'বলৈ ব্যৱস্থা কৰি দি কৈলে যাম ক'ৰ পৰা গৈছো ইত্যাদি কথা সুধি গামোচাৰ গাঁঠি খুলি তামোল এখনেৰে সেই অসহনীয় ভিৰৰ মাজতো আপ্যায়িত কৰিছিল। বাছখনত এটা ঘটনাও ঘটিছিল। ভিৰৰ মাজতে এটি ৮/৯ বছৰীয়া শিশুৱে বমি কৰিছিল। এটা অভাবনীয় অপ্ৰীতিকৰ পৰিবেশ; বাছৰ ঠেলা-হেঁচা, বমিৰ গোন্ধ ইত্যাদিৰ মাজত কোনো এজন যাত্ৰীয়েই অতিষ্ঠ নোহোৱাটো বৰ লক্ষণীয় আছিল। তাৰ উপৰি শিশুটিৰ লগত থকা ১৮/১৯ বছৰীয়া ছোৱালী গৰাকীক বাছত থকা প্ৰত্যেকজন মানুহেই সহানুভূতিৰ দৃষ্টিৰেহে চাইছিল; আৰু কিছু দূৰত বাছখন ৰাখি এজন যাত্ৰীয়ে হাতেৰে অলপ বালি আনি বমিখিনি ঢাকি দি সকলোলৈকে স্বস্তিৰ নিশ্বাস আনিছিল। সেই ঘটনাৰ আকৰ্ষণ এটাই আছিল যে, বমিখিনি ঢাকিবলৈ অহাজন আছিল ল'ৰা-ছোৱালী হালৰ অচিনাকি এজন সাধাৰণ যাত্ৰী মাথোন।

অধিবেশনৰ থলী। ওচৰ চুবুৰীয়াৰ সমাগম কম যদিও অসমৰ বিভিন্ন প্ৰান্তৰ পৰা অহা সমিতিৰ সদস্য-সদস্যা সকলৰ উৎফুল্লিত পৰিবেশৰ অৱতাৰণাত আমি প্ৰত্যেকেই আনন্দিত আৰু সুখী হৈছিলো। প্ৰথম দুয়োটা দিনেই নিৰ্দিষ্ট কাৰ্যসূচীৰে পাৰ হোৱা পৰিবেশৰ অন্যতম আকৰ্ষণ আছিল ন-পুৰণি কবি সন্মিলনখনি। শ্ৰীযুক্ত ৰবীন্দ্ৰ বৰাদেৱৰ সঞ্চালনাত অনুষ্ঠিত সন্মিলনখনি কবি আনিছ উজ জামান দেৱৰ উন্মোচনী ভাষণৰ লগতে হৃদয়স্পৰ্শী কবিতা পাঠে সমিতিৰ সদস্যসকলক উৎসাহিত কৰে। একেটা অনুষ্ঠানতে বিশিষ্ট প্ৰিয় কবি শ্ৰীযুত অবনী চক্ৰৱৰ্তী, শ্ৰীমতী মীৰা ঠাকুৰ, শ্ৰীযুত শিৱপ্ৰসাদ গগৈ, শ্ৰীজীতেন চুতীয়া আৰু নবীন কবি সকলৰ মাজত পাৰস্পৰিক কবিতা পাঠে উপস্থিত সদস্য-সদস্যাসকলক নতুন পথৰ সন্ধান দিয়ে। একেদিনাই অনুষ্ঠিত "সাম্প্ৰতিক অসমৰ জাতি সত্তাৰ বিকাশৰ প্ৰৱণতা আৰু অসমীয়া সমাজ জীৱনত ইয়াৰ প্ৰভাৱ" শীৰ্ষক আলোচনা চক্ৰখনিত আলোচক ডঃ বিৰিঞ্চি কুমাৰ মেধি, ডঃ চন্দ্ৰধৰ চমুৱা আৰু শ্ৰীযুক্ত তোষেশ্বৰ চেতীয়া দেৱৰ ভাষণৰ জৰিয়তেও সমিতিৰ সদস্য-সদস্যাসকলে বিষয়টোৰ ওপৰত থকা মৌলিক বাস্তৱতাখিনি উপলব্ধি কৰিবলৈ সক্ষম হয়। অধিবেশনৰ শেষৰফালে অপৰিকল্পিতভাবে হঠাৎ সমিতিৰ সদস্য-সদস্যাসকলৰ ইচ্ছা আৰু আশাৰ প্ৰতি সঁহাৰি জনাবলৈ গৈ সভাপতিৰ নিচিনা গধুৰ দায়িত্ব মূৰ পাতি লব লগা হয়। নবীনৰ সদস্য-সদস্যাসকলৰ গভীৰ আস্থা আৰু বিশ্বাস মোৰ বাবে এক নতুন অভিজ্ঞতা হৈ ৰ'ল। মোৰ নিজৰ বিষয়ে মই স্পষ্ট যে, সভাপতিৰ আসনখনৰ বাবে মই স্বভাৱগত ভাবে একেবাৰেই উপযুক্ত নহয়। তথাপিতো সমিতিৰ সদস্য-সদস্যাসকলে মোৰ পৰা কি বিচাৰিছে আৰু কি পাব সেয়া সময়েহে ক'ব। অৱশ্যে সমিতিৰ সদস্য সদস্যাসকলৰ পূৰ্ণ সহযোগ পালে নতুন পদক্ষেপেৰে আগবাঢ়িব পৰা যাব বুলিও আমি নিশ্চিত। অধিবেশনলৈ গৈছিলো উপদেষ্টা হৈ আৰু ঘূৰি আহিবলগীয়া হ'ল সভাপতিৰ গধুৰ দায়িত্ব লৈ।

ঢকুৱাখনাৰ অধিবেশন শেষ হ'ল; ঘূৰি আহিলো। ৰৈ গ'ল এবুকু সঁচা স্মৃতি – প্ৰায় মাজ ৰাতিলৈকে ঠেৰেঙা লগা জাৰত চুবুৰীয়া বৃদ্ধ কেইজনৰ পৰিশ্ৰম, ৰান্ধনীশালত ৰান্ধনীৰ মদৰ ৰাগি আৰু সতীৰ্থসকলৰ নতুন সমাজ গঢ়াৰ সপোন। সূ









# অসমৰ কয়লা উদ্যোগৰ ভিতৰ-চ'ৰা

সূত্ৰধাৰৰ যোৱা ১৬-৩১ মাৰ্চ, ১৯৯২ সংখ্যাত প্ৰকাশিত "অসমৰ কয়লা উদ্যোগ আৰু ভিতৰ চ'ৰাত এভুমুকি" শীৰ্ষক স্বপ্না বেজবৰুৱাৰ দ্বাৰা লিখিত প্ৰতিবেদন পঢ়িলো। প্ৰতিবেদনত উল্লেখ কৰা অভিযোগ সমূহৰ উত্তৰ কৰ্তৃপক্ষৰ হাতলৈ এৰি দি আমি কিছু অন্য কথাহে ক'ব বিচাৰিছো।

অসম তথা ভাৰতত আজি দুৰ্নীতিৰ বিৰুদ্ধে কথা কৈ কিবা লাভ আছে জানো? বফৰ্চৰ পৰা আৰম্ভ কৰি মাতাঙ্গ সিং, কিম্বা সেনাবাহিনীৰ অত্যাচাৰ আদি কত যে কিমান অভিযোগ অনা হৈছে তাৰ সীমা নাই। কিন্তু তাৰ ফল আজি কি? মাতাঙ্গ সিং যে এজন সামাজিক দায়িত্ববোধ নথকা ব্যক্তি তাক মাৰ্ঘেৰিটাৰ সকলো মানুহেই কম-বেছি পৰিমাণে জানে। এনে এজন ব্যক্তিকে আজি অসমে ৰাজ্য সভালৈ নিৰ্বাচিত কৰি পঠিয়াইছে ৰাইজৰ প্ৰতিনিধি হিচাপে। গতিকে এনে ক্ষেত্ৰত আজি অসমৰ ৰাইজে কি আশা কৰিব পাৰে? সমূহীয়া স্বাৰ্থ নে ব্যক্তিগত স্বাৰ্থ? ব্যক্তিগত সম্পত্তিৰ ওপৰত ৰাষ্ট্ৰৰ নিয়ন্ত্ৰণ সাব্যস্ত কৰিব নোৱাৰিলে সমূহীয়া স্বাৰ্থৰ প্ৰতি আশা কৰিব পাৰি জানো? ব্যক্তিগত সম্পত্তিৰ জোৰতে আজি এনে কিছুমান সামাজিক দায়িত্ববোধ নথকা ব্যক্তিয়ে ৰাষ্ট্ৰ পৰিচালনা কৰাৰ অধিকাৰ পোৱা নাইনে?

অসমৰ কয়লা উদ্যোগৰ পৰা অসম লাভবান হোৱা নাই বুলি প্ৰতিবেদনত অভিযোগ উঠিছে। কিন্তু অসম চৰকাৰে পৰিচালনা কৰা কেইটামান প্ৰতিষ্ঠানৰ অৱস্থা চাওক–

| | | | | |
|---|---|---|---|---|
| ১। | অসম ৰাজ্যিক বিদ্যুৎ পৰিষদ, | লোকচানৰ পৰিমাণ | ৭৩৬ | কোটি টকা |
| ২। | অসম ৰাজ্যিক পৰিবহণ নিগম | ঐ | ৬৩ | " |
| ৩। | অশোক কাগজ কল্ | ঐ | ১১৫ | " |
| ৪। | অসম চাহ নিগম | ঐ | ৩০ | " |
| ৫। | কাছাৰ চেনি কল | ঐ | ১৫ | " |
| ৬। | ষ্টেটফেড | ঐ | ১৫ | " |

(তথ্যসমূহ অসমৰ মুখ্য মন্ত্ৰীয়ে বিধান সভাত যোৱা ২৪ মাৰ্চত ১৯৯২-৯৩ চনৰ বাজেট বক্তৃতাত উল্লেখ কৰিছিল, প্ৰকাশিত বাতৰি 'The Sentinel' 25th March, 1992)।

গতিকে দেখা যায় অনা অসমীয়া তথা কেন্দ্ৰই পৰিচালনা কৰাৰ বাবেই আজি কয়লা উদ্যোগৰ এনে অৱস্থা নহয়। অন্য কিছু কাৰণো আছে।

◆

**সামাজিক দায়িত্ববোধ নথকা কিছুমান ব্যক্তিয়ে যেতিয়া ৰাষ্ট্ৰ পৰিচালনা কৰাৰ ক্ষমতা অৰ্জন কৰে তেতিয়া সামাজিক স্বাৰ্থ বিসৰ্জন দিয়াতো তেনেই স্বাভাৱিক। এইবিলাক কথা আমি জানি-বুজিও আজি সৰহসংখ্যক মানুহক এই দিশত শিক্ষিত কৰিব পৰা নাই।**

◆

কয়লা উদ্যোগত অসমীয়া শ্ৰমিক কৰ্মচাৰীৰ সংখ্যা যে কম সি সঁচা। কিন্তু ইয়াৰ বাবে দায়ী কোন? অসমীয়া মানুহে কয়লা উদ্যোগত কাম কৰিবলৈ আগবাঢ়ি আহিলে অন্য ৰাজ্যৰ মানুহে কাম কৰিবলৈ সুবিধা পাব জানো?

এইখিনিতে এষাৰ কথা মনত পৰিছে। এদিন কলিকতাত অনুষ্ঠিত হোৱা এখন শ্ৰমিক সংগঠনৰ সভাত এজন নাগপুৰৰ শ্ৰমিক নেতাই অভিযোগৰ সুৰত উল্লেখ কৰিছিল যে কয়লাখনিত কাম কৰা ডেকালৈ ছোৱালী বিয়া দিবলৈকে ছোৱালীৰ অভিভাবকে ভয় কৰে। এনে অৱস্থা যে অসমত আৰু অধিক তীব্ৰ তাক নোকোৱাই ভাল। বাহিৰত আৰামত বহি বহি টকা ঘটাটোহে আজিৰ মানুহে অধিক পছন্দ কৰে। এনে ক্ষেত্ৰত কয়লাখনিৰ গাতৰ ভিতৰত কাম কৰিবলৈ ইচ্ছা নকৰাৰ কাৰণেই আজি কয়লাখনিত অসমীয়া শ্ৰমিক কৰ্মচাৰীৰ সংখ্যা কম।

তাহানিখন কিতাপত পঢ়া মনত আছে, চোৰ ডকাইত ধৰিবলৈ প্ৰশাসনৰ এটা বিভাগ আছে 'পুলিচ বিভাগ'। এই বিভাগৰ এখন থানা আমাৰ মাৰ্ঘেৰিটা অঞ্চলতো আছে। আমি জনাত কয়লা উদ্যোগৰ ফালৰ পৰা বিশেষভাবে ৰাতি পহৰা দিবলৈ এখন গাড়ীৰ বাবদ মাৰ্ঘেৰিটা থানাক প্ৰতি মাহে ১২,০০০ (বাৰ হাজাৰ টকা) যোগান ধৰা হয়। এনেস্থলতো কয়লাৰ চোৰাং বেপাৰ কেনেকৈ হয় সেইটো সঁচাকৈয়ে সাঁথৰ নহয়নে? কয়লা তো আৰু পেন্টৰ জেপত ভৰাই লৈ যাব পৰা বস্তু নহয়!

সামাজিক দায়িত্ববোধ নথকা কিছুমান ব্যক্তিয়ে যেতিয়া ৰাষ্ট্ৰ পৰিচালনা কৰাৰ ক্ষমতা অৰ্জন কৰে তেতিয়া সামাজিক স্বাৰ্থ বিসৰ্জন দিয়াটো তেনেই স্বাভাৱিক।

এইবিলাক কথা আমি জানি বুজিও আজি সৰহ সংখ্যক মানুহক এই দিশত শিক্ষিত কৰিব পৰা নাই। গতিকে আজি আমাৰ অৱস্থা এনেকুৱা। দুৰ্নীতিৰ অভিযোগ আনিলেই দায়িত্ব আদায় নহয়। দুৰ্নীতি সমূহৰ পৰা সমাজক কেনেদৰে ৰক্ষা কৰিব পাৰি তাকো চিন্তা কৰিব লাগিব। সূত্ৰধাৰে এই দিশতো সূত্ৰ ধৰিব বুলি আশা কৰিলো।

যোগানন্দ গগৈ,
মাৰ্ঘেৰিটা সূ

## জে পি-ৰ গান

জে পি মানে জে পি দাস, জ্যোতি প্ৰকাশ দাস। জে পি-ৰ দ্বাৰা সুৰ আৰোপিত বহু গীতে জনপ্ৰিয়তাৰ মিডাচ স্পৰ্শ পালেও অসমীয়া ছবি জগতৰ লগত জে পি-ৰ সম্পৰ্ক বৰ ক্ষীণ। পাহাৰী কন্যা নামৰ ছবিখনৰ সংগীত পৰিচালকৰূপে জে পি অসমীয়া ছবিৰ লগত জৰিত হৈছিল। তাৰপিছত শেহতীয়াভাবে মুক্তিলাভ কৰিছে মুনীন বৰুৱা পৰিচালিত 'প্ৰভাতী পখীৰ গান' ছবিখন। আৱহ সংগীত ৰচনা বিশেষত্বহীন হলেও গীতবোৰৰ শ্ৰুতিমধুৰতাৰ বাবে জে পি-য়ে 'দৃষ্টি আকৰ্ষণ কৰিবলৈ সমৰ্থ হৈছে। ছবিৰ গীতবোৰ সদায়েই দৃশ্যৰ পৰিপূৰক হ'ব লাগে; সেয়ে ছবিৰ গীতৰ সংগীত আৰু গায়কী ভংগীমাত 'ভিচুৱেল' গুণ থকা অতি প্ৰয়োজন। এই দিশত জে পি-য়ে আৰু অধিক মনযোগ দিয়াটো উচিত হ'ব। তথাপিতো, জে পি-ক পুনৰবাৰ প্ৰশংসা কৰিছো 'প্ৰভাতী পখীৰ গান'ৰ গীতবোৰৰ বাবে; কাৰণ অসমীয়া ছবিৰ গীতৰ পৰা হেৰাই যাব ধৰা 'মেলডি'ক ঘূৰাই অনা বাবে।



জে. পি. দাস

## এতিয়া কি হ'ব

অসমীয়া ছবিৰ একালৰ জনপ্ৰিয় নায়ক-নায়িকা এহালৰ কথা। যৌৱনক বিদায় সম্ভাষণ জনোৱা এইহাল অভিনেতা-অভিনেত্ৰীক এক নতুন পৰিচালকে নিজৰ ছবিৰ বাবে চুক্তিবদ্ধ কৰিলে। আগধনো দিলে। ছবিৰ দৃশ্যগ্ৰহণ আৰম্ভ হ'বৰ হ'ল। এইবাৰ নায়কে ছবিত অভিনয় নকৰো বুলি মূৰ পোলোকা মাৰিলে। নায়িকাকো ছবিখনত অভিনয় কৰাৰ পৰা বিৰত কৰিলে। পৰিচালকে কলে 'ঠিক আছে। এতিয়া পইছাখিনি ঘূৰাই দিয়া।' নায়ক-নায়িকাই পইছা ঘূৰাই নিদিয়ে। পৰিচালকে অইন অভিনেতা-অভিনেত্ৰীৰে ছবিৰ কাম শেষ কৰিলে। পৰিচালক নতুন হ'ব পাৰে, কিন্তু চালাক বুলি প্ৰমাণিত লোক। পৰিচালকে পইছা উলিয়াবই। কাগজ-পত্ৰ লৈ পৰিচালক সাজু। যদিহে এমাহৰ ভিতৰত সেই পইছা উদ্ধাৰ নহয়, তেন্তে, হে প্ৰিয় পাঠক-পাঠিকা, আৰু এটি ৰসাল কাহিনী আপোনালোকে পঢ়িবলৈ পাব। পৰিচালকে ধাৰণ কৰা এই ৰুদ্ৰমূৰ্তিৰ কথা সকলোৰে কাণত পৰিছে। সকলোৰে এটাই প্ৰশ্ন – এতিয়া কি হ'ব ?

## কাপোৰৰ কথা

ছবিত অভিনেতা-অভিনেত্ৰীসকলে প্ৰায়েই নিজৰ কাপোৰেই পিন্ধে, নিজৰ নাথাকিলে বন্ধু-বান্ধৱীৰ পৰা খুজি মাগি আনে। কেতিয়াবা প্ৰযোজকে বিচাৰি আনে, কেতিয়াবা কিনিও দিয়ে। এখন ছবিৰ কথা। ছবিৰ নায়কৰ ভূমিকাত অভিনয় কৰা শিল্পী গৰাকীৰ নাম বা বদনাম আছে লুভীয়া বুলি। ছবিৰ দৃশ্যগ্ৰহণৰ শেষত তেওঁ পিন্ধিথকা টি চাৰ্টটো পিন্ধিয়েই ঘৰলৈ উভতিবলৈ সাজু হ'ল। সাজু হ'ল মানে গাড়ীত উঠিলগৈ। শিয়ান প্ৰডাকচন মেনেজাৰৰ শেন চকু। দৌৰি গৈ তেওঁ গাড়ীৰ ওচৰ পালে, নায়কক গাড়ীৰ পৰা নমাই আনিলে আৰু চাৰ্টটো খুলি ৰাখিলে। নায়কে প্ৰথমে আপত্তি কৰিছিল যদিও কোনে শুনে!


এগৰাকী নতুন নায়িকাৰ কথা। ছবিৰ বাবে কেইবাযোৰো কাপোৰ তেওঁক দিয়া হ'ল। দৃশ্যগ্ৰহণৰ সময়ত কাপোৰবোৰৰ দায়িত্ব ইউনিটৰ নিৰ্দ্ধাৰিত মানুহেই ৰাখে যদিও বেছি যত্নেৰে ৰাখিবৰ বাবে তেওঁ কাপোৰকেইযোৰ ঘৰলৈ নিয়া কৰিলে। শ্বুটিং নথকা দিনত সেই কাপোৰ পিন্ধি তেওঁ বন্ধুৰ জন্মদিন খাই ফুৰে, ফটোগ্ৰাফাৰ বন্ধুৰ কেমেৰাৰ সমুখত পʼজ দিয়ে। ছবিৰ শ্বুটিং শেষ হ'ল। কাপোৰবোৰ তেওঁ ঘূৰাই দিয়া নাই। ছবিৰ ইউনিটৰ মানুহ তেওঁৰ ঘৰ ওলালগৈ – কাপোৰ বিচাৰি। 'এই কাপোৰবোৰেৰে প্ৰডিউচাৰে কিনো কৰিব ?' – অশ্ৰুসজল নয়নেৰে নায়িকাই প্ৰশ্ন কৰিলে।

'যিয়েই নকৰক, কাপোৰবোৰ দিয়া।'


চকুপানী মচি মচি নায়িকাই কাপোৰবোৰ দিলে। ইউনিটৰ মানুহজনে হিচাপ কৰি চাই দেখে দুযোৰ কাপোৰ নাই।

'বিয়া দুখন আছে। সেই দুখনত পিন্ধিবলৈ দুযোৰ কাপোৰ ৰাখিছো। বিয়া গলেই মই দি থৈ আহিমগৈ।'

এই কাপোৰ প্ৰযোজকে এতিয়াও ঘূৰাই পোৱা নাই।



টিনা মচুদ



প্ৰাঞ্জল শইকীয়া

ফটো : উৎপল দত্ত

## নতুন প্ৰাঞ্জল

প্ৰাঞ্জল। অৰ্থাৎ প্ৰাঞ্জল শইকীয়া। প্ৰাঞ্জলে অসমীয়া ছবিত বহুদিন অভিনয় কৰিলে যদিও উল্লেখযোগ্য চৰিত্ৰত অভিনয় কৰাৰ বিশেষ সুবিধা এতিয়ালৈকে পোৱা নাই। অন্ততঃ যিসকলে প্ৰাঞ্জলৰ মঞ্চাভিনয় দেখিছে, তেওঁলোকে প্ৰাঞ্জলৰ ছবিৰ অভিনয় চাই সুখী হ'ব পৰা নাই।

সম্পাদনাৰ মেজত থকা এখন ছবিত প্ৰাঞ্জলে কৰা অভিনয়ে দৰ্শকক সন্তুষ্ট কৰিব পাৰিব বুলি আশা কৰিব পাৰি। ছবিৰ নাম 'একত্ৰিছ জুন', পৰিচালক ভাস্কৰ বৰা। এক আত্মবিভোৰ, খেয়ালী অধ্যাপকৰ চৰিত্ৰত প্ৰাঞ্জলে অভিনয় কৰা এই ছবিখন প্ৰেমকেন্দ্ৰিক ফেন্টাছি ছবি। এই প্ৰথম অসমীয়া ফেন্টাছি ছবিখনে প্ৰাঞ্জলৰ কেৰিয়াৰৰ গ্ৰাফ সলনি কৰি দিব বুলি আশা কৰা যায়।

## মডেলিঙৰ পৰা অভিনয়লৈ

টিনা মাচুদ। মডেল হিচাপে এওঁ উৎপল দত্তৰ কেমেৰাৰ সমুখত থিয় হৈছিল 'শ্ৰীময়ী' আলোচনীৰ ফিচাৰৰ বাবে। পিছত একেখন আলোচনীৰ বিজ্ঞাপনৰ বাবেও মডেলিং কৰিছিল একেগৰাকী ফটোগ্ৰাফাৰৰ লগত। অন্য এটি প্ৰসংগত টিনাৰ ফটো ছপা হৈছিল অইন এখন আলোচনীত।

'পানী' ছবিৰ পৰিচালক প্ৰফুল্ল শইকীয়াই তেওঁৰ ছবিৰ বাবে অভিনেত্ৰী এগৰাকী বিচাৰি আছিল। আলোচনীৰ পাতত টিনাৰ ফটো দেখি প্ৰফুল্ল শইকীয়াৰ চকু ৰৈ গ'ল। আৰু ফলাফল, 'পানী' ছবিৰ এটি চৰিত্ৰত টিনাৰ অভিনয়। এই কথা প্ৰচাৰ হোৱাৰ পিছত মডেলিং কৰিবলৈ বহু যুৱতী আগবাঢ়ি আহিছে।

## মুক্তিৰ অপেক্ষাত

অসমৰ চিত্ৰ সাংবাদিকৰ হাতত খবৰ নাথাকিলেই এটা সংবাদ লেখাটো নিয়মত পৰিণত হৈছে – 'মুক্তিৰ অপেক্ষাত থকা অসমীয়া ছবি' এই শিৰোনামাৰ সংবাদত এনেদৰে লেখা হয় – অহা শাৰদীয় পূজাৰ সময়ত ছবিখনে মুক্তিলাভ কৰাৰ কথা। ইয়াৰ কাৰণ হ'ল সাধাৰণতেই ভালেকেইখন ছবি মুক্তিৰ অপেক্ষাত থাকে আৰু সকলোৱে পূজাৰ সময়তেই ছবিক ৰূপালী পৰ্দালৈ আনিবলৈ ভাল পায়।

ড° ভবেন্দ্ৰনাথ শইকীয়াই এই নিয়ম নামানি 'সন্ধ্যাৰাগ'ক মুক্তি দিছিল বাৰিষাৰ সময়ত। তেখেতৰ শেহতীয়া ছবি 'সাৰথি'কো বাৰিষাৰ আগে আগে মুক্তি দিবলৈ ঠিৰাং কৰিছে। এই মে মাহৰ শেষৰ সপ্তাহত ছবিখনে ৰূপালী পৰ্দা উজ্জ্বলাই তোলাৰ কথা।

# অশ্বডিম্ব বা 'ঘোঁৰাৰ ডিমা'

ড° ভূপেন্দ্রনাৰায়ণ ভট্টাচাৰ্য

## প্ৰথম পৰ্ব

নায়কে ৰাস্তাৰে নাচি নাচি গান গাই আহি আছে। গানৰ অৰ্থ একো বুজা নাযায় আৰু উলিয়াবলৈ চেষ্টা কৰাটোৱো একপ্ৰকাৰ বলিয়ালি মাত্ৰ। কাৰণ, গীতৰ নামত কিছুমান চিনেমা আৰু হিৰো-হিৰোইনৰ নামহে। কিন্তু এক উত্তাল তৰঙ্গৰ এক আৱহ-সংগীতৰ মাধ্যমেৰে শ্ৰোতাক বিভ্ৰান্ত কৰাৰ মছলা তাত সানি দিয়া হৈছে। চিনেমাৰ নায়ক যুৱকে নচা নাচটো আফ্ৰিকাৰ 'হাক্কা' শৈলীৰ কিন্তু পিন্ধনত জিনছ। যিটো হাক্কা নৃত্যৰ পোছাক নহয়। যুৱতী অৰ্থাৎ নায়িকা এজোপা পত্ৰ-পুষ্প বিকশিত গছৰ ফেৰেকা ডালত শুই আছে। পিন্ধনত হটপেন্ট আৰু উদৰ বিৱস্ত্ৰ এটা ৰঙা ফুটুকা-ফুটুকী ব্লাউজ।

শুই শুই নায়িকাই গছৰ ওপৰত সপোন দেখিছে। আৰু সেই সপোনত নায়কে নায়িকাৰ মুখৰ পৰা ওলোৱা গুণগুণনি শুনি বলিয়াৰ দৰে সেই গুণগুণনিৰ উৎসৰ সন্ধান কৰিছে। হঠাৎ গছৰ ওপৰলৈ চাই দেখে নায়কৰ প্ৰেমিকা। প্ৰেমিকাই গছৰ ওপৰতে 'ফ্লাইয়িং কিছ' কৰিলে। নায়কেও আৱেগত চুলিখিনি লাৰা-চাৰা কৰি এটা গান আৰম্ভ কৰিলে – 'তুম্‌ছে মুঝে পিয়াৰ হেই'। নায়িকাইও কথাটোৰ সঁহাৰি দিবলৈ গালে – 'তুম্‌ছে মুঝে পিয়াৰ নহী'।

তেনেকৈ নায়িকাই ইতিমধ্যে গছৰ খোৰোঙত লুকাল। বলিয়াৰ দৰে নায়কে নায়িকাক বিচাৰি বিচাৰি এদিন হিমালয় পৰ্বতৰ কাঞ্চনজংঘা পালেগৈ। কাঞ্চনজংঘাৰ ওপৰত দেখিলে নায়িকাই প্ৰেমিকৰ নাম স্মৰণ কৰি কৰি কান্দি কান্দি গান এটা গাই আছে – 'তুম কাহা..........?'

গানটোৰ মিউজিকটো মাইকেল জেকছনৰ 'দেনজাৰাছ'ৰ দৰে কৰি দিয়া হৈছে যাতে দৰ্শকৰ মনলৈ এক উত্তেজনা আহি পৰে।

## দ্বিতীয় পৰ্ব

নায়িকাই বিষণ্ণ মনেৰে লেকৰ মাছবোৰৰ ফালে চাই ভবা-চিন্তা কৰি আছে। হঠাৎ পিছফালৰ পৰা এটা সিংহই নায়িকাক খাবলৈ গোজৰণি মাৰি খেদি আহিল। প্ৰথমে নায়িকাই গোজৰণি শুনা নাই। পিছত যেতিয়া সিংহৰ কেশৰ গালত লাগিল তেতিয়াই নায়িকাই চিৎকাৰ কৰি 'বাচাও বাচাও' বুলি অসহায়ভাবে চিঞৰিব ধৰিলে। নায়কে হিৰোহোণ্ডাত উঠি ৰাস্তাৰে গৈ আছিল। সিংহৰ গোজৰণি শুনি নায়কে হিৰোহোণ্ডা ৰখাই লেকৰ পাৰলৈ দৌৰি গ'ল। দেখিলে তাৰ প্ৰেমিকাই অসহায়ভাবে তাৰ নাম স্মৰণ কৰি দৌৰিব লাগিছে। নায়কে তৎক্ষণাৎ পকেটৰ পৰা বেল্টডাল উলিয়াই তিনিকোব মাৰি সিংহক বগৰাই দিলে। তেতিয়া প্ৰেমিকাই আধাঘন্টা ধৰি প্ৰেমিকক প্ৰশংসা কৰি তিনিটা গান গালে (এটা অধ্যাপকৰ অনুপস্থিতিত ক্লাছৰুমত; এটা মাউন্ট এভাৰেষ্ট শৃঙ্গত আৰু আনটো ভাড়া কৰি লোৱা হোটেলৰ এটা কোঠাৰ ভিতৰত)।

## তৃতীয় পৰ্ব

হঠাৎ দেখা গ'ল নায়কৰ ঘৰৰ ওপৰত এখন হেলিকপ্টাৰ। নায়িকাক দুৰ্বৃত্তই পলুৱাই লৈ গৈছে। হেলিকপ্টাৰৰ ভিতৰত তিনিজন দুৰ্বৃত্ত মাজত দস্যু চৰ্দাৰ। চৰ্দাৰে নায়িকাক ধৰ্ষণ কৰিবলৈ চেষ্টা কৰিছে। কিন্তু নায়িকাই হতাশ নহৈ নিজৰ শাড়ীখন হেলিকপ্টাৰেৰে পেলাই দিছে। নায়কে তৎক্ষণাৎ শাড়ীখনত ধৰি উঠি গৈ হেলিকপ্টাৰৰ ভিতৰত সোমালগৈ.............

ওপৰৰ এই ঘটনাপ্ৰবাহ হৈছে এখন সমসাময়িক হিন্দী চিনেমাৰ। দুৰ্ভাগ্যক্ৰমে, ছবিৰ পৰিচালক মোৰ পৰিচিত হোৱা বাবে ময়ো 'প্ৰেছ শ্বো'ত উপস্থিত হবলগীয়া হৈছিল। আঢ়ৈ ঘন্টীয়া ছবিখনৰ প্ৰায় ৪৩ মিনিট যোৱাৰ পাছতেই বিৰক্ত আৰু নিজকে নিজে লজ্জিত হৈ ওলাই আহিলো।

মই ওলাই আহিয়েই দেখিলো পৰিচালকে মোৰ ফালে দৌৰিছে।

ভদ্ৰতা ৰক্ষা কৰিবলৈ ময়ো এনেয়ে হাঁহি দিলো–

আপুনি গুচি আহিল যে? হেলিকপ্টাৰ ফাইটিংটো নাচালে? বুজিছে হেলিকপ্টাৰ ফাইটিঙত বহুত টকা খৰচ কৰিছো। হিৰো আৰু হিৰোইনক তাৰ বাবে কিছু এক্সট্ৰা টকাও দিব লগীয়া হৈছে।

মই – মাফ কৰিব; হত্যা কৰিব খুজিলেও মই আপোনাৰ ছবি চাব নোৱাৰিম।

*পৰিচালক* – আপুনি গলেই দেখোন? প্ৰেছ কন্‌ফাৰেন্স এটেন্দ নকৰে নেকি?

মই – এনেয়ে মূৰৰ বিষ উঠিছেই; প্ৰেছ কন্‌ফাৰেন্স এটেন্দ কৰিব লাগিলে কেইটামান 'এনাছিন' বা 'এছপিৰিন' খাব লাগিব।

*পৰিচালক* – আপোনালোকৰ দৰে এনে দৰ্শকবোৰক লৈয়েতো বৰ সমস্যা। তথাপিও কওকচোন চিনেমা কেনেকুৱা পালে?

মই – ভাল লগা নাই।

*পৰিচালক* – কিয়?

মই – এইবোৰ চিনেমা অশ্বডিম্বৰ ভিতৰত পৰে।

*পৰিচালক* – মই ঠিক বুজা নাই। অশ্বডিম্ব মানেনো কি?

মই – অশ্ব মানে ঘোঁৰা আৰু ডিম্ব মানে কণী অৰ্থাৎ ঘোঁৰাৰ ডিমা বুলিও ক'ব পাৰে।

*পৰিচালক* – ঘোঁৰাই দেখোন কণী নাপাৰে; পোৱালিহে দিয়ে –

মই – কিন্তু চিনেমাখন চাই থাকিলে ঘোঁৰাইও কণী পাৰিব যেন ধাৰণা হয়।

*পৰিচালক* – মইতো সেইটো দেখুওৱা নাই।

মই – দেখুৱাব কিয় লাগে? আপুনি উপস্থাপন কৰা ঘটনা-প্ৰবাহ সকলো অবাস্তৱ। বাস্তৱত ঘোঁৰাই কণী নাপাৰে; কিন্তু পাৰিলে অবাস্তৱ। চিনেমাখনৰ প্ৰতিটো ফ্ৰেমেই অবাস্তৱ। অথচ আপুনি জোৰ-জবৰদস্তি তাত বাস্তৱ বুলি দেখুৱাইছে। সেই একে অৰ্থতে ঘোঁৰাৰ কণীও আপোনাৰ চিনেমাৰ ভাষাত বাস্তৱ।

*পৰিচালক* – ছিঃ আপোনালোক বৰ চিৰিয়াছ।

মই – সেই কাৰণেইতো মোৰ উপলব্ধি হ'ল যে মই এখন অশ্বডিম্ব চাই আছো আৰু একেই কাৰণতেই মই চিনেমা হলৰ পৰা ওলাইও আহিছো। জানেই আমি বাস্তৱকহে বিশ্বাস কৰো।

*পৰিচালক* – আপুনি চাব জনা নাই –

মই – সেই কাৰণেইতো অশ্বডিম্বটো সম্পূৰ্ণ হোৱাৰ আগেয়ে ওলাই আহিলো। ◼

অহা সংখ্যাৰ 'একপৃষ্ঠা'
'সৌৰভ কুমাৰ চলিহাৰ ওচৰত ক্ষমা প্ৰাৰ্থনাৰে'



